UG PH S2 - 01
(DSC / DSE)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এচ; এন. ই. পি ২০২০ অনুসৰি)

দ্বিতীয় ষাণ্মাসিক

ভাৰতীয় দৰ্শন ১

দৰ্শন



সূৰ্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক (অৱসৰপ্ৰাপ্ত) শিৱনাথ শর্মা, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক সৌৰভপ্ৰাণ গোস্বামী, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
শ্রীপ্রদীপ খাটনিয়াৰ, সহযোগী অধ্যাপক, দর্শন বিভাগ, কটন কলেজ

সমন্বয়ৰক্ষী ঃ ড° **ভাস্কৰ ভট্টাচার্য্য**, সহকাৰী অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° **তেজসা কলিতা**, সহকাৰী অধ্যাপিকা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	প্রস্তুতি গোটৰ সদস্য	ভাষান্তৰকাৰী
1	অধ্যাপক, (অৱসৰপ্ৰাপ্ত) শিৱনাথ শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়	মাইনু দেৰী বৰুৱা
2, 5	সীমা বৰুৱা, প্রাগজ্যোতিষ মহাবিদ্যালয়	মাইনু দেৰী বৰুৱা
3, 4	নীলাঞ্জনা শর্মা	মাইনু দেৰী বৰুৱা
6	ড^0 প্রণীতা দেৰী(অবসাৰপ্রাপ্ত) বজালী কলেজ	ড^0 প্রণীতা দেৰী
7	ড^0 ৰূপজ্যোতি দত্ত	ড^0 ৰূপজ্যোতি দত্ত
৮, ৯	কবিতা দলৈ, প্রাগজ্যোতিষ কলেজ	মাইনু দেৰী বৰুৱা
১০, ১১	ড^0 শকুন্তলা বৰা,গুৱাহাটী বিশ্ববিদ্যালয়	মাইনু দেৰী বৰুৱা
১২	ড^0 ভাস্কৰ ভট্টাচার্য্য	ড^0 নমিতা দাস
১৩, ১৪	মিনাক্ষী শর্মাপাঠক	মাইনু দেৰী বৰুৱা
১৫	ড^0 ভাস্কৰ ভট্টাচার্য্য	মাইনু দেৰী বৰুৱা

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড^0 অঞ্জনা নেওগ (অবসাৰপ্রাপ্ত), প্রাগজ্যোতিষ মহাবিদ্যালয়,
ড^0 নীলিমা গোস্বামী(অবসাৰপ্রাপ্ত), আর্য্যবিদ্যাপীঠ কলেজ,
ড^0 যুথিকা দাস(অবসাৰপ্রাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়,
ভাষা সম্পাদনা ঃ ড^0 ৰেখাৰাণী দেৰী, গুৱাহাটী বিশ্ববিদ্যালয়,
গাঁথনিক সম্পাদনা ঃ ড^0 ভাস্কৰ ভট্টাচার্য্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়,
ড^0 তেজসা কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় ।

জানুৱাৰী, ২০২৪

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত,
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্রন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ ভাৰতীয় দৰ্শনৰ প্ৰকৃতি আৰু পৰিসৰ ৭-১৫

ভাৰতীয় দৰ্শনৰ স্বৰূপ বা প্ৰকৃতি আৰু পৰিসৰ।

অধ্যায় ২ ঃ বেদৰ মৌলিক দাৰ্শনিক ধাৰণাসমূহঃ ঋত, আস্তিকতাবাদৰ ক্ৰম বিকাশৰ স্তৰসমূহ ১৬-৩০

'ঋত',আস্তিকতাবাদ নাইবা ঈশ্বৰবাদ আৰু ইয়াৰ ভিন্ন প্ৰকাৰ, বহুইশ্বৰবাদ, একৈকাধিদেৱবাদ, একেশ্বৰবাদ, অতিবৰ্তী ঈশ্বৰবাদ, অদ্বৈতবাদ, সৰ্বেশ্বৰবাদ, সৰ্বধৰেশ্বৰবাদ,আত্ম-ঈশ্বৰবাদ।

অধ্যায় ৩ ঃ গীতাৰ কৰ্মযোগ ৩১-৪০

গীতা কি, গীতাৰ কৰ্মযোগৰ মতামত, নিষ্কাম কৰ্মৰ ধাৰণাৰ ব্যাখ্যা, নিষ্কাম কৰ্মঃ আধিবৈজ্ঞানিক আৰু জ্ঞান বিজ্ঞান সম্বন্ধীয় ধাৰণা, প্ৰবৃত্তি আৰু নিবৃত্তি, স্বধৰ্ম, মোক্ষঃ মানৰ জীৱনৰ চৰম তথা-সৰ্বোচ্ছ লক্ষ্য, গীতাৰ কৰ্মযোগ আৰু কাণ্টৰ কৰ্তব্যমূল নৈতিক মতবাদ।

অধ্যায় ৪ ঃ ভাৰতীয় দৰ্শনৰ শাখা বা সম্প্ৰদায়সমূহৰ আস্তিক আৰু নাস্তিক বিভাজন ৪১-৫৭

আস্তিক আৰু নাস্তিক সম্প্ৰদায়সমূহ।

অধ্যায় ৫ ঃ চাৰ্বাক জ্ঞানমীমাংসা বা জ্ঞানবিদ্যা ৫৮-৬৯

আকস্মিকতাবাদ আৰু প্ৰকৃতিবাদ, অনুমানৰ অগ্ৰাহ্যকৰণ আৰু বেদৰ প্ৰামাণ্যতা অগ্ৰাহ্যকৰণ।

অধ্যায় ৬ ঃ চাৰ্বাক ঃ তত্ত্ববিদ্যা বা অধিবিদ্যা ৭০-৮৩

চাৰ্বাক ঃ তত্ত্ববিদ্যা আৰু তত্ত্বমীমাংসা, চাৰ্বাক ঃ দৰ্শনৰ আত্মা আৰু চেতনাৰ ধাৰণা, চাৰ্বাক ঃ দেহাত্মাবাদৰ সপক্ষে যুক্তি, চাৰ্বাক ঃ দেহাত্মাবাদৰ বিপক্ষে যুক্তি, চাৰ্বাক ঃ ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ, চাৰ্বাক ঃ স্বভাৱবাদ, চাৰ্বাক ঃ কৰ্মবাদ আৰু পুনৰ্জন্মবাদ অস্বীকাৰ, চাৰ্বাক ঃ মুক্তিৰ ধাৰণাৰ বিপক্ষে যুক্তি।

অধ্যায় ৭ ঃ বৌদ্ধ দৰ্শন ঃ চাৰিটা আৰ্যসত্য ৮৪-৯৫

বুদ্ধ দৰ্শনৰ সংক্ষিপ্ত বিৱৰণ, চাৰিটা আৰ্যসত্যৰ ধাৰণা, দুখ আছে, দুখৰ কাৰণ আছে, প্ৰতীত্যসমূৎপাদবাদ, দুখৰ নিবৃত্তি আছে, নিৰ্বাণৰ ধাৰণা, দুখ নিবৃত্তিৰ উপায়।

অধ্যায় ৮ ঃ বৌদ্ধ দৰ্শন ঃ ক্ষণিকবাদ ৯৬-১০৫

বৌদ্ধদৰ্শনৰ সাধাৰণ ধাৰণা, প্ৰতীত্যসমুৎপাদবাদ, ক্ষণিকবাদৰ ধাৰণা, ক্ষণিকবাদৰ সমালোচনা, অনাত্মাবাদৰ চমু আভাস।

অধ্যায় ৯ ঃ বৌদ্ধ দর্শন ঃ নির্বাণৰ ধাৰণা **১০৬-১১৬**

বৌদ্ধদর্শনৰ ওপৰত এক চমু আলোকপাত, চাৰি আর্য্যসত্যৰ ধাৰণা, **১**ম আর্য্যসত্য, **২**য় আর্য্যসত্য, **৩**য় আর্য্যসত্য, ৪র্থ আর্য্যসত্য, নির্বানৰ ধাৰণা।

অধ্যায় ১০ঃ বৌদ্ধদর্শনৰ বস্তুবাদী বা বাস্তৱবাদী সম্প্রদায়সমূহঃ বৈভাষিক, সৌত্রান্তিক **১১৭-১৩০**

সর্বস্তিবাদ নাইবা বৈভাষিক, ধর্ম মতবাদ, ‘সকলো অস্তিত্বশীল’ মতবাদ, অনাত্মাবাদ, সৌত্রান্তিক, ক্ষনিকবাদ, স্কন্ধমাত্র, নির্বাণ।

অধ্যায় ১১ ঃ বৌদ্ধ দর্শনৰ ভাৱবাদী বা আদর্শবাদী শাখাসমূহঃ মাধ্যমিক আৰু যোগাচাৰ **১৩১-১৪২**

মাধ্যমিক বা শূন্যবাদ ঃ নার্গাজুন, বাহ্যিক জগতৰ অসত্যতা, পৰম সত্য বা পৰম সত্ত্বা,যোগাচাৰ, কেৱল ধাৰণাৰ অস্তিত্ব (বিজ্ঞপ্তিমাত্র), সঞ্চিত বিবেচনাশক্তি বা বোধ, স্বভাৱৰ তিনিটা প্রকাৰ

অধ্যায় ১২ ঃ জৈন দর্শন ঃ স্যাৎবাদ সম্পর্কীয় মতবাদ **১৪৩-১৫২**

জৈন দর্শনৰ চমু পৰিচয়, জৈন দর্শনৰ জ্ঞানবিজ্ঞান, জৈন দর্শনৰ অধিবিদ্যা, স্যাৎবাদ বা “সপ্তভংগী নয়”, স্যাৎবাদৰ সমালোচনা।

অধ্যায় ১৩ ঃ জৈন দর্শন ঃ অনেকান্তবাদ **১৫৩-১৬২**

অনেকার্ন্তবাদৰ অভিধানিক অর্থ, অনেকান্তবাদৰ সন্দর্ভত পৰিবর্তনৰ ব্যাখ্যা, এটা বস্তুৰ সদর্থক আৰু নঞার্থক বৈশিষ্ট্যৰ ব্যাখ্যা, এটা বাস্তৱ উদাহৱনেৰে সৈতে অনেকান্তবাদৰ বোধ, একান্তবাদ।

অধ্যায় ১৪ ঃ জৈন অধিবিদ্যা বা জৈন পৰাবিদ্যা **১৬৩-১৭৪**

জৈন পৰাবিদ্যা কি? জৈন দর্শনত দুটা গুৰুত্বপূর্ণ ধাৰণা, দ্রব্য, আত্মা বা জীৱ, আজীৱ।

অধ্যায় ১৫ ঃ ন্যায় ঃ প্রমাৰ ধাৰণা **১৭৫-১৮৬**

প্রমাৰ সংজ্ঞা, ন্যায় ঃ জ্ঞানৰ উৎসসমূহ, প্রত্যক্ষ, অনুমান, উপমান, শব্দ বা আপ্তবাক্য।

পাঠ্য বিষয়ৰ পৰিচয়

এই পাঠ্য বিষয়টিয়ে আপোনাক ভাৰতীয় দৰ্শনৰ সৈতে পৰিচয় কৰাই দিব। ভাৰতীয় দৰ্শনে বিভিন্ন সম্প্ৰদায়ৰ মাধ্যমেদি কেনেকৈ পৰম সত্তাক উপলব্ধি কৰিব পাৰি সেই বিষয়ে আমাক সবিশেষ তথ্য দাঙি ধৰে। সেয়ে, ভাৰতীয় দৰ্শনক মূলতঃ আধ্যাত্মিক বুলি জনা যায়। ভাৰতীয় দৰ্শনে আপোনাক দৰ্শনৰ দুটা প্ৰধান শাখা (সম্প্ৰদায়) নাস্তিক আৰু আস্তিক দৰ্শনৰ লগত পৰিচিত কৰাব। নাস্তিক সম্প্ৰদায়ত আপোনালোকে চাৰ্বাক, জৈন আৰু বৌদ্ধ দৰ্শনৰ বিষয়ে জানিব পাৰিব আৰু আস্তিক শাখাত আপোনালোকে ক্ৰমে ন্যায়, বৈশেষিক, সাংখ্য, যোগ, মীমাংসা আৰু বেদান্ত দৰ্শনৰ বিষয়ে জানিব পাৰিব।

আস্তিক সম্প্ৰদায় বুলি ক'লে বেদৰ কৰ্তৃত্বক স্বীকাৰ কৰাটোকে বুজায়। আনহাতে নাস্তিক সম্প্ৰদায় বুলি ক'লে বেদৰ কৰ্তৃত্বক স্বীকাৰ নকৰাটোকে বুজায়। গতিকে আস্তিক আৰু নাস্তিক সম্প্ৰদায় ভগৱান বা ঈশ্বৰ বিশ্বাসৰ ভিত্তিত গঢ়ি উঠা নাই। সেয়েহে চমুকৈ ক'ব পাৰি যে ভাৰতীয় দাশনিক সম্প্ৰদায়সমূহে পৰম সত্তাক মানৰ জীৱনত উপলব্ধি কৰাৰ বাবে বিভিন্ন পথৰ সন্ধান দিছে। ভাৰতীয় দৰ্শন সম্পৰ্কে জনাৰ সুবিধাৰ্থে এই পাঠ্য বিষয়টিত আস্তিক আৰু নাস্তিক সম্প্ৰদায়সমূহ সন্নিবিষ্ট কৰা হৈছে। ইয়াত ছয়টা অধ্যায় সন্নিবিষ্ট কৰা হৈছে। এই পাঠ্যবিষয়টি পোন্ধৰতা অধ্যায় সন্নিবিষ্ট কৰা হৈছে।

প্ৰথম আধ্যায়টো হ'ল 'ভাৰতীয় দৰ্শনৰ প্ৰকৃতি আৰু পৰিসৰ'। এই আধ্যায়ত সন্নিবিষ্ট বিষয়সমূহ হ'ল ঃ ভাৰতীয় দৰ্শনৰ স্বৰূপ বা প্ৰকৃতি আৰু পৰিসৰ।

দ্বিতীয় অধ্যায়টো হ'ল **'বেদৰ মৌলিক দাৰ্শনিক ধাৰণাসমূহঃ ঋত, আস্তিকতাবাদৰ ক্ৰম বিকাশৰ স্তৰসমূহ'। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমূহ হ'লঃ** 'ঋত',আস্তিকতাবাদ নাইবা ঈশ্বৰবাদ আৰু ইয়াৰ ভিন্ন প্ৰকাৰ,বহুইশ্বৰবাদ, একৈকাধিদেৱবাদ, একেশ্বৰবাদ, অতিবৰ্তী ঈশ্বৰবাদ, অদ্বৈতবাদ, সৰ্বেশ্বৰবাদ, সৰ্বধৰেশ্বৰবাদ,আৰু আত্ম-ঈশ্বৰবাদ।

তৃতীয় অধ্যায় হ'ল **' গীতাৰ কৰ্মযোগ'। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** গীতা কি, গীতাৰ কৰ্মযোগৰ মতামত, নিষ্কাম কৰ্মৰ ধাৰণাৰ ব্যাখ্যা, নিষ্কাম কৰ্মঃ আধিবৈজ্ঞানিক আৰু জ্ঞান বিজ্ঞান সম্বন্ধীয় ধাৰণা, প্ৰবৃত্তি আৰু নিবৃত্তি, স্বধৰ্ম, মোক্ষঃ মানৰ জীৱনৰ চৰম তথা-সৰ্বোচ্ছ লক্ষ্য, আৰু গীতাৰ কৰ্মযোগ আৰু কাণ্টৰ কৰ্তব্যমূল নৈতিক মতবাদ।

চতুৰ্থ অধ্যায় হ'ল **'ভাৰতীয় দৰ্শনৰ শাখা বা সম্প্ৰদায়সমূহৰ আস্তিক আৰু নাস্তিক বিভাজন' এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** আস্তিক আৰু নাস্তিক সম্প্ৰদায়সমূহ ।

পঞ্চম অধ্যায় হ'ল **'চাৰ্বাক জ্ঞানমীমাংসা বা জ্ঞানবিদ্যা'। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** আকস্মিকতাবাদ আৰু প্ৰকৃতিবাদ, অনুমানৰ অগ্ৰাহ্যকৰণ, আৰু বেদৰ প্ৰামাণ্যতা অগ্ৰাহ্যকৰণ।

ষষ্ঠ অধ্যায় হ'ল **'চাৰ্বাক ঃ তত্ত্ববিদ্যা বা অধিবিদ্যা'। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** চাৰ্বাক ঃ তত্ত্ববিদ্যা আৰু তত্ত্বমীমাংসা, চাৰ্বাক ঃ দৰ্শনৰ আত্মা আৰু চেতনাৰ ধাৰণা, চাৰ্বাক ঃ দেহাত্মাবাদৰ সপক্ষে যুক্তি, চাৰ্বাক ঃ দেহাত্মাবাদৰ বিপক্ষে যুক্তি, চাৰ্বাক ঃ ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ, চাৰ্বাক ঃ স্বভাৱবাদ, চাৰ্বাক ঃ কৰ্মবাদ আৰু পুনৰ্জন্মবাদ অস্বীকাৰ, আৰু চাৰ্বাক ঃ মুক্তিৰ ধাৰণাৰ বিপক্ষে যুক্তি।

সপ্তম অধ্যায় হ'ল **'বৌদ্ধ দৰ্শন ঃ চাৰিটা আৰ্যসত্য'। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমুহ হ'লঃ** বুদ্ধ দৰ্শনৰ সংক্ষিপ্ত বিৱৰণ, চাৰিটা আৰ্যসত্যৰ ধাৰণা, দুখ আছে, দুখৰ কাৰণ আছে, প্ৰতীত্যসমুৎপাদবাদ, দুখৰ নিবৃত্তি আছে, নিৰ্বাণৰ ধাৰণা, আৰু দুখ নিবৃত্তিৰ উপায়।

অষ্টম অধ্যায়টো হ'লঃ **'বৌদ্ধ দৰ্শন ঃ ক্ষণিকবাদ'।** এই অধ্যায়ত থকা বিষয় সমুহ হ'ল- বৌদ্ধদৰ্শনৰ সাধাৰণ ধাৰণা, প্ৰতীত্যসমুৎপাদবাদ, ক্ষণিকবাদৰ ধাৰণা, ক্ষণিকবাদৰ সমালোচনা, আৰু অনাত্মাবাদৰ চমু আভাস।

নৱম অধ্যায় হ'ল ঃ **'বৌদ্ধ দর্শন ঃ নির্বাণৰ ধাৰণা'**। এই অধ্যায়ত থকা বিষয়সমূহ হ'ল- বৌদ্ধদর্শনৰ ওপৰত এক চমু আলোকপাত, চাৰি আর্য্যসত্যৰ ধাৰণা, 1ম আর্য্যসত্য, 2য় আর্য্যসত্য, 3য় আর্য্যসত্য, 4র্থ আর্য্যসত্য, আৰু নির্বানৰ ধাৰণা।

দশম অধ্যায় হ'ল ঃ **'বৌদ্ধদর্শনৰ বস্তুবাদী বা বাস্তৱবাদী সম্প্রদায়সমূহঃ বৈভাষিক, সৌত্রান্তিক'** । এই অধ্যায়ত থকা বিষয় সমুহ হ'ল- সর্বস্তিবাদ নাইবা বৈভাষিক, ধর্ম মতবাদ, 'সকলো অস্তিত্বশীল' মতবাদ, অনাত্মাবাদ, সৌত্রান্তিক, ক্ষনিকবাদ, স্কন্ধমাত্র, আৰু নির্বাণ।

একাদশ অধ্যায় হ'ল ঃ **'বৌদ্ধ দর্শনৰ ভাৱবাদী বা আদর্শবাদী শাখাসমূহঃ মাধ্যমিক আৰু যোগাচাৰ'** । এই অধ্যায়ত থকা বিষয় সমুহ হ'ল- মাধ্যমিক বা শূন্যবাদ ঃ নার্গাজুন, বাহ্যিক জগতৰ অসত্যতা, পৰম সত্য বা পৰম সত্ত্বা,যোগাচাৰ,কেৱল ধাৰণাৰ অস্তিত্ব (বিজ্ঞপ্তিমাত্র), সঞ্চিত বিবেচনাশক্তি বা বোধ, আৰু স্বভাৱৰ তিনিটা প্রকাৰ।

দ্বাদশ অধ্যায় হ'ল ঃ **'জৈন দর্শন ঃ স্যাৎবাদ সম্পর্কীয় মতবাদ'** । এই অধ্যায়ত থকা বিষয় সমুহ হ'ল- জৈন দর্শনৰ চমু পৰিচয়, জৈন দর্শনৰ জ্ঞানবিজ্ঞান, জৈন দর্শনৰ অধিবিদ্যা, স্যাৎবাদ বা "সপ্তভংগী নয়", আৰু স্যাৎবাদৰ সমালোচনা।

ত্রয়োদশ অধ্যায় হ'ল ঃ **'জৈন দর্শন ঃ অনেকান্তবাদ'।** এই অধ্যায়ত থকা বিষয় সমুহ হ'ল- অনেকান্তবাদৰ অভিধানিক অর্থ, অনেকান্তবাদৰ সন্দর্ভত পৰিবর্তনৰ ব্যাখ্যা, এটা বস্তুৰ সদর্থক আৰু নঞৰ্থক বৈশিষ্ট্যৰ ব্যাখ্যা, এটা বাস্তৱ উদাহৰনেৰে সৈতে অনেকান্তবাদৰ বোধ, আৰু একান্তবাদ।

চর্তুদশ অধ্যায় হ'ল ঃ **'জৈন অধিবিদ্যা বা জৈন পৰাবিদ্যা'।** এই অধ্যায়ত থকা বিষয় সমুহ হ'ল- জৈন পৰাবিদ্যা কি ? জৈন দর্শনত দুটা গুৰুত্বপূর্ণ ধাৰণা, দ্রব্য, আত্মা বা জীৱ,আৰু আজীৱ।

পঞ্চদশ অধ্যায় হ'ল ঃ **'ন্যায় ঃ প্রমাৰ ধাৰণা'।** এই অধ্যায়ত অর্ন্তভুক্ত বিষয় সমুহ হ'ল- প্রমাৰ সংজ্ঞা, ন্যায় ঃ জ্ঞানৰ উৎসসমূহ, প্রত্যক্ষ, অনুমান, উপমান, আৰু শব্দ বা আপ্তবাক্য।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আর্হি প্রশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ ভাৰতীয় দৰ্শনৰ প্ৰকৃতি আৰু পৰিসৰ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ভাৰতীয় দৰ্শনৰ স্বৰূপ বা প্ৰকৃতি

১.৪ ভাৰতীয় দৰ্শনৰ পৰিসৰ

১.৫ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

১.৬ অধিক জানিবলৈ

১.৭ অগ্ৰগতিৰ খতিয়ান

১.৮ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতীয় দৰ্শনৰ স্বৰূপ বা প্ৰকৃতি ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- ভাৰতীয় দৰ্শনৰ পৰিসৰ আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

দৰ্শন হৈছে এক চিন্তাৰ বিষয়। ই জগত আৰু আমাৰ জীৱনৰ বিষয়ে কেতবোৰ মৌলিক প্ৰশ্ন উত্থাপন কৰে। সৰল শব্দত দাৰ্শনিক হিচাপে দাৰ্শনিকসকলে যি কৰে সেয়ে দৰ্শন। যিহেতু দাৰ্শনিকসকলো বহু, সেয়ে দৰ্শনো বহু। সেয়ে দৰ্শনৰো এক ব্যাপক ভিন্নতা থকা দেখা যায়। দৰ্শনৰ পদ্ধতিগত দিশ আৰু পৰিণামগত দিশ দুয়োটায়ে আছে। পদ্ধতি হিচাপে সকলো দৰ্শন একত্ৰিত আৰু সেয়ে ইয়াক 'দৰ্শন' শব্দটো বহুবচনৰ ৰূপত ব্যৱহৃত হয়। কিন্তু অন্তিম ফল হিচাপে সেইসমূহ ব্যাপকভাৱে অনুৰূপ আৰু ভিন্ন।

ন-শিকাৰুসকল দৰ্শনত 'ভিন্নতা'ৰ দ্বাৰা বিবুদ্ধিত পৰাৰ প্ৰয়োজন নাই যে জড়বাদী দৰ্শনো আছে আৰু আধ্যাত্মিক দৰ্শনো আছে; বাস্তৱবাদী দৰ্শনো আছে আৰু ভাৱবাদী দৰ্শনো আছে; একেশ্বৰবাদী দৰ্শনো আছে আৰু বহু ঈশ্বৰবাদী দৰ্শনো আছে; অধিবিদ্যামূলক দৰ্শনো আছে আৰু অধিবিদ্যা বিৰোধী দৰ্শনো আছে, ইত্যাদি।

১.৩ ভাৰতীয় দৰ্শনৰ স্বৰূপ বা প্ৰকৃতি

দৰাচলতে, 'দৰ্শন' হৈছে আৰ্হি আৰু গাঁথনিৰ এক গোপন ঐক্যৰ দ্বাৰা চিহ্নিত বৌদ্ধিক কৰ্মৰাজিৰ এক বিশাল ক্ষেত্ৰক দিয়া এক সাধাৰণ নাম। এই গাঁথনিয়ে ইয়াক এক পৰিচয়জ্ঞাপক

নাম বা চিহ্ন প্ৰদান কৰিছে। নাম আৰু বিষয়বস্তুৰ ক্ষেত্ৰত কবিতা আৰু উপন্যাস পৃথক, কিন্তু সিহঁতৰ অপৰিহাৰ্য বিষয় বা সম্পৰ্কৰ দ্বাৰা দুয়ো ঐক্যবদ্ধ। সেয়া হ'ল দুয়োটায়ে কলাসম্বন্ধীয় কৰ্মৰাজি। সাহিত্যৰ ধাৰণাৰ লগত দুয়োৰে সামঞ্জস্য আছে। ঠিক একেদৰে, জ্ঞানবিদ্যা, অধিবিদ্যা নাইবা নীতিবিদ্যা ইয়াৰ নাম আৰু বিষয়বস্তুৰ সন্দৰ্ভত পৃথক, কিন্তু কেতবোৰ অভিজ্ঞতাৰ ব্যাখ্যাকৰণৰ বাবে সিহঁতৰ চিন্তাৰ বিষয়বোৰৰ দ্বাৰা এই সকলো ঐক্যবদ্ধ। সেয়াই হ'ল— দৰ্শন। "অভিজ্ঞতাৰ এক ব্যাখ্যা" হিচাপে ই আমাক দৰ্শনৰ এক মোটামুটি ধাৰণা পাবলৈও সক্ষম কৰি তোলে। ইয়াৰ ওপৰত বিতৰ্কবো সৃষ্টি হ'ব পাৰে, কিন্তু বৰ্তমান আমি ইয়াক গ্ৰহণ কৰিব পাৰো আৰু আগুৱাই যাব পাৰোঁ। মুঠতে, সকলো বৌদ্ধিক কৰ্মৰাজিয়েই অভিজ্ঞতাৰ ব্যাখ্যা। বিজ্ঞানত আমি অনু, পৰমাণু, কোষ, শিল, গছ ইত্যাদিৰ দৰে কিছুমান অভিজ্ঞতাক ব্যাখ্যা কৰোঁ। বাণিজ্যবিদ্যাত আমি উৎপাদন, বিতৰণ, লাভ আৰু লোকচান আদিক ব্যাখ্যা কৰোঁ। দৰ্শনত জ্ঞান, সত্যতা, শ্ৰেয়, সৌন্দৰ্য, পবিত্ৰতা, সুখ, আত্মা, ব্যক্তি ইত্যাদিৰ দৰে অভিজ্ঞতা আৰু ধাৰণাসমূহ ব্যাখ্যা কৰোঁ।

দৰ্শন হৈছে এটা জাতিৰ সংস্কৃতিৰ অংশ। মানৱ জাতিৰ কেতবোৰ মৌলিক অভিজ্ঞতাৰ বিষয়ে এক নিৰ্দিষ্ট সংস্কৃতিৰ লোকসকলে গভীৰভাৱে যি চিন্তা কৰে, সিয়েই তেওঁলোকৰ দৰ্শন। আমি যাক ভাৰতীয় দৰ্শন আখ্যা দিওঁ, সি হৈছে ভাৰতবৰ্ষত গঢ়ি উঠা এক দৰ্শন। ঠিক সেইদৰে আমি গ্ৰীক দৰ্শন, জাৰ্মান দৰ্শন, বৃটিছ দৰ্শন ইত্যাদি বিভিন্ন দৰ্শন দেখিবলৈ পাওঁ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ দৰ্শনত বিচিত্ৰতাসমূহ কি কি?

.....

প্ৰশ্ন নং ২ ঃ আন দেশৰ তিনি দৰ্শনৰ নাম উল্লেখ কৰক।

.....

১.৪ ভাৰতীয় দৰ্শনৰ পৰিসৰ

ভাৰতবৰ্ষৰ বুকুত দৰ্শনৰ এক দীঘলীয়া ইতিহাস আছে। ই বেদসমূহ সৃষ্টিৰ আগেয়ে আৰম্ভ হৈছিল। কিন্তু, মধ্যযুগ নাইবা বৰ্তমান যুগত আমি দেখাৰ দৰে ই সেই সময়ত ইমান সু-সংবদ্ধ আৰু পৰিষ্কাৰ নাছিল। ই প্ৰাকৃতিক। চাৰিওফালে ই একে। আনকি গ্ৰীক দৰ্শন আৰম্ভ হৈছিল বিশ্বজগতৰ মৌলিক বস্তু বা বিষয় সম্পৰ্কে সৰল প্ৰশ্ন উত্থাপনৰ দ্বাৰা। এনেধৰণৰ আটাইতকৈ পৌৰাণিক দৰ্শনে কয় যে "সকলো পানী।" ইয়াক আদিম বুলি জমা যায় যি সঁচাকৈয়ে আছিল। কিন্তু তেতিয়াৰ সময়খিনিক ধৰিলে, ই আছিল এক মহান বৌদ্ধিক সাহস। একেদৰে, ভাৰতীয় ঋষিসকলে জগতৰ জ্ঞানৰ সম্ভাৱনীয়তা সম্পৰ্কে প্ৰশ্নৰ উদ্ৰেক কৰিছিল আৰু কাৰোবাৰ মুঠতে অন্তিম জ্ঞান থাকিব পাৰেনে, সেই বিষয়ত তেওঁলোক নিশ্চিত আছিল। সেই সময়ছোৱাক ধৰিলে, ই আছিল এক মহান সাফল্য। ভাৰতবৰ্ষত এক সন্মানীয় মানৰ দৰ্শন উপনিষদীয়

কালছোৱাতে গঢ়ি উঠিছিল।

উপনিষদক 'বেদান্ত' বুলিও কোৱা হয়, যাৰ অৰ্থ 'বেদৰ শেষ অংশ'। মুঠৰ ওপৰত বৈদিক যুগৰ অন্তিম সময়ছোৱালৈকে উপনিষদসমূহ আছিল আৰু ই আধিবৈজ্ঞানিক বা অতীন্দ্ৰিয় অনুসন্ধানৰ সৰ্বশ্ৰেষ্ঠ সাফল্যৰ নথি আছিল। সমগ্ৰ জগতত এই উপনিষদসমূহ এতিয়াও আধ্যাত্মিক, ৰহস্যময়, ঈশ্বৰবাদী আৰু মধ্যস্থকাৰী দিহা বা উপদেশ হিচাপে সন্মানিত। উপনিষদসমূহ সংখ্যাত এশতকৈ অধিক, কিন্তু দাৰ্শনিক দৃষ্টিকোণৰ পৰা গুৰুত্বপূৰ্ণ উপনিষদৰ সংখ্যা দহ। সেয়া হ'ল— ইশোপনিষদ্ (Is'apanishads); কেনউপনিষদ (Kena-upanishad); কথা-উপনিষদ (Katha upanishads); মুণ্ডক-উপনিষদ (Mundaka); মাণ্ডুক্য উপনিষদ (Ma–ndukya); ঐতৰেয় (Aitareya); তৈতেৰীয় (Taittariya); শ্বেতাশ্বত (Sveta–svatara); বৃহদাৰণ্যক (Brhada–ranyaka) আৰু ছাণ্ডোগ্য উপনিষদ (Cha–ndogya)। আমি ভাৰতীয় দৰ্শন বুলি যাক আখ্যা দিওঁ, সি প্ৰকৃততে এইসমূহ উপনিষদৰ পৰাই উৎপত্তি হৈছে।

ঐতিহাসিক দৃষ্টিকোণৰ পৰা জাতীয় দৰ্শনত আলোকপাত কৰাৰ ই হৈছে এটা মাথোন উপায় বা পথ। উপনিষদ আৰু অ-ঔপনিষদিক উৎসৰ পৰা উদ্ভৱ হোৱা সম্পূৰ্ণ বিকশিত ভাৰতীয় দৰ্শনৰ এক বিচিত্ৰ বৃদ্ধিৰ প্ৰমাণ আছে। ইয়াৰ এক প্ৰাচীন আৰু ভিত্তিমূলক দিশ আছে। ই গভীৰভাৱে পৰম্পৰাৰে বান্ধ খাই আছে। ইয়াত এক যুক্তিমূলক দৃষ্টিভঙ্গী আছে যে পশ্চিমীয়া দৰ্শনৰ লগত ভাৰতীয় দৰ্শনৰ কোনো মিল নাই, ই বিশ্লেষণৰ ক্ষেত্ৰত কম কঠোৰ, ই নিৰ্বিচাৰবাদী, ইয়াৰ বৃদ্ধি স্থবিৰ। এই সকলো সমালোচনা এক ভ্ৰান্ত ধাৰণা আৰু এক অতি ঠেক গণ্ডীৰ পৰা সত্য হ'বও পাৰে। সত্য কথাটো এই যে ভাৰতীয় দৰ্শন পৰম্পৰাৰ বান্ধোনেৰে বান্ধ খাই আছে, বৰঞ্চ ই সম্পূৰ্ণভাৱে আধুনিক; ইয়াৰ কাৰ্য-প্ৰণালী আছে আৰু ইয়াৰ মাজত যুক্তি-তৰ্কৰ বাবে বিশাল অৱকাশ থাকে। ই সুপ্তও নহয়, নাইবা মৃতও নহয়। ই জীৱিত, গতিশীল আৰু বিকশিত। ইয়াৰ এক পৰিপক্ক দৰ্শনৰ সকলো উপাদান আছে— ই ক'ত আৰু কেনেকৈ জন্ম আৰু লালিত-পালিত হৈছে, সি কোনো বিচাৰ্যৰ বিষয় নহয়।

ভাৰতবৰ্ষত ইংৰাজী 'Philosophy' শব্দটোক 'দৰ্শন' (Darshan) বোলা হয়। ইয়াৰ অৰ্থ 'দেখা' বা 'দৃষ্টি'। ই বোধ, উপলব্ধি আৰু জ্ঞানৰ সৈতে সমতুল্য। কেতিয়াবা 'দৰ্শন' শব্দটো এক অতিৰিক্ত শব্দ 'সম্যক' (Samyak)ৰে গুৰুত্ব আৰোপ কৰা হয়। যেতিয়া ইয়াক 'দৰ্শন'ৰ লগত যুক্ত কৰা হয়, তেতিয়া সি হৈ পৰে 'সম্যক্ দৰ্শন' বা 'সম্যক্দৰ্শনম্'। ইয়াক 'বহুল' (comprehensive) বা 'সামগ্ৰিক বোধ', 'সামগ্ৰিক দৃষ্টি' (total vision) আৰু 'সম্পূৰ্ণ উপলব্ধি' (complete realization) হিচাপে অনুবাদ কৰা হয়। ই আংশিক নাইবা আপেক্ষিক বোধ নহয়। ই হৈছে অন্তিম উপলব্ধি, যাৰ ওপৰত আৰু একো নাথাকে। ই হৈছে পৰম স্বজ্ঞা বা প্ৰজ্ঞা নাইবা অৰ্ন্তদৃষ্টি। ভাৰতত দৰ্শনক এক বিশেষ জ্ঞান হিচাপেও গ্ৰহণ কৰে, যিয়ে আমাক মুক্তি প্ৰদান কৰে। ইয়াৰ পৰিবৰ্তে বিজ্ঞানে আমাক বস্তুগত উন্নতি প্ৰদান কৰে।

যেতিয়া ভাৰতীয় দৰ্শনৰ স্বৰূপ বা প্ৰকৃতিৰ সৈতে যোগাযোগ হয়, তেতিয়া কোনো এজন ব্যক্তি আপোনা-আপুনি এই মতামতলৈ আহে যে ই মূলত আধ্যাত্মিক। লোকায়ত দৰ্শন

নাইবা চাৰ্বাক দৰ্শনৰ বাহিৰে ভাৰতীয় দৰ্শনৰ সকলো দাৰ্শনিক সম্প্ৰদায়ে কেতবোৰ বিশেষ বস্তু বা বিষয়ৰ ওপৰত বিশ্বাস কৰে, যিবোৰ আধ্যাত্মিকতাবাদৰ এক অনুসিদ্ধান্ত; যেনে ঃ কৰ্মফল আৰু জীৱনৰ নিৰবিচ্ছিন্নতা। পৰতন্ত্ৰবাদ আৰু প্ৰয়োগবাদৰ নীতি বিজ্ঞানবো আধ্যাত্মিকতাবাদৰ লগত সম্পৰ্ক আছে। আন এক গুৰুত্বপূৰ্ণ দিশ মন কৰিবলগীয়া যে ভাৰতীয় দৰ্শন এক জীৱন কেন্দ্ৰিক দৰ্শন। ইয়াত কেৱল তথ্যভিত্তিক তৰ্কা-তৰ্কিৰ ওপৰত গুৰুত্ব আৰোপ কৰা নহয়। ইয়াৰ বহুল সুখবাদী মূলমন্ত্ৰ আছে। সুখৰ অভিপ্ৰায়ৰ নিৰ্দেশ ইয়াত দিয়া হয়।

জড়বাদক একাষৰীয়াকৈ থৈ দৰ্শন নাইবা ভাৰতীয় দৰ্শনৰ এক বিশাল অংশ আধ্যাত্মিক বা আধ্যাত্মমূলক। ই এনে এক বৈশিষ্ট্য, যিয়ে ভাৰতীয় দৰ্শনক গম্ভীৰতা প্ৰদান কৰিছে। অনুসিদ্ধান্তসমূহ এই দিশৰ পৰাই স্বয়ংভাৱে নিঃসৃত হৈছে। ইয়াৰ লগত এক নৈতিক মাত্ৰাও জড়িত হৈ আছে। ব্যক্তিসকলক তেওঁলোকৰ কৰ্মৰ প্ৰতি সাৱধান হ'বলৈ শিক্ষা দিয়া হয়। সেয়েহে, ই কৰ্তব্য আৰু দায়বদ্ধতাৰ ওপৰত অত্যাধীক হেঁচা আৰোপ কৰিছে। উপনিষদ আৰু গীতাৰ দৰে প্ৰধান দাৰ্শনিক প্ৰবন্ধই ইয়াক এক নতুন ৰূপ প্ৰদান কৰিছে, যি তেওঁলোকৰ বৈদিক অন্তৰ্ভুক্তি নিৰ্বিশেষে অন্যান্য দাৰ্শনিক সম্প্ৰদায়সমূহৰ দ্বাৰা বিকশিত হৈছিল। আনকি তথাকথিত নিৰীশ্বৰবাদী বা নাস্তিক দাৰ্শনিক শাখা বৌদ্ধ আৰু জৈনইও কৰ্মবাদৰ ওপৰত বিশ্বাস কৰিছে। অৰ্থাৎ, যেনে কৰ্ম, তেনে ফল। নৈতিকতা আৰু ধৰ্মৰ ক্ষেত্ৰখনত ই হৈছে কাৰ্যকাৰণবাদৰ উপযুক্ততা। ভাৰতীয় দৰ্শনত ধৰ্ম আৰু নৈতিকতাৰ মাজত অতি কম পাৰ্থক্য থকা দেখা যায়। 'ধৰ্ম' হৈছে 'Religion'ৰ ভাৰতীয় শব্দ আৰু ই বেছিকৈ নৈতিক নীতিৰ দ্বাৰা গঠিত। জীৱনৰ ধাৰাবাহিকতা কৰ্মবাদৰ পৰা প্ৰত্যক্ষভাৱে নিঃসৃত হয়। ভাল কৰ্মৰ বাবে পুৰস্কাৰ পাবলৈ হওঁক নাইবা বেয়া কৰ্মৰ বাবে শাস্তি পাবলৈ হওঁক, এজন ব্যক্তিয়ে মৃত্যুৰ সিপাৰলৈও জীয়াই থাকিব লাগিব। অন্তিম পৰিত্ৰাণ পোৱালৈকে ই চলি থাকে। ইয়াক কোৱা হয় মুক্তি বা মোক্ষৰ অৱস্থা। এই অৱস্থা আৰু তাত উপনীত হোৱাৰ পথৰ ক্ষেত্ৰত বিভিন্ন দাৰ্শনিক সম্প্ৰদায়ৰ বিভিন্ন ধাৰণা আছে। কিছুমান সমালোচকে ভাৱে যে ভাৰতীয় দৰ্শন অ-পাৰ্থিৰ আৰু ই দুখবাদী। ই ভুল বুজাবুজিৰ পৰা উদ্ভৱ হয়। এই কথা সত্য যে বিভিন্ন সম্প্ৰদায়ে এক আকাংক্ষিত আধ্যাত্মিক জীৱনৰ শিক্ষা দিয়ে, কিন্তু এক সুস্থ জাগতিক জীৱনৰ প্ৰতি ক্ষতি নহয়। মুঠতে ই এক অতি সন্তুলিত অভিগমন। ই প্ৰত্যেক ব্যক্তিৰ বাবে চাৰিটা লক্ষ্য আগবঢ়াইছে। সেয়া হ'ল— ধৰ্ম (religion/morality), অৰ্থ (material possession), কাম (pleasure) আৰু মোক্ষ (moksha)। এই সকলোবোৰ এজন ব্যক্তিৰ জীৱনৰ সঠিক স্তৰত ৰোপণ কৰিব লাগিব। সেই কাৰণে, এই জগতখনক কোনোপধ্যে অৱমাননা কৰিব নোৱাৰি। আকৌ, দুখবাদে মানুহৰ দুখ-যান্ত্ৰণাক নিৰ্দেশ কৰে। কিন্তু এই নিৰ্দেশনা বিশেষকৈ বৌদ্ধ আৰু সাংখ্য দৰ্শনত হৈছে কেৱল প্ৰস্থানৰহে এক দিশ। অৰ্থাৎ, দুখ জীৱনৰ এক চিৰন্তন সত্য আৰু মানুহে ইয়াৰ বিৰুদ্ধে দাৰ্শনিকভাৱে যুঁজ দিব লাগে। সেইবাবে, দুখবাদ (perrimism) ভাৰতীয় দৰ্শনৰ কেৱল এক আৰম্ভণিতহে দেখা যায়, কিন্তু ইয়াক অতিক্ৰম কৰি মোক্ষ লাভ কৰাটোহে ইয়াৰ মূল উদ্দেশ্য। সেয়ে, ভাৰতীয় দৰ্শন স্বৰূপতঃ আশাবাদী দৰ্শনহে।

ভাৰতীয় দৰ্শনক আস্তিক (orthodox) আৰু নাস্তিক (heterodox), এই দুই শাখাত

বিভক্ত কৰা হৈছে। দাৰ্শনিক সম্প্ৰদায়সমূহৰ বেদৰ প্ৰতি থকা আনুগত্যতাৰ দ্বাৰাই ইয়াক নিৰ্ণয় কৰা হয়। 'বেদ' শব্দৰ অৰ্থ 'জ্ঞান'। সেয়ে, যাক আমি 'বেদ' আখ্যা দিওঁ, সি হৈছে অভিজ্ঞতা, জ্ঞান আৰু অতীজৰ ভাৰতীয় দাৰ্শনিকসকলৰ উচ্চাকাংক্ষাৰ এক সমষ্টি। তেওঁলোকক কোৱা হয় ঋষি জ্ঞানী ব্যক্তি। কৌশলগতভাৱে বেদৰ কোনো লেখক বা ৰচোঁতা নাই। কিছুমান পয়গম্বৰ বা সত্যদ্ৰষ্টা ঋষি-মুনিৰ তাৎপৰ্যমূলকভাৱে সত্যতাৰ দ্বাৰা প্ৰকাশিত হয় আৰু তেওঁলোকে জ্ঞান লাভ কৰে আৰু তাক তেওঁলোকৰ উত্তৰপুৰুষৰ হকে প্ৰেৰণ কৰে। উপনিষদসমূহ বেদৰ কেৱল শেষৰ অংশ। ভাৰতীয় জড়বাদ (চাৰ্বাক) বেদ বিৰোধ। সেয়ে, ইয়াক ভাৰতীয় দৰ্শনৰ নাস্তিক সম্প্ৰদায় বোলা হয়। এই সন্দৰ্ভত, 'আস্তিক' আৰু 'নাস্তিক'য়ে ঈশ্বৰবিশ্বাসী আৰু ঈশ্বৰ অবিশ্বাসীক বুজোৱা নাই; ই কেৱল বেদৰ অনুসৰণ কৰা আৰু নকৰাক বুজাইছে। উদাহৰণ হিচাপে, মহাযান বৌদ্ধ দৰ্শনে ঈশ্বৰক বিশ্বাস কৰে, আৰু তথাপিও ইয়াৰ বেদবিৰোধী প্ৰকৃতিৰ বাবে ই এক নাস্তিক সম্প্ৰদায় হিচাপে স্বীকৃত।

নাস্তিক দাৰ্শনিক সম্প্ৰদায় মুঠ তিনিটা। সেয়া হৈছে চাৰ্বাক (লোকায়ত, জড়বাদ); বৌদ্ধ আৰু জৈন। চাৰ্বাক হৈছে জড়বাদ, সুখবাদ আৰু সাধাৰণ অৰ্থত বাস্তৱবাদৰ ভাৰতীয় বৃত্তান্ত। গুৰু বৃহস্পতি নামৰ এজন ঋষিৰ মূলমন্ত্ৰত এই দৰ্শনৰ আভাস পোৱা যায়। বৌদ্ধ দৰ্শন গৌতম বুদ্ধ আৰু জৈন দৰ্শন মহাবীৰৰ শিক্ষা নাইবা মূলমন্ত্ৰৰ ওপৰত ভিত্তিশীল। এই তিনিটা নাস্তিক দাৰ্শনিক সম্প্ৰদায়ৰ বিপৰীতে ছয়টা প্ৰধান ভাৰতীয় দাৰ্শনিক শাখা বা সম্প্ৰদায় আছে, যাক কোৱা হয় আস্তিক দাৰ্শনিক সম্প্ৰদায়। এইকেইটা আস্তিক ঈশ্বৰ বিশ্বাসী বুলি নহয়, ৰৰঞ্চ বেদৰ আনুগত্য স্বীকাৰ কৰাৰ বাবে এইকেইটা সম্প্ৰদায়ক আস্তিক বোলা হয়। সাংখ্য দৰ্শনে ঈশ্বৰৰ অস্তিত্ব বিশ্বাস নকৰে। আনহাতে মীমাংসাৰ ঈশ্বৰৰ ধাৰণা অস্পষ্ট। কিন্তু দুয়োটা দাৰ্শনিক সম্প্ৰদায়ে আস্তিক। এই ছয়টা ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ক একেলগে 'ষড়দৰ্শন' বোলা হয়। সেইকেইটা হ'ল— ন্যায় (গৌতমৰ), যোগ (পতঞ্জলিৰ), মীমাংসা (জৈমিনীৰ) আৰু বেদান্ত (বাদ্ৰায়ণৰ)। এই ছটা দাৰ্শনিক সম্প্ৰদায় পুনৰ দুটা শাখাত বিভক্ত। সেয়ে, ন্যায়-বৈশেষিক, সাংখ্য-যোগ আৰু মীমাংসা-বেদান্ত হৈছে সংযুক্ত দৰ্শন। এই যুঠিবোৰৰ এটাই দৰ্শনৰ এটা দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে আনটোৱে এক দিশৰ ওপৰত জোৰ দিয়ে। দুয়োটা মিলি দৰ্শনৰ এক সামগ্ৰিক ৰূপ প্ৰদান কৰে। সেয়ে ন্যায় তৰ্কবিদ্যাই বৈশেষিকৰ অধিবিদ্যাক সমৰ্থন কৰে। সাংখ্য হৈছে যোগৰ ব্ৰহ্মাণ্ডতত্ত্ব আৰু যোগ হৈছে সাংখ্যৰ মনস্তত্ত্ব। মীমাংসা বেদৰ কৰ্মকাণ্ডৰ লগত জড়িত আৰু বেদান্ত জড়িত ইয়াৰ জ্ঞানকাণ্ডৰ সৈতে।

ভাৰতীয় দৰ্শনৰ মৌলিক পাৰ্থক্যবোধক চিহ্ন ইয়াৰ ব্যৱহাৰিক দিশটো। ই হৈছে অৰ্থপূৰ্ণ জীৱনৰ এক পথপ্ৰদৰ্শক। ই তথ্যভিত্তিক নহয়। ই সম্পূৰ্ণৰূপে কল্পনাশীল নহয়। ইয়াৰ এক শক্তিশালী প্ৰয়োগবাদী দিশ আছে।

অন্যান্য দৰ্শনৰ দৰেই ভাৰতীয় দৰ্শনেও দৰ্শনৰ মৌলিক উপাদানসমূহক সামৰি লয়। ইয়াৰ নিজস্ব তৰ্কবিজ্ঞানো আছে। ভাৰতবৰ্ষৰ আটাইতকৈ পৰম্পৰাগত তৰ্কবিজ্ঞানৰ উল্লেখ দেখিবলৈ পোৱা যায় ন্যায় দৰ্শন, বৌদ্ধ দৰ্শন আৰু মীমাংসা দৰ্শনত। দীনাংগ, প্ৰভাকৰ আৰু

গণেশ হৈছে বিখ্যাত তৰ্কবিদ। ইয়াৰ বৈশেষিক দৰ্শনত পৰমাণুবাদ, সংখ্যাত ইয়াৰ ক্ৰমবিকাশমূলক অধিবিদ্যা আৰু বেদান্তত আধ্যাত্মিক অধিবিদ্যা যিকোনো ঠাইৰ যিকোনো অধিবিদ্যাৰ প্ৰতিদ্বন্দী। ঠিক সেইদৰে বৌদ্ধ, জৈন আৰু বেদান্ত দৰ্শনে প্ৰয়োগিক নীতিবিজ্ঞানৰ বিকাশ ঘটাইছে। এই সকলোবোৰ মূলতঃ মানৰ জীৱন সম্বন্ধীয়। ভাৰতবৰ্ষৰ ইতিহাসত বহু আগেয়ে প্ৰয়োগিক নীতি বিজ্ঞানৰ আবিৰ্ভাৰ হৈছিল।

ভাৰতীয় দৰ্শনৰ পৰিসৰ সৃষ্টিসম্বন্ধীয়, বিশ্বব্যাপী আৰু সামাজিক। ই জীৱন আৰু জগতৰ জড়বাদী ব্যাখ্যাবো বিকাশ ঘটাইছে। চাৰ্বাক দৰ্শন ইয়াৰে এক উৎকৃষ্ট নিদৰ্শন। ইয়াক ভাৰত আৰু ভাৰতবাসীৰ এক বিশেষ গুণ হিচাপে গ্ৰহণ কৰিব নোৱাৰি। আধ্যাত্মিকতাবাদ এক মানৰ প্ৰপঞ্চ আৰু ইয়াক সকলোতে প্ৰচুৰভাৱে পাব পৰা যায়। সেই কাৰণে, আধ্যাত্মবাদক যিকোনো দৰ্শনৰ দুৰ্বলতা বা শক্তিৰূপে নিৰ্দেশ কৰিব নোৱাৰি। ভাৰতীয় দৰ্শন এক জীৱিত সত্তা। ৰাধাকৃষ্ণণ, কে.চি. ভট্টাচাৰ্য, অৰবিন্দ, বিবেকানন্দ, ৰবীন্দ্ৰ নাথ ঠাকুৰ, বি.এন. শীল, জে.এন. মোহান্তি আদিৰ দৰে দাৰ্শনিকসকলে ইয়াৰ ব্যাখ্যা কৰিছে আৰু ভাৰতীয় দৰ্শনৰ মূল সৃষ্টিসমূহক সমৃদ্ধ কৰিছে আৰু লগতে ইয়াৰ মানক এক প্ৰশংসনীয় উচ্চতালৈ উন্নিত কৰিছে। ভাৰতীয় দৰ্শন নিৰবচ্ছিন্ন আত্ম-আবিষ্কাৰ আৰু অভিযোজনৰ প্ৰক্ৰিয়া।

নিষ্ঠাবান ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক বিশেষ বৈশিষ্ট্যসূচক বিষয় আছে। সেয়া হৈছে "ভাৰতীয় দৰ্শন" শব্দটো নিজে। যেতিয়া ভাৰতীয়সকলে ভাৰতৰ বুকুত উদ্ভূত দৰ্শনক ভাৰতীয় বুলি চিহ্নিত কৰে, তেনেক্ষেত্ৰত তেওঁলোকে নিজকে দৰ্শনৰ প্ৰক্ৰিয়াৰ পৰা বিচ্ছিন্ন কৰে। কিন্তু ইয়াক দৰ্শন হিচাপেহে ভৰাটো উচিত, ভাৰতীয় দৰ্শন হিচাপে নহয়। তেনে নকৰিলে তেওঁলোকে এই কথা ভবাৰ অৱকাশ পায় যে তেওঁলোকে যি কৰি আছে, সেয়া ভাৰতীয় আৰু 'দৰ্শন' আন এটি বিষয় অৰ্থাৎ আন ঠাইত উদ্ভূত দৰ্শন (পাশ্চাত্য)। কিছু নিদৃষ্ট ক্ষেত্ৰত 'দৰ্শন'ক ভাৰতীয় দৰ্শন হিচাপে নিৰ্দেশ কৰা হয় যদিও, বেছিভাগ সময়ত এনে বক্তব্য তুলুঙা আৰু ভাৰতত দৰ্শনৰ সৃজনশীলতাৰ বাবে ক্ষতিকাৰক। আমি 'দৰ্শন'ক 'দৰ্শন' বুলিয়েই ক'ব লাগে। আমি ইয়াক বাস্তৱবাদ, ভাববাদ, একেশ্বৰবাদ, বহুঈশ্বৰবাদ, সুখবাদ, মানৱতাবাদ হিচাপে পৰিপ্ৰেক্ষিত অনুযায়ী নাম দিব পাৰো।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ 'বেদান্ত'ৰ অৰ্থ লিখক।

.....

প্ৰশ্ন নং ৪ ঃ তিনিখন উপনিষদৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৫ ঃ 'Philosophy' শব্দটোৰ অৰ্থ লিখক।

.....

প্ৰশ্ন নং ৬ ঃ চমুকৈ দৰ্শন আৰু বিজ্ঞানৰ এক পাৰ্থক্য আগবঢ়াওক।

.....

প্ৰশ্ন নং ৭ ঃ 'বেদ' শব্দৰ অৰ্থ লিখক।

.....



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নাম আৰু বিষয়বস্তুৰ ক্ষেত্ৰত জ্ঞানবিদ্যা, অধিবিদ্যা নাইবা নীতিবিদ্যা বেলেগ হয়, কিন্তু, এই সকলোবোৰ কেতবোৰ অভিজ্ঞতাৰ ব্যাখ্যাৰ বাবে সিহঁতৰ অপৰিহাৰ্য সম্পৰ্কৰ দ্বাৰা একত্ৰিত হয়। সেয়া হ'ল দৰ্শন। ই আমাক 'অভিজ্ঞতাৰ ব্যাখ্যা' হিচাপে দৰ্শনৰ এক মোটামুটি ধাৰণালৈ লৈ যায়।
- গ্ৰীক দৰ্শন বিশ্বজগতৰ মৌলিক বস্তুবোৰ সম্পৰ্কে সৰল প্ৰশ্ন কেতবোৰৰ উত্থাপনৰ দ্বাৰা সৃষ্টি হৈছিল। এনেধৰণৰ দৰ্শনসমূহৰ মূল কথা আছিল "সকলো পানী"।
- উপনিষদসমূহক বেদ বুলিও কোৱা হয়, যাৰ অৰ্থ "বেদৰ শেষ বা অন্তিম অংশ"। মুঠতে, উপনিষদসমূহ বৈদিক যুগৰ শেষ কালছোৱাৰ অন্তৰ্গত আৰু আধিবৈজ্ঞানিক অনুসন্ধানৰ আটাইতকৈ উচ্চ সাফল্যতাৰ প্ৰতিলিপি।
- সংখ্যাত উপনিষদসমূহ এশতকৈও অধিক। দাৰ্শনিক দৃষ্টিকোণৰ পৰা আটাইতকৈ গুৰুত্বপূৰ্ণ উপনিষদকেইখন হ'ল— ঈশ, কেন, কথা, মাণ্ডুক্য, ঐতৰেয়, তৈতেৰীয়, মুণ্ডক, শ্বেতশ্বত, বৃহদাৰণ্যক আৰু ছান্দোগ্য উপনিষদ। মূলতঃ ভাৰতীয় দৰ্শনৰ উৎস এইসমূহ উপনিষদৰ মাজতে নিহিত আছে।
- ভাৰতবৰ্ষত 'Philosophy' শব্দটো 'দৰ্শন' হিচাপে ব্যৱহৃত হয়। ইয়াৰ অৰ্থ 'চোৱা' বা 'দৃষ্টি'। ভাৰতীয় দৰ্শন কঠোৰভাৱে ব্যৱহাৰিক। ই জীৱন-কেন্দ্ৰিক। ভাৰতীয় দৰ্শনৰ এক অপৰিহাৰ্য বৈশিষ্ট্য হৈছে আত্ম-সংস্কাৰৰ ওপৰত ইয়াৰ হেঁচা, যি এজন এজন লোকে এনেধৰণেৰে উন্নীত কৰিবলগীয়া হয়, যাতে সি চৰম শান্তি প্ৰদান কৰে। ই হৈছে— অৰ্থপূৰ্ণ জীৱন-যাপনৰ এক পথ প্ৰদৰ্শক। ই সম্পূৰ্ণৰূপে তথ্যভিত্তিক হোৱাৰ পৰা বিৰত থাকে। ই সম্পূৰ্ণৰূপে কল্পনাশীল নহয়। ইয়াৰ এক শক্তিশালী প্ৰয়োগবাদী দিশ আছে।
- উপনিষদ আৰু গীতাৰ দৰে প্ৰধান দাৰ্শনিক প্ৰবন্ধসমূহে ইয়াক এক নতুন ৰূপ দিছে, যি তেওঁলোকৰ বৈদিক অন্তৰ্ভুক্তি নিৰ্বিশেষে অন্যান্য দাৰ্শনিক শাখাবোৰৰ দ্বাৰা বিকশিত হৈছিল। আনকি তথাকথিত নাস্তিক দাৰ্শনিক সম্প্ৰদায় বৌদ্ধ আৰু জৈনও কৰ্মবাদ বিশ্বাস কৰিছে। অৰ্থাৎ "যেনে কৰ্ম তেনে ফল"। ইয়াত প্ৰত্যেক ব্যক্তিৰ বাবে চাৰিটা মূল্যবান লক্ষ্যৰ কথা কোৱা হৈছে। সেয়া হ'ল— ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ আৰু এই সকলোবোৰক প্ৰত্যেক মানুহে নিজা নিজা জীৱনৰ সঠিক স্তৰত ৰোপণ কৰিব লাগিব। সেইকাৰণে, এই

জগতক কোনোপধ্যে অৱমানা কৰিব নোৱাৰি। আকৌ, দুখবাদে দুখ-যন্ত্ৰণাকে নিৰ্দেশ কৰে। ভাৰতীয় দাৰ্শনিক সম্প্ৰদায় যেনে ঃ বৌদ্ধ আৰু সাংখ্যত এই দুখৰ ধাৰণাৰ উল্লেখ পোৱা যায়।

- 'বেদ' শব্দৰ অৰ্থ 'জ্ঞান'। বেদসমূহক 'অভিজ্ঞতাৰ সংগ্ৰহ' বুলিও কোৱা হয়। পৌৰাণিক ভাৰতীয় চিন্তাবিদসকল, যি আছিল অতি জ্ঞানী, তেওঁলোকক কোৱা হয় ঋষি বা বিজ্ঞ ব্যক্তি।
- ভাৰতীয় জড়বাদ (চাৰ্বাকঁ লোকায়ত) হৈছে বৈদিক চিন্তাধাৰাৰ এক অটল সমালোচক। ই বেদ বিৰোধী। সেয়ে, ইয়াক ভাৰতীয় দৰ্শনৰ নাস্তিক সম্প্ৰদায় বোলা হয়। এই সন্দৰ্ভত ঈশ্বৰ বিশ্বাসী নাইবা ঈশ্বৰ অবিশ্বাসীক আস্তিক আৰু নাস্তিক বুজোৱা নহয়। ই কেৱল বুজায় বেদৰ স্বীকৃতি আৰু বেদৰ অস্বীকৃতি।



১.৬ অধিক জানিবলৈ

1) Chatterjee, S.C. & Dutta, D.M. (1968). An Introduction to Indian Philosophy. University of Calcutta.
2) Hiriyanna, M. (1993). Outlines of Indian Philosophy. Delhi Motital Banarasidass Publishers Pvt. Ltd.
3) Radhakrishnan. S. (1923). Indian Philosophy (2 volumes). Oxford University Press.
4) Sharma, C.D. (1973). A Critical Survey of Indian Philosophy. Delhi Motital Banarasidass Publishers Pvt. Ltd.
5) Sinha, J. N. Outlines of Indian Philosophy Calcutta: New Central Book Agency Pvt. Ltd.



১.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জড়বাদী দৰ্শন, আধ্যাত্মিক দৰ্শন আৰু বাস্তৱবাদী দৰ্শন।

২ নং প্ৰশ্নৰ উত্তৰ ঃ গ্ৰীক দৰ্শন, জাৰ্মান দৰ্শন আৰু বৃটিছ দৰ্শন।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বেদৰ অন্ত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ঈশ্, কেন, কথা, মুণ্ডক।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ 'চোৱা', 'দেখা' বা 'দৃষ্টি'।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ 'দৰ্শন'ৰ অৰ্থ 'চোৱা' বা 'দৃষ্টি'। ই পৰম স্বজ্ঞা নাইবা অৰ্ন্তদৃষ্টিকো নিৰ্দেশ কৰে আৰু একপ্ৰকাৰ জ্ঞান, যিয়ে মুক্তিৰ সন্ধান দিয়ে। আনহাতে, বিজ্ঞান হৈছে একপ্ৰকাৰৰ জ্ঞান, যি পৰ্যবেক্ষণ আৰু পৰীক্ষা-নিৰীক্ষাৰ ওপৰত ভিত্তিশীল, যি বস্তুগত উন্নতিৰ যোগান ধৰে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ জ্ঞান।



১.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ 'দৰ্শন' শব্দৰ অৰ্থ কি?

প্ৰশ্ন ২ ঃ 'আত্ম-সংস্কাৰ' কি?

প্ৰশ্ন ৩ ঃ ভাৰতীয় দৰ্শনত উল্লেখিত চাৰিটা লক্ষ্য কি কি?

প্ৰশ্ন ৪ ঃ 'বেদ' শব্দৰ অৰ্থ কি?

প্ৰশ্ন ৫ ঃ ভাৰতীয় দৰ্শনৰ তিনিটা নাস্তিক দাৰ্শনিক সম্প্ৰদায় কি কি?

প্ৰশ্ন ৬ ঃ 'ষড়দৰ্শন' কি?

প্ৰশ্ন ৭ ঃ 'কৰ্মকাণ্ড'ৰ লগত জড়িত ভাৰতীয় দৰ্শনৰ সম্প্ৰদায়টোৰ নাম কি?

প্ৰশ্ন ৮ ঃ 'জ্ঞানকাণ্ড'ৰ লগত জড়িত ভাৰতীয় দৰ্শনৰ সম্প্ৰদায়টোৰ নাম কি?

(খ) চমু প্ৰশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতীয় দৰ্শন দুখবাদী নে? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ চমুকৈ ভাৰতীয় দৰ্শনৰ স্বৰূপ বা প্ৰকৃতি আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতীয় দৰ্শনৰ পৰিসৰৰ ওপৰত এটি চমুটোকা যুগুতোৱা।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (উত্তৰ প্ৰায় ৩০০-৫০০ মান শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ভাৰতীয় দৰ্শনৰ প্ৰকৃতি ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতীয় দৰ্শনৰ পৰিসৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ বেদৰ মৌলিক দার্শনিক ধাৰণাসমূহঃ ঋত, আস্তিকতাবাদৰ ক্রম বিকাশৰ স্তৰসমূহ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ 'ঋত'

২.৪ আস্তিকতাবাদ নাইবা ঈশ্বৰবাদ আৰু ইয়াৰ ভিন্ন প্রকাৰ

২.৫ বহুইশ্বৰবাদ

২.৬ একৈকাধিদেৱবাদ

২.৭ একেশ্বৰবাদ

২.৮ অতিবর্তী ঈশ্বৰবাদ

২.৯ অদ্বৈতবাদ

২.১০ সর্বেশ্বৰবাদ

২.১১ সর্বধৰেশ্বৰবাদ

২.১২ আত্ম-ঈশ্বৰবাদ

২.১৩ অধ্যায়টিৰপৰা আমি কি শিকিলো

২.১৪ অগ্রগতিৰ খতিয়ান

২.১৫ আর্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বেদ কি জানিব পাৰিব
- ঋত কি জানিব পাৰিব
- আস্তিকবাদ বা ঈশ্বৰবাদ কি জানিব পাৰিব
- আস্তিকতাবাদৰ বিভিন্ন প্রকাৰসমূহ কি কি জানিব পাৰিব
- বহু-ঈশ্বৰবাদৰ পৰা একেশ্বৰবাদৰ ক্রমবিকাশ কিদৰে হৈছে সেইবোৰৰ বিষয়ে জানিব পাৰিব।

২.২ পৰিচয়

ভাৰতীয় দর্শনৰ অন্তর্গত আস্তিক সম্প্রদায়সমূহ, অর্থাৎ ন্যায়, বৈশেষিক, সাংখ্য, যোগ, মীমাংসা আৰু বেদান্ত দর্শনে বেদৰ আনুগত্যতাক বিশ্বাস কৰে। কিন্তু নাস্তিক সম্প্রদায় চার্বাক,

বৌদ্ধ আৰু জৈনই বেদৰ আনুগত্যতাক অস্বীকাৰ কৰিছে। উপনিষদসমূহৰ মাজতে ভাৰতীয় দর্শনৰ আস্তিক সম্প্রদায়সমূহৰ বীজ নিহিত হৈ আছে। উপনিষদসমূহ বেদৰেই অংশ। বেদ মুঠতে চাৰিখন- ঋক্‌বেদ, সামবেদ, যজু: বেদ আৰু অর্থব বেদ। বেদৰ চাৰিটা অংশ আছে। সেয়া হ'ল- সংহিতা, ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ। উপনিষদ সর্বশেষ অংশ। সংহিতা হ'ল বৈদিক মন্ত্র আৰু স্তোত্রৰ সংকলনত ব্রাহ্মণত বৈদিক যাগ- যজ্ঞৰ বিভিন্ন প্রক্রিয়াৰ আলোচনা কৰা হৈছে। আৰণ্যকত যজ্ঞ সম্পর্কে ৰূপক- কল্পনা আৰু প্রতীক উপাসনাৰ নির্দ্দেশ আছে। আৰণ্যক যজ্ঞৰ বাবে বিভিন্ন দ্রব্যৰ সংগ্রহৰ কোনো আড়ম্বৰ নাই- সাধকে মানস উপকৰণেৰে তেওঁৰ-জ্ঞান যজ্ঞ সম্পাদন কৰে। বৈদিক যুগৰ সর্বশেষ সৃষ্টি উপনিষদত বিভিন্ন দার্শনিক সমস্যা সম্পর্কে-আলোচনা কৰা হৈছে। উপনিষদৰ বেছিভাগ আৰণ্যকৰ অংশ। সামবেদে ঋক্ বেদৰ স্তুতিসমূহক অন্তর্ভুক্ত কৰিছে, যিবোৰ উভসর্গৰ ক্ষেত্রত পাঠ কৰা হয়। যর্জুবেদে ঋক্ বেদৰ এটা বিশাল অংশ সম্বৰণ কৰে। অথর্ব বেদত ঋক্‌বেদৰ বহুতো মন্ত্র নিহিত হৈ আছে। বেদসমূহে ধর্মীয় চিন্তাধাৰাৰ বিভিন্ন পর্য্যায় প্রতিনিধিত্ব কৰে। ইয়াত বহু ঈশ্বৰবাদ, একৈকাধিদেৱবাদ, একেশ্বৰবাদ আৰু অদ্বৈতবাদ আদিৰ সংকেত প্রকাশিত হয়।

২.৩ ঋত

'ঋত' ধাৰণাটো ঋক্‌বেদত পোৱা যায়। বেদত 'ঋত'ৰ ধাৰণাই বিশেষ তাৎপর্য্য বহন কৰে। ঋত হ'ল এনে এক নিয়ম বা সর্বব্যাপী শৃংখলা, যাক বিশ্বব্রহ্মাণ্ডৰ সকলো বস্তুৱেই মানি চলে। বৰুণ দেৱতা হ'ল ঋতৰ অধিকাৰী দেৱতা। ঋতই ঘটনা প্রৱাহ (Course of things) ক বুজায়। ই প্রকৃতিৰ মাজত একৰূপতা বজাই ৰাখে। বিশ্বব্রহ্মাণ্ডৰ সকলোৱেই এই নিয়মৰ অধীন। সূর্য্য, চন্দ্র, আৰু গ্রহ নক্ষত্র, দিন-ৰাতি আৰু ঋতু সমূহৰ গতিৰ নিয়মৰ দ্বাৰাই মূলত: এই ধাৰণাৰ পৰামর্শ দিয়া হয়। ঋতই জগতৰ নিয়ম-শৃঙ্খলাক নির্দ্দেশ কৰে। এই বিশ্বজগতৰ সকলো শৃঙ্খলাবদ্ধ বস্তুৰে ঋত আছে। প্লেটৰ সার্বিকতাৰ ধাৰণাৰ লগত ইয়াৰ সাদৃশ্য আছে। অভিজ্ঞতাৰ জগতখন ঋতৰেই এক ছায়াঁ নাইবা প্রতিবিম্ব, যি সকলো পৰিবর্তনৰ মাজতো অপৰিবর্তিত, স্থায়ী প্রকৃত সত্ত্বা। বিশেষতকৈ সার্বিকতা আগতে আহে, আৰু সেয়ে বৈদিক মনীষিসকলে ভাৱে যে, সকলো ইন্দ্রিয়গ্রাহ্য বস্তুৰ প্রকাশৰ আগেয়ে ঋত অস্তিত্বশীল। জগতৰ পৰিবর্তনশীল ধাৰাবোৰ হৈছে স্থিৰ ঋতৰ ভিন্নকাৰী প্রকাশ। সেয়ে, ঋতক 'সকলোৰে 'পিতৃ' বুলি কোৱা হয়। ঋততৰ পৰাই মৰুৎৰ আবির্ভাৱ হয়। বিষ্ণু হৈছে ঋতৰ ভ্রূণ। স্বর্গ আৰু নৰক যি হয়, সিও সম্ভৱ হয় এই ঋতৰ দ্বাৰাই। এক অপৰিবর্ত্তনীয় প্রকৃত সত্তাৰ ৰহস্যময় ধাৰণাৰ প্রতি থকা প্রৱণতাই নিজৰ সংকেত ইয়াৰ দ্বাৰাই প্রকাশ কৰে। প্রকৃত সত্য হৈছে অপৰিবর্তনীয় আইন। প্রকৃত সত্তা বা সত্য অংশবিহীন আৰু পৰিবর্তনহীন। ঋত হৈছে অলংঘনীয় নৈতিক নিয়ম।

বিশ্ব-ব্রহ্মাণ্ডৰ সকলোৱেই এই সর্বব্যাপী নিয়মৰ অধীন। ঋতই সকলোতে শাসন কৰে। আকাশত, সূর্য্যত, পর্বতত, যজ্ঞত আৰু সব্যতো ঋতই বিৰাজ কৰে। ই হ'ল প্রাকৃতিক নিয়ম। ঋতৰ বাবেই যজ্ঞ উচর্গা কৰা উচিত, কাৰণ ঋতই হ'ল ধর্মীয় আইন। ই হৈছে সত্য, শুদ্ধ আৰু

ন্যায়ৰ আইন স্বৰূপ। আনকি সকলো দেৱতাই ঋতৰ আইন মানি চলে। ঋত হ'ল জাগতিক নিয়ম আৰু নৈতিক নিয়ম। ই এজন পৰম ঈশ্বৰৰ অস্তিত্বৰ কথা আঙুলিয়াই দিয়ে, যাৰ আইন অলংঘনীয় আৰু অপৰিবর্তনীয়। ঋতৰ ধাৰণাই একেশ্বৰবাদৰ পথ প্রশস্ত কৰে। যদিও ই এক নৈর্ব্যক্তিক শৃংখলা, যিয়ে দেৱ দেৱীসমূহ আৰু জগতখনক ধাৰণ কৰে। 'ঋত'ৰ ধাৰণাটোৰ স্বীকৃতিৰ পাছত জগতখন আৰু দৈৱ-সংঘটনৰ এন্ধাৰ চামনিৰে আৱৰি ৰখা এক ভীষণ বিশৃংখলা হৈ থকা নাই, ৰৱঞ্চ ই এক সঙ্গঁতিপূর্ণ উদ্দেশ্যৰ হৈ কাম কৰে। এই বিশ্বাসে আমাক প্রদান কৰে সান্ত্বনা আৰু সুৰক্ষা যেতিয়া অবিশ্বাসে আমাক প্রলোভিত কৰে আৰু আমাৰ আত্মবিশ্বাস ভাঙি থানবান কৰে। যি ঘটনাই সংঘটিত হয়, আমি অনুভৰ কৰোঁ যে প্রকৃতিৰ সুন্দৰ শৃঙ্খলাৰ প্রতি উত্তৰ দিয়া নৈতিক জগতত এক নৈতিকতাপূর্ণ আইন আছে। অহাকালি সূর্য্য উদয় হোৱাটো যিদৰে সত্য, সততাৰো বিজয় হ'ব, আৰু ঋতক বিশ্বাস কৰিব পৰা যাব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰতীয় দর্শনৰ আস্তিক দার্শনিক সম্প্রদায়-সমূহ কি কি?

প্রশ্ন নং ২ ঃ ভাৰতীয় দর্শনৰ নাস্তিক সম্প্রদায়সমূহ কি কি?

প্রশ্ন নং ৩ ঃ বেদৰ তিনি বিভাজন কি কি?

প্রশ্ন নং ৪ ঃ 'ঋত' কি?

প্রশ্ন নং ৫ ঃ সত্য নে অসত্য লিখক।

(ক) ঋতই একেশ্বৰ বাদৰ পথ প্রশস্ত কৰে।

(খ) অথর্ববেদত ঋক্‌বেদৰ মন্ত্রসমূহ নিহিত হৈ আছে, যিবোৰ পূজা অর্চনাত উচ্চাৰণ কৰা হয়।

(গ) ঈশ্বৰবাদ হৈছে দেৱ দেৱীৰ অস্তিত্বত বিশ্বাস।

প্রশ্ন নং ৬ ঃ খালী ঠাই পূৰাওকঃ

(ক) ..... হৈছে নৈতিক নিয়মৰ অধিকাৰী নাইবা ঋত।

(খ) উপনিষদসমূহ বেছিভাগ .....ৰ অংশ।

(গ) ..... হৈছে জগতৰ আইন আৰু নৈতিক আইন।

২.৪ ঈশ্বৰবাদ নাইবা আস্তিকবাদ আৰু ইয়াৰ ভিন্ন প্রকাৰসমূহ

ঈশ্বৰবাদ হৈছে দেৱতাসকলৰ অস্তিত্বৰ ওপৰত থকা বিশ্বাস। সৰলভাৱে ক'বলৈ হ'লে, ঈশ্বৰবাদ হৈছে কেইজনমানৰ ভিতৰত কমেও এজন ঈশ্বৰৰ অস্তিত্বত এক বিশ্বাস। ইংৰাজী 'theism' শবদেটো আহিছে গ্রীক শব্দ 'theos'ৰ পৰা, যাৰ অর্থ 'ঈশ্বৰ' (god)। এই 'theism' শব্দটো পোন প্রথমে ব্যৱহাৰ কৰিছিল ৰাল্‌ফ কাডওর্দ (Ralph Cudworth) য়ে ১৬১৭-১৬৮৮ চনত। তেওঁৰ সংজ্ঞাত সিহঁতক "Strictly and properly called Theists, who affirm,

that a perfectly conscious under standing being, or, mind, existing of itself from eternity, was the cause of all ather things." বোলা হয়। অর্থাৎ, সেইসকলক বিশেষকৈ আৰু সঠিককৈ ঈশ্বৰবাদী বোলা হয়, যিসকলে স্বীকাৰ কৰে যে অনাদিৰ পৰা নিজে নিজে অস্তিত্বশীল এক সম্পূর্ণৰূপে চৈতন্য বিশিষ্ট সত্তা, নাইবা মনেই হৈছে আন সকলো বস্তুৰে কাৰণ।

ইশ্বৰবাদে সন্নিৱিষ্ট কৰে বহু ঈশ্বৰবাদ (বহু তো ঈশ্বৰৰ ওপৰত বিশ্বাস); একৈকাধিদেৱবাদ (বহুতো ঈশ্বৰত বিশ্বাস কিন্তু এজনকহে উপাসনা কৰে); অতিবর্তী ঈশ্বৰবাদ (এজন নাইবা একাধিক ঈশ্বৰৰ অস্তিত্বত বিশ্বাস, যিয়ে জগতত হস্তক্ষেপ নকৰে; একেশ্বৰবাদ (এজন ঈশ্বৰত বিশ্বাস); সর্বেশ্বৰবাদ(এক বিশ্বাস, যি অনুসৰি ঈশ্বৰ আৰু বিশ্বব্রহ্মাণ্ড একে); সর্বধৰেশ্বৰবাদ (বিশ্বাস যে বিশ্ব-ব্রহ্মাণ্ডত সকলোতে ঈশ্বৰ বিৰাজমান, অথচ বিশ্ব ব্রহ্মাণ্ডৰ ওপৰত আৰু তাতোকৈ ই মহান) আৰু বহুতো আন আন ৰূপান্তৰ। যি ই সন্নিৱিষ্ট নকৰে, সি হৈছে নাস্তিকবাদ নাইবা নিৰীশ্বৰবাদ (atbiesm) যি হৈছে এক বিশ্বাস যে ঈশ্বৰ বুলি একো নাই আৰু অজ্ঞতাবাদ (Agnosticsm) , এক বিশ্বাস যে ঈশ্বৰ অস্তিত্বশীল হয় নে নহয়, সি অজ্ঞাত। সময় অনুপাতে বিভিন্ন ধর্মতত্ববিদ আৰু দার্শনিক বিশ্বাস কৰিছিল যে একেশ্বৰবাদ বহু ঈশ্বৰবাদৰ পৰা বিকশিত হৈছে এই যুক্তি প্রদর্শন কৰি যে বহু ঈশ্বৰবাদী বিশ্বাসসমূহ অধিক প্রাগ্ঐতিহাসিক আৰু একেশ্বৰবাদী বিশ্বাসসমূহ অধিক অগ্রগামী- সাংস্কৃতিক ভাৱে, নৈতিকভাৱে আৰু দার্শনিকভাৱে। ঈশ্বৰবাদৰ বিভিন্ন স্তৰসমূহ তলত আলোচনা কৰা হ'ল।

২.৫ বহু- ঈশ্বৰবাদ (POLYTHEISM)

'Polytheism' - শব্দটো গ্রীক মূল ধাতু 'Poly' আৰু 'theos'- ৰ ওপৰত ভিত্তিশীল। ' Poly'- অর্থ- 'বহুতো' আৰু 'theos'- শব্দৰ অর্থ ঈশ্বৰ। গতিকে, 'Polytheism' - শব্দটোৱে ঈশ্বৰৰ বহুত্বতাক বুজায়। অর্থাৎ, বহু- ঈশ্বৰৰ অস্তিত্বত বিশ্বাস নাইবা বহু ঈশ্বৰৰ উপাসনাৰ বিশ্বাসেই হ'ল বহু-ঈশ্বৰবাদ ('Polytheism') । নিদর্শন স্বৰূপে, এক বহু-ঈশ্বৰবাদত যিকোনো ব্যক্তিগত ঈশ্বৰ সম্পূর্ণৰূপ পৃথক আৰু সম্বন্ধহীন সত্তাতকৈ এক বৃহত্তৰ সংলগ্ন শ্রেণী (Pantheon) এক সদস্য। কার্য্যক্ষেত্রত, বহু-ঈশ্বৰবাদ মাত্র এই বিশ্বাস নহয় যে বহুতো ঈশ্বৰ আছে; ই নিত্য নৈমিত্তিকভাৱে, স্পষ্ট দেৱ দেৱীৰ এক বিশেষ একাধিষ্ঠানৰ অস্তিত্বক অন্তর্ভুক্ত কৰে। এই কথাও সাধাৰণ যে প্রত্যেক ব্যক্তিগত ঈশ্বৰে এক অদ্বিতীয় প্রমূল্যক প্রতিনিধিত্ব কৰে, মানৱীয়তাৰ কেতবোৰ দিশক ব্যক্তিত্ব আৰোপ কৰে আৰু প্রকৃতিৰ থাকে। সেয়ে, উর্ৱৰতাৰ , নদীৰ, স্বাস্থ্যৰ আৰু আনকি খং- ৰাগৰো ঈশ্বৰ বিদ্যমান। বহু-ঈশ্বৰ বাদৰ ভিতৰত সেই বিশেষ ঈশ্বৰৰ প্রতি কিবা এটা আশা কৰি তাক পোৱাৰ উদ্দেশ্যে প্রার্থনাৰ এক আনুগত্যতা থাকে, যি এই পৰিসৰৰ ভিতৰত নপৰে, তাৰ প্রতি নহয়।

এক সংলগ্ন শ্রেণী (Pantheon) ৰ অন্যান্য সাংগঠনিক বিবেচনাই কর্তৃত্বৰ পৃথকীকৰণ অন্তর্ভুক্ত কৰে। কিছুমান বহু ঈশ্বৰে আনবোৰ ঈশ্বৰৰ ওপৰত গভীৰ প্রভাৱ বিস্তাৰ কৰে, কিন্তু

মানুহৰ পৰা বিশেষ অৰ্চনা বা উপাসনাই ইয়াক ন্যায্যতা প্ৰদান কৰে। কিছুমান বহু ঈশ্বৰবাদ ব্যৱস্থাত ঈশ্বৰসকল নিজৰ মাজতে প্ৰকৃতি বা অদৃষ্টৰ আন আন শক্তিৰ অধীন হ'ব পাৰে, কেৱল এই কাৰণে যে ঈশ্বৰ বুলিলে এইটো নুবুজায় যে তেওঁলোক আধিভৌতিক নাইবা অতীন্দ্ৰিয় সত্তা। সেয়েহে, বহু ঈশ্বৰ বাদে সাধাৰণতে স্বৰ্গীয় জগতৰ ভিতৰত শ্ৰম আৰু দায়বদ্ধতাৰ এক বিভাজনক সচাঁ বুলি মানি লয়, সি মানৱ জগতত আমি পোৱাৰ দৰে একে।

যদিও বহুঈশ্বৰবাদে এক সাদৃশ্যতাৰ শ্ৰেণীক স্বীকাৰ্য্য ৰূপে মানি লয়, তথাপি ই এই কথাক নুবুজায় যে ধৰ্মৰ সংলগ্ন শ্ৰেণীৰ বাহিৰত ঈশ্বৰৰ অস্তিত্বক সিহঁতে স্বীকাৰ নকৰে। যেতিয়া বেলেগ ধৰ্ম আৰু সংস্কৃতিৰ ঈশ্বৰৰ সৈতে মুখামুখী হোৱা যায়, তেতিয়া সাধাৰণতে তিনিটা ভিন্ন সহাঁৰি পোৱা যায়। প্ৰথমে, বাহিৰৰ ঈশ্বৰসমূহৰ কিছুমান বা সকলো প্ৰকৃততে ভিন্ন নামেৰে সৈতে কেৱল বৰ্ত্তমানে উপাস্য দেৱতা বা ঈশ্বৰৰ সৈতে একে। পুৰণি ঈশ্বৰৰ ক্ষেত্ৰত যিকোনো নতুন দিশ নাইবা শক্তিক সন্নিৱিষ্ট কৰা হয়। দ্বিতীয় সঁহাৰিটোৱে হৈছে কেতবোৰ নতুন ঈশ্বৰক লোৱা আৰু তেওঁলোকক সংলগ্ন শ্ৰেণীৰ নতুন সদস্য ৰূপে গ্ৰহণ কৰে। এইদৰেই সংলগ্ন শ্ৰেণীটো ক্ৰমান্বয়ে বিকশিত হয়। শেষৰ সহাঁৰিটো এই কথা মানি ল'বলৈ যে আন আন ঈশ্বৰসকল অস্তিত্বশীল, কিন্তু কোনো সক্ৰিয়া ধৰণৰে তেওঁলোকক উপাসনা কৰা নহয়। কাৰণ, বহু ঈশ্বৰবাদী সম্প্ৰদায়সমূহে আন আন ধৰ্ম আৰু সংস্কৃতিৰ ঈশ্বৰৰ অস্তিত্বক স্বীকাৰ কৰাৰ দ্বাৰা বহুঈশ্বৰবাদে একেশ্বৰবাদতকৈ অধিক ধৰ্মীয় স্বাধীনতা দিবলৈ প্ৰয়াস কৰিছে।

বহুইশ্বৰবাদ দুই প্ৰকাৰৰ- কঠিন আৰু কোমল। কঠোৰ বহু ঈশ্বৰবাদে ঈশ্বৰক স্পষ্ট আৰু পৃথক সত্তা ৰূপে চায়। ইয়াৰ এক উদাহৰণ হ'ব গ্ৰীকদেশীয় ধৰ্মৰ লগতে হিন্দুধৰ্মৰ কেতবোৰ শাখা বা সম্প্ৰদায় কোমল বহুঈশ্বৰবাদে মত প্ৰকাশ কৰে যে সত্তা হিচাপে ঈশ্বৰসকল এক মহান সমগ্ৰতাত সন্নিৱিষ্ট। অদ্বৈত বেদান্তৰ দৰে আন কেতবোৰ হিন্দুধৰ্মত এই কোমল বহু ঈশ্বৰবাদ দেখা যায়, যি ইয়াৰ উৎকৃষ্ট নিদৰ্শন। তথাপি, আমাৰ প্ৰকৃতিৰ বোধৰ সৈতে অসঙ্গঁত হেতু এক আধুনিক দৃষ্টিয়ে বহুঈশ্বৰবাদক অস্বীকাৰ কৰিবলৈ ইচ্ছা কৰিব।

যদি তেওঁলোক সচাঁকৈয়ে বেলেগ হয়, আৰু প্ৰকৃত সত্তাৰ সমগ্ৰ ভিন্ন দিশৰ দায়িত্বত থকা ঈশ্বৰ স্বতন্ত্ৰ হয়, তেন্তে প্ৰকৃত সত্তাৰ সকলো অংশৰ ক্ষেত্ৰতে সাধাৰণ যিবোৰ স্বাভাৱিক নিয়মৰ শৃংখল, আৰু সেইবোৰ থকাটো অনিবাৰ্য্য ভাৱে উচিত নহ'ব। পদাৰ্থবিজ্ঞানৰ নীতিসমূহ ৰসায়ন বিজ্ঞানত প্ৰয়োগ কৰিব নোৱাৰি আৰু ৰসায়ন বিজ্ঞানৰ নীতিসমূহ জীৱবিজ্ঞানত প্ৰয়োগ কৰিব নোৱাৰি। সেয়ে, বৈজ্ঞানিক শৃংখলাসমূহে কোনো ভিত্তি বিচাৰি নাপাব, যদিহে বহুসংখ্যক ঈশ্বৰে কাৰ্য্যকৰী উদ্দেশ্যত সক্ৰিয় হৈ থাকে।

এক ৰূপান্তৰীত বহুঈশ্বৰবাদ ভাৱমূলকভাৱে সম্ভৱ হ'ব পাৰে, তথাপিও; যদি আমি জগতৰ সৃষ্টিকাৰক অজ্ঞাত ঈশ্বৰৰ এক গোটৰ কল্পনা কৰোঁ আৰু সাধাৰণ নিৰ্দ্দিষ্ট মানৱ শ্ৰেণী এটাৰ ওপৰত সন্মত হ'বলৈ যিকোনো প্ৰকাৰে চম্ভালিব পাৰো, আৰু তেতিয়া সকলোৱে নিজ নিজ বিভাগৰ পৰা পৃথক হৈ পৰিব। উপসমিতি আৰু পৰিচালনাৰ মানৱীয় অভিজ্ঞতাৰ প্ৰতি এই অনুৰূপতা যদিও বহুঈশ্বৰবাদে ইয়াৰ নিজস্ব মূলগত আকৰ্ষণিয়তা হেৰুৱাৰ কাৰণ, তথাপি এইদৰে জগতৰ সৃষ্টি আৰু পৰিচালনাৰ ধাৰণাটোৱে দুঃস্বপ্নক উদগনি দিবলৈ যথেষ্ট।

২.৬ একৈকাধিদেৱবাদ (HENOTHEISM)

একৈকাধিদেৱবাদে বিশ্বাস কৰে যে বহুতো ঈশ্বৰৰ অস্তিত্ব বিৰাজমান আৰু তেওঁলোকৰ ভিতৰত কেৱল এজনক শ্রেষ্টতম দেৱতা ৰূপে উপাসনা কৰাৰ মুহুর্ত্তত ধৰি লোৱা হয়। তথাপিও, একৈকাধিদেৱবাদে অনুমতি দিয়ে যে উপাসনাৰ নিমিত্তে এজনতকৈ অধিক দেৱতাও যোগ্য। মেক্সমূলাৰে ধর্মীয় বিশ্বাসৰ এই বিশেষ পর্য্যায়টোক একৈকাধিদেৱবাদ (Henotheism) নামটো প্রদান কৰিছিল। ই হৈছে একেশ্বৰবাদ নাইবা 'কেৱল এজন' ঈশ্বৰত বিশ্বাসৰ পৰা পৃথক এক বিশ্বাস। মেক্সমুলাৰে এই বিশ্বাসক বহুঈশ্বৰবাদৰ পৰা একেশ্বৰবাদলৈ এক পদক্ষেপ আক্ষা দিছে। এই ধাৰণাটোৰ লগত ওচৰ সম্পর্ক থকা মতবাদটো হৈছে 'Kathenotheism', অর্থাৎ, এই বিশ্বাসৰ মতে একাধিক দেৱতা আছে, কিন্তু যিকোনো প্রদত্ত সময়ত কেৱল এজনকহে উপাসনা কৰাটো উচিত। তেতিয়া প্রত্যেকজন ঈশ্বৰ বা দেৱতাই সর্বশ্রেষ্ঠ হৈ পৰিব।

যেতিয়ালৈকে পৌৰাণিক হিন্দু ধর্মগ্রন্থসমূহ অর্থাৎ বেদসমূহৰ বেছিভাগ অংশই একৈকাধিদেৱবাদী হয়, বেদৰ একেবাৰে উর্দ্ধতম সীমা অর্থাৎ উপনিষদসমূহত এজন সর্বপ্রধান সত্তা নাইবা আত্মা অধিক স্পষ্ট হৈ পৰে। এই সর্বপ্রধান আত্মাক, যাক কোৱা হয় 'ব্রহ্ম', তেঁৱেই সমগ্র বস্তুৰ ভিত্তি আৰু সেইকাৰণে বিশ্বব্রহ্মাণ্ডৰ ভিতৰত পৰিব্যাপ্ত হৈ থাকে। তদুপৰি, ইয়াক অ-সত্তাৰ সাৰবস্তু হিচাপেও বর্ণনা কৰা হয়, সেয়েহে ই এক অনির্বাচনীয়তাৰ অর্থ বহন কৰি ৰাখে। ঈশ্বৰবাদৰ পাশ্চাত্য ৰূপবোৰৰ বিপৰীতে, ভাৰতীয় দর্শনৰ কেতবোৰ সম্প্রদায়ত কম স্বীকৃতি আছে যে ইন্দ্রিয়গ্রাহ্য জগতত ব্রহ্ম এক ব্যক্তিগত প্রকাৰে জড়িত হৈ থাকে। একেধৰণেৰে, উচ্চতৰ সত্তা আৰু মানৰ সত্তাৰ মাজতো পার্থক্য নিৰূপন কৰা হোৱা নাই। ইয়াৰ বিপৰীতে ব্রহ্মক 'আত্মা'ৰ সৈতে একে বুলি কোৱা হৈছে, সেয়ে, মানুহ আৰু ঈশ্বৰৰ ঈশ্বৰবাদী দ্বৈতবাদক আগতিয়াকৈ অসম্ভৱ কৰি তোলে। একৈকাধিদেৱবাদ হৈছে বহুইশ্বৰবাদৰ পৰা একেশ্বৰবাদলৈ এক পদক্ষেপ।

২.৭ একেশ্বৰবাদ (MONOTHEISM)

'ঋত' ধাৰণাটোৱে দেৱতাসকলক ইজনৰ লগত সিজনক সঙ্গঁতিপূর্ণ কৰি ৰাখে, আৰু একেশ্বৰবাদৰ পথ প্রশস্ত কৰে। 'Monotheism' শব্দটো গ্রীক শব্দ 'monos'-ৰ পৰা আহিছে, যাৰ অর্থ 'এক' আৰু 'theos' ৰ অর্থ 'ঈশ্বৰ'। গতিকে,'Monotheism'-ৰ অর্থ এজন একক ঈশ্বৰক বিশ্বাস। কাৰণ, একেশ্বৰবাদ এই ধাৰণাৰ ওপৰত নির্ভৰ কৰি গঢ় লৈ উঠিছে যে ঈশ্বৰ কেৱল এজনেই, বিশ্বাসীসকলৰ বাবে এই কথা ভাৱটোও সাধাৰণ যে এইজন ঈশ্বৰেই সকলো যথার্থতা বা সত্যতাৰ সৃষ্টি কৰিছে আৰু তেওঁ যিকোনো বেলেগ সত্তাৰ ওপৰত নির্ভৰশীল নোহোৱাকৈয়ে সম্পূর্ণৰূপে স্বয়ংসম্পূর্ণ। বিস্তৃত একেশ্বৰবাদী ধর্মীয় সম্প্রদায়বোৰ হৈছে- ইহুদী ধর্ম, খ্রীষ্টান ধর্ম, ইছলাম ধর্ম আৰু শিখধর্ম। একেশ্বৰবাদক বহু-ঈশ্বৰবাদ (বহু ঈশ্বৰত বিশ্বাস) আৰু নিৰীশ্বৰবাদ (কোনো ঈশ্বৰৰ অস্তিত্বত বিশ্বাস নকৰা)ৰ লগত পার্থক্য দেখুওৱা হয়।

আগলৈ দুই প্ৰকাৰৰ একেশ্বৰবাদৰ সৰলীকৰণ কৰা হয়- (i) সামগ্ৰিক একেশ্বৰবাদ (Inclusive monotheism) আৰু (ii) আছুতীয়া একেশ্বৰবাদ (Exclusive monotheism)। সামগ্ৰিক একেশ্বৰবাদ হৈছে সেই বিশ্বাস যে কেৱল এজনহে দেৱতা আছে, আৰু দাবী কৰা সকলো দেৱতা হৈছে কেৱল ভিন্ন নাম মাত্ৰহে, অৰ্থাৎ একক তথা পৰম ঈশ্বৰৰ কেৱল অৱতাৰহে। আনহাতে, আছুতীয়া একেশ্বৰবাদে নিৰ্দ্দেশ কৰে সেই বিশ্বাসক যে কেৱল এজনেই দেৱতা আৰু সকলো দাবী কৰাদেৱতা অসত্য আৰু ইয়াৰ পৰা স্পষ্ট। ই উদ্ভাৱনৰ ফলেই হওঁক বা মানুহৰ দোষ নাইবা পাপেই হওঁক তেওঁলোকে আন যিকোনো ধৰ্মীয় বিশ্বাসৰ ঈশ্বৰৰ অস্তিত্বক অস্বীকাৰ কৰিছে। বেছিভাগ আব্ৰাহামিক্ ধৰ্ম এই আছুতীয়া একেশ্বৰবাদক দেখিবলৈ পোৱা যায়।

বেছিভাগ একেশ্বৰবাদী সম্প্ৰদায় স্বভাৱত একচেতীয়া বা আছুতীয়া। এই স্বভাৱৰ এক পৰিণতি স্বৰূপে, বহু ঈশ্বৰবাদী ধৰ্মৰ তুলনাত একেশ্বৰবাদী ধৰ্মক ঐতিহাসিকভাৱে কম ধৰ্মীয় সহিষ্ণুতা আছে বুলি দেখুওৱা হয়। একেশ্বৰবাদৰ ৰূপ, যি পাশ্চাত্য দেশত পৰম্পৰাগতভাৱে অধিক সাধাৰণ, সি হৈছে এজন ব্যক্তিগত ঈশ্বৰত বিশ্বাস, যিয়ে এই কথাত হেঁচা দিয়ে যে এই ঈশ্বৰ এক সচেতন মন, যি স্বভাৱত পৰিব্যাপ্ত আৰু যিয়ে মানৱীয়তা প্ৰমূল্যৰ সৃষ্টি কৰে।

ইছলাম আৰু খ্ৰীষ্টান ধৰ্ম একেশ্বৰবাদৰ দুটা চৰম ৰূপ। এটা চৰম ৰূপত আমি পাওঁ ইছলাম ধৰ্মৰ আপোচ বিহীন একেশ্বৰবাদ, য'ত ঈশ্বৰক অপ্ৰভেদকাৰী, শ্বাশ্বত, অসমান, অগোড়ামী আৰু অৱতাৰী হিচাপে অংকিত কৰিছে। দৰাচলতে, ই অৱতাৰবাদ, যিয়ে 'আল্লা'ৰ মাজত মানৱীয় গুণ অৰোপ কৰিছে, সেয়ে ইয়াক ইছলাম ধৰ্মত ঈশ্বৰনিন্দাকাৰী হিচাপে মানি লোৱা হয়। আনটো চৰম ৰূপত আমি পাওঁ খ্ৰীষ্টান ধৰ্মক, যিয়ে এক অতি অৱতাৰী ঈশ্বৰক সচাঁ বুলি মানি লয়, যি এজনৰ মাজত তিনিজন ব্যক্তিক স্বীকাৰ কৰে।

২.৮ অতিবৰ্তী ঈশ্বৰবাদ (DEISM)

অতিৱৰ্তী ঈশ্বৰবাদ প্ৰকৃততে একেশ্বৰবাদৰ এক ৰূপ। সাধাৰণ একেশ্বৰবাদক গ্ৰহণ কৰাৰ লগতে, অতিৱৰ্তী ঈশ্বৰবাদে এই বিশ্বাসকো গ্ৰহণ কৰিছে যে, একক অস্তিত্বশীল ঈশ্বৰ স্ব ভাৱত ব্যক্তিবাচক আৰু সৃষ্ট জগতৰ পৰা সৰ্বশ্ৰেষ্ঠ। যেই নহওঁক, অতিবৰ্তী ঈশ্বৰবাদে পাশ্চাত্য জগতত একেশ্বৰবাদী সকলৰ মাজত সাধাৰণ বিশ্বাসক নুই কৰিছে যে এই ঈশ্বৰ পৰিব্যাপ্ত, যাক সৃষ্ট জগতত বৰ্ত্তমান সক্ৰিয় বুলি ক'ব পৰা যায়।

প্ৰকৃত সত্তাৰ অতিবৰ্তী মতামত অনুসৰি ঈশ্বৰে জগতখন সৃষ্টি কৰিছিল, কিন্তু তেওঁ নিজকে এই সৃষ্টিৰ পৰা আঁতৰাই আনিছিল আৰু বৰ্ত্তমান সৰলভাৱে ইয়াক ধ্যান কৰে। কেতিয়াবা ঈশ্বৰক ই 'ঘড়ী বনাওতা' (watch-maker) হিচাপেও নিৰ্দ্দেশ কৰে- এজন ঈশ্বৰ যিয়ে এটা ঘড়ীৰ দৰে জগতখনক শেষ মীমাংসা কৰে আৰু নিজৰ মতে ইয়াক চলিব দিয়ে। এইদৰেই, অতিবৰ্তী ঈশ্বৰবাদীসকলো সম্ভৱত: উৎকৃষ্টতাৰ আটাইতকৈ চৰম ৰূপটোৰ বাবে আকাংক্ষা কৰে, যিয়ে ঈশ্বৰক পৰিব্যাপ্ত আৰু সৃষ্টি আৰু মানৱীয়তাৰ সৈতে যিকোনো প্ৰকাৰে জড়িত

হোৱাৰ ধাৰণাটোক প্রত্যাখ্যান কৰে।

অতিবর্তী ঈশ্বৰবাদে সু-সংবদ্ধ ধর্মত পৰিস্ফুট আধিভৌতিক ঘটনা (যেনেঃ ভৱিষ্যৎ-বাণী, আশ্চর্য্য ঘটনা আৰু স্বর্গীয় প্রকাশ বাদৈববাণী) ৰাজিকপ্রত্যাখান কৰিছে। ইয়াৰ পৰিবর্তে অতিৰর্তী ঈশ্বৰবাদে পোষণ কৰে যে, ধর্মীয় বিশ্বাসসমূহ মানৰ বুদ্ধি আৰু প্রাকৃতিক জগতৰ নিৰিক্ষীত বৈশিষ্ট্যসমূহৰ ওপৰত প্রতিষ্ঠিত হ'বই লাগে, আৰু সেয়ে এই উৎসবোৰে সৃষ্টি কর্তা ৰূপে এজন পৰম সত্তাৰ অস্তিত্ব প্রকাশ কৰে। বিশ্বব্রহ্মাণ্ডক বৌদ্ধিক আৰু শৃঙ্খলিত বুলি বিশ্বাস কৰা হয়, কিয়নো ঈশ্বৰে ইয়াক তেনেকুৱা হোৱাটোৱে বিচাৰে; ইয়াৰ পৰিবর্তে ঈশ্বৰো হৈছে বৌদ্ধিক আকাংক্ষা বৌদ্ধিক লক্ষ্য আৰু বৌদ্ধিক প্রণালীৰ সৈতে এক বৌদ্ধিক সত্তা, যিবোৰ মানৰ চিন্তাৰ জৰিয়তে বোধগম্য। দৃষ্টান্তমূলকভাৱে, অতিবর্ত্তী ঈশ্বৰবাদীসকল ধর্মীয় জ্ঞানৰ ক্ষেত্রত বুদ্ধিবাদীতকৈ অভিজ্ঞতাবাদীহে হয়। ইয়াৰ অর্থ এয়ে যে ঈশ্বৰৰ বিষয়ে জ্ঞান প্রকাশ, নাইবা অধিভৌতিক ধর্মীয় অভিজ্ঞতাৰ জড়িয়তে অৱিষ্কাৰ কৰিব নোৱাৰি। ইয়াৰ ঠাইত, অতিবর্তী ঈশ্বৰবাদীসকল স্বাভাৱিক ধর্মৰ দর্শনৰ দ্বাৰা গভীৰভাৱে প্রভাৱান্বিত হৈছে, যাৰ মতে ঈশ্বৰৰ জ্ঞান ঈশ্বৰৰ সৃষ্টিৰ মাজেৰেই পাব পাৰি, যেনে: প্রকৃতি, জগত, বিশ্ব-ব্রহ্মাণ্ডৰ অধ্যয়ন আৰু মানৱীয়তা ঈশ্বৰৰ অধ্যয়নৰ সৈতে একে সম্বন্ধীয়।

অতিৰর্তী ঈশ্বৰবাদৰ এটা পৃথক ৰূপ বা প্রকাৰ আছে, যাৰ নাম 'অতিবর্তী ঈশ্বৰবাদী আধিভৌতিকবাদ' (Deistic Supernaturalism) । এই মতবাদ সমর্থন কৰিছে চ'ৱেণ কিয়েৰ্কেগার্ডে। এই মতবাদৰ মতে, ঈশ্বৰ কেৱল অতীন্দ্রিয় আৰু প্রকৃতিৰ বাহিৰৰেই নহয়, বৰঞ্চ তেওঁ "মানুহ ক্ষমতাতীত বা স্বর্গীয় (Superhuman) আৰু প্রমূল্যৰ আধিভৌতিক প্রকাশক"। মানুহৰ অভিজ্ঞতাৰ মাজেৰে ঈশ্বৰক পাব পাৰি ধাৰণাটোক অগ্রাহ্য কৰি, অতিবর্তী ঈশ্বৰবাদী আধিভৌতিকতাবাদী সকলে যুক্তি দেখুৱাই যে ঈশ্বৰৰ প্রত্যক্ষ প্রকাশৰ মাজেৰেই ঈশ্বৰক বুজিব পাৰি। এইদৰে প্রার্থনা নাইবা ধ্যানৰ মাজেৰে ঈশ্বৰৰ লগত একাত্মভাৱ গঢ়ি তুলিব পাৰি।

যদিও, এটা দিশৰ পৰা অতিবর্তী ঈশ্বৰবাদ ইংলেণ্ড, ফ্রাঞ্চ, জার্মানী আৰু আনকি আমেৰিকাৰ বুদ্ধিজীৱি মহলৰ মাজত এক গভীৰ প্রভাৱ বিস্তাৰ কৰিছিল, কিন্তু বর্ত্তমান যুগত তাৰ ইমান প্রভাৱ থকা দেখা নাযায়। এটা দিশৰ পৰা, যিসকল লোকে পৰম্পৰাগত ঈশ্বৰৰ ওপৰত থকা বিশ্বাসক নুই কৰিবলৈ পতিয়ন যায়, তেওঁলোক নিৰীশ্বৰবাদী হৈ পৰে আৰু সকলো ঈশ্বৰৰ ওপৰত বিশ্বাসক একেলগে অস্বীকাৰ কৰে। আন এক দিশৰ পৰা, যেতিয়া অতিৰর্তী ঈশ্বৰবাদ জনপ্রিয় আছিল, মানুহে জগতখনক এটা ঘড়ীৰ দৰে সুন্দৰকৈ সমন্বিত এক যন্ত্র হিচাপে স্বীকাৰ কৰিছিল; বর্ত্তমান, যদিও জগতৰ তেনে দৃশ্য সাধাৰণ নহয়। ইয়াৰ পৰিবর্তে জগতখনক অধিক গতিশীল, বিশৃঙ্খল আৰু অধিক অবিৰত বিকাশত দেখা পোৱা যায় ।

২.৯ অদ্বৈতবাদ (MONISM)

অদ্বৈতবাদ ঐক্যতাৰ এক উচ্চ ধাৰণা। এনেধৰণে গ্রহণ কৰা অদ্বৈতবাদী ধাৰণা দ্বৈতবাদত জড়িত হ'বলৈ বাধ্য। ইয়াৰ- মূল লক্ষ্য প্রমুখ্য ঈশ্বৰৰ ঐক্যতা, অর্থাৎ বহুতো ঈশ্বৰক এজন ঈশ্বৰলৈ ৰূপান্তৰ, যি জগতৰ পৰা পৃথক আৰু ইয়াৰ উর্দ্ধত; যাক তেওঁ সৃষ্টি কৰে আৰু ইয়াৰ পথ প্রদর্শন কৰে। ই অস্তিত্বৰ সমগ্রতাক এক একক- উৎস হিচাপে বর্ণনা কৰিছে। সর্বেশ্বৰবাণী মতে প্রকৃতিক ঈশ্বৰৰ সৈতে অভিন্ন ৰূপে দেখুওৰাইছে।

একেশ্বৰবাদে অদ্বৈতবাদলৈ আগুৰাই নিয়ে। এটা প্রকৃত সত্য বা সত্তাক স্বীকাৰ কৰা হয়, ভিন্ন প্রকাৰে প্রকাশিত হয়। উপনিষদসমূহত সেই আত্মাৰ সৈতে 'সেই একক' ক পিছত অভিন্ন ৰূপে বর্ণনা কৰা হয়। উপনিষদসমূহে 'ব্রহ্ম' ক চৰম সত্য বা সত্তা হিচাপে আদি, অনন্ত, শাশ্বত, সর্ববিদ্যমান, সর্বজ্ঞ আৰু শুদ্ধ আত্মা বুলি গ্রহণ কৰে। ক্ষণস্থায়ী, দেশীয় আৰু কাৰণতাৰ নিয়মেৰে বান্ধ খাই থকা জগতখন এই অসীম আৰু নিত্য আত্মাৰেই প্রকাশ। ই ব্রহ্মাৰ দ্বাৰাই বিয়পি থাকে, ইয়াৰ পোহৰেৰে উজ্জ্বলি থাকে আৰু ব্রহ্মাৰ যশ প্রকাশ কৰে। ইয়াক কেতিয়াবা কেৱল এক অৱভাস, এক 'নাম আৰ ৰূপ' হিচাপে গ্রহণ কৰা হয়। ই ব্রহ্মাৰ কেৱল এক অৱভাস মাত্র, যি অ-ক্ষণস্থায়ী, অ-দেশীয় আৰু অ-কাৰণীয়। ই নৈর্ব্যক্তিক, অতীন্দ্রিয়, অবর্ণনীয়, অ-বোধগম্য আৰু অজ্ঞাত। ব্রহ্মাক কেতিয়াবা আকৌ সর্বশ্রেষ্ঠ আৰু পৰিব্যাপ্ত ৰূপেও ধৰা যায়। সর্বশ্রেষ্ঠ ব্রহ্ম এক অজাগতিক, গুণবিহীন আৰু সবোচ্চ ব্রহ্ম। পৰিব্যাপ্ত ব্রহ্ম জাগতিক, গুণযুক্ত নিম্ন ব্রহ্ম আৰু জগতৰ সৈতে সম্পর্কযুক্ত। পৰা ব্রহ্ম নৈব্যর্ক্তিক আৰু অর্নিদৃষ্ট পৰম সত্তা। অপৰব্রহ্ম ব্যক্তিগত ঈশ্বৰ, যি জগতৰ সৃষ্টিকর্ত্তা, পালনকর্ত্তা আৰু সংহাৰকর্ত্তা, নৈতিক শাসনকর্ত্তা আৰু জগত আৰু ব্যক্তিগত আত্মাৰ আন্তৰিক পৰিদর্শক। ঈশ্বৰ হৈছে কর্মফল দাতা। ব্যক্তিগত আত্মাক কেতিয়াবা ব্রহ্মাৰ এক অংশ ৰূপে গ্রহণ কৰা হয়, 'তেওঁ'ৰ দৰেই আৰু 'তেওঁ'ৰ দ্বাৰাই শাসিত পৰিচালিত। ইয়াৰোপৰি, আত্মাক মন-দেহৰ জটিলতাৰ দ্বাৰা সীমাবদ্ধ , ব্রহ্ম ৰূপে গ্রহণ কৰা হয়; যাক পৰব্রহ্ম নাইবা আত্মাৰ সৈতে চিনাক্তকৰণ কৰা হয়, যেতিয়া সিহঁতৰ সীমাবদ্ধ সংলগ্ন বস্তু বা বিষয়সমূহ ধ্বংস হৈ পৰে।

২.১০ সর্বেশ্বৰবাদ (PANETHEISM)

সর্বেশ্বৰবাদ হৈছে সেই বিশ্বাস যে ইন্দ্রিয়গ্রাহ্য জগতখন ঈশ্বৰৰ লগত সমান, আৰু ইয়াত এজন সৃষ্টি কর্ত্তা আৰু ইয়াৰ সৃষ্টিৰ দ্রব্যৰ- মাজত কোনো পার্থক্য নাথাকে। ইংৰাজী 'Panetheism' শব্দটো গ্রীক মূল ধাতু 'pan' যাৰ অর্থ 'সকলো' আৰু 'theos' যাৰ অর্থ ঈশ্বৰ তাৰ ওপৰত ভিত্তি কৰি গঠিত। গতিকে Panetheism' ৰ অর্থ 'সর্বঈশ্বৰবাদ' বা 'সর্বেশ্বৰবাদ'। সর্বেশ্বৰবাদ হয় সেই বিশ্বাস যে বিশ্বব্রহ্মাণ্ডখনেই ঈশ্বৰ আৰু উপাসনাৰ উপযুক্ত, নাইবা ঈশ্বৰেই হৈছে সংযুক্ত দ্রব্যসমূহ, শক্তিসমূহ আৰু প্রাকৃতিক নিয়মসমূহৰ মুঠ সমগ্রতা, যাক আমি আমাৰ চাৰিওফালে, দেখা পাওঁ, অৱশ্যে সেইবোৰ ঈশ্বৰৰেই প্রকাশ। সর্বেশ্বৰবাদৰ

মূল বিষয়টো হৈছে ঈশ্বৰ আৰু প্রকৃতিৰ মাজৰ পার্থক্যক নুই কৰা, যাক আমি একেশ্বৰবাদৰ অর্থত দেখুওৱাইছো। ঈশ্বৰক ইয়াত অতিক্রমী স্বভাৱ হিচাপে গ্রহণ কৰা নাই, বৰঞ্চ ইয়াৰ মাজতে পৰিব্যাপ্ত ৰূপেহে গ্রহণ কৰিছে। জগতখন ঈশ্বৰৰ পৰা অগ্রসৰ হৈ নাযায়, বৰঞ্চ ই নিজেই ঈশ্বৰ। যদিও, এই মতামতৰ উদ্দেশ্য ঐক্যতাৰ স্বীকার্য্য, তথাপি ইয়াক দেখাৰ দৰে কিছুপৰিমামে অসঙ্গতি পূর্ণ হৈ ৰয়। ঈশ্বৰ আৰু প্রকৃতিৰ ধাৰণা দুয়োৰে সত্য ঐক্যৰ সন্ধানত মনক সন্তুষ্ট কৰাত যিমান দূৰলৈ সম্ভৱ, সিমান দূৰলৈ ই বর্তি থাকে।

২.১১ সর্বধৰেশ্বৰবাদ (PANETHEISM)

ঋকবেদত সর্বধৰেশ্বৰবাদক একেশ্বৰবাদী অভিপ্রায় হিচাপে বর্ণনা কৰিছে। গ্রীক ভাষাত 'Panetheism' শব্দৰ অর্থ 'ঈশ্বৰতেই সকলো' ('all-in-god'), অর্থাৎ, 'Pan-en-theos' ৰ.সর্বেশ্বৰবাদৰ দৰে সর্বধৰেশ্বৰবাদো এক বিশ্বাস, যে, ইন্দ্রিয় গ্রাহ্য জগতখনক এজন ঈশ্বৰ বা ঈশ্বৰ সমূহৰ সৈতে সংযোগ কৰা হৈছে। তদুপৰি, ই বিশ্বাস কৰে যে ঈশ্বৰ বস্তুগত জগতখনতকৈ মহান। ইয়াৰ উদাহৰণ সমূহে বেছিভাগ বৈষ্ণৱবাদৰ ৰূপসমূহক অন্তর্ভুক্ত কৰে। সর্বধৰেশ্বৰবাদ বিশ্বাসটো এনে এক সম্প্রদায়, যিয়ে ঈশ্বৰক সচাঁ বুলি মানি লয়, যিয়ে প্রকৃতিৰ প্রত্যেক অংশকে ব্যাখ্যা কৰে, কিন্তু অথাপি প্রকৃতিৰ পৰা সম্পূর্ণ পৃথক। সেয়ে, ঈশ্বৰ এই প্রকৃতিজগতৰে অংশ, কিন্তু, এক স্বতন্ত্র পৰিচয় হিচাপেই থাকে।

'সর্বধৰেশ্বৰবাদ' 'Panetheism' শব্দটো পোন প্রথম বাৰৰ বাবে কার্ল খ্রীষ্টিয়ান ফ্রেড্ৰিক ফ্র'ড (১৭৮১-১৮৩২) ৰ দ্বাৰা ব্যৱহৃত হৈছিল, যদিও ইয়াৰ দিশসমূহক প্লেট'ৰ দর্শনতো দেখিবলৈ পোৱা যায়। সর্বেশ্বৰবাদৰ সৈতে সর্বধৰেশ্বৰবাদক খেলিমেলি কৰিবলৈ, আনকি সর্বধৰেশ্বৰবাদক সর্বেশ্বৰবাদৰ এক প্রকাৰ বুলি ভৱাৰ এক অভিপ্রায় আছে। মানবিশিষ্ট সর্বেশ্বৰবাদ আৰু সর্বধৰেশ্বৰবাদৰ মাজত পার্থক্য কি?

এই কথা সত্য যে সর্বধৰেস্বৰবাদীসকল আৰু সর্বেশ্বৰবাদী সকল উভয়েই এই মত আদান প্রদান কৰে যে বিশ্বজগত আৰু ইয়াত থকা প্রত্যেকটো প্রাকৃতিক বস্তু ঐশ্বৰীক গুণৰ দ্বাৰা প্রতিভাত হয়। তথাপিও, যেতিয়া সর্বধৰেশ্বৰবাদে স্বীকার্য্য হিচাপে মানি লয় যে সমগ্র জগতখনেই ঈশ্বৰৰ মাজত নিহিত থাকে, ঈশ্বৰ জগতৰ মাজত নহয়, সর্বেশ্বৰবাদে এজন ঈশ্বৰৰ ওপৰত বিশ্বাস কৰে, যি সকলোতে বিদ্যমান, কিন্তু বিশ্বজগতৰ উর্দ্ধতো ই বিয়পি থাকে। অন্যভাষাত, ঈশ্বৰেই বিশ্ব জগত, বৰঞ্চ বিশ্বজগততকৈও ই মহান। সর্বধৰেশ্বৰবাদীসকলে প্রায়ে বিশ্বাস কৰে যে ঈশ্বৰৰ এক মন আছে, বিশ্ব জগতক সৃষ্টি কৰে, আৰু আমাৰ প্রত্যেককে ব্যক্তিগত ভাৱে যত্ন লয়। আনহাতে, সর্বেশ্বৰবাদীসকলে বিশ্বাস কৰে যে বিশ্ব-জগতখন নিজেই ঐশ্বৰীক আৰু সেয়ে, ব্যক্তিগত ঈশ্বৰ নাইবা সৃষ্টিকর্ত্তা ঈশ্বৰত বিশ্বাস নকৰে।

ফলস্বৰূপে, সেইসকল লোক, যিসকল এই ধাৰণাটোৰ লগত পৰিচিত, তেওঁলোকৰ বাবে সর্বধৰেশ্বৰবাদ হৈছে এক 'মধ্যম পন্থা (middle way), নৈর্ব্যক্তিক সর্বেশ্বৰবাদ (চৰম), য'ত ব্যক্তিগত স্বাধীনতা আৰু সৃষ্টিশীলতা এক নৈব্যর্ক্তিক জগতত ব্যর্থ হৈ পৰে, আৰু চৰম

দার্শনিক সর্বেশ্বৰবাদ, য'ত ঈশ্বৰতত্ববিদ ব্যক্তি হ'ব পাৰে, কিন্তু যিকোনো আৰাম বা স্পৃহাৰ পৰা বহু আঁতৰত।

সর্বধৰেশ্বৰবাদ অতিবর্তী ঈশ্বৰবাদৰ পৰাও পৃথক, যিয়ে প্রকৃতিৰ পৰা এজন ঈশ্বৰক পৃথকৰূপে কেৱল স্বীকাৰ কৰে। ই সর্বেশ্বৰবাদৰ পৰাও পৃথক, কিয়নো সর্বেশ্বৰবাদৰ মতে ঈশ্বৰ আৰু প্রকৃতি অভিন্ন, যদিও ই সর্বেশ্বৰবাদৰ লগত একমত যে ঈশ্বৰে প্রকৃতিক ইয়াৰ অংশ হিচাপে অন্তর্ভুক্ত কৰিছে। হার্টশ্ব'ৰ্নেৰ মতে, এটা সাদৃশ্যানুমানৰ জৰিয়তে সর্বধৰেশ্বৰবাদক বেছি ভালকৈ বুজিব পৰা যায় ঃ যিদৰে এটা একক জীৱ অর্ধ-স্বতন্ত্র ব্যক্তিগত কোষৰ সমষ্টি আৰু স্বতন্ত্র ব্যক্তি, যি এক কোষৰ সমষ্টিতকৈ অধিক, দুয়োটায়ে হয়; ঠিক তেনেকৈ ঈশ্বৰকো প্রকৃত সত্তাৰ সকলো আৱশ্যকীয় অংশৰ এক সংগ্রহ বা সমষ্টি আৰু বিশ্বজগতত কৈয়ো 'কিছু বিশাল'- 'এই দুয়েটা হিচাপে চাব পৰা যায়। যদিও আমি অস্তিত্বৰ বাকীখিনিৰ সৈতে 'ঈশ্বৰ দেহ' হিচাপে চিন্তা কৰো, তেন্তে 'ঈশ্বৰৰ মন' নাইবা বিবেকে সেই দেহৰ উর্দ্ধত পৰিব্যাপ্ত হয় আৰু ঈশ্বৰক কেৱল অংশবোৰৰ এক সংগ্রহতকৈও অধিক কিবা এটা ৰূপে বিবেচিত কৰে-।

ঈশ্বৰৰ অংশ হিচাপে, আমাৰ স্বাধীনতা সম্পূর্ণ নহয়- যিদৰে আমাৰ শৰীৰত কোষবোৰৰ স্বাধীনতা সম্পূর্ণ নহয়। একে সময়তে, আমাৰ ক্রিয়া আৰু চিন্তাসমূহ ঈশ্বৰৰ ওপৰত নির্ভৰশীলো নহয়, নাইবা ঈশ্বৰৰ দ্বাৰা নিয়ন্ত্রিতও নহয়। আমাৰ ব্যক্তিগত কোষৰ ক্রিয়াসমূহক সচেতনভাৰে নিয়ন্ত্রণ আৰু পৰিচালিত কৰিবলৈ আমি সক্ষম। আমি আমাৰ কোষসমূহতকৈয়ো অধিক সক্ষম হ'ব পাৰো, কিন্তু, আমাক বৃদ্ধি কৰাৰ উদ্দেশ্যে আমাৰ মন-স্বতন্ত্র ভাৱে ক্রিয়া কৰি থকা আমাৰ কোষসমূহৰ ওপৰত আমি নির্ভৰ কৰোঁ।

২.১২ আত্ম-ঈশ্বৰবাদ (AUTOTHEISM)

আত্ম ঈশ্বৰবাদ হৈছে সেই দৃষ্টিভঙ্গী যে ঈশ্বৰত্ব বাহ্যিক হয় নে নহয়। ই 'এজন'ৰ মাজত আন্তৰিক ভাৱে নিহিত থাকে, আৰু সেই 'এজন'ৰ ঈশ্বৰত্ব লাভ কৰিবলৈ সক্ষমতা থাকে। ই এক স্বার্থহীন ধৰণে হ'ব পাৰে, অর্থাৎ নৈতিক, দার্শনিক- আৰু ধর্মীয় নেতাসকলৰ প্রতি থকা উক্তিসমূহৰ ভাৱক অনুসৰণ কৰি হোৱা এক পথ। আত্ম ঈশ্বৰবাদে সেই বিশ্বাসকো নির্দ্দেশ কৰিব পাৰে যে আত্মগতবাদৰ পৰিপ্রেক্ষিতত এজনৰ আত্মাই হৈছে এক ঈশ্বৰ বা দেৱতা। যেই নহওঁক, ই আত্মগতবাদৰ এক অতিশয় চৰম সংস্কৰণ।

ঈশ্বৰবাদৰ ধাৰণাটোক কেতবোৰ শব্দত অন্তর্ভুক্ত কৰা হৈছে, যিয়ে নির্দ্দেশ কৰে ঈশ্বৰৰ অস্তিত্বত অবিশ্বাস নাইবা সংশয়। সেইয়া হ'ল-

অ- ঈশ্বৰবাদ (Non-theism) ঃ কোনো দেৱতা বা ঈশ্বৰৰ ওপৰত স্পষ্টকৈ পৰিচিত বিশ্বাসৰ অনুপস্থিতি। অ- ঈশ্বৰবাদে অন্তর্ভুক্ত কৰা ধর্মসমূহ হৈছে তাওধর্ম (Taoism) আৰু জন বৌদ্ধ ধর্ম (Zen-Buddhism)।

বিৰোধী ঈশ্বৰবাদ (Antitheism) ঃ ঈশ্বৰবাদৰ প্রতি প্রত্যক্ষ বিৰোধ নাইবা আন এক

মত যে ঈশ্বৰবাদ ধ্বংসকাৰী।

নিৰীশ্বৰবাদ বা নাস্তিকবাদ (Atheism) ঃ নিৰীশ্বৰবাদে সেই বিশ্বাসক নির্দ্দেশ কৰে যে কোনো ঈশ্বৰত্ব নাই। ই শক্তিশালী নিৰীশ্বৰবাদ, যাৰ মতে কোনো দেৱতা বা ঈশ্বৰ অস্তিত্বশীল নহয় আৰু দুর্বল নিৰীশ্বৰবাদ, যাৰ মতে দেৱতা বা ঈশ্বৰৰ অস্তিত্বত বিশ্বাসৰ অনুপস্থিতি দুয়োটাকে অন্তর্ভুক্ত কৰিছে।

অজ্ঞেয়তাবাদ (Agnosticism) ঃ এক বিশ্বাস যে ঈশ্বৰৰ অস্তিত্ব অজ্ঞাত নাইবা আন্তৰিকভাৱে অজ্ঞেয়। ই অন্তভুর্ক্ত কৰে দৃঢ় অজ্ঞেয়তাবাদক, অর্থাৎ সেই মত, যিয়ে ঈশ্বৰৰ অস্তিত্বৰ প্রশ্নটো আন্তৰিকভাৱে অজ্ঞেয় নাইবা অর্থহীন, আৰু দুর্বল অজ্ঞেয়তাবাদক, যিয়ে উল্লেখ কৰে যে ঈশ্বৰৰ অস্তিত্বৰ প্রশ্নটো তাৎক্ষনিকভাৱে অজ্ঞাত, কিন্তু আন্তৰিকভাৱে অজ্ঞেয়।

এই কথা মন কৰিবলগীয়া যে ঈশ্বৰবাদী বিশ্বাসৰ সম্প্রদায়বোৰৰ প্রকাৰৰ বাবে এইবোৰ নিদর্শন এই শ্রেণীবিভাজনে পৰামর্শ দিয়াৰ দৰে প্রায়ে দৃঢ় বা কঠোৰ নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ একৈকাধিদেৱ মতবাদ কি ?

প্রশ্ন নং ৮ ঃ অতিবর্তী ঈশ্বৰবাদ কি ?

প্রশ্ন নং ৯ ঃ একেশ্বৰবাদ কি ?

প্রশ্ন নং ১০ ঃ সর্বেশ্বৰবাদ কি ?

প্রশ্ন নং ১১ ঃ সত্য নে অসত্য লিখক।

(ক) ঈশ্বৰবাদ হৈছে ঈশ্বৰ বা দেৱতাসকলৰ অস্তিত্বত বিশ্বাস।

(খ) একৈকাধিদেৱবাদ হৈছে বহু ঈশ্বৰবাদৰ পৰা একেশ্বৰবাদলৈ এক পদক্ষেপ।

(গ) সর্বধৰেশ্বৰবাদে বিশ্বাস কৰে যে কোনো ঈশ্বৰ নাই।

প্রশ্ন নং ১২ ঃ খালী ঠাই পূৰণ কৰকঃ

(ক).....বিশ্বাস কৰে যে ঈশ্বৰ.....আৰু বিশ্ব-জগত একে।

(খ) বহু ঈশ্বৰবাদৰ পদ্ধতিত যিকোনো ব্যক্তিগত ঈশ্বৰক এক বিশাল, সাদৃশ্যমূলক গোটৰ এজন সদস্যক কোৱা হয়.....।

(গ).....য়ে বিশ্বাস কৰে যে কোনো ঈশ্বৰ নাথাকে।



২.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় দর্শনৰ আস্তিক সম্প্রদায়সমূহ ন্যায়, বৈশেষিক সাংখ্য, যোগ,মীমাংসা আৰু বেদান্তই বেদক একমাত্র প্রামানিক গ্রন্থ আৰু অভ্রান্ত ৰূপে স্বীকাৰ কৰে। কিন্তু নাস্তিক সম্প্রদায় যেনেঃ চার্বাক, বৌদ্ধ আৰু জৈনই বেদৰ কর্তৃত্বক বিশ্বাস নকৰে। অর্থাৎ, বেদক

অভ্ৰান্ত আৰু একমাত্ৰ প্ৰামানিক গ্ৰন্থ হিচাপে মানি নলয়।

- বেদ চাৰিখন- ঋক্‌বেদ, সাম্‌বেদ, যৰ্জুৰ বেদ আৰু অথৰ্ববেদ। প্ৰত্যেক বেদৰে তিনিটা ভাগ আছে- যেনে- সংহিতা, ব্ৰাহ্মণ আৰু আৰণ্যক। উপনিষদ সমূহ বেছিকৈ আৰণ্যকৰেই অংশ।
- আক্ষ ৰিক অৰ্থত 'ঋত্' শব্দৰ অৰ্থ 'ঘটনাৰ প্ৰৰাহ'। 'ঋত', ধাৰণাটোৱে দেৱতাসমূহক বা ঈশ্বৰক এজনৰ লগত আনজনক একত্ৰিত কৰিছে, আৰু একেশ্বৰবাদৰ পথ প্ৰশস্ত কৰিছে।
- ঈশ্বৰবাদ হৈছে ঈশ্বৰৰ অস্তিত্বৰ ওপৰত থকা এক বিশ্বাস।
- বহু ঈশ্বৰবাদ হৈছে অধিক ঈশ্বৰত বিশ্বাস।
- একৈকাধিদেৱবাদে বিশ্বাস কৰে যে বহুতো ঈশ্বৰ অস্তিত্বশীল আৰু সেইসমূহ ঈশ্বৰৰ ঈশ্বৰৰ মাজত কেৱল এজনকহে উপাসনা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ই বহুঈশ্বৰবাদৰ পৰা একেশ্বৰ বাদলৈ এক পদক্ষেপ
- একেশ্বৰবাদ হৈছে কেৱল এজন একক ঈশ্বৰৰ অস্তিত্বৰ ওপৰত বিশ্বাস। একেশ্বৰবাদ বহুঈশ্বৰৰ বাদৰ পৰাই সৃষ্টি হৈছে।
- সৰ্বেশ্বৰবাদ এক বিশ্বাস যে ইন্দ্ৰিয়গ্ৰাহ্য জগতখন ঈশ্বৰৰ সৈতে একে বা সমান। সেয়ে এজন সৃষ্টিকৰ্ত্তা আৰু তেওঁৰ সৃষ্টিৰ মাজত কোনো পাৰ্থক্য নাথাকে।
- পৃথিৰীৰ মহান ধৰ্মসমূহ যেনে, বৌদ্ধধৰ্ম, জৈনধৰ্ম, হিন্দুধৰ্ম, ইছলাম ধৰ্ম, খ্ৰীষ্টানধৰ্ম, শিখধৰ্ম আদি ধৰ্মৰ পৰিসৰৰ ভিতৰত পৰে।
- নিৰীশ্বৰবাদ হৈছে সেই বিশ্বাস, যাৰ মতে ঈশ্বৰৰ কোনো অস্তিত্ব নাথাকে।

২.১৪ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় দৰ্শনৰ আস্তিক সম্প্ৰদায়সমূহ হৈছে- ন্যায়, বৈশেষিক, সাংখ্য, যোগ, মীমাংসা আৰু বেদান্ত

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় দৰ্শনৰ নাস্তিক দাৰ্শনিক সম্প্ৰদায় কেইটা হ'ল- চাৰ্বাক, বৌদ্ধ আৰু জৈন।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বেদৰ তিনিটা শ্ৰেণী বিভাগ হৈছে- সংহিতা, ব্ৰাহ্মণ আৰু আৰণ্যক।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আক্ষৰিক অৰ্থত 'ঋত্' মানে 'ঘটনাৰ প্ৰবাহ'। ঋত্ হৈছে পাৰ্থিব নীতি। ই প্ৰকৃতিৰ ঐক্যতাক পৰিচালিত কৰে। ই প্ৰাকৃতিক নিয়ম। ই সত্য, শুদ্ধ আৰু ন্যায়ৰ আইন। ই হৈছে নৈতিক আইন। বৰুণ দেৱতা হৈছে এই ঋত্ বা নৈতিক আইনৰ অধিকাৰী দেৱতা। ঋত্ই মূলত, পৃথিৰী, সূৰ্য্য, চন্দ্ৰ, নক্ষত্ৰ, তৰা, ৰাতিপুৱা, গধূলি, দিন আৰু ৰাতিৰ প্ৰতিষ্ঠিত মাৰ্গক বুজায়। ঋত্ সকলোৰে পিতৃ স্বৰূপ, অভিজ্ঞতাৰ জগতখন ঋত্ অৰ্থাৎ স্থায়ী সত্তাৰ এক ছাঁ নাইবা প্ৰতিবিম্ব, যি অপৰিবৰ্তনীয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক) সত্য (খ) অসত্য (গ) সত্য

৬ নং প্রশ্নৰ উত্তৰ ঃ (ক) বৰুণ (খ) আৰণ্যক (গ) ঋত্

৭ নং প্রশ্নৰ উত্তৰ ঃ একৈকাধিদেৱবাদে বিশ্বাস কৰে যে বহুতো ঈশ্বৰৰ অস্তিত্ব আছে আৰু তাৰ ভিতৰত কেৱল এজনৰ উপাসনাৰ ওপৰতহে ই গুৰুত্ব আৰোপ কৰে। তথাপি একৈকাধিদেৱবাদে অনুমতি দিয়ে যে এজনতকৈ অধিক ঈশ্বৰৰ উপাসনাৰ মূল্য আছে। ই একেশ্বৰবাদৰ পৰা পৃথক হিচাপে 'এজন' ঈশ্বৰৰ ওপৰত বিশ্বাস কৰে। মেক্স্ মুলাৰে ইয়াক বহুঈশ্বৰবাদী বিশ্বাসৰ পৰা একেশ্বৰবাদী বিশ্বাসলৈ অগ্রসৰ হোৱাৰ এক নিদৃষ্ট স্তৰ ৰূপে আগবঢ়াইছে।

৮ নং প্রশ্নৰ উত্তৰ ঃ অতিবর্তী ঈশ্বৰবাদী সকলে এই বিশ্বাস গ্রহণ কৰে যে একক অস্তিত্বশীল ঈশ্বৰ প্রকৃতিগতভাৱে ব্যক্তিগত আৰু সৃষ্ট জগতৰ পৰা অতি উত্তম। তথাপিও, তেওঁলোকে পাশ্চাত্য জগতত একেশ্বৰবাদৰ মাজত সাধাৰণ বিশ্বাসক নুই কৰিছে, যে এই ঈশ্বৰ নৈর্ব্যক্তিক, যি সৃষ্ট জগতত বর্ত্তমানে সক্রিয়। প্রকৃত সত্তাৰ অতিবর্তী ঈশ্বৰবাদী মতামত অনুসৰি ঈশ্বৰে ই বিশ্ব জগত সৃষ্টি কৰিছে আৰু ইয়াৰ পাছত সৃষ্টিৰ পৰা তেওঁ নিজেই আঁতৰি যায়।

৯ নং প্রশ্নৰ উত্তৰ ঃ 'Monotheism'- শব্দটো আহিছে, গ্রীক শব্দ 'Monos' যাৰ অর্থ 'এক' আৰু 'theos' , যাৰ অর্থ 'ঈশ্বৰ'ৰ পৰা। সেয়ে, ই হৈছে এজন ঈশ্বৰৰ অস্তিত্বত বিশ্বাস। বৃহৎ একেশ্বৰবাদী ধর্মীয় সম্প্রদায়সমূহ হৈছে ইহুদী ধর্ম, খ্রীষ্টান ধর্ম, ইছলাম ধর্ম আৰু শিখধর্ম। একেশ্বৰবাদক বহুঈশ্বৰবাদৰ লগত তুলনা কৰা হয়, যি হৈছে বহু ঈশ্বৰৰ অস্তিত্বৰ ওপৰত থকা এক বিশ্বাস। ইয়াৰোপৰি ইয়াক নিৰীশ্বৰবাদৰ লগতো তুলনা কৰা হয়, যি হৈছে কোনো ঈশ্বৰৰ অস্তিত্বৰ ওপৰত অবিশ্বাস।

১০ নং প্রশ্নৰ উত্তৰ ঃ সর্বেশ্বৰবাদ এক বিশ্বাস যে বিশ্ব-জগতখন ঈশ্বৰৰ সৈতে সমান; আৰু এজন সৃষ্টিকর্ত্তা আৰু তেওঁৰ সৃষ্টিৰ মাজত কোনো পার্থক্য নাথাকে। 'Panetheism' শব্দটো গ্রীক ধাতু 'pan', যাৰ অর্থ 'সকলো' আৰু 'theos' যাৰ অর্থ 'ঈশ্বৰ'ৰ পৰা আহিছে। সেয়ে,'Panetheism'-শব্দৰ অর্থ হয় সেই বিশ্বাস যে বিশ্বজগতখনেই ঈশ্বৰ আৰু উপাসনাৰ যোগ্য নাইবা ঈশ্বৰ হৈছে আমি আমাৰ চাৰিওফালে দেখা সংযুক্ত দ্রব্য, শক্তি আৰু প্রাকৃতিক আইন আৰু বিশ্বজগতত থকা সকলো বস্তুৰেই সর্বমুঠ, কিন্তু সেইবোৰো ঈশ্বৰৰেই প্রকাশ। ইয়াত ঈশ্বৰক অতি উত্তম প্রকৃতি হিচাপে নহয়, ইয়াৰ নৈব্যর্ক্তিক ৰূপ-হিচাপেহে ধাৰণা কৰা হয়। জগতখন ঈশ্বৰৰ পৰা অতিক্রম নকৰে, ব্রহ্ম ই নিজেই ঈশ্বৰ।

১১ নং প্রশ্নৰ উত্তৰ ঃ (ক) সত্য (খ) অসত্য

১২ নং প্রশ্নৰ উত্তৰ ঃ (ক) সর্বেশ্বৰবাদ (খ) সকলো দেৱতাৰ একাধিস্থান (গ) নিৰীশ্বৰবাদ।



২.১৫ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ বেদ কেইখন?

প্রশ্ন ২ ঃ 'ঋত্' ৰ আক্ষৰিক অর্থ কি?

প্রশ্ন ৩ ঃ ঈশ্বৰবাদ বুলিলে কি বুজে?

(খ) চুটি প্রশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বেদৰ বিভিন্ন অংশবোৰ কি কি?

প্রশ্ন ২ ঃ অজ্ঞেয়তাবাদ কি?

প্রশ্ন ৩ ঃ আত্ম-ঈশ্বৰবাদ কি?

প্রশ্ন ৪ ঃ একেশ্বৰবাদী ধর্মসমূহ উল্লেখ কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ২ ঃ 'ঋত্' ধাৰণাটো ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ ঈশ্বৰবাদৰ বিভিন্ন স্তৰসমূহ কি কি?

প্রশ্ন ৩ ঃ চমুকৈ অতিবর্তী ঈশ্বৰবাদক ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ বহু ঈশ্বৰবাদৰ ধাৰণাটো আলোচনা কৰক।

(গ) পার্থক্য নির্ণয় কৰক ঃ

প্রশ্ন ১ ঃ একেশ্বৰবাদ আৰু অদ্বৈতবাদ

প্রশ্ন ২ ঃ সর্বেশ্বৰবাদ আৰু সর্বধৰেশ্বৰবাদ

*** ***** ***

অধ্যায় ৩ ঃ গীতাৰ কর্মযোগ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ গীতা কি

৩.৪ গীতাৰ কর্মযোগৰ মতামত

৩.৪.১ নিষ্কাম কর্মৰ ধাৰণাৰ ব্যাখ্যা

৩.৪.২ নিষ্কাম কর্মঃ আধিবৈজ্ঞানিক আৰু জ্ঞান বিজ্ঞান সম্বন্ধীয় ধাৰণা

৩.৪.৩ প্রবৃত্তি আৰু নিবৃত্তি

৩.৪.৪ স্বধর্ম

৩.৪.৫ মোক্ষঃ মানৰ জীৱনৰ চৰম তথা-সর্বোচ্ছ লক্ষ্য

৩.৫ গীতাৰ কর্মযোগ আৰু কাণ্টৰ কর্তব্যমূল নৈতিক মতবাদ

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টিৰ অধ্যয়ণ কৰি আপুনি —

- গীতাৰ 'কর্ম'ৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- নিষ্কাম-কর্মৰ অর্থ ও তাৎপর্য্য ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব
- প্রকৃতিৰ কর্মৰাজিৰ সিপাৰ আধিবৈজ্ঞানিক ধাৰণাৰ সমূহ বুজাবলৈ সমর্থ হ'ব
- গীতাৰ কর্মযোগ আৰু কাণ্টৰ কর্তব্যমূলক নীতিবিজ্ঞানৰ মাজত পার্থক্য নির্ণয় কৰিব পাৰিব
- বর্ত্তমানৰ পৰিপ্রেক্ষিতত স্বধর্মৰ যুক্তিযুক্ততা ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয়

'কর্মযোগ' ধাৰণাটোৱে গীতাৰ নীতি বিজ্ঞানক প্রতিনিধিত্ব কৰিছে। কর্মযোগ ধাৰণাটো দুটা ধাৰণা যেনেঃ কর্ম আৰু যোগৰ দ্বাৰা গঠিত হৈছে। সংস্কৃত শব্দ 'যোগ' নিঃসৃত হৈছে মূল ধাতু 'যুগ'ৰ পৰা যাৰ অর্থ 'ঐক্য'বা 'সন্মিলন' বা 'সংযোগ কৰা'। আমি যেতিয়া সংযোগৰ বিষয়ে কওঁ, তেতিয়া এক প্রশ্ন উদয় হয়- কিহৰ লগত কিহৰ সংযোগ কৰা হয়। গীতাত এইবোৰ অস্তিত্ব

হৈছে ব্যক্তিগত চৈতন্য আৰু সাৰ্বিক পৰম চৈতন্য ৰূপে স্বীকাৰ কৰা হৈছে। গীতাই জ্ঞান, কৰ্ম আৰু ভক্তিৰ এক ভাব সংযোগ বা সমন্বয় আনিছে। এই ভাব-সংযোগক কোৱা হয় যোগ, যাৰ অর্থ পৰম আত্মা (ব্রহ্ম)ৰ সৈতে ব্যক্তিগত আত্মা (আত্মা)ৰ সংযোগ বা সমন্বয়। এই সংযোগ আধ্যাত্মিক, জাগতিক বা সমন্বয়। এই সংযোগ আধ্যাত্মিক, জাগতিক নহয়। কৰ্মৰ ধাৰণাটো বিসংগতিপূর্ণ ধাৰণা। নিজস্ব দর্শন অনুযায়ী চিন্তাৰ প্রত্যেক সম্প্রদায়ে কৰ্মৰ ধাৰণাটোৰ বিভিন্ন অর্থ নিঃসৰণ কৰিছে। বেদত, কৰ্মৰ অর্থ-যজ্ঞ-কৰ্ম। উপনিষদত ইয়াৰ অর্থ সত্যৰ অন্বেষণ। ঈশ্বৰবিশ্বাসী দর্শনত ই ঈশ্বৰৰ আৰাধনাক বুজাইছে। কিন্তু গীতাত, কৰ্মক কাম (action) ৰ অর্থত ব্যৱহাৰ কৰিছে। গীতাৰ মতে, কৰ্ম হৈছে মোক্ষ লাভৰ এক মার্গ বা উপায় নাইবা পৰম চৈতন্য অর্থাৎ ঈশ্বৰৰ সৈতে সমন্বয়। কিন্তু সকলো প্রকাৰৰ কৰ্মৰ দ্বাৰা ই হৈছে নিষ্কাম- কৰ্ম, যিয়ে এজন ব্যক্তিক পৰম আত্মা বা ব্রহ্মৰ সৈতে সংযোগ কৰাব পাৰে।

৩.৩ গীতা কি

গীতা হৈছে মূলতঃ এক হিন্দু ধর্মশাস্ত্র। 18 টা অধ্যায় আৰু 700 টা শ্লোকেৰে সৈতে গীতাই মহাভাৰতৰ ভীষ্ম পর্বক দখল কৰি আছে। আক্ষৰিকভাৱে শ্রীমদ্ভাগৱত গীতাৰ অর্থ হৈছে পৰম ব্রহ্মৰ সংগীত। ই হৈছে অর্জুন আৰু শ্রীকৃষ্ণৰ কথোপকথন, যি মহান কুৰুক্ষেত্রৰ যুদ্ধস্থলীত হৈছিল। কুৰুক্ষেত্রক ধর্মক্ষেত্র বুলিও কোৱা হয়, য'ত 'ধর্ম' আৰু 'অধর্ম, এই দুই শক্তিয়ে এটাই আনটোৰ বিপক্ষে যুদ্ধ কৰিছিল। গীতাত শ্রীকৃষ্ণই পৰম ব্রহ্ম আৰু অর্জুনে আমাৰ দৰে এজন সাধাৰণ মানুহক প্রতিনিধিত্ব কৰিছিল। একেবাৰে আৰম্ভনীত আমি দেখা পাওঁ যে অর্জুনে এই কথা চিন্তা কৰি চিন্তিত হৈ পৰিছিল যে, তেওঁ তেওঁৰ নিজৰেই বন্ধুসৱ আৰু আপোনজনৰ বিপক্ষে যুঁজিৰ লাগিব।

৩.৪ গীতাৰ কৰ্মযোগ সম্পর্কীয় মতামত

গীতাত কৰ্মৰ ধাৰণাটোক এক বহল অর্থত ব্যৱহাৰ কৰা হৈছে। ই স্বর্গীয় উপাসনা আৰু স্বধর্ম দুয়োটাকে বুজায়। গীতাৰ মতে, আমি যেতিয়ালৈকে দেহযুক্ত জীৱন অতিবাহিত কৰোঁ, তেতিয়ালৈকে আমি কৰ্মৰ পৰা পলাৰ নোৱাৰো। কামৰ অবিহনে জীৱন কেতিয়াও চলি থাকিব নোৱাৰে (III.5)। গীতাৰ কৰ্মযোগ সাংখ্য দর্শনৰ কৰ্মবাদ মতবাদৰ ভিত্তিত প্রতিষ্ঠিত। সাংখ্যই উল্লেখ কৰে যে, প্রকৃতি হৈছে মৌলিক সত্তা, য'ৰ পৰা জগতখনৰ ক্রমবিকাশ হৈছে। প্রকৃতি সাম্যাৱস্থাত থকা তিনি গুণ সত্ত, ৰজ আৰু তমৰ একতা। যিহেতু প্রকৃত আৰু ইয়াৰ গুণসমূহ মানুহৰ মাজত উপস্থিত থাকে, সেয়ে আমি এটা মুহূর্ত্তও কামৰ অবিহনে জীয়াই থাকিব নোৱাৰো। প্রকৃতি সদা সক্রিয়। সেই কাৰণে, আমি সক্রিয় হৈ থাকিবলৈ বাধ্য।

গীতাই স্বীকাৰ কৰে যে, কৰ্মৰ জৰিয়তেই আমি জগতৰ অন্যান্য বস্তুৰ সৈতে এটা সম্পর্কলৈ আহো। এটা বিখ্যাত মত আছে যে কৰ্মই মানুহক বান্ধি ৰাখে আৰু তেওঁলোকক

জ্ঞানৰ দ্বাৰা ৰক্ষা কৰা হয়। প্ৰত্যেক ক্ৰিয়াই ইয়াৰ স্বাভাৱিক ফল (হয় ভাল, নহয় বেয়া) উৎপন্ন কৰে। ই জগতত দেহযুক্তকৰণক অন্তৰ্ভুক্ত কৰে যাক মোক্ষৰ পথত এক হেঙাৰ ৰূপে গণ্য কৰা হয়। প্ৰত্যেক ক্ৰিয়াই অহংভাৱ আৰু কৰ্ত্তাৰ পৃথকীকৰণক আৱদ্ধ কৰে আৰু ফল বা পৰিণামৰ এক নতুন ধাৰা গঠন কৰে। সেই কাৰণে, যুক্তি প্ৰদৰ্শন কৰা হয় যে এজন ব্যক্তিয়ে সকলো কৰ্ম বা ক্ৰিয়া পৰিত্যাগ কৰিবই লাগিব আৰু এজন সন্যাসী হৈ পৰিব লাগিব। কিন্তু গীতাই এই উদাসীন পৰম্পৰাক গ্ৰহণ কৰা নাই আৰু উল্লেখ কৰে যে কৰ্মৰ জৰিয়তেই আমি মোক্ষ লাভ কৰিব পাৰো। গীতাই এই কথাও সদৰি কৰে যে, কৰ্ম হৈছে মোক্ষ লাভৰ মাৰ্গ নাইবা পথ। এইখিনিতেই এক প্ৰশ্ন উদয় হয় যে, 'কেনেকুৱা ধৰণৰ কৰ্মৰ দ্বাৰা আমি মোক্ষ লাভ কৰিব পাৰো?' ইয়াৰ উত্তৰটো হৈছে নিষ্কাম- কৰ্ম। নিষ্কাম কৰ্ম হৈছে গীতাৰ নৈতিক শিক্ষাৰ মূল আদৰ্শ। সাংসাৰিক মায়াৰহিত উদ্যমত কৰা কাম, পৰিণামৰ ভয়ৰ অবিহনে কৰা কামেই হৈছে কৰ্মৰ আটাইতকৈ উৎকৃষ্ট ৰূপ, কাৰণ ইয়াৰ সত্ব গুণ বেছি থাকে। সেইবোৰ কৰ্ম, যি সত্বগুণৰ দ্বাৰা শাসিত নাইবা সত্ব গুণৰ দ্বাৰা অনুপ্ৰাণিত, সেইবোৰ কৰ্মই উৎকৃষ্ট কৰ্ম। গীতাৰ মতে কৰ্ম হৈছে মানুহৰ জীৱনৰ লক্ষ্যৰ ওচৰ চপাৰ এক বিকল্প পদ্ধতি।

৩.৪.১ 'নিষ্কাম কৰ্ম' ধাৰণাটোৰ ব্যাখ্যা

গীতাৰ নিষ্কাস কৰ্মৰ ধাৰণাটো এটা সৰল ধাৰণা নহয়। ই এক যৌগিক ধাৰণা, যি দুটা ভিন্ন ধাৰণাৰে গঠিত। সেয়া হৈছে নিষ্কাম আৰু কৰ্ম। 'নিষ্কাম' শব্দটো আকৌ দুটা শব্দ যেনেঃ 'নিঃ' আৰু 'কাম' ৰ দ্বাৰা গঠিত হৈছে। 'কাম'ৰ- অৰ্থ ইন্দ্ৰিয়জ আকাংক্ষা। ইয়াৰ উপসৰ্গ 'নিঃ' নঞৰ্থক অৰ্থত ব্যৱহৃত হয়। সেই কাৰণে, 'নিষ্কাম- কৰ্মৰ অৰ্থ হৈছে ইচ্ছা বা কামনাবিহীন কৰ্ম নাইবা বেছি যথোচিতভাৱে এক কামনাবিহীন আচৰণত এজন ব্যক্তিৰ দ্বাৰা কৃত এক কৰ্ম। নিষ্কাম কৰ্ম সকাম- কৰ্মৰ বিপৰীত। সকাম-কৰ্ম হৈছে ইচ্ছাপূৰ্ণ বা আকাংক্ষাপূৰ্ণ কৰ্ম। অৱশ্যে, নিষ্কাম কৰ্মই কৰ্মৰ অব্যাহতিক নুবুজায়। ইয়াৰ ঠাইত ই কৰ্মত পৰিহাৰক বুজায়। ইহৈছে কৰ্মৰ ফল বা পৰিণামৰ পৰিহাৰ।

৩.৪.২ 'নিষ্কাম কৰ্ম' ঃঅধিবৈজ্ঞানিক আৰু জ্ঞান- বিজ্ঞান সম্পৰ্কীয় ধাৰণা

গীতাৰ নিষ্কাম কৰ্মৰ ধাৰণাটোৰ বাবে কিছুমান তত্ব সম্বন্ধীয় আৰু জ্ঞানসম্বন্ধীয় ধাৰণাৰ পূৰ্বাৱশ্যক। তত্ব সম্বন্ধীয় ধাৰণাটো সাংখ্যদৰ্শনৰ কৰ্মবাদৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। সাংখ্যই পুৰুষ (আত্মা) আৰু প্ৰকৃতি (দ্ৰব্য)ৰ মাজত এক তাত্বিক দ্বৈতবাদৰ সূচনা কৰিছে। কিন্তু গীতাৰ মতে এই দুই সত্তা (পুৰষ আৰু প্ৰকৃতি) ঈশ্বৰৰ অধীন। জ্ঞান-বিজ্ঞান সম্বন্ধীয় ধাৰণাটো বিবেক জ্ঞানৰ সম্ভাৱনীয়তা, যিয়ে এজন ব্যক্তিক প্ৰকৃতি আৰু পুৰুষৰ মাজৰ পাৰ্থক্য উপলব্ধি কৰায়।

৩.৪.৩ প্ৰবৃত্তি আৰু নিবৃত্তি

প্ৰবৃত্তি হৈছে এক আদৰ্শ, যিয়ে সকলো বাধ্য-বাধকতা বহন কৰি জগতৰ মাজত জীয়াই থকাৰ পৰামৰ্শ দিয়ে; সেই হেতুকে, ই স্বাৰ্থৰ উপাদানবোৰো অন্তভূৰ্ক্ত কৰিছে। ই ইচ্ছা বা আকাংক্ষাৰ দ্বাৰা অনুপ্ৰাণিত। আনহাতে, নিবৃত্তিয়ে সকলো কৰ্ম ত্যাগ আৰু জগতৰ পৰা সম্পূৰ্ণৰূপে ঘুৰি অহাক সমৰ্থন কৰে। প্ৰবৃত্তি হৈছে বাহ্যিক জগতত সাঙুৰ খোৱাৰ সংকেত আৰু নিবৃত্তিৰ অৰ্থ জগতৰ পৰা ঘুৰি অহা নাইবা ইয়াৰ পৰিত্যাগ।। কিন্তু গীতাই কৰ্মক ইয়াৰ ফল বা পৰিণাম পৰিত্যাগৰ সৈতে যুক্ত কৰাৰ দ্বাৰা এই দুটা আদৰ্শৰ এক সমন্বয় আগবঢ়াইছে। গীতাই প্ৰবৃত্তি আৰু নিবৃত্তিৰ এই দুই আদৰ্শৰ মাজত এক সোণালী উপায় আৱিষ্কাৰ কৰিছে। গীতাৰ কৰ্মযোগ এনে ধৰণৰেই এক উপায়। কৰ্মৰ পৰা বিৰত হোৱাটো কোনো ব্যক্তিৰ পক্ষেই অসম্ভৱ। কিন্তু যিজনে সকলো কৰ্মফল পৰিত্যাগ কৰে, তেওঁক ত্যাগী বুলি কোৱা হয় (XVIII.11)। এইদৰেই, গীতাই কোনোটো আদৰ্শকে অগ্ৰাহ্য কৰা নাই; বৰঞ্চ দুয়োটাকে একেলগ কৰিছে আৰু তাক নিৰ্মল কৰিছে।

৩.৪.৪ স্বধৰ্ম

গীতাই পোষণ কৰে যে, মানুহ প্ৰকৃতিৰ উৎপাদন। প্ৰকৃতিৰ ত্ৰিগুণ মানুহৰ মাজত বিদ্যামান। ত্ৰিগুণ (সত্ব, ৰজ, তম)ৰ উপস্থিতি অনুযায়ী সমগ্ৰ মানৱ জাতিক চাৰি বৰ্ণ নাইবা শ্ৰেণীত বিভক্ত কৰা হৈছে- ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ। ব্ৰাহ্মণসকলৰ মাজত সত্ব গুণ বিৰাজমান আৰু তেওঁলোকৰ কৰ্তব্য হৈছে আধ্যাত্মিক অনুসন্ধান। ক্ষত্ৰিয়সকলৰ মাজত ৰজ গুণ বিদ্যামান আৰু তেওঁলোকৰ কৰ্তব্য হৈছে শত্ৰুৰ পৰা নিজৰ দেশক ৰক্ষা কৰা আৰু নিজকে সাংসাৰিক কৰ্মৰাজিৰ মাজত জড়িত ৰখা। বৈশ্যসকলৰ মাজত ৰজ আৰু তম দুয়োটা গুণেই থাকে আৰু তেওঁলোকৰ কৰ্তব্য হৈছে খেতি বাতি, ব্যৱসায় আৰু বাণিজ্য। শেষত, শূদ্ৰসকলৰ মাজত তম গুণৰ প্ৰাধান্য মন কৰিবলগীয়া আৰু তেওঁলোকৰ কৰ্তব্য হৈছে ওপৰত উল্লিখিত তিনিওটা উচ্চ শ্ৰেণীৰ কাম-কাজ সম্পন্ন কৰা। মানুহৰ নিজস্ব স্বভাৱৰ জন্মগত গুণ অনুসৰিয়েই এই ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ-এই শ্ৰেণীবিভাজন কৰা হৈছে (XVIII.14)। এই শ্ৰেণীবিভাজন বংশানুক্ৰমিক নহয়। ই গুণ আৰু কৰ্মৰ দ্বাৰাহে নিৰ্দ্ধাৰিত হয়। গীতাৰ মতে, কৰ্মৰ অৰ্থ হৈছে এজন লোকে নিজৰ বৰ্ণ অনুসৰি সম্পন্ন কৰা কাম। প্ৰত্যেক ব্যক্তিৰ নিজস্ব জন্মগত স্বভাৱ থাকে আৰু তেওঁৰ জীৱনত ইয়াক কাৰ্যকৰী কৰাটোৱেই হৈছে তেওঁৰ স্বধৰ্ম। সমাজত ভিন্ন প্ৰকাৰৰ কাৰ্য সম্পাদন কৰিবলৈ মানুহক এই চাৰি বৰ্ণত বিভক্ত কৰা হৈছে। স্বধৰ্মৰ দ্বাৰা গীতাই ইয়াকে বুজায়। গীতাত 'ধৰ্ম' শব্দটো কৰ্তব্যৰ অৰ্থত ব্যৱহৃত হৈছে। গীতাই এই কথা মানি চলে যে আনৰ কৰ্তব্য ভালদৰে

কৰাতকৈ মানুহে নিজে নিজৰ কৰ্তব্য শ্ৰেষ্ঠতাৰ অবিহনেই কৰাটো উৎকৃষ্ট। (Swabdgarbe budgaba sreta paradharmo bhaya vaha-III.35)। ইয়াত এই কথা উল্লেখ কৰিব লাগিব যে গীতাত এই কথাৰ উল্লেখ আছে যে বৰ্ণ-ব্যৱস্থাটো ঈশ্বৰে নিজেই প্ৰতিষ্ঠা কৰে।

কৃষ্ণই যেতিয়া অৰ্জুনক যুদ্ধ কৰিবলৈ উপদেশ দিছিল, ই এই কথা বুজোৱা নাছিল যে তেওঁ যুদ্ধৰ বৈধতাক সাব্যস্ত কৰিবলৈ চেষ্টা কৰিছিল। অজুৰ্নে যুদ্ধৰ শুদ্ধতা আৰু ভুলৰ প্ৰশ্ন উত্থাপন কৰা নাছিল। তেওঁৰ যুদ্ধৰ প্ৰতি অনিচ্ছা আধ্যাত্মিক বিকাশৰ পৰিণাম নাছিল। তেওঁ সত্ব গুণৰ দ্বাৰা হোৱা নাছিল, বৰঞ্চ ই আছিল অবিদ্যা বা অজ্ঞানতাৰহে এক গুণফল। আমি জানো যে এজন লোকৰ কৰ্মহীনতাক ইচ্ছা নাইবা আকাংক্ষ্যালৈ ৰূপান্তৰ কৰিব পৰা যায়। কৃষ্ণই অৰ্জুনক দেশৰ বাবে আকাংক্ষাৰ অবিহনে, আনকি ৰাগ দ্বেষ নাইবা অনুৰক্তৰ অবিহনেই যুদ্ধ কৰিবলৈ উপদেশ দিয়ে। আসক্তিৰ অবিহনে আমি আমাৰ কৰ্ম অনুৰাগপূৰ্ণ আৰু সম্পূৰ্ণ আন্তৰিকতাৰে কৰা উচিত। কৃষ্ণই অৰ্জুনক কয় যে এজন মানুহে এই জগততে পূৰ্ণতা লাভ কৰিব পাৰে, আনকি যেতিয়া তেওঁ তেওঁৰ নিজৰ কৰ্মক নিষ্কাম কৰ্মৰ এক ক্ৰিয়া হিচাপে সম্পাদন কৰে। আমাৰ কৰ্ম আমাৰ নিজস্ব স্বভাৱৰ ফল বা পৰিণাম হ'বই লাগিব। এজন ক্ষত্ৰিয়ৰ বৰ্ণধৰ্ম হৈছে অন্যায়ৰ বিৰুদ্ধে যুজঁ দিয়া আৰু সমাজত ন্যায় প্ৰতিষ্ঠান কৰা। ভগৱান কৃষ্ণই অৰ্জুনক এজন ক্ষত্ৰিয় হিচাপে নিজৰ কৰ্মক সোঁৱৰাই দিয়ে। ভগৱান শ্ৰীকৃষ্ণৰ বাণী শুনাৰ পাছত, অৰ্জুনে অৱশেষত যুদ্ধ কৰিবলৈ সিদ্ধান্ত ল'লে, যেতিয়া তেওঁ তেওঁৰ নিজৰ কৰ্তব্যৰ বিষয়ে জানিব পাৰিলে। গীতাই আমাক এই জগতত কৰ্ম কৰি যাবলৈ উপদেশ দিয়ে আৰু যেতিয়া আমি কৰ্ম কৰি থাকো আমি আটাইতকৈ ভাল কৰ্ম কৰা উচিত। ই আমাৰ নিজৰ জগতখনৰ উদ্গতি কৰাব। আমি যেতিয়া আমাৰ কৰ্ম কৰোঁ, আমি আমাৰ আভ্যন্তৰৰ আত্মাৰ কথা শুনাটো উচিত। ই হৈছে গীতাত উল্লিখিত সৰ্বোচ্চ কৰ্ম। সকলো কৰ্ম স্বাৰ্থজনিত অভিপ্ৰায়ৰ অবিহনে কৰিব লাগে।

৩.৪.৫ মোক্ষঃ মানৱ জীৱনৰ চৰম তথা সৰ্বোচ্চ লক্ষ্য

গীতাৰ মতে মোক্ষই হৈছে মানৱ জীৱনৰ একমাত্ৰ চৰম লক্ষ্য। গীতাই উল্লেখ কৰে যে কৰ্মৰ ফলৰ প্ৰতি উদাসীনতাৰ এক উদ্যম নাইবা নিষ্কাম কৰ্মৰ সৈতে এজন মানুহে ব্যক্তিগত জীৱনৰ আনন্দ ও দুখক অতিক্ৰম কৰিব পাৰে আৰু জীৱনৰ সৰ্বোচ্চ লক্ষ্য অৰ্থাৎ মুক্তি বা মোক্ষত উপনীত হ'ব পাৰে। মোক্ষ বা মুক্তি হৈছে পৰম ব্ৰহ্মৰ সৈতে একাত্ম হোৱা। এজন কৰ্মযোগী হৈছে সেইজন ব্যক্তি, যিজনে তেওঁৰ কৰ্মফলক পৰিত্যাগ কৰে আৰু নিঃস্বাৰ্থ উপায়েৰে নিজস্ব কৰ্ম কৰে। যোগী হৈছে স্থিতপ্ৰজ্ঞ, যিয়ে তেওঁৰ মনৰ সকলো অনুৰাগ দূৰ কৰে আৰু সকলো ইন্দ্ৰিয়ক সংযমৰ অধীনলৈ আনে। তেৱেই মানৱ জীৱনৰ সৰ্বোচ্চ লক্ষ্য মোক্ষ লাভ কৰে। অৰ্থাৎ, স্বৰ্গীয় আত্মাৰ সৈতে

সম্পূৰ্ণ একাত্ম হৈ পৰে। এইখিনিতেই এই কথা মন কৰিবলগীয়া যে, গীতাই প্ৰত্যেক ব্যক্তিকে আনকি মোক্ষ লাভৰ পাছতো কৰ্ম কৰি যাবলৈ কৈছে। আধ্যাত্মিক স্বাধীনতা লাভ কৰাৰ পাছত, তেওঁ মানৱীয়তা নাইবা লোক সংগ্ৰহৰ কল্যাণ আৰু ঐক্যৰ বাবে কাম কৰে। গীতাই মানৱ ভাতৃত্ববোধৰ ওপৰত অত্যাধিক জো�ৰ দিছে। গীতাই এই কথাও কৈছে যে সকলো জীৱ অৰ্থাৎ মানুহৰ লগতে আন সকলো অস্তিত্বৰ ভাল বা শ্ৰেয়ৰ হকে কৰ্তব্য পালন কৰাটো উচিত (XII.4)। লোকসংগ্ৰহেই জগতৰ ঐক্যৰ বাবে থিয় দিয়ে (III.20)। গীতাই নিষ্কাম কৰ্মৰ ধাৰণাটোক কেৱল পূৰ্ণ পৰম সুখ লাভৰ এক উপায় হিচাপে পৰামৰ্শ আগবঢ়োৱা নাই; বৰঞ্চ সামাজিক শ্ৰেয়তাৰো পৰামৰ্শ দিছে, যি সম্ভৱ হয় এক সাংসাৰিক মায়াৰহিত পথেৰে কৰা কৰ্তব্যৰ জৰিয়তে। গীতাই জ্ঞান, কৰ্ম আৰু ভক্তিৰ এক সমন্বয় ঘটাবলৈ প্ৰয়াস কৰিছে; জ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত আৰু ভক্তিৰ দ্বাৰা প্ৰতিপালিত কৰ্মই এজন ব্যক্তিক তেওঁৰ মোক্ষ বা মুক্তিলৈ আগুৱাই লৈ যায়। গীতাৰ মতে, কৰ্ম হৈছে মোক্ষ প্ৰাপ্তিৰ এক বিকল্প পদ্ধতি, যি জ্ঞানত উৰ্দ্ধসীমা পায়গৈ। কিন্তু ইয়াতে এই কথা মন কৰিবলগীয়া যে মোক্ষ নাইবা আধ্যাত্মিক স্বাধীনতা কাৰ্যৰ সৈতে অসঙ্গত নহয়।

৩.৫ গীতাৰ কৰ্মযোগ আৰু কাণ্টৰ কৰ্তব্যমূলক নৈতিক মতবাদ

গীতাৰ কৰ্মযোগই সাংসাৰিক মায়াৰহিত পথেৰে ফলৰ কোনো আশা নকৰাকৈয়ে এজন লোকৰ বৰ্ণৰ সৈতে সম্পৰ্কযুক্ত কৰ্তব্যৰ সম্পাদনত অতিশয় হেঁচা আৰোপ কৰিছে। কাণ্টৰ নীতিবিজ্ঞানৰ মূল নীতি হৈছে 'কৰ্তব্যৰ বাবে কৰ্তব্য' (duty for duty's sake) । কাণ্টৰ মতে, এজন মানুহে পৰিণাম ভেদে কৰ্তব্যৰ হকে নিজস্ব কৰ্তব্য পালন কৰাটো উচিত। সেই কাৰণে, গীতাৰ কৰ্মযোগৰ লগত কাণ্টৰ কৰ্তব্যমূলক নীতিবিজ্ঞানৰ সাদৃশ্য আছে। কিন্তু উভয়ৰে মাজত কেতবোৰ ডাঙৰ পাৰ্থক্যও আছে। গীতাই মোক্ষ নাইবা মুক্তি নাইবা চৰম বিবেক অৰ্থাৎ ঈশ্বৰৰ সৈতে একাত্ম হোৱাকে সৰ্বোচ্চ আদৰ্শ ৰূপে গ্ৰহণ কৰিছে। কিন্তু কাণ্টে ঈশ্বৰৰ উপলব্ধিৰ বিষয়ে একো কোৱা নাই। দ্বিতীয়তে, গীতাই আমাক জীৱণ কল্যাণৰ বাবে সকেলা প্ৰকাৰৰ কৰ্ম কৰাৰ কথা কয়। কিন্তু কাণ্টৰ মতে, সৰ্বোচ্চ শ্ৰেয় হৈছে সৎকৰ্ম নাইবা সদিচ্ছা। ইয়ে হৈছে ব্যক্তিৰ শ্ৰেয়। সেয়েহে, কাণ্টৰ নীতিবিজ্ঞান ব্যক্তিবাদী; আনহাতে গীতাৰ কৰ্মযোগ সাৰ্বজনীন,যিহেতু ই মানবৰ কল্যাণৰ ওপৰত জোৰ দিছে। ইয়াৰোপৰি, কাণ্টৰ বাবে নৈতিক আইনসমূহ, যিবোৰ বুদ্ধি নাইবা বিবেকৰ দ্বাৰা নিজৰ ওপৰতে আৰোপিত, সি এক 'নিৰুপাধিক আদেশ' (Categorical Imperative) । এনে কৰ্ম কৰিবলৈ আমি বাধ্য। গতিকে, কাণ্টৰ নীতিবিজ্ঞান আইনগত। কিন্তু গীতাৰ কৰ্ম যোগ আইনগত নহয়। কাণ্টৰ নীতিবিজ্ঞানত এটা কৰ্মৰ ভাল নাইবা বেয়া আৰু শুদ্ধতা নাইবা অশুদ্ধতা ইয়াৰ পৰিণামৰ দ্বাৰা নিৰ্দ্ধাৰিত নহয়। কৰ্তব্য পালন কৰোঁতাজন বুদ্ধি (reason) ৰ দ্বাৰা পৰিচালিত হোৱা উচিত, উদ্বেগৰ দ্বাৰা নহয়। বুদ্ধিগত ইচ্ছা সম্পূৰ্ণৰূপে স্বাধীন। কাণ্টৰ নীতিবিজ্ঞান কৰ্তব্যমূলক (deontological),

যিহেতু তেওঁ কৰ্তব্যৰ হকে কেৱল কৰ্তব্য পালনৰ পৰামৰ্শ দিয়ে, আন কোনো কাৰণৰ বাবে নহয়। কিন্তু গীতাৰ কৰ্মযোগ উদ্দেশ্যমূলক (Teleological), যিহেতু গীতাই কৰ্মক কেতবোৰ লক্ষ্য, অৰ্থাৎ মোক্ষ আৰু লোকসংগ্ৰহ প্ৰাপ্তিৰ এক উপায় হিচাপে পৰামৰ্শ আগবঢ়াইছে।

গীতাত এই কথাৰ উল্লেখ আছে যে ইশ্বৰে স্বয়ং বৰ্ণ ধৰ্ম প্ৰতিষ্ঠা কৰিছে। কিন্তু ই সমুলি অযুক্তিকৰ। এখন মানৱ সমাজ সুচাৰুৰূপে কাৰ্য্যকৰী হ'বৰ বাবে শ্ৰমৰ বিভাজন এক অনিবাৰ্য্য আৱশ্যকতা। এখন সমাজত মানুহে তেওঁলোকৰ নিজা নিজা সামৰ্থ্য আৰু আগ্ৰহৰ ওপৰত ভিত্তি কৰি বিভিন্ন ধৰণৰ কৰ্তব্য পালন কৰে। বৰ্ণ ব্যৱস্থাটো প্ৰকৃতে এক সামাজিক আৱশ্যকতা, যি এক সু-সন্তোলিত সমাজৰ বাবে শ্ৰেয়। কিন্তু গীতাই সমাজত শ্ৰমৰ বিভাজনৰ বিজ্ঞানসম্মত নীতিৰ প্ৰতি স্বৰ্গীয় বা দৈৱিক সন্মতি অপ্ৰয়োজনীয়ভাৱে প্ৰদান কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনটো মূল ধাতুৰ পৰা 'যোগ' শব্দটো নিঃসৃত হৈছে?

.....

প্ৰশ্ন নং ২ ঃ গীতাত কেইটা অধ্যায় আছে?

.....

প্ৰশ্ন নং ৩ ঃ গীতাত কেইটা শ্লোক আছে?

.....

প্ৰশ্ন নং ৪ ঃ প্ৰকৃতিৰ গুণসমূহ কি কি?

.....

প্ৰশ্ন নং ৫ ঃ নিবৃত্তি কি?

.....

প্ৰশ্ন নং ৬ ঃ চাৰিটা বৰ্ণ কি কি?

.....

প্ৰশ্ন নং ৭ ঃ এজন ব্ৰাহ্মণৰ বৰ্ণ ধৰ্ম কি?

.....

প্ৰশ্ন নং ৮ ঃ কাণ্টৰ নীতি বিজ্ঞান আইনগত নে ?

.....

প্ৰশ্ন নং ৯ ঃ মোক্ষ কৰ্মৰ সৈতে অসঙ্গত নে?

.....



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাগৱত গীতাই আক্ষৰিকভাৱে পৰম ব্ৰহ্মৰ সঙ্গীতক বুজায়। ই হৈছে অৰ্জুন আৰু ভগবান শ্ৰীকৃষ্ণৰ মাজৰ কথোপকথন।
- গীতাই জ্ঞান, কৰ্ম আৰু ভক্তিৰ এক সমন্বয় কঢ়িয়াই আনিছে।
- গীতাৰ মতে, আমি কৰ্মৰ অবিহনে এক মুহূৰ্তও জীয়াই থাকিব নোৱাৰো। কৰ্মৰ অবিহনে জীৱন কেতিয়াও বৰ্তি থাকিব নোৱাৰে। সদা সক্ৰিয় প্ৰকৃতিৰ গুণসমূহ যিহেতু মানুহৰ মাজত বিৰাজমান, সেয়ে, মানুহ সক্ৰিয় হৈ থাকিবলৈ বাধ্য।
- প্ৰকৃতি তিনিটা গুণ সত্ব, ৰজ আৰু তম গুণৰ ঐক্য।
- গীতাত 'কৰ্ম'ৰ ধাৰণাটোক ক্ৰিয়া বা কাম (action)ৰ অৰ্থত ব্যৱহাৰ কৰা হৈছে। গীতাৰ মতে, কৰ্ম হৈছে মোক্ষ বা মুক্তি লাভৰ নাইবা ঈশ্বৰৰ সৈতে একান্ত হোৱাৰ পথ বা উপায়।
- নিষ্কাম কৰ্মৰ অৰ্থ হৈছে আসক্তি শূণ্য কৰ্ম নাইবা এক কৰ্ম, যাক এজন কৰোঁতাই আসক্তিহীন উপায়েৰে পালন কৰে। ফলৰ প্ৰতি আসক্তিৰ অবিহনে কৰ্মবন্ধন নহয়। এজন লোকে তেওঁৰ মনটোক অহং আসক্তিৰ পৰা মুক্তি কৰিব লগীয়া হয়।
- 'নিষ্কাম' শব্দটো দুটা শব্দ- 'নিঃ' আৰু 'কাম'ৰ দ্বাৰা গঠিত। 'কাম'ৰ অৰ্থ ইন্দ্ৰিয়াসক্তি। ইয়াৰ উপসৰ্গ 'নিঃ' নিষেধ (denial)ৰ অৰ্থত ব্যৱহৃত হয়।
- গীতাই প্ৰকৃতি আৰু নিবৃত্তি এই দুই আদৰ্শৰ মাজত সোণালী পথ বা উপায়টো আৱিস্কাৰ কৰিছে। গীতাই কৰ্মক ইয়াৰ ফলৰ পৰিত্যাগৰ সৈতে সংযোগ কৰাৰ দ্বাৰা এই দুটা আদৰ্শৰ এক সমন্বয় স্থাপন কৰিছে।
- তিনিটা গুণ (সত্ব, ৰজ, তম) ৰ উপস্থিতি অনুসৰি মানৰ জাতিক চাৰিটা বৰ্ণ বা শ্ৰেণী, অৰ্থাৎ, ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰত বিভক্ত কৰিছে। গীতাৰ মতে, মোক্ষই হৈছে মানৱ জীৱনৰ একমাত্ৰ চৰম লক্ষ্য। গীতাই উল্লেখ কৰে যে কৰ্মফলৰ প্ৰতি থকা এক সাংসাৰিক মায়াৰহিত উদ্যম নাইবা নিষ্কাম কৰ্মৰ দ্বাৰা এজন লোকে ব্যক্তিগত জীৱনৰ আনন্দ আৰু বিষাদক অতিক্ৰম কৰিব পাৰে আৰু জীৱনৰ সৰ্বোচ্চ লক্ষ্য অৰ্থাৎ, মোক্ষ নাইবা চৰম সত্তাৰ সৈতে একাকিত্ব লাভ কৰিব পাৰে।
- আধ্যাত্মিক স্বতন্ত্ৰতা (মোক্ষ) লাভ কৰাৰ পাছত, ব্যক্তি এজনে সকলো জীৱৰ কল্যাণৰ হকে কাম কৰে, যাক গীতাত লোকসংগ্ৰহ হিচাপে নামকৰণ কৰা হৈছে।



৩.৭ অধিক জানিবলৈ

1] Tiwari, K.N. (1998), Classical Indian Ethical Thought, Chapter VI, Motilal Banarasidass Publishers Pvt. Ltd. Delhi.

2] Sharma, C.D. (1987), A Critical Survey of Indian Philosophy, Chapter 11. Motilal Banarasidass Publishers Pvt. Ltd. Delhi

3] Sinha, J.N.(19__), Qutlines of Indian Philosophy Chapter II, New Central Book Agency (P) Ltd. Kolkata.

4] The Bhagawad Gita (1992), Transeaed by S. Radhakrishnan, Oxford University Press, New Delhi.

5] Satyanarayana, Y. V. (2010), Ethico; Theory and Practice, ChapterII, Derling Kindersley (India) Pvt. Ltd, New Delhi:



৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'Yuj'.

২ নং প্রশ্নৰ উত্তৰ ঃ 18 টা অধ্যায়

৩নং প্রশ্নৰ উত্তৰ ঃ 700 টা শ্লোক

৪ নং প্রশ্নৰ উত্তৰ ঃ সত্ব, ৰজ আৰু তম।

৫ নং প্রশ্নৰ উত্তৰ ঃ সকলো কর্ম ত্যাগ কৰা আৰু সামগ্রিক জগতৰ পৰা আতঁৰি অহা।

৬ নং প্রশ্নৰ উত্তৰ ঃ ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র।

৭ নং প্রশ্নৰ উত্তৰ ঃ আধ্যাত্মিক অনুসন্ধান।

৮ নং প্রশ্নৰ উত্তৰ ঃ হয়।

৯ নং প্রশ্নৰ উত্তৰ ঃ নহয়।



৩.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ 'যোগ' বুলিলে কি বুজে?

প্রশ্ন ২ ঃ গীতাত কিমানটো শ্লোক আছে?

প্ৰশ্ন ৩ ঃ নিষ্কাম- কৰ্মই কি বুজায়?

প্ৰশ্ন ৪ ঃ প্ৰকৃতি কি?

প্ৰশ্ন ৫ ঃ গীতাৰ মতে কোনে বৰ্ণ ব্যৱস্থাটো প্ৰতিষ্ঠা কৰিছে?

প্ৰশ্ন ৬ ঃ লোকসংগ্ৰহ কি?

(খ) চুটি প্ৰশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বৰ্ণ ধৰ্মৰ ওপৰত এটি চমু টোকা লিখক

প্ৰশ্ন ২ ঃ স্বধৰ্ম কি?

প্ৰশ্ন ৩ ঃ প্ৰবৃত্তি আৰু নিবৃত্তিৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰক

প্ৰশ্ন ৪ ঃ মোক্ষৰ বিষয়ে চমুকৈ লিখক

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ গীতাৰ নিষ্কাম-কৰ্মৰ ধাৰণাটো আলোচনা কৰক।

প্ৰশ্ন ২ ঃ গীতাৰ 'স্বধৰ্ম' ধ্যৱণাটো আলোচনা কৰি বৰ্ত্তমান ইয়াৰ প্ৰাসঙ্গিকতা বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ গীতাৰ নিষ্কাম- কৰ্ম আৰু কাণ্টৰ কৰ্তব্যমূলক নীতিবিজ্ঞানৰ মাজৰ সাদৃশ্য আৰু বৈসাদৃশ্য আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ ভাৰতীয় দর্শনৰ শাখা বা সম্প্রদায়সমূহৰ আস্তিক আৰু নাস্তিক বিভাজন

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ আস্তিক সম্প্রদায়সমূহ
৪.৪ নাস্তিক সম্প্রদায়সমূহ
৪.৫ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্রগতিৰ খতিয়ান
৪.৮ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতীয় দর্শনৰ শাখাসমূহক বুজিবলৈ সক্ষম হ'ব,
- ভাৰতীয় দর্শনত আস্তিক আৰু নাস্তিক শব্দৰ অর্থ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- ভাৰতীয় দর্শনৰ আস্তিক আৰু নাস্তিকৰ মাজত পার্থক্য নির্ণয় কৰিবলৈ সক্ষম হ'ব,
- ভাৰতীয় দর্শনৰ বিভিন্ন প্রকাৰ সম্প্রদায়সমূহৰ দার্শনিক ধাৰণাসমূহ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।

৪.২ পৰিচয়

ভাৰতত 'ফিল'চফি' শব্দটোক 'দর্শন' বুলি কোৱা হয়। 'দর্শন' শব্দটো সংস্কৃত 'দৃশ' ধাতুৰ পৰা আহিছে, যাৰ অর্থ 'চোৱা' বা 'দেখা'। দর্শন হৈছে সত্তা বা সত্যৰ এক সামগ্রিক প্রত্যক্ষ বা উপলব্ধি। 'দর্শন' শব্দটো ইয়াত তত্তদর্শন, জগত আৰু জীৱনৰ স্বৰূপ উপলব্ধি ৰূপে গ্রহণ কৰা হৈছে। ই হৈছে সমগ্র সত্তাৰ স্বৰূপৰ এক অর্ন্তদৃষ্টি। ভাৰতীয় দর্শনৰ মতামত, উৎস, পদ্ধতি আৰু অভিগমনৰ বিভিন্নতা আছে। ইয়াৰ বিভিন্ন শাখা বা সম্প্রদায়সমূহক সিহঁতৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ ওপৰত ভিত্তি কৰি বিভিন্ন শ্রেণী বা সম্প্রদায়ত বিভক্ত কৰিব পৰা যায়। ইহঁতৰ সকলোৰে কেতবোৰ ব্যৱহাৰিক প্রয়োজনীয়তা আছে। আমি কিদৰে এটা অর্থপূর্ণ জীৱন যাপন কৰিব পাৰো ? আমি চেষ্টা কৰিবলগীয়া জীৱনৰ লক্ষ্য কি ? এই ব্যৱহাৰিক প্রয়োজনীয়তাৰ বাহিৰেও তেওঁলোকৰ আনৰ মতামতক স্বীকাৰ কৰাৰ দ্বাৰা দার্শনিক ভাৱৰ সাধাৰণ পদ্ধতিও আছে। কিন্তু সম্প্রদায়সমূহত বিভিন্নতা বেদৰ ওপৰত থকা তেওঁলোকৰ থিতাপি আৰু ভাৱ-ভঙ্গীৰ ওপৰতে প্রকাশ হয়। জ্ঞানৰ এক উপায় হিচাপে বেদৰ প্রামাণ্যতাৰ ওপৰত ভাৰতীয় দার্শনিক সম্প্রদায়

সমূহে থিতাপি লোৱাটো হৈছে ইয়াৰ সাধাৰণ বৈশিষ্ট্য। কোনো শাখা বা সম্প্ৰদায়ে সেই বিষয়টো এৰাই চলিব নোৱাৰে। এই সম্প্ৰদায়সমূহৰ কিছুমানে বেদক জ্ঞানৰ বৈধ উপায় হিচাপে গ্ৰহণ কৰে আৰু আনহাতে কোনো কোনোৱে গ্ৰহণ কৰা নাই।

ভাৰতীয় দৰ্শনত বেদে (veda) এক অতি গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। বেদসমূহক মানুহে সহজে লাভ কৰিব পৰা আটাইতকৈ পুৰণি আক্ষৰিক লিখিত বৃত্তান্ত হিচাপে বিশ্বাস কৰা হয়। ভাৰতীয় দৰ্শনৰ উৎপত্তিক এই বেদসমূহত সহজে সন্ধান কৰিব পৰা যায়। বেদ চাৰিখন। সেয়া হৈছে: ঋক্‌বেদ, যজুৰবেদ, সামবেদ আৰু অথৰ্ববেদ। প্ৰত্যেক বেদ চাৰিটা অংগৰে গঠিত। মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ। উপনিষত দাৰ্শনিক চিন্তাসমূহৰ আলোচনা বা উল্লেখ পোৱা যায় (আৰণ্যকে ধৰ্মীয় ৰীতি-নীতিৰ পৰা দাৰ্শনিক চিন্তালৈ এক পৰিবৰ্তনক প্ৰতিনিধিত্ব কৰে)। সদৰ্থকভাৱেই হওঁক নাইবা নঞৰ্থকভাবেই হওঁক ভাৰতীয় দৰ্শন বেদৰ দ্বাৰা বাৰুকৈয়ে প্ৰভাৱান্বিত। বেদৰ সন্দৰ্ভত তিনিটা স্পষ্ট স্থিতি আছে, যাক ভাৰতীয় দৰ্শনৰ অন্তৰ্গত প্ৰত্যেকটো সম্প্ৰদায়ে গ্ৰহণ কৰিব লগীয়া হয়। সেয়া হ'ল-

১। বেদ হৈছে জ্ঞানৰ বৈধ উপায় আৰু দাৰ্শনিক ৰীতি নীতিসমূহ এই বেদৰ পৰাই নি:সৃত হয়।

২। বেদ জ্ঞানৰ বৈধ উপায়, কিন্তু দাৰ্শনিক ৰীতি নীতিসমূহক অন্যান্য উৎসৰ পৰাও নি:সৃত কৰিব পৰা যায়।

৩। বেদ জ্ঞানৰ বৈধ উপায় নহয়, আৰু দাৰ্শনিক জ্ঞান ইয়াৰ পৰা কেতিয়াও নি:সৃত কৰিব পৰা নাযায়।

ইয়াৰ ভিতৰত সেইসকলক, যিসকলে প্ৰথম দুটা স্থিতি অৱলম্বন কৰে, তেওঁলোকক 'আস্তিক' আৰু আনহাতে যিসকলে তৃতীয়টো স্থিতি অৱলম্বন কৰে, তেওঁলোকক 'নাস্তিক' বোলা হয়। সংস্কৃত শব্দ 'আস্তিক' আহিছে 'অস্তি' ক্ৰিয়াপদৰ পৰা, যাৰ অৰ্থ 'আছে' বা 'অস্তিত্বশীল'। অৰ্থাৎ, ইয়াৰ দ্বাৰা সেইসকলক বুজায়, যিসকলে বেদৰ অস্তিত্ব স্বীকাৰ কৰে। 'নাস্তিক' (ন + আস্তিক নাইবা নাস্তিক) হৈছে 'আস্তিক'ৰ নঞৰ্থবোধক। আন এক পৰিপ্ৰেক্ষিতত, 'আস্তিক' শব্দৰ অৰ্থ ঈশ্বৰ বিশ্বাসী, অৰ্থাৎ যিসকলে ঈশ্বৰৰ অস্তিত্বক বিশ্বাস কৰে। আৰু 'নাস্তিক' ৰ অৰ্থ হৈছে ঈশ্বৰ অবিশ্বাসী, অৰ্থাৎ যিসকলে ঈশ্বৰৰ অস্তিত্বক বিশ্বাস নকৰে। কিন্তু ভাৰতীয় দৰ্শনত এই 'আস্তিক আৰু 'নাস্তিক' শব্দদুটা এক বিশেষ অৰ্থত ব্যৱহৃত হয়। ভাৰতীয় দৰ্শনত 'আস্তিক' মানে এক শাখা বা সম্প্ৰদায়, যিয়ে বেদৰ কৃত্তৃৰ্ত্ব বিশ্বাস কৰে আৰু 'নাস্তিক'ৰ অৰ্থ সেইবোৰ শাখা বা সম্প্ৰদায়, যিয়ে বেদৰ কৃৰ্ত্তৃত্বক বিশ্বাস নকৰে। 'আস্তিক' আৰু 'নাস্তিক' সম্প্ৰদায়ক, ভাৰতীয় দৰ্শনত ক্ৰমে বৈদিক আৰু অবৈদিক বুলিও কোৱা, সাংখ্য, যোগ, ন্যায়, বৈশেষিক, মীমাংসা আৰু বেদান্ত হৈছে আস্তিক সম্প্ৰদায় আৰু আনহাতে চাৰ্বাক, বৌদ্ধ আৰু জৈন হৈছে নাস্তিক সম্প্ৰদায়। এইবোৰক শাখা বা সম্প্ৰদায় বোলা হয়, কাৰণ ইয়াৰ প্ৰত্যেকৰে চিন্তাধাৰাসমূহক উচিতভাৱে সম্পদস্থ কৰা হৈছে আৰু এক তৰ্কীয় সমগ্ৰতা সংগঠন কৰা হৈছে।

৪.৩ আস্তিক সম্প্ৰদায়সমূহ

আস্তিক সম্প্ৰদায়সমূহ হৈছে ভাৰতীয় দৰ্শনৰ সেইবোৰ দাৰ্শনিক সম্প্ৰদায়, যিয়ে বেদৰ কৰ্ত্তৃত্বক স্বীকাৰ কৰিছে। অৰ্থাৎ, আস্তিক সম্প্ৰদায়সমূহে বেদক অভ্ৰান্ত আৰু স্বতঃ সিদ্ধ আৰু একমাত্ৰ প্ৰমান্য গ্ৰন্থ হিচাপে মানি লয়। আস্তিক সম্প্ৰদায়ৰ ভিতৰত ভাৰতীয় দৰ্শনৰ ছয়টা সম্প্ৰদায় আছে। যেনেঃ সাংখ্য, যোগ, ন্যায়, বৈশেষিক, মীমাংসা আৰু বেদান্ত। এই ছয়টা দাৰ্শনিক সম্প্ৰদায়ক ভাৰতীয় দৰ্শনত ষড়দৰ্শন নামেৰে জনা যায়।

আকৌ, আস্তিক সম্প্ৰদায়ত দুই প্ৰকাৰৰ দাৰ্শনিক সম্প্ৰদায় থকা দেখা যায়-

(i) কিছুমান সম্প্ৰদায় আছে, যিবোৰ প্ৰত্যক্ষ ভাৱে বেদনিৰ্ভৰ। যেনেঃ মীমাংসা, আৰু বেদান্ত। এই দুটা সম্প্ৰদায়ৰ ভিতৰত প্ৰথমটোৱে বেদৰ ধৰ্মীয় ৰীতি নীতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে আৰু হয়টোৱে জ্ঞানৰ দিশটোৰ ওপৰত জোৰ দিছে।

(ii) আকৌ, কিছুমান সম্প্ৰদায় আছে, যি প্ৰত্যক্ষ ভাৱে বেদনিৰ্ভৰ নহয়। তেওঁলোকৰ নিজস্ব দাৰ্শনিক ভিত্তি আছে। সেইয়া হৈছে সাংখ্য, যোগ , ন্যায় আৰু বৈশেষিক।

এই ছয় আস্তিক নাইবা বৈদিক সম্প্ৰদায়ৰ ভিতৰত সাংখ্য আৰু মীমাংসা ঈশ্বৰ অবিশ্বাসী আৰু আনহাতে, ন্যায়, বৈশেষিক, যোগ আৰু বেদান্ত ঈশ্বৰ বিশ্বাসী সম্প্ৰদায়। সাংখ্য দৰ্শনে পুৰুষ আৰু প্ৰকৃতিৰ দ্বৈতবাদক পোষণ কৰে। মীমাংসাই ব্যক্তিগত আত্মা বা সত্তাৰ আৰু আত্মা অস্তিত্বশীল বাস্তৱ জগতৰ সত্যতাক স্বীকাৰ কৰে। যিহেতু সাংখ্য আৰু মীমাংসা ঈশ্বৰ অবিশ্বাসী, সেইবাবে, তেওঁলোকে জগতৰ সৃষ্টিকৰ্ত্তা হিচাপে ঈশ্বৰৰ ধাৰণাক নুই কৰিছে। এতিয়া আমি বিভিন্ন আস্তিক সম্প্ৰদায়সমূহৰ দাৰ্শনিক ধাৰণা সমূহক চমুকৈ আলোচনা কৰোঁহক।

সাংখ্যঃ সাংখ্য দৰ্শন ভাৰতীয় দৰ্শনৰ আটাইতকৈ পুৰণি সম্প্ৰদায়সমূহৰ এটা। মহৰ্ষি কপিলৰ দ্বাৰা ৰচিত 'সাংখ্যপ্ৰৱচণ সূত্ৰ' ই হৈ এই দৰ্শনৰ মূল গ্ৰন্থ। কিন্তু এই গ্ৰন্থখন কালৰ সোঁতত হেৰায় যায় আৰু ইয়াক পাছত ঈশ্বৰকৃষ্ণই 'সাংখ্যকাৰিকা' নামৰ আন এক গ্ৰন্থ লিখি উলিয়ায়, যাক সাংখ্য দৰ্শনৰ প্ৰকৃত গ্ৰন্থ হিচাপে বিবেচনা কৰা হয়। সাখ্যা দৰ্শনে দুটা পৰম সত্য বা সত্ত্বাৰ তাত্ত্বিক দ্বৈততাক পোষণ কৰে। সেয়া হৈছে প্ৰকৃতি অৰ্থাৎ দ্ৰব্য আৰু পুৰুষ অৰ্থাৎ আত্মা। ইয়াৰ অস্তিত্বৰ পৰিপ্ৰেক্ষিতত এই দুই পৰম সত্ত্বা এটাৰ পৰা আনটো স্তন্ত্ৰ। 'সাংখ্য' শব্দটো 'সংখ্যা' শব্দৰ পৰা আহিছে, যাৰ অৰ্থ হৈছে 'সংখ্যা' (number) কাৰণ এই দৰ্শনে জ্ঞানৰ মূল বিষয়বোৰ গণনা কৰি সত্তাক জনাৰ প্ৰয়াস কৰে। এই দৰ্শন পঁচিছটা (25) বৰ্গ বা শ্ৰেণীৰ সৈতে জড়িত। কিন্তু ভাগৱত গীতাই এই শব্দটোক সম্যক জ্ঞান (Right knowledge) ৰ অৰ্থত ব্যৱহাৰ কৰিছে। সাংখ্য দৰ্শনো সম্যক জ্ঞানৰ দৰ্শন হৈছে প্ৰকৃতিৰ পৰা পুৰুষৰ বিচ্ছেদৰ জ্ঞান। সাংখ্য দৰ্শন তত্ত্বমূলক দৰ্শন, সাংখ্য আৰু যোগ দৰ্শন মিত্ৰ দাৰ্শনিক সম্প্ৰদায়। যোগ দৰ্শনে আমাক সাংখ্যদৰ্শনৰ তত্ত্বমূলক জ্ঞান বা শিক্ষণৰ অভ্যাস বা ব্যৱহাৰৰ বিষয়ে কয়। সাংখ্য দৰ্শনৰ মতে প্ৰকৃতিয়েই হৈছে জগতৰ চৰম বস্তুগত কাৰণ। প্ৰকৃত সকলো বস্তুৰে আদি কাৰণ আৰু সেইকাৰণেই প্ৰকৃতিৰ কোনো কাৰণ নাই। ই নিত্য, অসীম, অব্যক্ত, অচেতন আৰু একা সদা

সক্ৰিয়া অসীম শক্তি। ই নিজৰ মাজৰ পৰাই বিকশিত হয় আৰু বিশ্ব-ব্ৰহ্মাণ্ডৰ বিনাশৰ কালছোৱাত পুনৰ বিলীন হৈ যায়। প্ৰকৃতি হৈছে সাম্যাৱস্থাত থকা তিনিটা গুণ (সত্ত্ব, ৰজ আৰু তম) ৰ এক সমাহাৰ। প্ৰকৃতিৰ গুণসমূহ লক্ষণ (qualities) নহয়; ই হৈছে উপাদান। গতিকে সত্ত্ব, ৰজ আৰু তম হ'ল চৰম দ্ৰব্য বা প্ৰকৃতিৰ উপাদান।

পুৰুষ বা আত্মা হৈছে বিষয় আৰু জ্ঞাতা। ই দেহ, ইন্দ্ৰিয়, মন আৰু বুদ্ধিৰ পৰা পৃথক। আত্মা জগতৰ যাৱতীয় বস্তুৰ অন্তৰ্গত নহয়। আত্মা, মস্তিষ্ক, স্নায়ু-মণ্ডল বা চৈতন্যপ্ৰৱাহ নহয়। প্ৰকৃতিৰ দৰে পুৰুষো শাশ্বত। ই শুদ্ধ, মুক্ত, বুদ্ধ আৰু শুদ্ধ চৈতন্য স্বৰূপ আৰু সৰ্বব্যাপী। পুৰুষ প্ৰকৃতিৰ দৰে সদাজাগ্ৰত নহয়, ই এক সুপ্ত সাক্ষী। ইয়ে হৈছে চৰম জ্ঞাতা বা কৰ্ত্তা আৰু সকলো জ্ঞানৰ মূল ভেঁটি। পৰিবৰ্ত্তন, ক্ৰিয়া, সুখ-দুখ ইত্যাদি সকলো মন, দেহ আৰু বুদ্ধিৰ পৰা উৎপাদিত। অজ্ঞানতাবশত: আমি আত্মাক বুদ্ধি, মন, ইন্দ্ৰিয় বা দেহৰ লগত একে বুলি ভুল কৰো। সাংখ্যই আত্মাৰ বহুত্বক স্বীকাৰ কৰে। এই মতটোক সাংখ্যদৰ্শনত ব হুপুৰুষবাদ ৰূপে জনা যায়।

সাংখ্য দৰ্শন নিৰীশ্বৰবাদী দৰ্শন। ই বিশ্ব ব্ৰহ্মাণ্ডৰ স্ৰষ্টা হিচাপে ঈশ্বৰৰ অস্তিত্বক বিশ্বাস নকৰে। সাংখ্য দৰ্শনৰ মতে, প্ৰকৃতিৰ মাত্ৰ ক্ৰমবিকাশ ঘটে। এই ক্ৰমবিকাশ সম্ভৱ হৈ উঠে তেতিয়া, যেতিয়া প্ৰকৃতি পুৰুষৰ সান্নিধ্যলৈ আহে এই ক্ৰমবিকাশ উদ্দেশ্যধৰ্মী।

সাংখ্যদৰ্শনে কাৰ্য্য-কাৰণৰ এক মতবাদ হিচাপে সৎকাৰ্য্যবাদক পোষকতা কৰে। সৎকাৰ্য্যবাদ মতবাদ অনুসৰি কাৰ্য্যটো ইয়াৰ বস্তুগত কাৰণৰ মাজত পূৰ্বৰে পৰাই অস্তিত্বশীল হৈ থাকে। সাংখ্য দৰ্শনে বিশ্বাস কৰে যে প্ৰকৃতি হৈছে এই বিশ্বৰ বস্তুগত মূল কাৰণ আৰু সকলো বস্তুগত কাৰ্য্য হৈছে প্ৰকৃতিৰেই পৰিণাম বা ফল। সেই কাৰণে, সাংখ্যৰ সৎকাৰ্য্যবাদ মতবাদটোক প্ৰকৃতি পৰিণামবাদ ৰূপেও জনা যায়।

সাংখ্যই বৈধ জ্ঞান (প্ৰমাণ)ৰ তিনিটা উপায় স্বীকাৰ কৰে। সেয়া হ'ল, প্ৰত্যক্ষ (Perception), অনুমান (Inference) আৰু শব্দ বা আপ্তবাক্য (Testimony)

ভাৰতীয় দৰ্শনৰ অন্যান্য দাৰ্শনিক সম্প্ৰদায়সমূহৰ লেখিয়াকৈ সাংখ্য দৰ্শনৰো মূল লক্ষ্য মানুহৰ জীৱনৰ সৰ্বোত্তম লক্ষ্য মুক্তি বা মোক লাভ। সাংখ্যৰ মতে জগতখন তিনি প্ৰকাৰৰ দুখেৰে পৰিপূৰ্ণ হৈ থাকে- আধ্যাত্মিক (শাৰীৰিক মানসিক কাৰণৰ পৰা পোৱা দুখ), আধিভৌতিক (প্ৰাকৃতিক কাৰণ যেনেঃ মানুহ, জীৱ-জন্তু, চৰাই পোক পতঙ্গ ইত্যাদিৰ পৰা হোৱা দুখ) আৰু আধিদৈৱিক (ভূত, প্ৰেত, দৈত্য আদিৰ দৰে আলৌকিক সত্তাৰ পৰা হোৱা দুখ)। পুৰুষ আৰু প্ৰকৃতিৰ মাজৰ অজ্ঞনতা বা অ-সূক্ষ্মদৃষ্টিয়েই হৈছে বন্ধন আৰু দুখৰ কাৰণ। মোক বা মুক্তিৰ অৰ্থ হৈছে সকলো দুখৰ পৰা সম্পূৰ্ণ নিৰোধ আৰু ইয়াক লাভ কৰিব পৰা যায় পুৰুষ আৰু প্ৰকৃতি, আত্মা আৰু অ-আত্মাৰ মাজৰ প্ৰভেদ জ্ঞানৰ দ্বাৰা।

যোগ-দৰ্শন ঃ

ঋষি পতঞ্জলি হৈছে যোগ দৰ্শনৰ পৰম্পৰাগত প্ৰতিষ্ঠাতা। 'যোগ- শব্দৰ অৰ্থ হৈছে ঐক্য বা সংযোগ, অৰ্থাৎ বিশ্বজনীন আত্মাৰ সৈতে ব্যক্তিগত আত্মাৰ একতা বা সংযোগ। যোগ দৰ্শনৰ সাংখ্য দৰ্শনৰ লগত যথেষ্ট মিল আছে। সাংখ্য মতবাদক এই দৰ্শনে ব্যৱহাৰিক জীৱনত

প্ৰয়োগ কৰিছে। অৰ্থাৎ, সাংখ্য দৰ্শনৰ তত্বমূলক আদৰ্শসমূহৰ অনুধাৱনৰ বাবে যোগ দৰ্শন হৈছে এক ব্যৱহাৰিক মাৰ্গ বা উপায়। যোগদৰ্শনে সাংখ্যা দৰ্শনৰ জ্ঞানবিজ্ঞান আৰু পৰাবিদ্যাক গ্ৰহণ কৰিছে। যোগদৰ্শনে সাংখ্যদৰ্শনৰ দ্বাৰা স্বীকৃত বৈধ জ্ঞানৰ তিনিটা উপায় যেনেঃ প্ৰত্যক্ষ, অনুমান আৰু শব্দৰ লগতে পঁছিশটা তত্বমূলক নীতিকো মানি লয়।

পৰম্পৰাগত যোগদৰ্শন নিৰীশ্বৰবাদী। কিন্তু যোগ দৰ্শনে আন আত্মাৰ পৰা পৃথক সৰ্বোচ্চ আত্মা হিচাপে ঈশ্বৰক বিশ্বাস কৰে। সেইকাৰণে, ইয়াক স্ব-ঈশ্বৰ সাংখ্যা বোলা হয় আৰু আনহাতে, সাংখ্যদৰ্শনক নিৰীশ্বৰ সাংখ্য বোলা হয়।

যোগদৰ্শনৰ সংজ্ঞা চিত্তৰ পৰিবৰ্ত্তনৰ নিবৃত্তি হিচাপে নিৰূপন কৰা হয়। চিত্তৰ অৰ্থ হৈছে সাংখ্যৰ তিনি আভ্যন্তৰীণ অংগ- বুদ্ধি (Buddhi) অহংকাৰ (ahankara) আৰু মন (manas)। চিত্ত হৈছে প্ৰকৃতি প্ৰথম উৎপাদন য'ত সত্তই ৰজ আৰু তম গুণক দমন কৰি ৰাখে। চিত্ত মুখ্যতঃ অচেতন। কিন্তু আত্মা বা পুৰুষৰ সান্নিধ্যত থকাৰ হেতু চিত্তৰ প্ৰকাশ শক্তিৰে আত্মাৰ চৈতন্য প্ৰতিফলন কৰি দৃশ্যতঃ চেতন আৰু বুদ্ধিসম্পন্ন ৰূপে দেখা দিয়ে। চিত্ত অন্তৰেন্দ্ৰিয় মনৰ পৰা পৃথক। কিন্তু চিত্তই যেতিয়া মনৰ মাধ্যমেৰে এটা বস্তুৰ লগত সংযুক্ত হয়, তেতিয়া ই সেই বস্তুটোৰ আকাৰ লয়। এই 'আকাৰ' (form) ক কোৱা হয় 'বৃত্তি' (Vritti) নাইবা বিকাৰ। পুৰুষ বা আত্মা শুদ্ধ, চৈতন্য আৰু প্ৰকৃতিৰ সীমাবদ্ধতাৰ পৰা ই মুক্ত। আত্মাৰ কোনো বিকাৰ বা পৰিবৰ্তন নঘটে। তথাপি চিত্তৰ পৰিবৰ্তনশীল প্ৰক্ৰিয়া আৰু অৱস্থাসমূহত প্ৰতিফলিত হোৱাৰ কাৰণে মনত হয় যে চিত্ত বা মনৰ পৰিবৰ্তনবোৰ যেন আত্মাৰে ই হৈছে। সেইকাৰণে চিত্ত হৈছে আত্মাৰ প্ৰকাশৰ বাবে স্বাভাৱিক বস্তুবিষয়ক মাধ্যম।

যোগদৰ্শনৰ মতে চিত্তৰ পৰিবৰ্তন পাঁচ প্ৰকাৰৰ প্ৰমান বা যথাৰ্থ জ্ঞান (true cognition); বিপৰ্য্যয় বা ভ্ৰান্ত জ্ঞান (False cognition) ; বিকল্প বা কেৱল মৌখিক জ্ঞান (verbal cognition); নিদ্ৰা(sleep) আৰু স্মৃতি (Memory)। যোগৰ অৰ্থ হৈছে চিত্তৰ পৰিবৰ্ত্তনৰ সম্পূৰ্ণ নিৰোধ (চিত্ত- বৃত্তি-নিৰোধ)

চিত্তৰ পৰিবৰ্তনৰ সৈতে নিজকে একে বুলি ভ ৱাটোৱেই হৈছে আত্মাৰ বন্ধনৰ কাৰণ আৰু সেইকাৰণে মোক্ষ বা মুক্তিৰ অৰ্থ পুৰুষ আৰু প্ৰকৃতিৰ মাজৰ প্ৰভেদৰ জ্ঞানৰ জৰিয়তে এই ভ্ৰান্ত চিনাক্তকৰণৰ অন্ত আৰু ইয়াক লাভ কৰিব পৰা যায় চিত্তৰ পৰিবৰ্তনৰ সম্পূৰ্ণ নিৰোধৰ দ্বাৰা। ইয়েই হৈছে যোগৰ মূল লক্ষ্য বা উদ্দেশ্য।

যোগ দৰ্শনত পাঁচপ্ৰকাৰৰ ক্লেশ বা যাতনাৰ উল্লেখ আছে। যেনেঃ অবিদ্যা বা ভ্ৰান্তজ্ঞান, অস্মিতা, ৰাগ, দ্বেষ আৰু অভিনিবেশ, যি হৈছে সকলো জীৱৰ মৃত্যুৰ প্ৰবৃত্ত্যাত্মক আৰু স্বাভাৱিক শংকা। এই ক্লেশ বা যাতনাৰ পৰা হাত সাৰিবলৈ চিত্তক দমন কৰিবই লাগিব। চিত্ত বা মনৰ মোহ মুক্তি আৰু শুদ্ধিৰ কাৰণে যোগদৰ্শনে অষ্টমাৰ্গ বা আঠোটি অনুশাসন অভ্যাস কৰিবলৈ পৰামৰ্শ দিছে। সেয়া হ'ল- য়ম (Restraint), নিয়ম (Culture), আসন (Posture), প্ৰাণায়ম (Breath Contral), প্ৰত্যাহাৰ (Withdrawal of the senses) ধাৰণা (Attention, ধ্যান(Meditation) আৰু সমাধি (Concentration) । যোগ অভ্যাসৰ চৰম স্তৰেই সমাধি। এই স্তৰত মনটো ধ্যানৰ

বিষয়ত বিলীন হোৱাৰ ফলত ব্যক্তিগত মনটো হেৰাই যায়। জীৱনৰ নিজা অস্তিত্ব সম্পৰ্কে জ্ঞান নাথাকে। এই যোগাংগ সমূহ চিত্ত বা মনৰ পৰিবৰ্তনৰ সম্পূৰ্ণ নিৰোধ কৰিবলৈ কেতবোৰ উপায়, যি হৈছে যোগ দৰ্শনৰ মুখ্য লক্ষ্য।

ন্যায়-দৰ্শন ঃ ন্যায়দৰ্শনৰ প্ৰতিষ্ঠাপক মহৰ্ষি গৌতম, যাক অক্ষপাদ বুলিও জনা যায়। এই দৰ্শন তৰ্কীয় ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত এক বস্তুবাদী বা বাস্তৱবাদী (realistic) দৰ্শন। ভাৰতীয় দৰ্শনৰ অন্তৰ্গত এই দাৰ্শনিক সম্প্ৰদায় মূল গ্ৰন্থ ন্যায়সূত্ৰ। বৈশেষিক দৰ্শনৰ লগত ইয়াৰ সামঞ্জ্য আছে, যাক সমান তন্ত্ৰ বা সমান্তৰাল দৰ্শন বুলি কোৱা হয়। ন্যায়ই তৰ্কবিজ্ঞান আৰু জ্ঞান বিজ্ঞানৰ বিকাশ ঘটাইছে, আনহাতে, বৈশেষিক দৰ্শনে পৰাবিদ্যা আৰু তত্ত্ব বিদ্যাৰ বিকাশ ঘটাইছে।

জ্ঞান-বিজ্ঞান (Epistemology) ঃ জ্ঞানক ধাৰণা বা বোধ হিচাপে সংজ্ঞা দিয়া হয়। ন্যায়ৰ মতে, জ্ঞানে বিষয় আৰু বস্তু উভয়কে প্ৰকাশ কৰে, যি এটাৰ পৰা আনটো পৃথক। সেই কাৰণে, ন্যায়ক এক বাস্তৱবাদী দাৰ্শনিক সম্প্ৰদায় বোলা হয়। যথাৰ্থ জ্ঞানক ন্যায় দৰ্শনত 'প্ৰমা' বোলা হয় আৰু ইয়াক এটা বস্তুৰ সম্যক ধাৰণা (যথাৰ্থানুভৱ) হিচাপে সংজ্ঞা দিয়া হৈছে। ই সঙ্গঁতিবাদ মতবাদ (পৰাৰ্থপ্ৰামান্য)ক সমৰ্থন কৰিছে। যিহেতু যথাৰ্থ জ্ঞান 'প্ৰমা' বোলা হয়, সেয়ে, যথাৰ্থ জ্ঞান লাভৰ উপায়ক 'প্ৰমাণ' বোলা হয়। যেনেঃ প্ৰত্যক্ষ, অনুমান, উপমান আৰু শব্দ বা আপ্তবাক্য।

নৈয়ায়িকসকলৰ মতে বিষয়ৰ লগত ইন্দ্ৰিয়ৰ সংযোগৰ ফলত যি যথাৰ্থ আৰু অনিবাৰ্য্য জ্ঞানৰ উৎপত্তি হয়, সিয়েই প্ৰত্যক্ষ (Perception)। গৌতমৰ মতে, প্ৰত্যক্ষৰ দুটা স্তৰ আছে; যেনেঃ নিৰ্বিকল্পক (in-determinate) আৰু সবিকল্পক (determinate) প্ৰত্যক্ষ দুই প্ৰকাৰৰ- সাধাৰণ বা লৌকিক আৰু অসাধাৰণ বা অলৌকিক। বিষয়ৰ লগত ইন্দ্ৰিয়ৰ লৌকিক সন্নিকৰ্ষৰ ফলত উৎপত্তি হোৱা জ্ঞানক লৌকিক প্ৰত্যক্ষ বোলা হয়। আনহাতে, যেতিয়া বাহ্যিক বিষয়ৰ লগত ইন্দ্ৰিয় অলৌকিক সন্নিকৰ্ষ ঘটে তাক কোৱা হয় অলৌকিকক প্ৰত্যক্ষ। অলৌকিক প্ৰত্যক্ষত, লৌকিক প্ৰত্যক্ষৰ দৰে তেনে কোনো সাক্ষাৎ সম্বন্ধ নাথাকে। লৌকিক প্ৰত্যক্ষ আকৌ দুইপ্ৰকাৰৰ- বাহ্য আৰু মানস বা অন্তৰ। অলৌকিক প্ৰত্যক্ষ তিনি প্ৰকাৰৰ- সামান্যলক্ষণ প্ৰত্যক্ষ, জ্ঞানলক্ষণ প্ৰত্যক্ষ আৰু যোজও প্ৰত্যক্ষ।

ন্যায় দৰ্শনত অনুমানৰ সংজ্ঞা এনেধৰণেৰে দিয়া হৈছে অনুমান হৈছে একপ্ৰকাৰৰ জ্ঞান, যিয়ে আন জ্ঞানৰ সম্ভেদ দিয়ে। অৰ্থাৎ, বিষয় বা বস্তুৰ প্ৰত্যক্ষ জ্ঞানৰ ওপৰত ভিত্তি কৰি অপ্ৰত্যক্ষিত বিষয়ৰ জ্ঞান লাভ কৰা প্ৰক্ৰিয়াই হৈছে অনুমান। প্ৰত্যেক অনুমানতে তিনিটা পদ থাকে- সাধ্যপদ, পক্ষপদ আৰু হেতুপদ। ন্যায় অনুমানত এইকেইটা পদক ক্ৰমে major term, minor term আৰু middle term, ৰূপে জনা যায়। অনুমান ৰ মূল ভিত্তি হৈছে সাধ্যপদ (major term) আৰু হেতুপদ (middle term)ৰ মাজৰ অনিবাৰ্য্য সম্পৰ্ক। এই অনিবাৰ্য্য সম্পৰ্কক ব্যাপ্তি (Vyapti) বোলা হয়। নৈয়ায়িকসকলে তিনি প্ৰকাৰৰ অনুমানৰ কথা উল্লেখ কৰিছে। উদ্দেশ্য অনুযায়ী অনুমানক দুটা শ্ৰেণীত বিভক্ত কৰিছে- যেনেঃ (১) স্বাৰ্থানুমান আৰু (২) পৰাৰ্থণুমান।

কাৰণতা অনুযায়ী অনুমান তিনি প্ৰকাৰৰ-

(ক) পূৰ্ববৎ অনুমান

(খ) শেষবৎ অনুমান আৰু

(গ) সামান্যতো দৃষ্টানুমান

আকৌ, হেতুপদ আৰু সাধ্যপদৰ মাজত ব্যাপ্তি সম্বন্ধ প্ৰতিষ্ঠা কৰাৰ বিভিন্ন পদ্ধতিৰ ভিত্তিত অনুমানক তিনিটা ভাগত বিভক্ত কৰিছে-

(ক) কেৱললান্বয়ী অনুমান

(খ) কেৱল ব্যতিৰেকী অনুমান আৰু

(গ) অন্বয় ব্যতিৰেকী অনুমান

বৈশেষিক দৰ্শন ঃ 'বৈশেষিক সূত্ৰ'ৰ ৰচক মহান ঋষি কনাদ্ নাইবা উলুক্য হৈছে বৈশেষিক দৰ্শনৰ প্ৰতিষ্ঠাতা। এই দৰ্শন ন্যায়দৰ্শনৰ লগত সম্পৰ্কযুক্ত। প্ৰশস্তপাদৰ 'পদাৰ্থধৰ্মস্বগ্ৰহ হৈছে বৈশেষিক সূত্ৰৰ ওপৰত এক ভাষ্য। 'বৈশেষিক' শব্দটো 'বিশেষ' শব্দৰ পৰা আহিছে, যাৰ অৰ্থ 'বিশেষকৈ' নাইবা 'প্ৰভেদ'। বৈশেষিকই ইন্দ্ৰিয়জ বস্তু আৰু ব্যক্তিগত আত্মাৰ বহুত্ব আৰু পাৰ্থক্যৰ ওপৰত অধিক জোৰ দিছে। সেইকাৰণে, বৈশেষিক দৰ্শনে বহুত্ববাদী বাস্তৱবাদক সমৰ্থন কৰিছে।

ন্যায় আৰু বৈশেষিক দুয়ো মিলিত দাৰ্শনিক সম্প্ৰদায়। কিন্তু, ন্যায়ৰ দৰে বৈশেষিক দৰ্শনে চাৰি প্ৰকাৰৰ যথাৰ্থ জ্ঞানৰ উপায়ক স্বীকাৰ কৰা নাই। বৈশেষিকসকলে কেৱল দুটা প্ৰমানকহে স্বীকাৰ কৰিছে। যেনেঃ প্ৰত্যক্ষ আৰু অনুমান, আৰু শব্দ বা আপ্তবাক্য আৰু উপমানক প্ৰত্যক্ষ আৰু অনুমানলৈ ৰূপান্তৰ কৰিছে।

বৈশেষিক দৰ্শনৰ প্ৰধান কাম পদাৰ্থৰ সৈতে সম্পৰ্ক ৰখা। 'পদাৰ্থ' (Category) হৈছে জ্ঞানৰ বস্তু, যি পদৰ দ্বাৰা প্ৰকাশিত হয়। বৈশেষিকসকলে মূলত ছয়টা পদাৰ্থক বিশ্বাস কৰিছিল আৰু সাত নম্বৰ পদাৰ্থ, অৰ্থাৎ 'অভাৱ' ক পিছত ইয়াৰ লগত যুক্ত কৰিছিল। সাতটা পদাৰ্থ হৈছে দ্ৰব্য (Substance), গুণ (Quality), কৰ্ম (Action), সামান্য (Generality), বিশেষ (Particularity), সমবায় (inherence) আৰু অভাৱ (non -being)। সমগ্ৰ বৈশেষিক দৰ্শন এই পদাৰ্থসমূহৰ সবিস্তাৰ আলোচনাৰ ওপৰতেই কেন্দ্ৰিভূত হৈছে।

ন্যায়ৰ দৰে বৈশেষিক দৰ্শনেও অসৎকাৰ্য্যবাদক সমৰ্থন কৰিছে, যাৰ অৰ্থ কাৰ্য্য সৃষ্টিৰ পূৰ্বে ই তাৰ নিৰ্দ্দিষ্ট কাৰণত নিহিত হৈ নাথাকে। কাৰ্য্য হৈছে এক নতুন আৰম্ভনী।

বৈশেষিক দৰ্শনৰ মতে, বিশ্বব্ৰহ্মাণ্ডৰ সকলো সংযোজিত বস্তু গঠিত হয় ক্ষিতি বা পৃথিৱী (earth), অপ বা জল (water), তেজ (light) আৰু বায়ু (air) ৰ অনুৰ দ্বাৰা। সেয়ে বৈশেষিকসকলৰ সৃষ্টি সম্বন্ধীয় মতবাদক পৰমানুবাদ, (atomism) বুলি কোৱা হয়।

মীমাংসা দৰ্শন ঃ জৈমিনী নাইবা যামিনী হৈছে ভাৰতীয় দৰ্শনৰ অন্তৰ্গত মীমাংসা দৰ্শনৰ প্ৰতিষ্ঠাতা আৰু তেওঁৰ 'মীমাংসা সূত্ৰ' হৈছে এই দৰ্শন মূল গ্ৰন্থ। 'মীমাংসা' শব্দৰ আক্ষৰিক অৰ্থ "অনুচিন্তন আৰু বিচাৰমূলক পৰীক্ষণেৰে কোনো সমস্যাৰ সমাধান।" মীমাংসা আৰু বেদান্ত দৰ্শন মিলিত সম্প্ৰদায়। এই দুয়ো দৰ্শন বেদৰ ওপৰত প্ৰতিষ্ঠিত। মীমাংসা দৰ্শন বেদৰ আদি

খণ্ডৰ লগত জড়িত; অৰ্থাৎ, যন্ত্ৰ আৰু ব্ৰাহ্মণ, যাক কোৱা হয় কৰ্মকাণ্ড। সেয়ে মীমাংসা দৰ্শনক পূৰ্ব-মীমাংসা আৰু কৰ্মমীমাংসা নামেৰেও জনা যায়। আনহাতে, বেদান্ত দৰ্শন বেদৰ অন্তিমখণ্ডৰ সৈতে জড়িত, অৰ্থাৎ ঔপনিষদ সমূহৰ সৈতে, যাক জ্ঞানকাণজ বোলা হয় আৰু সেইকাৰণে, বেদান্তক কোৱা হয় উত্তৰ-মীমাংসা। মীমাংসা ধৰ্মৰ লগত আৰু বেদান্ত ব্ৰহ্মৰ লগত জড়িত আৰু সেয়া মীমাংসাক ধৰ্ম-সীমাংসা আৰু বেদান্তক ব্ৰহ্মমীমাংসা বুলিও কোৱা হয়। মীমাংসা দৰ্শন মুখ্যত বেদৰ ধৰ্মীয় ৰীতি-নীতি আৰু বেদৰ ব্যাখ্যাৰ নিয়মাৱলীৰ বিষয়ে বৈদিক আজ্ঞা নাইবা আদেশৰ লগত জড়িত।

প্ৰভাকৰ আৰু কুমাৰীল ভট্টৰ দ্বাৰা প্ৰতিষ্ঠিত মীমাংসা দৰ্শনৰ দুটা প্ৰধান সম্প্ৰদায়, আছে। তেওঁলোক দুয়ো জৈমিনীৰ মীমাংসাসূত্ৰৰ প্ৰধান ভাষ্যকাৰ।

জ্ঞান-বিজ্ঞান সম্বন্ধীয় মতামত ঃ

প্ৰভাকৰৰ মতে, যথাৰ্থ জ্ঞান হৈছে অনুভূতি । কুমাৰীল ভট্টই যথাৰ্থ জ্ঞানৰ সংজ্ঞা এটা বস্তুৰ বেধ হিচাপে দেখুওৱাইছে, যি দোষৰ পৰা মুক্ত কাৰণৰ দ্বাৰা উৎপাদিত হয় আৰু যি আন জ্ঞানৰ দ্বাৰা বাধাপ্ৰাপ্ত নহয়। মীমাংসা দৰ্শনে স্বতঃ প্ৰামাণ্যবাদ মতবাদ (self-evidence theory) ক সমৰ্থন কৰিছে, যাৰ অৰ্থ সকলো জ্ঞান স্বতঃ সিদ্ধ ভাৱে বৈধ। ই আন জ্ঞানৰ দ্বাৰা প্ৰমাণিত নহয়। সেইকাৰণে, ইয়াক ন্যায় দৰ্শনৰ দ্বাৰা সমৰ্থিত পৰত প্ৰামাণ্যবাদৰ দ্বাৰা বিৰোধিতা কৰা হৈছে। প্ৰভাকৰ আৰু কুমাৰীল, দুয়োজনৰ বাবে, জ্ঞান নিজে এক প্ৰমাণ নাইবা জ্ঞানৰ উপায়. জৈমিনীৰ বাবে, তিনি প্ৰকাৰৰ প্ৰমাণ আছে প্ৰত্যক্ষ, অনুমান আৰু শব্দ বা আপ্তবাক্য। কিন্তু প্ৰভাকৰে পাঁচ প্ৰকাৰৰ প্ৰমাণক মানি লৈছে। সেয়া হ'ল প্ৰত্যক্ষ (perception) , অনুমান (inference), শব্দ বা আপ্তবাক্য (testimony), উপমান (comparision) আৰু অৰ্থাপত্তি (postulation)। কুমাৰিল ভট্টই আন এটা প্ৰমাণকো স্বীকাৰ কৰিছে। সেয়া হৈছে অনুপলব্ধি (non-perception)।

পৰাবিজ্ঞান সম্বন্ধীয় মতামতঃ মীমাংসা দৰ্শন বহুত্ববাদী বাস্তৱবাদ (Pluralistic Realism)। ই বাহ্যিক জগতৰ সত্যতা, ব্যক্তিগত আত্মা বা মনৰ বহুত্ব, আৰু অগনণ পৰমাণুক বিশ্বাস কৰে। (কিন্তু কুমাৰিলই কয় যে সকলো মীমাংসকেই পৰমাণুক বিশ্বাস নকৰে।) মীমাংসা দৰ্শনে কৰ্মবাদ আৰু স্বৰ্গ-নৰকক বিশ্বাস কৰে। ই বহুতো দেব-দেৱীকো বিশ্বাস কৰে, যিসকলক বলি-বিধানৰ জৰিয়তে পূজা-পাতল কৰা হয়। কিন্তু এই দৰ্শনে এই জগতৰ সৃষ্টি কৰ্ত্তা, ৰক্ষাকৰ্ত্তা আৰু সংহাৰকৰ্ত্তা ৰূপে এজন ঈশ্বৰৰ বিশ্বাসক নুই কৰিছে। জগতখন যেনে, সদায় তেনেই থাকে। জগতক সৃষ্টি কৰাও হোৱা নাই, ধ্বংসও কৰিব নোৱাৰি। কৰ্মবাদ এক স্বশাসিত প্ৰাকৃতিক নিয়ম, যিয়ে জগতখনক শাসন কৰে। সেয়ে, মীমাংসাই নিৰীশ্বৰবাদক সমৰ্থন কৰে। মীমাংসকসকলৰ মতে, বেদ হৈছে শাশ্বত আৰু অসান্ত। কিন্তু ঈশ্বৰ বেদৰ কৰ্ত্তা নহয়। বেদসমূহ স্বয়ং অস্তিত্বশীল।

বেদান্ত দৰ্শন ঃ

বাদৰায়নৰ 'ব্ৰহ্মসূত্ৰ' হৈছে বেদান্ত দৰ্শনৰ মূলগ্ৰন্থ, যিয়ে ঔপনিষদিক বাণীসমূহক শ্ৰেণীবদ্ধ কৰে। 'বেদান্ত' শব্দৰ অৰ্থ হৈছে 'বেদৰ অন্ত'। উপনিষদসমূহ বেদৰ অন্ত। সেই কাৰণে

বেদান্ত দৰ্শন উপনিষদসমূহৰ পৰাই উদ্ভৱ হৈছে। যিহেতু বেদান্ত দৰ্শন বেদৰ শেষখণ্ডৰ অৰ্থাৎ, জ্ঞানকাণ্ডৰ সৈতে, সম্পৰ্কযুক্ত, সেয়ে ইয়াক উত্তৰমীমাংসা নাইবা জ্ঞানসীমাংসা বুলিও কোৱা হয়। উপনিষদসমূহ বেদৰ সমাপ্তিৰ অংশ হোৱাৰোপৰি, বেদৰ সাৰমৰ্মত্ত। উপনিষদ, ব্ৰহ্মসূত্ৰ আৰু গীতাক প্ৰস্থানত্ৰয় (Prasthanatraya) বোলা হয় আৰু এই তিনি হৈছে বেদান্ত দৰ্শনৰ মৌলিক কৰ্ম।

যদিও বাদ্ৰায়ণৰ 'ব্ৰহ্মসূত্ৰ' বেদান্ত দৰ্শনৰ মূল গ্ৰন্থ, তথাপি পিছত বহুতো লেখকে সূত্ৰসমূহৰ ওপৰত টীকা ব্যাখ্যা কৰিছে। সেই টীকাকাৰসকলৰ মাজত শংকৰাচাৰ্য্য আৰু ৰামানুজ অতি গুৰুত্বপূৰ্ণ।

শংকৰৰ বেদান্ত দৰ্শনক অদ্বৈত বেদান্ত দৰ্শন বোলা হয়। তেওঁৰ মতে আত্মা হ'ল "নিৰ্বিশেষ চিৎ মাত্ৰম"- দেহ আৰু মন ধ্বংস হ'লেও আত্মা অবিকৃত হৈয়ে থাকে। প্ৰকৃত সত্ত্বা বা অস্তিত্ব আৰু চৈতন্য একেলগে অৱস্থান কৰে। আত্মা আনন্দ স্বৰূপ। শংকৰাচাৰ্য্যৰ মতে আত্ম সত্য, সৰ্বব্যাপী, স্বয়ংসিদ্ধ, নিৰ্বিশেষ, ভেদৰহিত, অসীম আৰু নিজ মহিমাত প্ৰতিষ্ঠিত। তেওঁৰ মতে ব্ৰহ্ম আৰু আত্মা অভিন্ন। ব্ৰহ্মক সচ্চিদানন্দ বুলি কোৱা হয়। সৎ, চিৎ আৰু আনন্দ ব্ৰহ্মৰ স্বৰূপ। জগতখন অৱাস্তৱ। ই কেৱল এক অৱভাসহে আৰু এই অৱভাস হৈছে মায়াৰ সৃষ্টি। যদিও আত্মা আৰু ব্ৰহ্ম একে, তথাপি অজ্ঞনতাবশত ব্যক্তি আত্মাই নিজকে ব্ৰহ্মৰ পৰা পৃথক জ্ঞান কৰে আৰু ব্ৰহ্মক জগত ৰূপে ভ্ৰান্ত ধাৰণা গঠন কৰে। যেতিয়া ব্যক্তিগত আত্মা আৰু ব্ৰহ্মৰ অভিন্ন ঐক্য সন্দৰ্ভত সম্যক জ্ঞানৰ উদয় হয়, লগে লগে অবিদ্যা নাশ হয় আৰু সেয়াই হৈছে মোক্ষ বা মুক্তি।

ৰামানুজৰ বেদান্তক বিশিষ্টাদ্বৈতবাদ নামেৰে জনা যায়। ৰামানুজৰ মতেও ব্ৰহ্মই একমাত্ৰ সত্য, অদ্বিতীয় আৰু ভেদৰহিত, কিন্তু ইয়াৰ অন্তৰ্ভুত পাৰ্থক্য আছে। ব্ৰহ্মৰ দুটা আভ্যন্তৰীণ অংশ আছে চিৎ আৰু অচিৎ। ব্যক্তিগত আত্ম (জীৱ) চিৎৰ পৰা বিকশিত হয় আৰু জগতৰ বিকাশ হয় অচিৎৰ পৰা। ৰামানুজে তিনিটা বস্তু স্বীকাৰ কৰে, যি চৰম আৰু বাস্তৱ (তত্ত্ব-ত্ৰয়। সেয়া হৈছে ঈশ্বৰ, আত্মা আৰু দ্ৰব্য। যদিও এই তিনিওটা সমানে সত্য বা বাস্তৱ কিন্তু তথাপিও শেষৰ দুটা ঈশ্বৰৰ ওপৰত নিৰ্ভৰ শীল। ৰামানুজৰ বাবে ব্ৰহ্ম একজৈৱিক একতা, এক পৰিচিতি, যি ভিন্নতাৰ গুণেৰে পূৰ্ণ। সেই বাবে, তেওঁৰ মতবাদক বিশিষ্টদ্বৈতবাদ (monism) বোলা হয়। তেওঁৰ মতে, ঈশ্বৰ গুণবিহীন নহয়, দ্ৰব্য আৰু আত্মা তেওঁৰ গুণ। ঈশ্বৰ জগতৰ উপাদান কাৰণ আৰু নিমিত্ত কাৰণ উভয়েই। তেওঁ সকলো ভাল গুণ যেনেঃ অস্তিত্ব, জ্ঞান আৰু পৰম সুখ; সত্য, শ্ৰেয়, আৰু সুন্দৰ; প্ৰেম আৰু শক্তি আদিৰে সমৃদ্ধ। জীৱৰ বন্ধনৰ কাৰণ অবিদ্যা আৰু কৰ্ম। মোক লাভ কৰিবলৈ জীৱই তেওঁলোকৰ কৰ্মৰ দ্বাৰা সৃষ্ট প্ৰতিবন্ধকসমূহ নাইকীয়া কৰিব লাগিব। কৰ্ম জ্ঞান আৰু ভক্তি বা উপাসনাৰ মাধ্যমেৰে মোক্ষ লাভ কৰিব পৰা যায়।

৪.৪ নাস্তিক সম্প্ৰদায়সমূহ

ভাৰতীয় দৰ্শনৰ অন্তৰ্গত যিসকল দাৰ্শনিক সম্প্ৰদায়ে বেদ অভ্ৰান্ত আৰু একমাত্ৰ প্ৰামাণ্য গ্ৰন্থ হিচাপে গ্ৰহণ নকৰে, তাক নাস্তিকদৰ্শন বোলা হয়। চাৰ্বাক, জৈন আৰু বৌদ্ধ এই তিনিওটা ভাৰতীয় দৰ্শনৰ নাস্তিক দাৰ্শনিক সম্প্ৰদায়। এতিয়া এই সম্প্ৰদায়কেইটাৰ দাৰ্শনিক ধাৰণাসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰোঁহক।

চাৰ্বাকদৰ্শন ঃ চাৰ্বাক দৰ্শন হৈছে ভাৰতীয় দৰ্শনৰ নাস্তিক বা অবৈদিক দাৰ্শনিক সম্প্ৰদায় সমূহৰ মাজৰ এক দাৰ্শনিক সম্প্ৰদায়। এই দৰ্শনৰ প্ৰতিষ্ঠাতাৰ সন্দৰ্ভত বিভিন্ন মতামত থকা দেখা যায়। কোনো কোনোৱে কয় যে এসময়ত 'চাৰ্বাক' নামৰ এজন, ঋষি আছিল আৰু তেওঁৰ নামানুসাৰেই এই দৰ্শনৰ নাম চাৰ্বাক দৰ্শন হৈছে। আন কিছুমানৰ মতে, বাচস্পতি, যি ঈশ্বৰৰ গুৰু, তেঁৱেই এই দৰ্শন প্ৰৱৰ্ত্তন কৰিছে। চাৰ্বাকদৰ্শনকলোকায়ত দৰ্শন বুলিও কোৱা হয়, যাৰ অৰ্থ সাধাৰণ লোকৰ মতামত, কাৰণ এই দৰ্শন সৰ্ব-সাধাৰণ লোকৰ মাজত সৰ্বপ্ৰিয় আছিল। চাৰ্বাকসকলৰ দাৰ্শনিক মতবাদ 'লোক' অৰ্থাৎ সাধাৰণ মানুহৰ 'আয়ত' অৰ্থাৎ বোধগম্য বুলি এই দৰ্শনক লোকায়ত দৰ্শন নামেৰেও অভিহিত কৰা হয়।

জ্ঞানবিজ্ঞান সম্পৰ্কীয় মত ঃ চাৰ্বাক সকলৰ মতে প্ৰত্যক্ষই একমাত্ৰ প্ৰমাণ অৰ্থাৎ যথাৰ্থ জ্ঞানাৰ্জনৰ একমাত্ৰ উপায়। ইন্দ্ৰিয়াদিৰ দ্বাৰা পোণপটীয়া ভাৱে যি জ্ঞান লাভ কৰা যায়, তাকে প্ৰত্যক্ষ জ্ঞান বোলে। তেওঁলোকৰ মতে প্ৰত্যক্ষত পোৱা জগতখনে একমাত্ৰ সত্য। যিবোৰ বস্তুক প্ৰত্যক্ষ পাব পাৰি, সিয়েই কেৱল সত্য। যি বোৰ বস্তুক ইন্দ্ৰিয়াদিৰ দ্বাৰা পাব নোৱাৰি, সেই অসত্য বা অবাস্তৱ। চাৰ্বাকসকলে অনুমান আৰু শব্দ বা াপ্তবাক্যক যথাৰ্থ জ্ঞানাৰ্জনৰ উপায় হিচাপে প্ৰত্যাখান কৰিছে, কিয়নো অনুমান আৰু শ ব্দই আমাক নিশ্চিত জ্ঞান দিব নোৱাৰে।

পৰাবিজ্ঞান সম্বন্ধীয় মতামত ঃ চাৰ্বাক সম্প্ৰদায়ৰ মতে দ্ৰব্যই হৈছে একমাত্ৰ সত্তা বা সত্য আৰু মনও বিবেক দ্ৰব্যৰে উৎপত্তি। দ্ৰব্য চাৰিপ্ৰকাৰৰ ক্ষিতি (earth), অপ (water), তেজ (fire) আৰু বায়ু (air) । তেওঁলোকৰ মতে এই জড় জগত এই চাৰিবিধ দ্ৰব্যৰ দ্বাৰা গঠিত। চাৰ্বাকসকলে 'ব্যোস' বা আকাশৰ অস্তিত্ব অস্বীকাৰ কৰিছে। কিয়নো ইয়াক ইন্দ্ৰিয়ৰ মাধ্যমেৰে সাক্ষাৎভাৱে পাব নোৱাৰো বা প্ৰত্যক্ষ লব্ধ নহয়। যাকে, প্ৰত্যক্ষ কৰিব নোৱাৰি, যি সত্য নহয়। সেই কাৰণে, চাৰ্বাকসকলৰ বাবে, ঈশ্বৰ, আত্মা, পৰমাত্মা, পূৰ্বজন্ম, পৰজন্ম আদিৰো অস্তিত্ব নাই। এই পাৰ্থিব জীৱনেই একমাত্ৰ জীৱন। স্বৰ্গ আৰু নৰকৰ ধাৰণাও সত্য নহয়, কাৰণ ইয়াক প্ৰত্যক্ষ কৰিব নোৱাৰি। সেইকাৰণেই, চাৰ্বাক দৰ্শনক ভাৰতীয় বস্তুবাদ বা বাস্তৱবাদ (Indian materialism) আখ্যা দিয়া হয়।

নীতিশাস্ত্ৰ সম্বন্ধীয় মতামত ঃ চাৰ্বাকসকল সুখবাদী (hedonist)। 'hedone' শব্দৰ অৰ্থ সুখ (pleasure)। তেওঁলোকক সুখবাদী এইবাবেই কোৱা হয় যে, তেওঁলোকৰ মতে মানুহৰ জীৱনৰ চৰম লক্ষ্য সুখ লাভ। তেওঁলোকৰ বাবে দুখক যিমানখিনি সম্ভৱ আঁতৰাই অধিক পৰিমানৰ সুখ লাভ কৰাই মানুহৰ জীৱনৰ উদ্দেশ্য হোৱাটো উচিত। তেওঁলোকৰ নৈতিক

আদৰ্শ হৈছে 'খোৱা-পিয়া আৰু স্ফুৰ্টি কৰা (eat- drink and be merry) । কিয়নো এই জীৱনেই শেষ জীৱন, ইয়াৰ পিছত আৰু কোনো পৰজন্ম নাথাকে।

জৈন দৰ্শনঃ 'জৈন' শব্দটো আহিছে 'জিন' শব্দৰ পৰা, যাৰ অৰ্থ 'বিজেতা'; অৰ্থাৎ, যিজনে সকলোধৰণৰ আৱেগ (ৰাগ-দ্বেষ), আকাংক্ষাক জয় কৰি মুক্তি লাভ কৰে। জৈনসকলে মুঠ চব্বিশজন তীৰ্থংকৰ নাইবা এই বিশ্বাসৰ প্ৰৱৰ্ত্তকক বিশ্বাস কৰিছিল জৈন মতবাদ এই চব্বিশজন তীৰ্থংকৰৰ উপদেশাৱলীৰ ওপৰতে ভিত্তি কৰি গঢ়ি উঠিছে। এই তীৰ্থংকৰসকলৰ প্ৰথমজন আছিল ঋষভ দেৱ আৰু শেষৰজন আছিল মহাবীৰ।

জৈনসকলে ঈশ্বৰক বিশ্বাস নকৰে, কিন্তু মুক্ত আত্মা বা তীৰ্থংকৰসকলক সন্মান কৰে, যিসকলে তেওঁলোকৰ নিজা প্ৰচেষ্টাত সকলো আৱেগ, অনুভূতি, আকাংক্ষাক জয় কৰি মোক্ষ লাভ কৰে।

জ্ঞান-বিজ্ঞান সম্পৰ্কীয় মতামত ঃ জৈন সকলে জ্ঞানক দুটা প্ৰধান ভাগত বিভক্ত কৰিছে- অপৰোক্ষ জ্ঞান (immediate knowledge) আৰু পৰোক্ষজ্ঞান (mediate knowledge) । অপৰোক্ষ জ্ঞানক পুনৰ তিনিটা ভাগত ভাগ কৰিছে-অৱধি, মনঃপৰ্য্যায় আৰু কেৱল। পৰোক্ষ জ্ঞান দুই প্ৰকাৰৰ -মতি আৰু সুত্ৰ। জ্ঞানক পুনৰ দুই ভাগত বিভক্ত কৰা হৈছে- প্ৰমাণ নাইবা যি যেনেকুৱা, ঠিক তেনেদৰে এটা বস্তুৰ জ্ঞান আৰু নয় নাইবা এটা বস্তুৰ নিজা সম্বন্ধত হোৱা জ্ঞান। জৈনসকলে তিনিটা প্ৰমাণক স্বীকাৰ কৰিছে। যেনেঃ প্ৰত্যক্ষ, অনুমান আৰু শব্দ বা আপ্তবাক্য। জৈনদৰ্শনৰ মতে, প্ৰত্যেক বস্তুৰে অসংখ্য গুণ আছে আৰু আমি অৰ্থাৎ সৰ্বসাধাৰণ মানুহে সেইবোৰ গুণৰ কেৱল কিছুমান গুণহে জানিব পাৰে। কেৱল সৰ্বজ্ঞসকলেহে সকলো গুণৰে সৈতে এটা বস্তুৰ অপৰোক্ষ জ্ঞান পাব পাৰে কেৱল জ্ঞানৰ জৰিয়তে । মানুহৰ জ্ঞান আপেক্ষিক আৰু সীমিত আৰু সেয়ে আমাৰ সকলো অৱধাৰণা আপেক্ষিক আৰু সীমিত আৰু সেয়ে আমাৰ সকলো অৱধাৰণা 'স্যাদ' নাইবা 'হ'ব পাৰে' বুলি গণ্য কৰিব লাগে। জৈনসকলৰ জ্ঞানবিজ্ঞান সম্পৰ্কীয় আৰু তৰ্কবিজ্ঞান সম্পৰ্কীয় মতামতক স্যাদবাদ (Syadvada) বোলা হয়। তেওঁলোকৰ পৰাবিজ্ঞান সম্বন্ধীয় ধাৰণা, অৰ্থাৎ, সত্তা বা সত্যৰ অসংখ্য গুণ বা লক্ষণ থাকে কাৰনে অনেকান্তবাদ বোলা হয়। অনেকান্তবাদ আৰু স্যাদবাদ একেটা সত্তা বা সত্যৰ দুটা ভিন্ন দিশ মাথোন।

পৰাবিদ্যাসম্বন্ধীয় মতামত ঃ জৈনসকলে জগতৰ সত্যতাক বিশ্বাস কৰে আৰু পোষণ কৰে যে জগতখন দুই ধৰণৰ সত্তাৰে গঠিত। যেনেঃ জীৱ আৰু অজীৱ। জীৱৰ জীৱন আৰু চৈতন্য আছে। আনহাতে, অজীৱৰ জীৱন ও চৈতন্যৰহিত। জগতত বহুতো জীৱ আছে আৰু ইয়াক মুক্ত (Liberate) আৰু বদ্ধ (in bondage) -এই দুই শ্ৰেণীত ভাগ কৰা হৈছে। আনহাতে, অজীৱক পাঁচ ভাগত বিভক্ত কৰা হৈছে। যেনেঃ পুদ্‌গল (matter) কাল(time), আকাশ (space), ধৰ্ম (motion) আৰু অধৰ্ম (rest)।

চাৰ্বাকৰ বাহিৰে ভাৰতীয় দৰ্শনৰ আন সকলোবোৰ দাৰ্শনিক সম্প্ৰদায়ৰ দৰে জৈন দৰ্শনেও মোক্ষ বা মুক্তিক জীৱনৰ সৰ্বোচ্চ আদৰ্শ ৰূপে গ্ৰহণ কৰিছে। জৈনৰ মতে, আত্মাৰ বন্ধন হয় শৰীৰ নাইবা দ্ৰব্যৰ লগত হোৱা ইয়াৰ সংযোগৰ পৰা। অবিদ্যাৰ হেতু আত্মা দ্ৰব্যৰ সৈতে

সংযোজিত হৈ পৰে আৰু এনেদৰেই পার্থিৰ দুখ-কষ্ট ভোগ কৰে। অৱশ্যে, সম্যক জ্ঞানৰ দ্বাৰা এই অবিদ্যা দূৰ কৰিব পৰা যায়। সেইবাবে, সম্যক জ্ঞানেই হৈছে মোক্ষৰ কাৰণ। এই সম্যক জ্ঞানৰ উদয় হয় তীর্থংকৰসকলৰ শিক্ষনৰ ওপৰত থকা বিশ্বাসৰ দ্বাৰা। সেয়েহে, সম্যক জ্ঞান (right knowledge), সম্যক বিশ্বাস (right faith) আৰু সম্যক ব্যৱহাৰ (right conduct) য়ে একেলগে মোক্ষৰ পথ নির্মাণ কৰে। এই কেইটা হৈছে জৈন দর্শনৰ 'তিনি ৰত্ন' (Triratna)।

বৌদ্ধ দর্শন ঃ বৌদ্ধ দর্শন হৈছে ভাৰতীয় দর্শনৰ নাস্তিক সম্প্ৰদায়সমূহৰ এটা। গৌতম বুদ্ধ এই দর্শনৰ প্রতিষ্ঠাতা। বুদ্ধ প্রকৃতার্থত আছিল এজন নৈতিক গুৰু আৰু সংস্কাৰক। ৰোগ ব্যাধি, বার্ধক্য আৰু মৃত্যুৰ দৃশ্যত পোৱা দুখেৰে গৌতম বুদ্ধ বা সিদ্ধার্থ ভাঙি পৰিছিল। তেওঁ দুখ-যন্ত্রনাৰ পৰা উপশমৰ উপায় বিচাৰি জগতক পৰিত্যাগ কৰিছিল। এনেদৰেই বহুবছৰ ধ্যানৰ ফলত তেওঁ ইয়াৰ কাৰণ আৱিষ্কাৰ কৰিছিল আৰু লগতে ইয়াৰ পৰা পৰিত্রাণৰ উপায়ো বিচাৰি পাইছিল। এনেদৰেই তেওঁ এদিন জ্ঞানৰ পোহৰেৰে উদ্ভাসিত হৈ উঠিছিল আৰু বুদ্ধ নামেৰে জ্ঞাত হৈ পৰিছিল। বুদ্ধৰ বাণী বা শিক্ষাসমূহ প্রয়োগবাদী আছিল। তেওঁ তাত্বিক ধাৰণাবোৰৰ আলোচনাৰ ওপৰত অকনো গুৰুত্ব দিয়া নাছিল , কিয়নো সেইবোৰৰ কোনো ব্যৱহাৰিক প্রয়োজনীয়তা নাথাকে। ইয়াৰ পৰিবর্ত্তে, বুদ্ধই মানুহক দুখ, দুখৰ কাৰণ, ইয়াৰ নিৰোধ আৰু নিৰোধৰ উপায় ইত্যাদি গুৰুত্বপূর্ণ প্রশ্নৰ ওপৰতহে জ্ঞানোদীপ্ত কৰিবলৈ প্রয়াস কৰিছিল। বুদ্ধদেৰে আগবঢ়োৱা এই প্রশ্নসমূহৰ যি উত্তৰ, সেইবোৰক বৌদ্ধদর্শনৰ চাৰি আর্য্য সত্য (চত্বাৰি আর্য্যসত্যানি) ৰূপে জনা যায়। সেয়া হৈছে- (১) দুখ আছে (There is suffering) (২) দুখৰ কাৰণ আছে (There is a cause of suffering) (৩) দুখ নিৰোধ (There is a cessation of suffering) (৪) দুখ নিৰোধ মার্গ (There is a way to cessation of sufferings)

১ম আর্য্যসত্য হৈছে যে জীৱনত দুখ আৰু অর্থাৎ মানুহ সমগ্র জীৱন আৰু জগত দুখেৰে ভৰপুৰ। জন্ম দুখপূর্ণ, ব্যাধি দুখপূর্ণ, বার্ধক্য দুখপূর্ণ, মৃত্যু দুখপূর্ণ। তাৰোপৰি, প্রিয়জনৰ বিচ্ছেদত দুখ, অপ্রিয়জনৰ সংযোগত দুখ, আকাংক্ষাত দুখ, হতাশাত দুখ, উৎকণ্ঠাত দুখ সমগ্র জগত এনেবোৰ দুখৰ এক বিৰাট অগ্নিকুণ্ড। কোনো মানুহ এই দুখৰ পৰা পলাব নোৱাৰে।

২য় আর্য্যসত্যটো কার্য্যকাৰণ সম্বন্ধৰ লগত জড়িত। প্রত্যেক ঘটনাৰে একোটা নির্দৃষ্ট কাৰণ থাকে। এই জগতৰ সকলো বস্তু বা ঘটনা চর্তসাপেক্ষ, আপেক্ষিক আৰু সীমাবদ্ধ, বিনা কাৰণত জগতত কোনো ঘটনাই সংঘটিত নহয়। দুখ যিহেতু এক জাগতিক ঘটনা। গতিকে দুখৰো কাৰণ আছে। জীৱনৰ দুখ-যন্ত্রণাৰ উ ৎপত্তিক বুদ্ধদেৰে তেওঁৰ 'প্রতীত্য সমূৎপাদবাদ' (Dependent Origination) মতবাদেৰে ব্যাখ্যা কৰিছে। এই মতবাদৰ অর্থ এয়ে যে কোনো ঘটনা চর্তবিহীন নহয়।। অর্থাৎ জগতৰ প্রত্যেক ঘটনা একোটা নির্দৃষ্ট কাৰণৰ ওপৰত নির্ভৰশীল, আকস্মিকভাৱে একোৱেই নঘটে। বুদ্ধৰ মতে দুখৰ এক কাৰণতাৰ শিকলি আছে আৰু ই বাৰটা অংশবিশিষ্ট। সেয়ে ইয়াক বৌদ্ধদর্শনত দাদ্বশ-নিদান নাইবা ভৱচক্র বোলা হয়। এই আঠোটা অংগ হৈছে ক্রমে- ১। জৰা-মৰণাদি (Old age and death) ২। জাতি বা জন্ম (Birth) ৩। ভৱ (will to be born) ৪। উপাদান (mental dinging to the object) ৫। তৃষ্ণা (desire

for objects)৬। বেদনা (sense-experience) ৭। স্পৰ্শ (Sense object contact) ৮। ষড়ায়ন (the six sense orgens) ৯। নাম-ৰূপ (mind-body) ১০। বিজ্ঞান (Consciousness) ১১। সংস্কাৰ (impressious of past experience) আৰু ১২। অবিদ্যা (ignonance)। বুদ্ধদেৱৰ মতে অবিদ্যা-ই হৈছে দুখৰ মূল কাৰণ।

বুদ্ধৰ ৩য় আৰ্য্যসত্যটো হৈছে দুখ বিৰোধ যদি অবিদ্যাক নাইকীয়া কৰিব পৰা যায়, তেন্তে দুখৰো সমাপ্তি হ'ব। গতিকে, দুখৰ যে কেৱল কাৰণ আছে, তেনে নহয়; সেই দুখৰ নিবৃত্তিও আছে। দুখৰ নিবৃত্তিয়ে, মোক্ষৰ পিনে আগুৱাই নিয়ে, যাক বৌদ্ধদৰ্শনত কোৱা হয় নিৰ্বাণ।

বুদ্ধদেৱৰ মতে ৪র্থ আৰ্য্যসত্যটো হৈছে নৈতিক আৰু পাৰমার্থিক মার্গ, যাৰ অনুসৰণৰ দ্বাৰা দুখ যন্ত্রণা নাইকীয়া কৰিব পাৰি আৰু ফলস্বৰূপে নির্বান লাভ কৰিব পৰা যায়। এই মার্গ আঠোতা অঙ্গঁৰে গঠিত। সেয়ে ইয়াক অষ্টাংগিক মার্গ (eight-fold path) বোলা হয়। সেয়া হৈছে সম্যক দৃষ্টি (Right vision); সম্যক সংকল্প (Right resolve); সম্যক বাক্ (Right speech); সম্যক কর্মান্ত (Right conduct); সম্যক অজীৱ (Right livelyhood) সম্যক ব্যায়াম (Right effort) ; সম্যক স্মৃতি (Right- mindfulness) আৰু সম্যক সমাধি (Right concentration)। এই কেইটা মার্গ অনুসৰণৰ দ্বাৰা এজন লোকে নির্বাণ লাভ কৰিব পাৰে, যি মানুহৰ জীৱনৰ সর্বোচ্চ লক্ষ্য।

কিন্তু পিছলৈ বুদ্ধৰ অনুসৰণকাৰীসকলে এই দর্শনৰ দার্শনিক মতবাদসমূহৰ প্রসাৰ আৰু সম্প্রসাৰণ ঘটায়, যাৰ ফলত বৌদ্ধদর্শনৰ চাৰিটা সম্প্রদায়ৰ সৃষ্টি হয়। যেনেঃ মাধ্যমিক নাইবা শূণ্যবাদ, যোগচাৰ নাইবা বিজ্ঞানবাদ, সৌত্রান্তিক আৰু বৈভাষিক সম্প্রদায়।

ভাৰতীয় দর্শনৰ সম্প্রদায়সমূহ

আস্তিক / বৈদিক সম্প্রদায় — নাস্তিক / অবৈদিক সম্প্রদায়

বেদানুগত — বেদ স্বতন্ত্র

ধর্মীয় দিশৰ ওপৰত গুৰুত্ব দিয়া (মীমাংসা) — (সাংখ্য, যোগ, ন্যায় ও বৈশেষিক)

বেদৰ কল্পনাশীল দিশৰ ওপৰত গুৰুত্ব দিয়া (বেদান্ত)

ভাৰতীয় দর্শনত এই আস্তিক আৰু নাস্তিক দার্শনিক সম্প্রদায় বিভাজনৰ যথেষ্ট মূল্য আছে। এই দুয়োটা শ্রেণী (আস্তিক / নাস্তিক)ৰ নিজস্ব মতামত আৰু ধাৰণা আছে। ইয়াৰ প্রত্যেকেই ইটোৱে সিটোক সমালোচনা আৰু প্রভাৱান্বিত কৰে। তেওঁলোকৰ উমৈহতীয়া প্রভাৱে তেওঁলোকৰ চিন্তাধাৰাৰ ভেঁটি বাহুল্য কৰাৰ এক উপায় হি চাপে কাম কৰে। ভাৰতীয় দর্শনৰ বিভিন্ন শাখা বা সম্প্রদায়সমূহে এটাই আনটোক প্রভাৱান্বিত কৰাৰ দ্বাৰাই তেওঁলোকৰ নিজা নিজা পৰিসৰৰ

ভিতৰত বৰ্দ্ধিত আৰু বিকশিত হয়। মুঠতে, স্থায়ী উমৈহতীয়া সমালোচনাৰ দ্বাৰাই ভিন্ন ধৰণৰ দাৰ্শনিক চিন্তাধাৰাৰ আৱিৰ্ভাৰ ঘটিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সংস্কৃত কোনটো শব্দৰ পৰা 'দৰ্শন' শব্দৰ উৎপত্তি হৈছে।

.....

প্ৰশ্ন নং ২ ঃ ভাৰতীয় দৰ্শনৰ আস্তিক সম্প্ৰদায়সমূহ কি কি?

.....

প্ৰশ্ন নং ৩ ঃ শ্লিয়াৰমেকাৰৰ মতে ধৰ্মৰ সাৰসত্তা কি?

.....

প্ৰশ্ন নং ৪ ঃ সাংখ্য দৰ্শনৰ মতে দুটা চৰম সত্তা কি কি?

.....

প্ৰশ্ন নং ৫ ঃ ভাৰতীয় দৰ্শনৰ কোনটো সম্প্ৰদায়ক 'শেষৰ সাংখ্য' বোলা হয়?

.....

প্ৰশ্ন নং ৬ ঃ কোনটো ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ৰ মতে প্ৰত্যক্ষই যথাৰ্থ জ্ঞানাৰ্জনৰ একমাত্ৰ উপায়?

.....

প্ৰশ্ন নং ৭ ঃ বৌদ্ধ দৰ্শনৰ দাৰ্শনিক সম্প্ৰদায়সমূহ কি কি?

.....



৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় দৰ্শনক দুটা বহল শ্ৰেণীত বিভক্ত কৰা হৈছে- আস্তিক আৰু নাস্তিক।
- সংস্কৃত 'আস্তিক' শব্দটো মূল ধাতু 'অস্তি'ৰ পৰা নিঃসৃত হৈছে। ইয়াৰ- অৰ্থ 'আছে' বা 'অস্তিত্বশীল'। অৰ্থাৎ, যাৰ অস্তিত্ব আছে। নাস্তিক (ন + আস্তিক) শব্দটো 'অস্তিক'ৰ নঞৰ্থক।
- ভাৰতীয় দৰ্শনত আস্তিক মানে সেইবোৰ দাৰ্শনিক সম্প্ৰদায়, যিবোৰে বেদৰ অস্তিত্ব স্বীকাৰ কৰে আৰু আনহাতে, সেইবোৰ সম্প্ৰদায় নাস্তিক, যিয়ে বেদৰ অস্তিত্ব বিশ্বাস নকৰে।
- ভাৰতীয় দৰ্শনত ৬ টা আস্তিক সম্প্ৰদায় আছে- সাংখ্য, যোগ, ন্যায়, বৈশেষিক, মীমাংসা আৰু বেদান্ত। আৰু নাস্তিক সম্প্ৰদায় আছে ৩ টা চাৰ্বাক, বৌদ্ধ আৰু জৈন।
- যোগ দৰ্শন হৈছে সাংখ্য দৰ্শনৰ আদৰ্শ বোৰৰ অনুধাৱণৰ বাবে ব্যৱহাৰিক মাৰ্গ যোগ

দর্শনৰ মূল লক্ষ্য চিত্ত বৃত্তি নিৰোধ নাইবা চিত্ত বা মনৰ পৰিবর্তনৰ নিৰোধ।

- সাংখ্য দর্শনে পুৰুষ আৰু প্রকৃতিৰ তাত্ত্বিক দ্বৈতবাদ বিশ্বাস কৰে। এই দর্শনৰ মতে, প্রকৃতি (বিশ্ব)ৰ ক্রমবিকাশ ঘটে। এই ক্রমবিকাশ সম্ভৱ হয়, যেতিয়া প্রকৃতি পুৰুষৰ সান্নিধ্যলৈ আহে। এই ক্রমবিকাশ উদ্দেশ্যমুলক।
- ন্যায় দর্শন বৈশেষিক দর্শনৰ সৈতে প্রায় একে, যাক সমানতন্ত্র বা সদৃশ দর্শন বোলা হয়। ন্যায় দর্শনে তর্ক বিজ্ঞান আৰু জ্ঞান বিজ্ঞানৰ বিকাশ ঘটাইছে আৰু আনহাতে বৈশেষিকই পৰাবিজ্ঞান আৰু তত্ব বিজ্ঞানৰ বিকাশ ঘটইছে।
- বৈশেষিক দর্শনে সাতবিধ পদার্থক বিশ্বাস কৰে। সেইকেইটা হৈছে - দ্রব্য, গুণ, কর্ম, সামান্য, বিশেষ, সমবায় আৰু অভাৰ। সমগ্র বৈশেষিক দর্শন এই পদার্থসমূহ আলোচনাতেই কেন্দ্রীভুত হৈ আছে।
- মীমাংসা দর্শন মুলতঃ বেদৰ ধর্মীয় ৰীতি-নীতি আৰু ইয়াৰ ব্যাখ্যাৰ নিয়মাৱলীৰ বিষয়ে বৈদিক আজ্ঞা নাইবা আদেশৰ সৈতে জড়িত। কুমাৰিল ভট্ট আৰু প্রভাকৰৰ দ্বাৰা প্রতিষ্ঠিত মীমাংসা দর্শনৰ প্রধানকৈ দুটা শাখা আছে। তেওঁলোক জৈমিনীৰ 'মীমাংসা সূত্র'ৰ প্রধান ভাষ্যকাৰ।
- যদিও বাদ্ৰায়ণৰ 'ব্রহ্মসূত্র' বেদান্ত দর্শনৰ মূল গ্রন্থ, তথাপি পিচলৈ বহুতো লেখকে সূত্রসমূহৰ ওপৰত টীকা ব্যাখ্যা কৰিছে। সেই টীকাৰসকলৰ মাজত লেখত লবলগীয়া হ'ল শঙ্কৰাচার্য্য আৰু ৰামানুজ।
- চার্বাক দর্শনক ভাৰতীয় বস্তুবাদ হিচাপেও জনা যায়, কিয়নো এই দর্শনৰ মতে, দ্রব্যই এই জগতৰ একমাত্র সত্তা বা সত্য। মন আৰু বিবেক এই দ্রব্যৰ পৰাই উৎপত্তি হৈছে। দ্রব্য চাৰি প্রকাৰৰ- ক্ষিতি, অপ, তেজ আৰু বায়ু।
- জৈনসকলে চব্বিশজন তীর্থংকৰক বিশ্বাস কৰে। ইয়াৰ ভিতৰত প্রথমজন হৈছে ঋষভদেৱ আৰু শেষৰজন তীর্থংকৰ মহাবীৰ।
- বুদ্ধই মানুহক দুখ, দুখৰ কাৰণ, দুখ-নিবৃত্তি আৰু দুখ নিবৃত্তিৰ উপায় আদি গুৰুত্বপূর্ণ প্রশ্নবোৰৰ ওপৰত আলোকিত কৰিবলৈ প্রয়াস কৰিছিল। বুদ্ধই দিয়া এই প্রশ্নবোৰৰ উত্তৰসমূহকে বৌদ্ধ দর্শনত 'চাৰি আর্য্যসত্য' ৰূপে জনা যায়।



৪.৬ অধিক জানিবলৈ

1] Sharma, C.D. (2003), A Critical Survey of Indian Philosophy, Motilal Banarasidass Publishers Pvt. Ltd., Delhi.

2] Chatterjee, S. & Dutta, D.M. (1984), An Introduction to Indian Philosophy, Calcutta University Press, Kolkata.

3] Sinha, P.T. (1992), The Philosophical Tradition of India, Motilal Banarasidass Publishers. Pvt. Ltd. Delhi.

4] Sinha. J.N. (1998), Outlines of Indian Philosophy, New Central Book Agency (D) Ltd., Kolkata.

5] Radhakrishnan, S. (1993), Indian Philosophy, Vol. I & II, Oxford University Press. New Delhi.

6] Hiriyanna, M. (2005), Qutlines of Indian Philosophy. Motilal Banarasidass Publishers. Pvt. Ltd. Delhi.

৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ 'দৰ্শন' শব্দটো সংস্কৃত 'দৃশ' ঋতুৰ পৰা আহিছে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্য, যোগ, ন্যায় বৈশিষক, মীমাংসা আৰু বেদান্ত।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ চাৰ্বাক, বৌদ্ধ আৰু জৈন।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পুৰুষ আৰু প্ৰকৃতি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ যোগ দৰ্শন।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ পাঁচটা প্ৰমাণ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ চাৰ্বাক দৰ্শন।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মাধ্যমিক নাইবা শূন্যবাদ, যোগাচাৰ বা বিজ্ঞানবাদ, সৌত্ৰান্তিক আৰু বৈভাষিক।

৪.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ 'দৰ্শন' বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ ভাৰতীয় দৰ্শনত কেইটা আস্তিক সম্প্ৰদায় আছে?

প্ৰশ্ন ৩ ঃ ভাৰতীয় দৰ্শনত নাস্তিক সম্প্ৰদায় কেইটা আছে?

প্ৰশ্ন ৪ ঃ ভাৰতীয় দৰ্শনৰ সাংখ্য দৰ্শনৰ মতে জগতৰ চৰম বস্তুগত কাৰণ কি?

প্ৰশ্ন ৫ ঃ যোগ দৰ্শনত কিমান যোগাংগ আছে।

প্ৰশ্ন ৬ ঃ ঋষি গৌতমৰ মতে প্ৰত্যক্ষৰ কেইটা স্তৰ আছে?

প্ৰশ্ন ৭ ঃ ভাৰতীয় দৰ্শনৰ বৈশেষিক শাখাৰ প্ৰৱৰ্ত্তক কোন?

প্ৰশ্ন ৮ ঃ জৈমিনীৰ মীমাংসা-সূত্ৰৰ যি কোনো দুজন ভাষ্যকাৰৰ নাম লিখক?

প্রশ্ন ৯ ঃ 'প্রস্থানত্রয়' কি?

প্রশ্ন ১০ ঃ ভাৰতীয় দর্শনৰ কোনটো দার্শনিক সম্প্রদায়ক লোকায়ত দর্শন বোলা হয়?

প্রশ্ন ১১ ঃ জৈনসকলৰ মতে প্রত্যক্ষ জ্ঞানৰ দুটা প্রকাৰৰ কি কি?

প্রশ্ন ১২ ঃ বৌদ্ধ দর্শনৰ মতে দুখৰ মূল কাৰণ কি?

(খ) চুটি প্রশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ন্যায়ৰ প্রত্যক্ষৰ ধাৰণা

প্রশ্ন ২ ঃ চার্বাক জ্ঞান বিজ্ঞান

প্রশ্ন ৩ ঃ বৌদ্ধ দর্শনৰ ২ য় আর্য্য সত্য

(গ) ৰচনাধর্মী প্রশ্ন (৩০০- ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাৰতীয় দর্শনৰ আস্তিক আৰু নাস্তিক সম্প্রদায়ৰ মাজত পার্থক্য নির্ণয় কৰক।

প্রশ্ন ২ ঃ বৌদ্ধ দর্শনৰ চাৰি আর্য্যসত্য ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ চার্বাক জ্ঞানমীমাংসা বা জ্ঞানবিদ্যা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ আকস্মিকতাবাদ আৰু প্রকৃতিবাদ

৫.৪ অনুমানৰ অগ্রাহ্যকৰণ

৫.৫ বেদৰ প্রামাণ্যতা অগ্রাহ্যকৰণ

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ অগ্রগতিৰ খতিয়ান

৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- চার্বাক দর্শনৰ দ্বাৰা স্বীকৃত যযার্থ জ্ঞান উপায় সমূহ জানিব পাৰিব
- জ্ঞানৰ আন আন উৎসসমূহৰ দোষ-ত্রুটি সমূহ জানিব পাৰিব
- বেদ, জ্ঞান লাভৰ যযার্থ উৎস বা উপায় হয় নে নহয় তাক জানিবলৈ সক্ষম হ'ব।

৫.২ পৰিচয়

চার্বাক, মাক লোকায়ত দর্শন নামেৰেও জনা যায় - ভাৰতীয় বস্তুবাদৰ আটাইতকৈ প্রাচীন এক দার্শনিক সম্প্রদায়। চার্বাক দর্শনক ভাৰতীয় দর্শনৰ অন্তর্গত এক নাস্তিক নাইবা পপম্পৰা বিৰোধী দার্শনিক সম্প্রদায়ৰ ভিতৰত ধৰা হয়। ইয়াক হিন্দু পৰম্পৰাত নাস্তিক সম্প্রদায়ৰ এক উদাহাৰণ স্বৰূপে লোৱা হয়। চার্বাক বা লোকায়ত দর্শনৰ প্রতিষ্ঠাতা হিচাপে ঋকবেদৰ ঋষি বৃহস্পতিকে সাধাৰণতে নির্দ্দেশ কৰা হয়। এই সম্প্রদায়টোৰ নাম যাৰ নামানুসাৰে ৰখা হৈছে, তেওঁকে ঋষি বৃহস্পতিৰ মুখ্য শিষ্য আখ্যা দিয়া হয়। অন্য এক মতবাদ মতে 'চার্বাক' নামৰ এজন ঋষি আছিল আৰু তেওঁৰ নামানুসাৰেই এই দার্শনিক সম্প্রদায়ক চার্বাক দর্শন নামে অভিহিত কৰা হয়। 'চাবচ্ছ্রাক' শব্দটো আহিছে সংস্কৃত শব্দ (চাৰু' (মধুৰ বা সহজবোধ্য) আৰু বাক্ (বাক্য) ৰ পৰা। সেয়ে বুৎপত্তিগত দিশৰ পৰা 'চার্বাক' শব্দৰ অর্থ 'মদুৰ বাক' নাইবা 'মনোৰম বাক্য'; যাৰ বাবে এই সম্প্রদায়টো বাহ্যিকভাবে আকর্ষণীয়। আন এক মত অনুযায়ী, 'চার্বাক' শব্দটো 'চর্ব' ধাতু (চর্বন কৰা বা খোৱা) ৰ পৰা উৎপত্তি হৈছে, কিয়নো চার্বাক দর্শনৰ মতে খোৱা, পিন্ধা আৰু স্ফুর্ত্তি আহি পার্থিৰ সুখেই মনুষ্য জীৱনৰ চৰম উদ্দেশ্য।

এই দর্শনক 'লোকায়ত' বুলিও কোৱা হয়, কিয়নো এই দর্শনৰ দার্শনিক মতবাদ 'লোক'

অর্থাৎ সাধাৰণ মানুহৰ 'আয়ত' অর্থাৎ বোধগম্য। 'লোকায়ত' শব্দৰ অভিধানিক অর্থ হৈছে 'পার্থিব" বা 'জগত উদ্দেশ্যি'; ই পোষণ কৰে যে কেৱল এই জগত বা লোকহে বিদ্যমান, এই লোকায়ত বা চার্বাক দর্শনক হিন্দু দার্শনিক সম্প্রদায় হিচাপে উল্লেখ কৰা হৈছে, য'ত কোনো 'ঈশ্বৰ', 'পুনৰ জন্ম', 'কর্মফল', 'কর্তব্য', পাপ-পূণ্য আদি একো নাথাকে।

চার্বাকে প্রত্যক্ষ ধাৰণা আৰু অভিজ্ঞতাকে যথার্থ জ্ঞানার্জনৰ একমাত্র উপায় হিচাপে গ্রহণ কৰিছে। ই দর্শনশাস্ত্র সম্বন্ধীয় সংশয়বাদক আকোঁৱালি লৈছে আৰু বেদ, বৈদিক বিধি বিদান আৰু অলৌকিকতাবাদক অগ্রাহ্য কৰিছে। ইয়াৰ মতে সকলো প্রকাৰৰ ধর্মকর্ম হৈছে ব্রাহ্মণসকলৰ জীৱন নির্বাহৰ এক উপায়। বেদৰ কর্তাসকল আছিল বহুৱা, ঠগ-প্রৱঞ্চক আৰু দৈত্য। যথার্থ সার্বিক জ্ঞান আৰু আধিবৈজ্ঞানিক সত্যতা প্রতিষ্ঠা কৰাৰ এক উপায় হিচাপে ই অনুমানকো অস্বীকাৰ কৰিছে। আন কথাত, চার্বাকসকলৰ মতে, প্রত্যক্ষই হৈছে একমাত্র যথার্থ জ্ঞানার্জনৰ উপায়; মাটি, পানী, বায়ু আৰু অগ্নিয়েই হৈছে একমাত্র উপাদান; স্ফুর্ত্তিয়েই হৈছে মানুহৰ একমাত্র লক্ষ্য; মনেই হৈছে দ্রব্যৰ একমাত্র ফল। তেওঁলোকৰ মতে, অন্য পৃথিৱী বুলি একো নাই; মৃত্যুৰ অর্থ মুক্তি। কোনো স্বর্গ নাই; কোনো অন্তিম মুক্তি নাই; অন্য পৃথিৱীত থকা কোনো আত্মাও নাই, নাইবা বাস্তৱ কার্য্য প্রতিপন্ন কৰিবলৈও চাৰি বর্ণ, নিয়ম নীতিৰো কোনো কার্য্য নাই। চার্বাক সকলৰ মতামত এই যে, যেতিয়ালৈকে জীৱন থাকে, এজন মানুহক সুখত থাকিবলৈ দিয়া, ঋণ কৰি হ'লেও তেওঁক ঘি খাবলৈ দিয়া; কিয়নো এবাৰ যেতিয়া এই শৰীৰ চাই লৈ যাব, ই কেতিয়াও আকৌ উভতি নাহে।

৫.৩ আকস্মিকতাবাদ আৰু প্রকৃতিবাদ

চার্বাকসকল আকস্মিকতাবাদী আৰু প্রকৃতিবাদী উভয়েই। এই আকস্মিকতাবাদ অনুসৰি, নির্দ্দিষ্ট কাৰণৰ ওপৰত নির্ভৰ নকৰাকৈয়ে যিকোনো মুহূর্ত্তত কার্য্যৰৰ উদ্ভৱ হয়। এটা কার্য যিকোনো কাৰণৰ ওপৰত নির্ভৰশীল নহয়, কিন্তু হঠাত ই সৃষ্টি হ'ব পাৰে। আকস্মিকতাবাদে এটা কার্য বা ঘটনাৰ অবিৰত উৎপাদনত বিশ্বাস কৰে। যিকোনো সময়তে ইয়াৰ অস্তিত্বশীল হৈ থাকে। এটা বস্তু বা ঘটনা, নিজস্ব প্রকৃতি অনুযায়ী কোনো কাৰণৰ অবিহনেই এক নির্দ্দিষ্ট সময়ত আর্বিভাৱ হয়। ইয়াৰ উপস্থিতি কাৰণবিহীন। গৌতমে আকস্মিকতাবাদক এক মতবাদ হিচাপে ব্যাখ্যা কৰিছে, যি মতবাদ অনুসৰি কাঁইট নাইবা তেনেধৰণৰ বস্তুৰ ধাৰ সদৃশ যিকোনো কাৰণৰ অবিহনে এটা কার্য উৎপত্তি হয়।

আকস্মিকতাবাদক এই ভিত্তিত সমালোচনা কৰা হয় যে যদি ফল বা পৰিণামসমূহ কোনো নির্দিষ্ট কাৰণৰ ওপৰত নির্ভৰশীল নহয়, তেন্তে সেইবোৰ সদায় অস্তিত্বশীল হ'ব নাইবা সদায় অস্তিত্বশীল নহয়। কিন্তু যদি ফল বা পৰিণাম আন কাৰণৰ ওপৰত নির্ভৰশীল হয়, তেতিয়া সি এটা নির্দ্দিষ্ট সময়তহে দৃশ্যমান হ'ব। সেইবাবে, সেই ফল বা পৰিণাম এক নির্দ্দিষ্ট কাৰণৰ দ্বাৰাহে উৎপত্তি হয়। সময় (কাল), প্রকৃতি, নিয়তি আৰু অদৃষ্ট হৈছে সকলো বস্তু বা ঘটনাৰে কাৰণ।

প্রকৃতিবাদে বিভিন্ন বস্তুৰ মাজত নিহিত থকা প্রাকৃতিক শক্তিকে বুজায়। জুইৰ জ্বলি থকাৰ এক প্রাকৃতিক শক্তি থাকে। প্রকৃতিবাদে প্রকাশ কৰে যে সকলো ফল বা পৰিণাম সিহঁতৰ নিজস্ব প্রকৃতি বা স্বভাৱৰ দ্বাৰা উৎপত্তি হয়, আৰু সিহঁতক নিজা ইচ্ছানুযায়ী উৎপন্ন কৰিব পৰা নাযায়। কাঁইটৰ ধাৰ আৰু পশু আৰু চৰাইৰ বিভিন্ন ৰঙ সমূহো সিহঁতৰ প্রকৃতিগত স্বভাৱৰ বাবেই হয়। এইবোৰ আন কাৰোবাৰ দ্বাৰা উৎপন্ন কৰিব নোৱাৰি। জুই গৰম, পানী ঠাণ্ডা আৰু বায়ুৰ সতেজ স্পর্শ আছে। ইহঁতৰ মাজৰ পার্থক্য সমূহ আহে ইহঁতৰ অন্তর্নিহিত স্বভাৱ বা প্রকৃতিৰ বাবেই। কিছুমান সত্ত্বা চিৰন্তন অস্তিত্ব। বিভিন্ন বস্তুৰ বিভিন্ন উবশিষ্ট্য আছে। সিহঁতৰৰ চাৰিত্রিক বৈশিষ্ট্যৰাজি সিহঁতৰ মাজত নিহিত সিহঁতৰ ভিন্ন স্বভাৱ বা প্রকৃতি জনিত।

প্রকৃতিবাদক তলত দিয়া ভিত্তিত সমালোচনা কৰা হয়। স্বভাৱ হৈছে এটা বস্তু বা ব্যক্তিৰ নিজস্ব প্রকৃতি বা স্বকীয় বৈশিষ্ট্য। ই হয় কাৰণৰ স্বকীয় বৈশিষ্ট্য, নহয় কার্য্য বা ফলৰ স্বকীয় বৈশিষ্ট্য। যদি কার্য্য বা ফলৰ স্বকীয় বৈশিষ্ট্য বা স্বাভাৱ হয়, তেন্তে ই কার্য্যৰ পূর্বে অস্তিত্বসীল নহয়, আৰু সেয়ে এক বিশেষ সময়ত ইয়াৰ উৎপত্তিক নির্দ্ধাৰণ কৰিব পৰা নাযায়। এটা কার্য্য বা পৰিণামৰ স্বভাৱ ইয়াৰ উৎপাদনৰ পূর্বে অসস্তিত্বসীল হ'ব নোৱাৰে। যদি স্ববাৱটো যদি কাৰণৰ বৈশিষ্ট্য হয়, তেন্তে কার্য্যটোৰ এটা কাৰণ থাকিব। যদি কাৰণটো অস্তিত্বশীল নহয়, তেন্তে ইয়াৰ কোনো স্বভাৱ থাকিব নোৱাৰে। যদি ই অস্তিত্বশীল হয় আৰু এক স্বভাৱ বা প্রকৃতি, থাকে, সিয়ে কার্য্য নাইবা পৰিণামৰ আর্বিভাৱ কৰে, তেন্তে ইয়াৰ এটা কাৰণ থাকিব। এইদৰেই, প্রকৃতিবাদক দুর্বল কৰি তোলা দেখা যায়।

চার্বাকই কার্য কাৰণতা আৰু ইয়াৰ সার্বজনীনতাক বিশ্বাস নকৰে। তেওঁলোকৰ মতে কার্য্য কাৰণতা হৈছে পূর্ববর্তী আৰু অনুবর্তীৰ মাজৰ এক কাল্পনিক সম্পর্ক, যাক বহুতো বিশেষ মুহূর্ত্তত একেলগে প্রত্যক্ষ কৰণ যায়। কেৱল এটা ঘটনাৰ পূর্ববর্তী আৰু আন এক ঘটনাৰ অনুবর্তীক উপলব্ধি কৰা হয়। এটা ঘটনাৰ অপৰিবর্ত্তিত পূর্ববর্তী আৰু আন এটা ঘটনাৰ অপৰিবর্ত্তিত অনুবর্ত্তীক কেতিয়াও লক্ষ্য কৰা নাযায়। প্রত্যক্ষ কেতবোৰ বিশেষ বস্তুটেই সীমাবদ্ধ। ই কেতিয়াও ভূত, বর্তমান আৰু ভৰিষ্যতৰ সকলো দৃষ্টান্তকে উপলব্ধি কৰিব নোৱাৰে। অতীতত ঘটা অসংখ্য বিশেষ মুহূর্ত্তত প্রত্যক্ষ কৰা দুটা ঘটনাৰ অনুক্রম ভৰিষ্যততত অ-পূর্বজ্ঞাত পৰিস্থিতিৰ ক্ষেত্রত বিফলো হ'ব পাৰে। এটা অনুবর্তী আৰু এটা পূর্ববর্তীৰ মাজত কোনো ধৰণৰ অনিবার্য সম্বন্ধ থকাৰ কথা জানিব পৰা নাযায়। আন এটা গটনাৰ দ্বাৰা নিঃসৃত হোৱা এটা ঘটনাৰ নিৰীক্ষণৰ পুনৰাবৃত্তিয়ে আমাৰ মনত এক আশাৰ উৎপত্তি কৰে, যে ভবিষ্যতে সকলো বিশেষ মুহূর্ত্ততে পূর্ববর্তীটো অনুবর্তীৰ দ্বাৰা নিঃসৃত হ'ব। অসংখ্য বিশেষ মুহূর্ত্তত দুটা ঘটনাৰ সংযোজনে এক আশা উৎপন্ন কৰে যে সিহঁত সদায়েই সংযোজন হ'ব। চার্বাকই এটা বিশেষ কাৰণৰ দ্বাৰা এটা কার্য্যক উৎপত্তি আৰু সিহঁতৰ মাজত এক অনিবার্য আৰু অপৰিবত্তনীয় সম্বন্ধও বিস্বাস নকৰে।।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'চার্বাক শব্দটোৰ ব্যুৎপত্তিগত অর্থ কি ?

প্রশ্ন নং ২ ঃ চার্বাক দর্শনে স্বীকাৰ কৰা চাৰিটা উপাদন কি কি ?

প্রশ্ন নং ৩ ঃ আকস্মিকতাবাদ কি ?

প্রশ্ন নং ৪ ঃ প্রকৃতিবাদ কি ?

প্রশ্ন নং ৫ ঃ খালী ঠাই পূৰোৱা ঃ

(ক) চার্বাকৰ মতে জ্ঞানৰ একমাত্র যথার্থ উপাদান হৈছে .....।

(খ) চার্বাক দর্শনৰ আনটো নাম .....।

(গ) 'চারু' ৰ অর্থ .....।

প্রশ্ন নং ৬ ঃ সত্য নে অসত্য লিখক

(ক) চার্বাক দর্শনক বাৰতীয় দর্শনৰ আস্তিক সম্প্রদায়ত ধৰা হয়।

(খ) 'খোৱা, পিয়া আৰু স্ফুর্ত্তি কৰা' ই হৈছে চার্বাক দর্শনৰ নীতিবিজ্ঞান।

(গ) চার্বাকই পুনৰজনম বিশ্বাস কৰে।

৫.৪ অনুমানৰ অগ্রাহ্যকৰণ

চার্বাক সম্প্রদায়ৰ জ্ঞানবিজ্ঞান অনুসৰি প্রত্যক্ষই হৈছে জ্ঞানবিদ্যা বিৰোধৰ এক মাত্র উপায়। চার্বাক জ্ঞানবিদ্যা বিৰোধৰ এক শৃঙ্খলাৰে গঠিত। তেওঁলোকে যথার্থ জ্ঞান লাভৰ উপায় হিচাপে অনুমান আৰু শব্দক অস্বীকাৰ কৰিছে। প্রত্যক্ষ হয় বাহ্যিক পঞ্চ জ্ঞানেন্দ্রিয় আৰু পার্থিৰ বস্তুৰ মাজৰ সম্পর্কজনিত। আভ্যন্তৰীণ প্রত্যক্ষ আকৌ নির্ভৰ কৰে এই বাহ্যিক প্রত্যক্ষৰ ওপৰত। আমাৰ আভ্যন্তৰণী অংগ, মনে বাহ্যিক প্রত্যক্ষৰ দ্বাৰা লাভ কৰা তথ্য বা উপকৰণৰ ওপৰত কাম কৰিব পাৰে। ই বাহ্যিক ইন্দ্রিয়সমূহৰ পৰা স্বতন্ত্র নহয়। প্রত্যক্ষিত বা ধাৰণাসাধ্য জগতখনেই হৈছে একমাত্র সত্য বা বাস্তৰ। ইন্দ্রিয়সমূহৰ দ্বাৰা প্রত্যক্ষ কৰিব পৰা বস্তুসমূহেই একমাত্র সত্য। যিবোৰ বস্তুৰ জ্ঞান প্রত্যক্ষৰ উর্দ্ধত; অর্থাৎ যাক প্রত্যক্ষ কৰিব নোৱাৰি, সেইবোৰ বস্তু সত্য নাইবা বাস্তৰ নহয়। স্বর্গ আৰু নৰক প্রকৃত নহয়, কাৰণ ইয়াক প্রত্যক্ষ কৰিব নোৱাৰি। স্পর্শজনিত অঙ্গৰ দ্বাৰা কোমলতা, কঠিনতা, গৰম, ঠাণ্ডা, খহতা আদিৰ দৰে জ্ঞানসমূহ লাভ কৰিব পাৰি। সোৱাদ জনিত অহ্গৰ দ্বাৰা মিঠা, টেঙা, দুর্গন্ধ, তীক্ষ্ণ আৰু অন্যান্য সোৱাদ পোৱা যায়। ঘ্রাণেন্দ্রিয়ৰ দ্বাৰা সন্তোষজনক বা অসন্তোষজনক গোন্ধবোৰৰ জ্ঞান পোৱা যায়। দৃষ্টি বিষয়ক অহ্গৰ দ্বাৰা মানুহ, পশু, পৃথিৰী, নদ-নদী, গছ-গছনি, পাহাৰ আদিৰ দৰে বস্তুবোৰৰ জ্ঞান পাওঁ। শ্রাব্যজনিত অঙ্গসমূহৰ সহায়ত ভিন্ন প্রকাৰৰ শব্দজ্ঞান লাভ কৰো। প্রত্যক্ষত পোৱা জগতখনেই প্রকৃত বা বাস্তৰ। ই প্রত্যশিত বস্তু আৰু বাস্তৰবাদ আৰু অভিজ্ঞতাবাদক পোষণ কৰিছে। তেওঁলোকে যথার্থ জ্ঞানৰ একমাত্র উপায় হিচাপে প্রত্যক্ষকে স্বীকাৰ কৰিছে।

চার্বাকই যথার্থ জ্ঞানৰ একমাত্ৰ উপয়া হিচাপে অনুমানক অস্বীকাৰ কৰিছে। অনুমানক কেৱল এন্ধাৰত মৰা এক জাঁপ বুলি কোৱা হয়। ইয়াত আমি জ্ঞাতৰ পৰা অজ্ঞাতলৈ বা জনাব পৰা নজনালৈ গতি কৰোঁ আৰু ইয়াত কোনো নিশ্চয়তা নাথাকে, যদিও কিছুমান অনুমান আকস্মিকভাৱে সত্য হৈ পৰে। প্রত্যক্ষিত দৃষ্ঠান্তৰ জ্ঞেত্রত এটা সাধাৰণ বচন সত্য হ'ব পাৰে, কিন্তু ইয়াত তেনে কোনো নিশ্চয়তা নাথাকে যে ই অপ্রত্যাক্ষিত দৃষ্টান্তৰ 'চক্রক দোষ'ৰে দুষিত। ই কেৱল এক চক্রক যুকিত, যিহেতু ইয়াৰ সিদান্তটো সাধ্য আশ্রয় বচনত নিহিত থকাৰ স্বত্তেও, যাৰ বেধতা প্রমাণিত নহয়। নিগমন অনুমানৰ সাধ্য আস্রয় বচনৰ বৈধতা প্রমাণ কৰিবলৈ আগমন অনুমানৰ সহায় ল'বলগীয়া হয়। কিন্তু আগমন অনুমান আকৌ নিজেই অনিশ্চিত স্বভাৱৰ, কাৰণ, ইও অনিশ্চিতভাৱেই জ্ঞাতৰ পৰা অজ্ঞাতলৈ অগ্রসৰ হয়। অপূর্ণ গণনাভিত্তিক আগমণৰ পৰা সত্য আগমনক পৃথক কৰাৰ উদ্দেশ্যে এই কথা আহুলিয়াব পাৰি যে প্রথমটো অর্থাৎ প্রকৃত বা সত্য আগমন এক কার্য-কাৰণ সম্পর্কৰ ওপৰত প্রতিষ্ঠিত, যাক কোৱা হয় অপৰিবর্ত্তনীয় বা নিয়ত সমন্ব নাইবা ব্যাপ্তি। সেয়ে, ব্যপ্তি হৈছে সকলো অনুমানৰে স্নায়ু। কিন্তু চার্বাক সকলে সহঃ সম্বন্ধৰ এই সার্বিক আৰু নিয়ত সম্পর্কক প্রত্যাহ্বান জনাইছে আৰু ইয়াক কেৱল এক সাধাৰণ অনুমান হিচাপেহে মানি লৈছে। আনক বুজাবলৈ নৈয়ায়িক সকলে তলত দেখুওৱাৰ দৰে পাঁচটা অৱয়ৱযুক্ত এক অনুমান (পৰার্থানুযায়ী)ক বিস্বাস কৰে ঃ

1⁄4 পর্বতত জুই আছে

2⁄4 কাৰণ, পর্বত ধোৱাযুক্ত

3⁄4 য'তে ধোৱা থাকে, ত'তে জুই থাকে

4⁄4 পর্বতত ধোৱা আছে

5⁄4 ∴ পর্বতত জুই আছে।

অনুমান কৰিবৰ বাবে প্রথম তিনিটা নাইবা শেষৰ তিনিটা শাৰীয়েই যথেষ্ঠ। অনুমান নির্ভৰ কৰে হেতুপদ আৰু সাধ্যপদৰ মাজত থকা সার্বিক সহসম্বন্ধ বা ব্যাপ্তিৰ ওপৰত। হেতুপদ, অর্থাৎ ধোঁৱা, এক চিহ্ন বা সংকেত (লিংগ), যিয়ে নির্দেশ কৰে সাধ্যপদ (অর্থাৎ, জুই)ৰ অস্তিত্বক। ই পক্ষ পদ নাইবা অনুমানটোৰে উদ্দেশ্য পদ (যেনে ঃ পাহাৰ)ত উপস্থিত থাকিবই লাগিব। হেতুপদটো সাধ্যপদৰ দ্বাৰা নিয়তভাবে সাহচর্য্য হ'বই লাগিব। হেতু পদ আৰৰু সাধ্যপদৰৰ মাজৰ নিয়ত সম্বন্ধক কোৱা হয় ব্যাপ্তি। ই হ'বই লাগিব। ই কোনো চর্ত নাইবা 'উপাধি' ৰ দ্বাৰা বাধাপ্রাপ্ত হ'বই নোৱাৰে। ব্যপ্তিক প্রত্যক্ষ কৰিব নোৱাৰি, সি বাহ্যিকেই হওক নাইবা আভ্যন্তৰীণেই হওঁক। যেতিয়া কোনো বাহ্যিক বস্তুৰ সৈতে ইন্দ্রিয় সংবেদন ঘটে, তেতিয়া, তাক বাহ্যিক প্রত্যক্ষ বোলা হয়। ইয়াত ভূত, বর্ত্তমান আৰু ভৱিষ্যতৰ সকলো ব্যক্তিৰ সৈতে ইন্দ্রিয়সমূহৰ কোনো ধৰণৰ অর্ন্তসম্বন্ধ নাথাকে। ব্যপ্তি হৈছে সাধ্যপদৰ সকলো ক্ষেত্রৰ সৈতে হেতুপদৰ সকলো ক্ষেত্রৰে এক নিয়ত সহচর্য্য সম্বন্ধ। কিন্তু হেতুপদ আৰু সাধ্যপদৰ সকলো দৃষ্টান্তকে বাহ্যিক ইন্দ্রিয় সমূহৰ পৰা স্বতন্ত্র নহয়। ইয়াক কেৱল বাহ্যিক প্রত্যক্ষৰ দ্বাৰা সংগ্রহ কৰা তথ্যৰৰ দ্বাৰাহে ব্যাখ্যা কৰিব পৰা যায়। ব্যপ্তি 'ধোৱা' আৰু 'জুই' - এই দুটা শ্রেণীৰ মাজৰ নিয়ত সহচর্য্য সমন্ধৰ

জ্ঞান প্রত্যক্ষৰ দ্বাৰা ব্যপ্তিক জনা যায়, কিন্তু সিহঁতৰ শ্রেণী বৈশিষ্ট্যসমূহৰ মাজৰ নিয়ত সহচর্য্য সম্বন্ধ স্থাপন কৰিব নোৱাৰে। আনকি, ব্যপ্তিক অনুমানৰ দ্বাৰাও জানিব নোৱাৰি, যিহেতু ই অসীম পশ্চাদ গতিলৈ যায়। এটা ব্যাপ্তিক অনুমানৰ দ্বাৰ জানিব পাৰি, যি আকৌ আন এটা ব্যপ্তিৰ ওপৰত নির্ভৰশীল। সেই ব্যপ্তিক আকৌ আন এটা অনুমানৰ দ্বাৰা জানিব পৰা যায় আৰু এনেদৰেই ই অসীমতালৈ অগ্রসৰ হৈ পৰে আৰু ফলত এইদৰে পিছুৱাই গৈ গৈ 'অনাৱস্থাদোষত পৰিণত হয়। ব্যপ্তি সম্বন্ধৰ জ্ঞান 'শব্দ'ৰ দ্বাৰাও পাব নোৱাৰি, কিয়নো ইও অনুমানৰ মাজতে নিহিত থাকে ই নাথাকে, তেন্তে ই কোনো বিশ্বাসযোগ্য ব্যক্তিৰ বাক্যৰ ওপৰত নির্ভৰ কৰিব। শব্দ বা আপ্তবাক্যবোৰ তেওঁলোকৰ বাণীবোৰৰ অর্থ। সেয়ে, ব্যাপ্তিক শব্দ বা আপ্তবাক্যৰ দ্বাৰাও জানিব পৰা নাযায়, যি অন্য এক সার্বিক সাহচর্য সম্বন্ধৰ জ্ঞানৰ ওপৰত নির্ভৰশীল। ইয়াত যুক্তিৰ এক চক্র মিলিত হৈ থাকে। কোনো এজন ব্যক্তিৰ বাক্য অতীত, বর্তমান আৰু ভৱিষ্যৎৰ সকলো সময়তে বিশ্বাসযোগ্য হয় নে নহয়, তাক প্রত্যক্ষ কৰিব নোৱাৰি, অনুমানহে মাত্র কৰিব পাৰি। অনুমান যিহেতু নিশ্চিত স্বভাৱৰ নহয়, সেয়ে অনুমানৰ ওপৰত নির্ভৰ কৰি পোৱা শ্বদ জ্ঞানো নিশ্চিত স্বভাৱৰ নহয়। অর্থাৎ শব্দয়ো ব্যপ্তিসম্বন্ধৰ নিশ্চিত জ্ঞান প্রদান কৰিব নোৱাৰে। আনকি ব্যাপ্তিক 'উপমান'ৰ দ্বাৰাও জানিব নোৱাৰি, কিয়নো ই শব্দ আৰু তাৰ দ্বাৰা সূচোৱা বস্তু নাইবা ব্যক্তিৰ মাজৰ সার্বিক সম্বন্ধৰ ওপৰত নির্ভৰ কৰে। উপমান হৈছে এটা বস্তু (যেনে গমব)ৰ জ্ঞান, যাক নির্দেশ কৰা হয় এজন বন সংৰক্ষকৰ বক্তব্য (যেনে গবয় গৰুৰ নিচিনা) ৰ দ্বাৰা। সেয়ে, ই নির্ভৰ কৰে শব্দ আৰু ইয়াৰ অর্থৰ মাজৰ নিয়ত সাহচর্য্য সম্বন্ধৰ ওপৰত। সেয়ে, ব্যপ্তিক উপমানৰ দ্বাৰাও জানিব নোৱাৰি। মুঠতে ইয়াক প্রত্যক্ষ, অনুমান, শব্দ আৰু উপমানৰ দ্বাৰ জানিব নোৱাৰি। অনুমান সম্ভৱ নহয়, যিহেতু ব্যপ্তি, যি ইয়াৰ মূল ভিত্তি, তাক জানিব নোৱাৰি।

ব্যাপ্তি হৈছে সকলো চর্ত বা 'উপাধি'ৰ পৰা মুক্ত ব্যাপ্ত আৰু ব্যাপকৰ মাজৰ নিয়ত সাহচর্য্য বা সার্বিক সম্বন্ধ। চর্ত হৈছে সি, যিয়ে ব্যাপ্যৰ লগত নিয়ত ভাৱে সংগত হৈ নাথাকে, কিন্তু ব্যাপকৰ সৈতে নিয়ত সম্বন্ধযুক্ত হৈ থাকে। সকলো চর্তৰ অনুপস্থিতি, যিয়ে অনুমানক বিনষ্ট কৰে, তাক কেতিয়াও জানিব পৰা নাযায়। সকলো চর্ত (উপাধি)ক প্রত্যক্ষ কৰিব নোৱাৰি। সকলো চর্তৰ অনুপস্থিতিক অ-প্রত্যক্ষৰ দ্বাৰা জানিব নোৱাৰি যদিহে সিহঁতক অনুমান, শব্দ নাইবা উপমানৰ দ্বাৰ জানিব পৰা যায়, তেন্তে একে জটিলতাই দেকা দিব। আগলৈ, এটা চর্তৰ জ্ঞানে ইয়াৰ অনুপস্থিতিৰ জ্ঞানতকৈ অধিক গুৰুত্বপূর্ণ হৈ পৰিবই। হেতুপদ আৰু সাধ্য পদৰ মাজৰ নিয়ত সাহচর্য সম্বন্ধৰ জ্ঞান নির্ভৰ কৰে চর্তবোৰৰ অনুপস্থিতিৰ জ্ঞানৰ ওপৰত। এইদৰেই ইয়াত এক বৃত্তাকাৰ ৰূপত যুক্তিৰ উদ্ভৱ হয়। অনুমানৰ ভিত্তি, অর্থাৎ, ব্যাপ্তিক কেতিয়াও জানিব পৰা নাযায়। সেয়ে অনুমান সম্ভৱ নহয়।

ব্যাপ্তি একৰূপ আৰু অ-বিৰোধী প্রত্যক্ষৰ ওপৰত নির্ভৰশীল বুলি কোৱা হয়। ই হৈছে একপ্রকাৰৰ গণনামূলক আগমন, যি অপূর্ণ গণনাৰ ওপৰত নির্ভৰশীল। অসংখ্য নির্দ্দিষ্ট মুহূর্ততত ব্যাপ্য (যেনে- ধোৱা) আৰু ব্যাপক (যেনে জুই)ৰ সাহচর্য্য সম্পর্কৰ নিৰীক্ষণৰ ওপৰত ই নির্ভৰশীল। কিন্তু, যদিও অতীতত অসংখ্য নির্দ্দিষ্ট মুহূর্ত্তত সিঙঁত ইটোৰ লগত সিটো সংলগ্ন

হৈ থাকে, তথাপিও ভবিষ্যতে সিহঁত ইটোৰ লগত সিটো সংলগ্ন হৈ নাথাকিও পাৰে। ইহঁতৰ মাজত নিয়ত সাহচর্য্য সম্বন্ধ ভৱিষ্যতে নিৰীক্ষণ কৰিব পাৰিলে, ই হয়তো ব্যতিক্রম হ'ব। কোনো ধৰণৰ অনিবার্য্য সম্পর্ক ইহঁতৰ মাজত স্থাপন কৰিব নোৱাৰি। ধোৱা আৰু জুইৰ মাজত থকা নিয়ত সাহচর্য্য সম্বন্ধটো সকলো সময়ত, সকলো স্থানত আৰু সকলো পাৰিপার্শ্বিক অৱস্থাত কেতিয়াও জানিব পৰা নাযায়। সমগ্র জগতত সকলো স্থান আৰু সকলো সময়তে যদি ধোঁৱা আৰু জুইৰ সকলো দৃষ্টান্তক প্রত্যক্ষ কৰা নহয়, তেতিয়া এই সন্দেহে দেখা দিব যে জুইৰ অবিহনেও ধোৱাৰ অস্তিত্ব থাকিব পাৰে। আনকি সিহঁতৰ উপস্থিতিক জানিব পৰা যায় সিহঁতৰ সহাৱস্থানৰ অসংখ্য দৃষ্টান্তৰ নিৰীক্ষণৰ দ্বাৰা, কিন্তু সিহঁতৰ অনুপস্থিতিক সিহঁতৰ সহাৱস্থানৰ অসংখ্য দৃষ্টিান্তৰ নিৰীক্ষণৰ দ্বাৰা কেতিয়াও জানিব পৰা নাযায়। এই কথা নিৰীক্ষণ কৰাটো অসম্ভৱ যে জুইৰ অনুপস্থিতিৰ সকলো ক্ষেত্রই ধোঁৱাৰ অনুপস্থিতিৰ ক্ষেত্রকো নিৰ্দ্দেশ কৰিব। জগতত জুইৰ বাহিৰে সকলো বস্তুৱেই অ-জলন্ত। সকলো অ-জলন্ত বস্তুত ধোঁৱাৰ অ-অস্তিত্বক কেতিয়াও প্রত্যক্ষ কৰিব নোৱাৰি। এইদৰেই সাধ্য পদৰ সৈতে পক্ষপদৰ সাধিক সাহচর্য্য সম্বন্ধক কেতিয়াও জানিব পৰা নাযায়, যিহেতু ভূত বর্তমান ভবিষ্যতত সমগ্র জগতত সিহঁতৰ উপস্থিতি আৰু অনুপস্থিতিক কেতিয়া নিৰিক্ষণ কৰিব নোৱাৰি। সিহঁতৰ শ্রেণী বৈশিষ্ট্যৰ দ্বাৰাও সিহঁতৰ মাজৰ সার্বিক সাহচার্য সম্বন্ধক জানিব নোৱাৰি, কাৰণ ইয়াত কোনো শ্রেণী বৈশিষ্ট্য নাইবা সার্বিকতা নাথাকে। সেয়ে, ব্যাপ্তি যি অনুমানৰ এক ভিত্তি, তাক কেতিয়াও জানিব নোৱাৰি। বিভিন্ন সময়, স্থান আৰু অৱস্থাজনিত অসীম চাৰিত্রিক বৈশিষ্ট্যৰ সৈতে ব্যাপ্য আৰু ব্যাপকৰ সকলো বিশেষ দৃষ্টান্তৰ মাজতো ব্যাপ্তি অস্তিত্বশীল হ'ব নোৱাৰে। ব্যাপ্তি অসিত্তত্বশীলো নহয় নাইবা তাক জানিবও নোৱাৰি। সেইবাবে, অনুমান সম্ভৱ নহয়। ই কেতিয়াও বৈধ হ'ব নোৱাৰে।

চার্বাকসকলে কার্যকাৰণতা আৰু ইয়াৰ সার্বিককতাক বিস্বাস নকৰে। তেওঁলোকৰ মতে কার্য্য আৰু কাৰণৰ মাজত কোনো অনিবার্য সম্পর্ক নাথাকে। এটা পূর্ববর্তী আৰু এটা অনুবর্তীৰ মাজত কেৱল আকস্মিক সংযোগহে থাকে। এই দুই ঘটনা পৰিলক্ষিত হয় আৰু সেয়ে ই আমাৰ মনত আসাৰ উদ্ভৱ কৰে যে সিহঁত সদায় একেলগেই আহে। কিন্তু সিহঁতৰ সহ উপস্থিতিৰ বিষয়ে কোনো নিশ্চয়তা নাথাকে। এটা পূর্ববর্তী আৰু এটা অনুবর্তীৰ আকস্মিক সংযোগে ব্যাপ্তিক নিশ্চিত কৰিব নোৱাৰে, যি অনুমানৰ মূল ভিত্তি।

প্রত্যক্ষই হৈছে বৈধ জ্ঞান লাভৰ একমাত্র উপায়। যিবোৰ বস্তুক প্রত্যক্ষ কৰিব পাৰি, তাৰেই অস্তিত্ব আছে। অ-প্রত্যশিত কোনো উপাদানৰেই অস্তিত্ব নাই। যদিহে অ-প্রত্যক্ষিত বস্তুবোৰক অস্তিত্বশীল বুলি ধৰা হয়, তেতিয়া আনকি কাল্পনিক বস্তুবোৰৰো অস্তিত্ব থাকিব আৰু তেতিয়া দৰিদ্র লোকসকলে কাল্পনিক সম্পদেৰে তেওঁলোকৰ দাৰিদ্রতা নিবাৰণ কৰিব পাৰিব, ভৃওসকলে নিজকে ধনী হোৱাৰ কল্পনাৰে মালিক হ'ব পাৰিব আৰু সকলোৱে কাল্পনিক বস্তুৰ দ্বাৰাই নিজস্ব ইচ্ছা পূর্ণ কৰিব পাৰিব। প্রত্যক্ষ কৰিব পৰা বস্তু আৰু কাল্পনিক বস্তুৰ মাজৰ পার্থক্যও নাইকীয়া হৈ পৰিব। সেয়ে, ব্যৱহাৰিক জীৱনো ধ্বংস হৈ পৰিব, যি প্রত্যক্ষিত বস্তু আৰু কাল্পনিক বস্তুৰ মাজৰ পার্থক্য ওপৰত নির্ভৰশীল। সেয়েহে অ-প্রত্যশিত বস্তুৰ কোনো অস্তিত্ব নাথাকে।

প্রত্যক্ষিত জগত বা ইন্দ্রিয়গ্রাহ্য জগতখন ইন্দ্রি.গ্রাহ্য বস্তু আৰু গুণাৱলী হিচাপে অস্তিত্বশীল।

কিন্তু সমালোচকসকলে যুক্তি দর্শাইছে যে, প্রত্যক্ষৰ বৈধতা স্বীকাৰ কৰাটো, আৰু একেটা সময়ত আৰু একে দৃষ্টিকোণৰ পৰা অনুমানক অস্বকীৰ কৰাটো হৈছে এক চিন্তাবিহীন স্বতঃ বিৰোধ। চার্বাকৰ ৰুক্ষ অৱস্থিতিক ভাৰতীয় দর্শনৰ সকলো সম্প্রদায়ে তীব্রভাৱে সমালোচনা কৰিছে, যিবোৰৰ সকলোৱেই কমেও প্রত্যক্ষ আৰু অনুমানক মানি চলিছে। অভিজ্ঞতালব্দ দৃষ্টিকোনৰ ফালৰ পৰা অনুমানৰ বৈধতা অস্বীকাৰ কৰাটো হৈছে চিন্তা আৰু আলোচনা কৰিবলৈ অস্বীকাৰ কৰা। সকলো চিন্তা, সকলো আলোচনা, সকলো মতবাদ, সকলো স্বীকাৰকৰণ আৰু অস্বীকাৰকৰণ, সকলো সত্য-প্রমাণ আৰু অসত্য প্রমাণ সম্ভৱ হয় কেৱল অনুমানৰ দ্বাৰা। চার্বাকৰ মত, অর্থাৎ প্রত্যক্ষ বৈধ আৰু অনুমান অবৈধ, ইও নিজে এক অনুমানৰেই ফল। চিন্তা আৰু ধাৰণাসমূহ পার্থিব বস্তু নহয়, ইয়াক কেতিয়াও প্রত্যক্ষ কৰিব নোৱাৰি, ইয়াক কেৱল অনুমানহে কৰিব পাৰি। সেয়ে, আপুনা-আপুনি মিছা প্রমাণিত হোৱা চার্বাকৰ অৱস্থিতিক কোৱা হয় সম্পূর্ণ অন্তঃসাৰশূন্য আৰু দর্শনৰ কোনো সম্পৰদায়েই নহয়। প্রত্যক্ষ নিজেও প্রায়ে অসত্য হোৱা দেকায়, যাক চার্বাকসকলে বৈধ ৰূপে গ্রহণ কৰিছে। আমি পৃথিৱীখনক চেপেটা দেখা পাওঁ, কিন্তু প্রকৃততে ইয়াৰ আকৃতি গোলাকাৰ। আমি পৃথিৱীখনক স্থিৰ হিচাপে প্রত্যক্ষ কৰোঁ, কিন্তু ই সূর্য্যৰ চাৰিওফালে ঘূৰি থাকে। আমি সূর্যটোক সৰু দেখা পাওঁ, কিন্তু ই পৃথিৱীতকৈ বহু গুণে ডাঙৰ। এনে দৰণৰ প্রত্যক্ষলব্ধ জ্ঞান অনুমানৰ দ্বাৰা বিৰোধাত্মক হৈ পৰে। ইয়াৰোপৰি, কেৱল সংবদেনৰ অর্থত বিসুদ্ধ প্রত্যক্ষকো জ্ঞানৰ এক উপায় হিচাপে গ্রহণ কৰিব নোৱাৰি, যদিহে দাৰণা নাইবা চিন্তাসমূহক শৃংখলাবদ্ধ কৰা নহয় আৰু অভিজ্ঞতালব্ধ উপাওসমূহক অর্ত আৰু তাৎপর্য প্রদান কৰা নহয়।

৫.৫ বেদৰ প্রামাণ্যতাৰ অগ্রাহ্যকৰণ

চার্বাকসকলে বেদৰ বৈধতাক অস্বীকাৰ কৰিছে, কিয়নো ই মিথ্যা, বিৰোধীতা আৰু স্বতঃসিদ্ধৰ দ্বাৰা বিনষ্ট হৈছে। ই বৈধ জ্ঞানৰ উপায় হিচাপে প্রমাণিত হ'বলৈ অসামার্থ্য। ই মিথ্যা, কাৰণ ইয়াৰ দ্বাৰা যিবোৰ তথ্য বা বক্তব্য আগবঢ়োৱা হয়, সেইবোৰ অসত্য। ই বিৰোধাত্মক, কাৰণ ই বক্তব্য আগবঢ়ায়, যিবোৰ এটা আনটোৰ বিৰোধী। ই স্বতঃ সত্য, কাৰণ ই একেটা বক্তব্য বহুবাৰ পুনৰাবৃত্তি কৰে। বৈদিক শব্দ বা আপ্তবাক্যসমূহে সদৰী কৰে যে "যিয়ে পুত্র লাভৰ আকাংক্ষা কৰে, তেওঁ পুত্রী বলি দিব লাগিব।" কিন্তু আমি বাস্তৱত দেখা পাওঁ যে, সেই বলি বিধান কৰাৰ পাছতো কিন্তু পুত্র জন্ম নহয়। এই আপ্তবাক্য অসত্য। সেয়ে, জ্ঞানৰ উপায় হিচাপে বেদসমূহৰ কোনো বৈধত্য নাথাকে। চাৰি বেদ হৈছে ঠগ, প্রবঞ্চক আৰু দস্যুবোৰৰ সৃষ্টি। ইয়াৰ আদেশ বা নির্দেশসমূহ অর্থহীন অবোধ্য ভাষা। বেদৰ দ্বাৰা উপভোগ কৰা ধর্মীয় ৰীতি-নীতি আৰু অনুষ্ঠানসমূহ হৈছে ধুর্ত্ত ব্রাহ্মণসকলৰ সৃষ্টি, যিসকলে নিজৰ জীৱিকা নির্বাহৰ বাবে আন জাতিৰ লোকসকলক ঠগে। ই বুদ্ধিমত্তাৰহিত আৰু সিহঁতে সৎ উপায়েৰে সিহঁতৰ জীৱিকা উপার্জন নকৰে। বেদসমূহ হৈছে কেৱল প্রৱঞ্চকসকলৰ বিক্ষিপ্ত পৰিকল্পনা। তেওঁলোকৰ দ্বাৰা

উদ্‌যাপন কৰা ধর্মীয় ৰীতি-নীতিসমূহক তেওঁলোকৰ জীৱিকা নির্বাহৰ উপায় হিচাপে পৰিগণিত কৰাত প্রয়াস কৰে। ধর্ম হৈছে পুৰোহিত চতুৰালি। যদি এজন পশুতুল্য মানুহে উৰ্চগাৰ নামত হত্যা কৰি স্বর্গলৈ গতি কৰিব পাৰে, তেন্তে কিয় এজন মানুহে তেওঁৰ নিজৰ পিতৃক বলিদান নিদিয়ে? যদিহে শ্রাদ্ধ-ক্রিয়াত আগবঢ়োৱা খাদ্যই পৰলোকগামী আত্মাৰ ক্ষুদ্ধা পৰিতৃপ্ত কৰে, তেন্তে ভ্রমণত যোৱা ভ্রমণকাৰীসকলক খাদ্যৰ যোগান ধৰাৰ কি প্রয়োজন আছে। তেওঁলোকৰ বোক ঘৰতে আগবঢ়োৱা খাদ্যৰেই নিবাৰণ হ'ব পাৰে। যদিহে, শৰীৰৰ পৰা ওলোৱা আত্মাই বেলেগ জগতলৈ যায়, তেন্তে কিয় ভালপোৱাজনৰ বাবে সি আকৌ এই জগতলৈ উবতি নাহে? যেতিয়া আমাৰ শৰীৰটো এবাৰ জ্বলি ছাই হৈ যায়, তেন্তে ই কেনেকৈ পুনৰ ঘুৰি আহিব পাৰে? আত্মা শৰীৰৰ অনুৰূপ। ধর্মীয় ৰীতি-নীতিসমূহ ছদ্মবেশী প্রৱঞ্চকসকলৰ জীৱিকা নির্বাহৰ সৃষ্টি মাথোন।

চার্বাকৰ বেদৰ কর্তৃপক্ষ বা আনুগত্য অস্বীকাৰক তলৰ ভিত্তিসমূহত সমালোচনা কৰিব পৰা যায়। বেদ নির্ভৰযোগ্য বা বিস্বাসযোগ্য, কাৰণ এইবোৰ মহান মনীষিসকলৰ দ্বাৰা সত্য ৰূপে গৃহীত, যিসকলে বৈদিক উৎসর্গমূলক কার্য্য আন্তৰিকতাৰে অনুশীলন কৰে। ফাঁকি, বিধর্মীৰ সৈতে সহযোগীতা অভ্যাস, জীৱিকাৰ ইচ্ছা আৰু সু-স্বাদু খাদ্য আৰু পানীয়ৰ বাবে অসাবধান প্রবণতাৰ হেতু হোৱা মিছা বিবাদৰ বাবে হেপাঁহৰ দৰে দুৰাচাৰী কাৰণবোৰৰ পৰা আঁতৰত থাকে।, যদিও সেইবোৰ ধর্মশাস্ত্র দ্বাৰা সন্মতিপ্রাপ্ত নাইবা নিষিদ্ধ। বেদসমূহ চতুৰ পুৰোহিতসকলৰ জীৱিকা নির্বাহৰ বাবে সৃষ্টি নহয়। ব্রাহ্মণসকল সকলোধৰণৰ স্ফুর্তিৰ ক্ষেত্রত অনিচ্ছুক আছিল আৰু তেওঁলোকে নিজৰ ওপৰত কঠিন ধার্মিক অনুতাপ জাপি লৈছিল, তেওঁলোক অতি উচ্চ জ্ঞানৰ অধিকাৰী হৈও আন মানুহক প্রৱঞ্চনা কৰিবৰ বাবে বেদসমূহ ৰচনা কৰা নাছিল। বেদসমূহক বৈধৰূপে স্বীকাৰ কৰিবই লাগিব, কাৰণ বেদসমূহক মহান মনীষিসকলে বৈধৰূপে মানি লৈছিল। চার্বাক দর্শনক কেৱল আস্তিক সম্প্রদায়ৰ দ্বাৰাই নহয় বৌদ্ধ আৰু জৈন সম্প্রদায়ৰ দ্বাৰাও বাৰুকৈ সমালোচিত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ প্রত্যক্ষ কেইপ্রকাৰৰ?

.....

প্রশ্ন নং ৮ ঃ ব্যাপ্তি কি?

.....

প্রশ্ন নং ৯ ঃ চার্বাকই কিয় কার্য-কাৰণবাদ বিশ্বাস নকৰে?

.....

প্রশ্ন নং ১০ ঃ চার্বাকৰৰ জ্ঞানমীমাংস কি?

.....

প্রশ্ন নং ১১ ঃ খালি ঠাই পূৰণ কৰক ঃ

(ক) অনুমানক কেৱল ..... মৰা এক জাপ বুলি কোৱা হয়।

(খ) নিগমন অনুমান ..... দোষেৰে দুষিত হয়।

(গ) ব্যাপ্তি মধ্যপদ আৰু ..... পদৰ মাজৰ সম্পর্ক।

প্রশ্ন নং ১২ ঃ সত্য নে অসত্য লিখক

(ক) চার্বাকই বেদনৰ অনুগত্যক বিশ্বাস কৰে।

(খ) অনুমান ব্যাপ্তিৰ ওপৰত প্রতিষ্ঠিত।

(গ) চার্বাকৰ মতে ব্যপ্তিক প্রত্যক্ষৰ দ্বাৰা জানিব নোৱাৰি।



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চার্বাক জ্ঞানমীমাংসা এক মতবাদ, যাৰ মতে 'প্রত্যক্ষ'ই হৈছে বৈধ জ্ঞান লাভৰ একমাত্র উপায়। তেওঁলোকে অনুমান আৰু শব্দ বা আপ্তবাক্যক বৈধ জ্ঞানৰ উপায় হিচাপে অস্বীকাৰ কৰিছে।
- চার্বাক ক্ষিতি, অপ, তেজ আৰু বায়ু - এই চাৰিটা উপাদানক স্বীকাৰ কৰিছে। চার্বাক দর্শনে 'ব্যোস' বা আকাশক অস্বীকাৰ কৰিছে।
- চার্বাক দর্শন লোকায়ত দর্শন হিচাপেও জনাজাত।
- ব্যপ্তি হৈছে মধ্যপদ বা সাধনা আৰু সাধ্যপদ বা 'সাধ্য'ৰ মাজত থকা এক নিয়ত সহচর্য সম্বন্ধ। ই অনুমানৰ ভিত্তি।
- চার্বাকই কার্য কাৰণবাদ আৰু ইয়াৰ সার্বিকতা বিস্বাস নকৰে। তেওঁলোকৰ মতে কার্য আৰু কাৰণৰ মাজত কোনোধৰণৰৰ অনিবার্য সম্বন্ধ নাথাকে।
- চার্বাকই বেদৰ প্রামাণ্যতাক বিশ্বাস নকৰে.
- চার্বাকক ভাৰতীয় দর্শনৰ অন্তর্গত নাস্তিক সম্প্রদায়ৰ শ্রেণীত ধৰা হৈছে। ইয়াক হিন্দু পৰম্পৰাত এক নাস্তিক সম্প্রদায়ৰ উদাহৰণ হিচাপে ধৰা যায়।
- চার্বাকৰ মতে কোনো ঈশ্বৰ নাই, কোনো পুর্নজনম, কোনো কর্ম, কোনা পুৰস্কাৰ, কোনো পাপ-পূর্ণ নাথাকে।
- 'খোৱা, পিয়া আৰু স্ফুর্ত্তি কৰা' ই হৈছে বিশ্বাসী।



৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'চার্বাক' শব্দৰ ব্যুৎপত্তিগত অর্থ হৈছে 'সুমধুৰ বাক'।

২ নং প্রশ্নৰ উত্তৰ ঃ চার্বাক দর্শনৰ দ্বাৰা স্বীকৃত চাৰিটা উপাদান হৈছে ক্ষিতি, অপ, তেজ আৰু বায়ু।

৩ নং প্রশ্নৰ উত্তৰ ঃ আকস্মিকতাবাদৰ মতে কার্যসমূহ নির্দিষ্ট কাৰণৰ ওপৰত নির্ভৰ নকৰাকৈয়ে যিকোনো সময়ত উৎপন্ন হয়। এটা কার্য কোনো কাৰণৰ ওপৰত নির্ভৰশীল নহয়, কিন্তু ই হঠাৎ আৱির্ভাৱ হয়। আকস্মিকতাবাদ এটা ঘটনাৰ নিৰবিচ্ছিন্ন উৎপাদনত বিশ্বাসী। ইয়াৰ যিকোনো অ-অস্তিত্বশীল পূর্ববর্তী আৰু অস্তিত্বশীল অনুবর্তী থাকে।

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রকৃতিবাদে বিভিন্ন বস্তুত নিহিত থকা প্রাকৃতিক বা স্বাভাৱিক শক্তিক বুজায়। জুইৰ এক প্রাকৃতিক দহন শক্তি আছে। পানীৰ তললৈ বৈ যোৱাৰ এক স্বাভাৱিক শক্তি আছে। প্রকৃতিবাদে মত প্রকাশ কৰে যে সকলো কার্য সিহঁতৰ স্বভাৱৰ দ্বাৰাই উৎপন্ন হয়, আৰু সেইবোৰ ইচ্ছাকৃত ভাৱে সৃষ্টি হ'ব নোৱাৰে। কাঁইটৰ ধাৰ, আৰু পশু-পক্ষীৰ ভিন্ন বৰণ সিহঁতৰ প্রকৃতিগত স্বৰাৱৰৰ বাবেই হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক) প্রত্যক্ষ

(খ) লোকায়ত

(গ) মধুৰ

৬ নং প্রশ্নৰ উত্তৰ ঃ (ক) অসত্য

(খ) সত্য

(গ) অসত্য

৭ নং প্রশ্নৰ উত্তৰ ঃ প্রত্যক্ষ দুই প্রকাৰৰ - বাহিক্য প্রত্যক্ষ আৰু আভ্যন্তৰীণ প্রত্যক্ষ।

৮ নং প্রশ্নৰ উত্তৰ ঃ ব্যাপ্তি হৈছে মধ্যপদ আৰু সাধ্যপদৰ মাজত থকা নিয়ত সাহচর্য সম্বন্ধ। ই সকলো অনুমানৰেই ভিত্তি।

৯ নং প্রশ্নৰ উত্তৰ ঃ চার্বাকই কার্য কাৰণবাদ আৰু ইয়াৰ সার্বিকতাক বিশ্বাস নকৰে। তেওঁলোকৰ কোনো ধৰণৰ অনিবার্য সম্বন্ধ নাথাকে। ইয়াত এটা পূর্বৱর্তী আৰু এটা অনুবর্তীৰ মাজত কেৱল আকস্মিক সংযোগহে থাকে। এই দুটা ঘটনাক একেলগে অসংখ্য ক্ষেত্রত দেখা পোৱা যায়; এক আসাৰ উৎপন্ন কৰে যে, সিহঁত সদায় একেলগেই গতি কৰে। কিন্তু সিহঁতৰ সহ-উপস্থিতিৰ বিষয়ে কোনো নিশ্চয়তা নাথাকে।

১০ নং প্রশ্নৰ উত্তৰ ঃ চার্বাক জ্ঞান-মীমাংসা হৈছে এক মতবাদ যি মতবাদ অনুসৰি প্রত্যক্ষই হৈছে যথার্থ জ্ঞান লাভৰ একমাত্র উপায়। চার্বাক জ্ঞান মীমাংসা নেতিবাচকৰ এক শৃংখলাৰে গঠিত। তেওঁলোকে অনুমান আৰু শব্দ বা আপ্তবাক্যক যথার্থ জ্ঞানার্জনৰ উপায় হিচাপে

অস্বীকাৰ কৰিছে।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) এন্ধাৰ

(খ) চক্রক-দোষ

(গ) সাধ্য পদ

১২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অসত্য

(খ) সত্য

(গ) সত্য



৫.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ 'চার্বাক দর্শন'ৰ আন এটা নাম কি?

প্ৰশ্ন ২ ঃ কোনটো মতবাদৰ মতে 'খোৱা, পিন্ধা আৰু স্ফুর্তি কৰা' ই নীতিবিজ্ঞান।

প্ৰশ্ন ৩ ঃ চার্বাকই বেদৰ প্রামাণ্য স্বীকাৰ কৰিছেনে?

(খ) চমু প্ৰশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শব্দ বা আপ্ত বাক্য কি?

প্ৰশ্ন ২ ঃ 'পৰাৰর্থনুমান' বুলিলে কি বুজে?

প্ৰশ্ন ৩ ঃ 'ব্যাপ্তি' কি?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চার্বাকই বেদৰ প্রামাণ্য বিশ্বাস কৰা নাই কিয়? কাৰণ দর্শোৱা।

প্ৰশ্ন ২ ঃ চার্বাকই কিয় অনুমানক যথার্থ জ্ঞানাজর্নৰ উপায় হিচাপে অস্বীকাৰ কৰিছে।

প্ৰশ্ন ৩ ঃ কার্য কাৰণবাদৰ ক্ষেত্রত চার্বাকসকলৰ মতামত আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ চার্বাক সকলৰ জ্ঞান মীমাংসা আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ চার্বাক ঃ তত্ত্ববিদ্যা অধিবিদ্যা

অধ্যায় গাঁথনি

6.1 উদ্দেশ্য
6.2 পৰিচয়
6.3 চার্বাক ঃ তত্ত্ববিদ্যা আৰু তত্ত্বমীমাংসা
6.4 চার্বাক ঃ দর্শনৰ আত্মা আৰু চেতনাৰ ধাৰণা
6.5 চার্বাক ঃ দেহাত্মাবাদৰ সপক্ষে যুক্তি
6.6 চার্বাক ঃ দেহাত্মাবাদৰ বিপক্ষে যুক্তি
6.7 চার্বাক ঃ ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ
6.8 চার্বাক ঃ স্বভাৱবাদ
6.9 চার্বাক ঃ কর্মবাদ আৰু পুনর্জন্মবাদ অস্বীকাৰ
6.10 চার্বাক ঃ মুক্তিৰ ধাৰণাৰ বিপক্ষে যুক্তি
6.11 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
6.12 অধিক জানিবলৈ
6.13 অগ্রগতিৰ খতিয়ান
6.14 আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- চার্বাক দর্শনৰ এটি চমু পৰিচয় আগবঢ়াব পাৰিব
- চার্বাক দর্শনৰ অধিবিদ্যা আৰু ইয়াৰ পৰিসৰ সম্পর্কে আলোচনা কৰিব পাৰিব
- চার্বাক দর্শনৰ অধিবিদ্যাৰ বিভিন্ন মতবাদ ব্যাখ্যা কৰিব পাৰিব
- মুক্তি সম্পর্কে চার্বাক দর্শনৰ ধাৰণা আলোচনা কৰিব পাৰিব
- চার্বাকৰ দেহাত্মাবাদ, কার্য-কাৰণবাদ, চার্বাক দর্শনৰ ঈশ্বৰৰ অস্তিত্ব খণ্ডন
- চার্বাক দর্শনৰ কর্মফলবাদ আৰু পুনর্জন্মবাদৰ ধাৰণাৰ বিষয়ে জানিব পাৰিব।

৬.২ পৰিচয়

ভাৰতীয় দর্শন প্রধানতঃ আধ্যাত্মবাদী। ভাৰতীয় দর্শনে ঈশ্বৰ, আত্মা, কর্মবাদ আৰু মুক্তি ইত্যাদি ধাৰণাবোৰক বিশ্বাস কৰে। ভাৰতীয় দর্শন নটা সম্প্রদায়েৰে গঠিত। সেইবোৰ হ'ল— [1)ন্যায়, [2] বৈশেষিক, [3] সাংখ্য, [4) যোগ, [5] মীমাংসা, [6) বেদান্ত, [7) চার্বাক, [8) বৌদ্ধ আৰু [9) জৈন দর্শন। এই নটা সম্প্রদায়ক দুটা ভাগত বিভক্ত কৰা হৈছে—

[1) আস্তিক বা বৈদিক দর্শন আৰু [2) নাস্তিক বা অবৈদিক দর্শন।

ভাৰতীয় দর্শনৰ আস্তিক বা বৈদিক সম্প্রদায়সমূহে বেদৰ কর্তৃত্ব বিশ্বাস কৰে। আনহাতে নাস্তিক বা অবৈদিক সম্প্রদায়সমূহে বেদৰ কর্তৃত্ব বা সাক্ষ্য বিশ্বাস নকৰে, যদিও আক্ষৰিকভাৱে 'আস্তিক' শব্দটোৱে ঈশ্বৰ বিশ্বাসী আৰু 'নাস্তিক' শব্দটোৱে ঈশ্বৰ অবিশ্বাসী লোকক বুজায়। চমুকৈ ক'ব পাৰি যে আস্তিকসকল ঈশ্বৰ বিশ্বাসী, আনহাতে নাস্তিকসকল হ'ল ঈশ্বৰ অবিশ্বাসী। কিন্তু ভাৰতীয় দর্শনত আস্তিকবোৰ হ'ল বৈদিক সম্প্রদায়, আনহাতে নাস্তিকবোৰ হ'ল অবৈদিক সম্প্রদায়।

চার্বাক দর্শন হ'ল ভাৰতীয় দর্শনৰ নাস্তিক সম্প্রদায়ৰ অন্তর্গত এটা সম্প্রদায়। ই ভাৰতীয় দর্শনৰ ইতিহাসত এক গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে। ঋষি বৃহস্পতিক চার্বাক দর্শনৰ প্রতিষ্ঠাতা হিচাপে গণ্য কৰা হয়। চার্বাক দর্শনৰ প্রাচীন সূত্রসমূহ বাচস্পতি-সূত্র হিচাপে জনা যায়। চার্বাকসকলৰ জীৱনৰ প্রতি দৃষ্টিভংগী স্থূল; সেইফালৰ পৰা এই দর্শনক জ্ঞানৰ বিৱর্তনৰ প্রাচীনতম অৱস্থা বা স্তৰ বুলি ক'ব পাৰি। 'চার্বাক' শব্দটোৰ মূল উৎস 'চর্ব'ৰ পৰা নিঃসৃত হৈছে যাৰ অর্থ 'চোবোৱা' বা 'খোৱা'। এই দর্শনে 'খোৱা', 'পিয়া'তআৰু 'আনন্দ' কৰাত বিশেষ গুৰুত্ব আৰোপ কৰিছে। চার্বাক সম্প্রদায়ক 'লোকায়ত সম্প্রদায়' হিচাপেও নামকৰণ কৰা হয়; কাৰণ এই দর্শন সাধাৰণ মানুহৰ মাজত বিশেষভাৱে জনপ্রিয় (লোক আয়ত)।

চার্বাক দর্শন পৰমসত্তা সম্পর্কীয় মতবাদতকৈ বেছি জীৱন সম্পকীয় দর্শন। এই দর্শন সুখৰ প্রতি থকা মানুহৰ স্পৃহাৰ লগত জড়িত। সকলো প্রকাৰ পৰম্পৰাগত ভাৰতীয় লোকৰ মূল্যবোধৰ প্রতি চার্বাক দর্শন এক প্রত্যাহ্বান স্বৰূপ। ইয়াতেই এই দর্শনৰ নতুনত্ব নিহিত আছে। চার্বাক দার্শনিক ধাৰণাসমূহ তিনিটা শিতানত ভাগ কৰিব পাৰি— [1) জ্ঞানবিদ্যা [2) তত্ত্ববিদ্যা [3) নীতিতত্ত্ব। এই তিনিওটা দিশত চার্বাক দর্শন অন্যান্য সকলো ভাৰতীয় দার্শনিক সম্প্রদায়ৰ সম্পূর্ণ বিপৰীত।

চার্বাক দর্শন নাস্তিক শ্রেণীৰ সম্প্রদায় হিচাপে বেদৰ কর্তৃত্ব বিশ্বাস কৰা নাই। প্রকৃতার্থত ভাৰতীয় দর্শনৰ সকলো নাস্তিক সম্প্রদায়ৰ উৎপত্তি বৈদিক পৰম্পৰাৰ বিপৰীত প্রতিক্রিয়া স্বৰূপ। এইটো লক্ষণীয় যে বৌদ্ধ আৰু জৈন সম্প্রদায় যদিও নাস্তিক তথাপি এই দুই দর্শনে বৈদিক চিন্তাক সমালোচনা কৰা নাই। কিন্তু চার্বাক দার্শনিক সকলে মুকলিকৈ বেদক নিন্দা কৰিছে। তেওঁলোকে কয় যে বেদত পুনৰুক্তি আৰু মিছা কথাহে লিখা আছে। সাধাৰণ অজ্ঞলোকক ভুল পথে পৰিচালিত কৰি নিজৰ লাভৰ প্রত্যাশা কৰি ধূর্ত পুৰোহিতসকলে বেদসমূহ সৃষ্টি কৰিছিল।

চার্বাক দর্শন সম্পূর্ণৰূপে জড়বাদী। ভাৰতবর্ষত জড়বাদী চিন্তাধাৰা অতি প্রাচীন কালৰ পৰা থকা অনুভব হয়। প্রাচীন বৌদ্ধ সাহিত্য আৰু মহাকাব্য সমূহতো ইয়াৰ উল্লেখ পোৱা যায়। জড়বাদ মতে এই বিশ্বৰ পৰম উপাদান হৈছে জড়। চার্বাক দর্শনেও এনে মত পোষণ কৰে। এই দর্শনৰ মতে এই বিশ্বৰ প্রতিটো অস্তিত্বশীল বস্তু জড়; অজড় কোনো বস্তু অস্তিত্বশীল হ'ব নোৱাৰে।

৬.৩ চার্বাক ঃ তত্ত্ববিদ্যা বা তত্ত্বমীমাংসা

সাধাৰণতে দৰ্শনৰ প্ৰত্যেক সম্প্ৰদায় ইয়াৰ জ্ঞানতত্ত্বমূলক ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত। চার্বাক দৰ্শনৰ তত্ত্বমূলক মতবাদবোৰো ইয়াৰ জ্ঞানবিদ্যাৰ ওপৰত প্ৰতিষ্ঠিত। চার্বাক জ্ঞানবিদ্যাৰ মতবাদ হ'ল— 'যথার্থ জ্ঞান লাভৰ একমাত্ৰ উৎস হৈছে প্ৰত্যক্ষ'। এই দৰ্শনে অনুমান, উপমান, শব্দ আদিক যথার্থ জ্ঞানৰ উৎস হিচাপে প্ৰত্যাখ্যান ক�ৰিছে। চার্বাকসকলে ঈশ্বৰ, আত্মা, পুনৰ্জন্ম, স্বৰ্গ, কৰ্মবাদ আদি ধাৰণাক অস্বীকাৰ ক�ৰিছে। কাৰণ এইবোৰ প্ৰত্যক্ষণীয় নহয়।

সচৰাচৰ ভাৰতীয় দৰ্শনত বিশ্বাস কৰা হয় যে এই বিশ্বৰ সকলো জড় আৰু জীৱ গঠিত হোৱা মূল উপাদান পাঁচটা। সেইবোৰ হ'ল— মাটি, পানী, অগ্নি, বায়ু আৰু আকাশ। কিন্তু চার্বাক সকলে এই পঞ্চ উপাদানৰ প্ৰথম চাৰিটাহে গ্ৰহণ কৰিছে। এই দৰ্শনে পঞ্চম উপাদান 'আকাশ' প্ৰত্যাখ্যান কৰিছে। কিয়নো ইয়াক অনুমান কৰিবহে পাৰি, ই প্ৰত্যক্ষণীয় নহয়। চার্বাক দৰ্শনৰ মতে মনকে ধৰি অস্তিত্বশীল প্ৰতিটো বস্তু চাৰিবিধ উপাদানেৰে গঠিত। এওঁলোকৰ মতে এই উপাদান কেইটা নিত্য, সিহঁতৰ সংযোগত উৎপন্ন বস্তুবোৰ ধ্বংসশীল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাৰতীয় দৰ্শন নটা সম্প্ৰদায়েৰে গঠিত। এই সম্প্ৰদায়বোৰ কি কি?

.....

.....

প্ৰশ্ন নং ২ ঃ চার্বাক জ্ঞানবিদ্যা এটা বাক্যত প্ৰকাশ কৰক।

.....

প্ৰশ্ন নং ৩ ঃ খালী ঠাই পূৰণ কৰক—

ক) .....শব্দটোৰেঈশ্বৰবিশ্বাসীবুজায়।

খ) চার্বাকভাৰতীয়দৰ্শনৰ.....সম্প্ৰদায়ৰএটা শ্ৰেণী।

গ) চার্বাকদৰ্শনেবেদৰ.....বিশ্বাসনকৰে।

ঘ) পৰাবিদ্যাশব্দটোগ্ৰীকশব্দৰ.....কপৰাআহিছে।

ঙ).....যে পোনপ্ৰথমবাৰৰবাৰেপৰাবিদ্যাশব্দটোব্যবহাৰকৰিছিল।



চিন্তা-চৰ্চা কৰক ৬.১

ক) চার্বাক বস্তুবাদী দৰ্শন হয় নে? আলোচনা কৰক।

.....

.....

.....

খ) চার্বাক দর্শন ইন্দ্রিয় অভিজ্ঞতাৰ বাহিৰত যায় নে? আলোচনা কৰক।

.....

.....

.....

৬.৪ চার্বাক ঃ দর্শনৰ আত্মা আৰু চেতনাৰ ধাৰণা

জড়বাদী হিচাপে চার্বাক দর্শনে এক অদৃশ্য, অপৰিৱর্তনীয় আৰু অমৰ আত্মাৰ অস্তিত্ব অস্বীকাৰ কৰিছে। তেওঁলোকৰ মতে আত্মা জড়ৰ পৰা উৎপাদিত হয়। ই হৈছে শৰীৰ বা দেহৰ গুণ আৰু শৰীৰ বা দেহক বাদ দি ইয়াৰ কোনো অস্তিত্ব নাই। সচেতন জীৱিত শৰীৰেই হৈছে আত্মা। আমি কোনো আত্মা দেখা নাপাও; আমি মাত্র সচেতন অৱস্থাত থকা শৰীৰ বা দেহহে প্রত্যক্ষ কৰো। মৌলিক উপাদানসমুহৰ এটা নির্দিষ্ট পৰিমাণৰ সংযোজনে সচেতনতা সৃষ্টি কৰে, যদিও এই উপাদানবোৰে পৃথকভাৱে ইয়াক বহন নকৰে। আত্মাত আৰোপিত কর্মবোৰ আচলতে দেহৰহে কর্ম। চেতনা হৈছে এক জৰুৰী আৰু যুক্তিসংগত বিৱর্তনৰ ফল। ই জড়ৰ পৰা উৎপাদিত এটি আকস্মিক বিষয়। এইখিনিতে স্বাভাবিকতে এটা প্রশ্ন উদয় হয় যে— চেতনা বা আত্মা প্রাণহীন বস্তু এটাৰ পৰা কেনেদৰে উৎপত্তি হ'ব পাৰে? চার্বাকসকলে প্রত্যুত্তৰত কয় যে যেনেদৰে তামোল, চূণ আৰু পাণৰ সংমিশ্রণে ৰঙা ৰং উৎপন্ন কৰে, ঠিক তেনেদৰে উপাদানসমূহৰ মিলিত অৱস্থাতেই চৈতন্য সৃষ্টি হয়। চার্বাক দর্শনৰ মতে, সচেতন দেহেই হৈছে আত্মা। পার্থিৱ জড় শৰীৰ বাদ দি ওপৰঞ্চি কোনো নিত্য আত্মা নাই।

চার্বাক দুই প্রকাৰৰ— 1] ধূর্ত বা চয়তান চার্বাক আৰু 2] সুশিক্ষিত অথবা মার্জিত চার্বাক। সুশিক্ষিত চার্বাকসকলে চৈতন্যময় শৰীৰক আত্মা বুলি বিবেচনা কৰে। এই শৰীৰটোৰ সৈতে আত্মা অস্তিত্বশীল আৰু ইয়াৰ লগতেই আত্মা ধ্বংসশীল। চেতনাক কেৱল দেহতহে উপলব্ধি কৰিব পাৰি। গতিকে চৈতন্য বা আত্মাৰ দেহৰ অতিৰিক্ত কোনো অস্তিত্ব নাই।

আনহাতে সুশিক্ষিত চার্বাকসকলে মত পোষণ কৰে যে আত্মাৰ নিত্য জ্ঞান আছে আৰু ই দেহৰ লগত ধ্বংসপ্রাপ্ত হয়। আত্মা এটা দেহৰ পৰা আন এটা দেহলৈ স্থানান্তৰিত নহয়। এনেদৰে কিছুমান চার্বাক হ'ল দেহাত্মবাদী; যি সকলে দেহ আৰু আত্মা একত্রীকৰণ কৰিছে। আনবোৰ হ'ল ইন্দ্রিয়াত্মবাদী, এওঁলোকে ইন্দ্রিয়ক আত্মা বুলি গ্রহণ কৰিছে। আন কিছুমান চার্বাকক প্রাণবাদী হিচাপে জনা যায়, তেওঁলোকে আত্মাক প্রাণৰ বাহিৰে অন্য একো নহয় বুলি মত পোষন কৰে। আকৌ আনকিছুমান হ'ল আত্মামনোবাদী, যিসকলে মন আৰু আত্মাৰ মাজত কোনো পার্থক্য ৰখা নাই। সামগ্রিকভাৱে চার্বাক দর্শনৰ মতে, দেহ বা শৰীৰ ধ্বংস হ'লে আৰু একো বাকী নাথাকে। গতিকে অনিত্য, অমৰ দেহাতীত কোনো আত্মা নাই। চার্বাক দর্শনৰ আত্মাৰ ধাৰণাক 'দেহাত্মবাদ' বা 'ভূতচৈতন্যবাদ' বুলি জনা যায়।



জানি থোৱা ভাল

চার্বাক দুইপ্রকাৰৰ— 1] ধূর্ত বা চয়তান চার্বাক আৰু 2] সুশিক্ষিত অথবা মার্জিত চার্বাক। সুশিক্ষিত চার্বাকসকলে চৈতন্যময় শৰীৰক আত্মা বুলি বিবেচনা কৰে। এই শৰীৰটোৰ সৈতে আত্মা অস্তিত্বশীল আৰু ইয়াৰ লগতেই আত্মা ধ্বংসশীল। চেতনাক কেৱল দেহতহে উপলব্ধি কৰিব পাৰি। গতিকে চৈতন্য বা আত্মাৰ দেহৰ অতিৰিক্ত কোনো অস্তিত্ব নাই।

আনহাতে সুশিক্ষিত চার্বাকসকলে মত পোষণ কৰে যে আত্মাৰ নিত্য জ্ঞান আছে আৰু ই দেহৰ লগত ধ্বংসপ্রাপ্ত হয়। আত্মা এটা দেহৰ পৰা আন এটা দেহলৈ স্থানান্তৰিত নহয়। এনেদৰে কিছুমান চার্বাক হ'ল দেহাত্মবাদী; যি সকলে দেহ আৰু আত্মা একত্রীকৰণ কৰিছে। আনবোৰ হ'ল ইন্দ্রিয়াত্মবাদী, এওঁলোকে ইন্দ্রিয়ক আত্মা বুলি গ্রহণ কৰিছে। আন কিছুমান চার্বাকক প্রাণবাদী হিচাপে জনা যায়, তেওঁলোকে আত্মাক প্রাণৰ বাহিৰে অন্য একো নহয় বুলি মত পোষণ কৰে। আকৌ আন কিছুমান হ'ল আত্মামনোবাদী, যিসকলে মন আৰু আত্মাৰ মাজত কোনো পার্থক্য ৰখা নাই। সামগ্রিকভাৱে চার্বাক দর্শনৰ মতে, দেহ বা শৰীৰ ধ্বংস হ'লে আৰু একো বাকী নাথাকে। গতিকে অনিত্য, অমৰ দেহাতীত কোনো আত্মা নাই। চার্বাক দর্শনৰ আত্মাৰ ধাৰণাক 'দেহাত্মাবাদ' বা 'ভূতচৈতন্যবাদ' বুলি জনা যায়।

৬.৫ চার্বাক ঃ দেহাত্মাবাদৰ সপক্ষে যুক্তি

চার্বাক দার্শনিকসকলে দেহাত্মবাদ বা ভূতচৈতন্যবাদৰ সপক্ষে কিছুমান যুক্তি আগবঢ়াইছে। এইবোৰ হ'ল এনে ধৰণৰ—

1] যেতিয়া দেহ খাদ্যৰ দ্বাৰা পৰিপুষ্ট হয়, পুষ্টিকৰ খাদ্য আৰু পানীয়ই আমাৰ দেহ স্বাস্থ্যবান কৰে আৰু ইয়াৰ পৰিণতি হিচাপে চৈতন্যও পৰিপুষ্ট হয়। গতিকে চেতনা বা আত্মাও দৈহিক।

2] মানুহৰ মানসিক বিকাশ আৰু সক্ষমতাৰ বর্ধন দৈহিক, স্নায়ুতন্ত্র অনুসাৰে হয়। এই যুক্তিৰ সত্যতা উপস্থাপন কৰিবলৈ চার্বাকসকলে ভেড়াৰ উদাহৰণ দিছে। মানৱীয় মস্তিস্কৰ স্নায়ুতন্ত্র ভেড়াতকৈ অধিক উন্নত আৰু জটিল। সেই অনুক্রমে মানুহৰ বুদ্ধিমত্তাও ভেড়াৰ বুদ্ধিমত্তাতকৈ অধিক উন্নত। এই উদাহৰণটোৱে এইটোৱেই প্রমাণ কৰে যে বুদ্ধিমত্তা দৈহিক যান্ত্রিক কার্যৰ পৰা উৎপাদিত।

3] যেতিয়া আমাৰ দেহ অসুস্থ হয়, তেতিয়া আমাৰ মানসিক শক্তি বা সচেতনতাও কমি যায়। এইটোৱে প্রমাণ কৰে যে দেহ হ'ল চেতনাৰ কাৰণ।

4] যেতিয়া মানুহৰ বয়স হৈ আহে তেতিয়া তেওঁৰ শৰীৰো দুর্বল, খীন আৰু পাতল হৈ

আহে। সেইদৰে বৌদ্ধিক ক্ষমতাও দুর্বল হৈ যায়। গতিকে দেহেই হ'ল চৈতন্যৰ ভঁৰাল।

5] আমাৰ দৈনন্দিন কার্য, আচৰণ আদিয়েও প্রমাণ কৰে যে চৈতন্য দেহৰ বাহিৰে আন একো নহয়। যেতিয়া আমি 'মই' বুলি কওঁ, দৰাচলতে এই 'মই' শব্দটোৱে দেহ আৰু আত্মা দুয়োটাৰে ইংগিত বহন কৰে। গতিকে দেহেই হৈছে আত্মা বা চৈতন্য।

৬.৬ চার্বাক ঃ দেহাত্মাবাদৰ বিপক্ষে যুক্তি

যদিও চার্বাক দর্শনে দেহাতীত আত্মাৰ অস্তিত্ব তীব্রভাৱে সমালোচনা কৰিছে, চার্বাকৰ আত্মাৰ ধাৰণা বা দেহাত্মাবাদকো ভাৰতীয় দর্শনৰ বিভিন্ন শ্রেণী বা সম্প্রদায়ৰ বহুতো দার্শনিকে সমালোচনা কৰিছে। ইয়াৰ কিছুমান যুক্তি তলত উল্লেখ কৰা হ'ল—

1] যদি চৈতন্য দেহৰ বিশেষ গুণ হয়, তেন্তে ই মানুহৰ গভীৰ টোপনি, মূর্চ্ছা অৱস্থা আৰু অন্যান্য অৱস্থাতো থাকিব লাগিব।

2] যদি চৈতন্য দেহৰ গুণ হয়, তেন্তে কিয় ই অন্য মানুহৰ দ্বাৰা দৃশ্যমান নহয়? আন গুণসমুহ অন্য মানুহৰ দ্বাৰা দৃশ্যমান নহয়? আন গুণসমুহ অন্য মানুহৰদ্বাৰা প্রত্যক্ষণীয়। তেন্তে চৈতন্যৰ ক্ষেত্রত এই ব্যতিক্রম কিয়?

3] ৰোমন্থন আদি পৰিবর্তনশীল দেহৰ কার্য নহয়। মাত্র এটা নিত্য আৰু অপৰিৱর্তনীয় আত্মাইহে এনে কার্য সাধন কৰিব পাৰে।

4] চৈতন্য বা আত্মা কেতিয়াও দেহৰ গুণ হ'ব নোৱাৰে। কাৰণ যেতিয়া এজন মানুহে সপোন দেখে তেতিয়াও চৈতন্য সক্রিয় হৈ থাকে, যদিও সেই অৱস্থাত শৰীৰ বা দেহ সক্রিয় হৈ নাথাকে।

5] বিষয়ী বিষয়ৰ সৈতে অভিন্ন হ'ব নোৱাৰে। শৰীৰটো বিষয়ী আৰু আত্মা বিষয়। গতিকে শৰীৰৰ পৰা পৃথকভাৱে আত্মাৰ এটা অস্তিত্ব থাকে। চৈতন্য আত্মাৰ গুণ। বাস্তৱিকতে চৈতন্যহে আত্মাৰ লগত অভিন্ন।

6] চৈতন্য দেহত অৱস্থিত, এই কথাটোৱে এইটো অনিবার্যভাৱে নুবুজায় যে চৈতন্য দেহৰ গুণ। দেহৰ গুণসমূহ বাহ্যিক ইন্দ্রিয়ৰ দ্বাৰা প্রত্যক্ষণীও নহয় অথবা অপ্রত্যক্ষণীয়ও নহয়। গতিকে ই দৈহিক গুণ নহয়। ওপৰোক্ত সমালোচনাৰ যুক্তিসমূহ বহুতো ভাৰতীয় দার্শনিক, যেনে— বাৎস্যায়ন, উদয়ন, জয়ন্ত , বিজ্ঞান ভিক্ষু, শংকৰাচার্য, বাচস্পতি মিশ্র আদিয়ে সমর্থন কৰিছে।

৬.৭ চার্বাক ঃ ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ

চার্বাক অধিবিদ্যাই ঈশ্বৰৰ অস্তিত্বক বিশ্বাস কৰা নাই। ই ঈশ্বৰক জগতৰ সৃষ্টিকর্তা, পালনকর্তা আৰু ধ্বংসকর্তাৰূপে স্বীকাৰ কৰা নাই। কাৰণ চার্বাকসকলে প্রত্যক্ষ নোহোৱা কোনো বস্তুৰ অস্তিত্ব স্বীকাৰ কৰা নাই। যিহেতু ঈশ্বৰক প্রত্যক্ষ কৰিব নোৱাৰি, গতিকে ঈশ্বৰ বুলি একো নাই। সর্বজ্ঞ, সর্বশক্তিমান, সর্বত্রবিদ্যমান ঈশ্বৰৰ ধাৰণা এক কল্পনাহে মাত্র। বিশ্বৰ সৃষ্টিকর্তা

হিচাপে ঈশ্বৰক বিশ্বাস কৰাটো অপ্ৰয়োজনীয়। চার্বাক অধিবিদ্যাৰ মতে সমস্ত বিশ্বব্ৰহ্মাণ্ডৰ প্ৰাণৰন্ত আৰু প্ৰাণহীন সকলোবোৰ চাৰিটা মৌলিক উপাদানৰ সংযোজন— পৃথিৰী, পানী, জুই আৰু বায়ু। জীৱিত প্ৰাণীসমূহ এইবোৰৰ পৰা জন্ম হয় আৰু মৃত্যুৰ পিছত এইবোৰতেই বিলীন হৈ যায়। জগত ঈশ্বৰে পৰিচালনা কৰা কোনো নির্দিষ্ট উদ্দেশ্যৰ দিশত গতি কৰা নাই।

চার্বাকসকলৰ মতে, ঈশ্বৰৰ নামৰ জৰিয়তে কিছুমান অসাধু আৰু ধূর্ত পুৰোহিতে অজ্ঞ আৰু সহজ সৰল মনৰ সাধাৰণ মানুহক বিপথে পৰিচালিতহে কৰে। ভগৱানক সন্তুষ্ট কৰিবলৈ সাধাৰণ মানুহে প্ৰার্থনা, যজ্ঞ আদি অনুষ্ঠিত কৰে। তেওঁলোকে পুৰোহিতসকলৰ পৰামর্শ বা নির্দেশ অনুসৰি বিভিন্ন মূল্যবান বস্তু ভগৱানৰ নামত অর্পণ কৰে। চার্বাকসকলৰ মতে এই প্ৰার্থনা-পূজা ইত্যাদি ধূর্ত পুৰোহিতসকলৰ স্বার্থসিদ্ধিৰ নিমিত্তেহে মাত্ৰ। গতিকে ভগৱানৰ প্ৰার্থনা সম্পূর্ণৰূপে অর্থহীন, কাৰণ তেওঁ অস্তিত্বহীন আৰু অপ্ৰত্যক্ষণীয়।

ইয়াৰ উপৰি, চার্বাকসকলে দেশৰ ৰজাকে ঈশ্বৰ বুলি গণ্য কৰে। কাৰণ ঈশ্বৰত আৰোপ কৰা গুণসমুহৰ বেছিভাগেই ৰজাৰ গাতো বিদ্যমান। তেৱেঁই ৰাজ্যৰ সর্বেসর্বা। ৰজাই হ'ল বিচাৰক আৰু প্ৰজাৰ শুভচিন্তক। সর্বসাধাৰণে ৰজাক সর্বতোপ্ৰকাৰে সন্তুষ্ট কৰিব খোজে। অকল মূর্খসকলেহে প্ৰার্থনা উচ্চাৰণৰ জড়িয়তে অযথা ঈশ্বৰক সন্তুষ্ট কৰিব চেষ্টা কৰে। কিন্তু বুধিয়ক মানুহে ৰজাক সন্তুষ্ট কৰি সম্পদ আহৰণ কৰে, 'লোককোসিদ্ধো ভৱেৎ ৰাজা', ৰজাই সত্য, তেওঁ প্ৰত্যক্ষনীয়। এইদৰে ৰজাই হ'ল ঈশ্বৰ।

৬.৮ চার্বাক ঃ স্বভাৱবাদ

চার্বাক দর্শনে কার্য-কাৰণ নীতি আৰু ইয়াৰ সার্বিকতা বিশ্বাস নকৰে। কার্য-কাৰণ নীতি অনুসৰি প্ৰত্যেক কার্যৰ এটা কাৰণ আছে আৰু কার্য আৰু কাৰণ অনিবার্যভাবে জড়িত বা সম্বন্ধিত। এই সম্পর্ক নিয়ত আৰু ই সাহচর্যৰ ওপৰত নির্ভৰশীল। জগতৰ প্ৰত্যেক বস্তুৰেই কাৰণ আছে। জগতৰ বস্তুবোৰ কার্য-কাৰণ সম্বন্ধেৰে এটা আনটোৰ লগত জড়িত।

কিন্তু চার্বাক অধিবিদ্যাই এনে মত পোষণ কৰা নাই। চার্বাক অধিবিদ্যাৰ মতে কার্য-কাৰণ সম্বন্ধ অনিবার্য আৰু অপৰিৱর্তনীয় সম্বন্ধ নহয়। কার্য-কাৰণবাদে জগতৰ বৈচিত্ৰ ব্যাখ্যা কৰা নাই। কার্য আৰু কাৰণৰ মাজৰ সম্পর্ক নিৰপেক্ষ নহয়। চার্বাকসকলৰ মতে প্ৰত্যেক কার্যৰ একোটা কাৰণ নাথাকিব পাৰে। বস্তুৰ অন্তর্নিহিত স্বভাৱেই হ'ল জগতৰ বৈচিত্ৰ্যৰ কাৰণ। বস্তুৰ অন্তর্নিহিত শক্তি বা স্বভাৱৰ কোনো কাৰণ নাই। তেওঁলোকৰ মতে এইটো সদায় শুদ্ধ নহয় যে এটা নির্দিষ্ট কাৰণৰ পৰা এটা নির্দিষ্ট কার্য উৎপত্তি হয়। কাৰণ আমি ভৱিষ্যতৰ ঘটনাবোৰ প্ৰত্যক্ষ কৰিব নোৱাৰো। গতিকে কোনো এটা নির্দিষ্ট কাৰণৰ পৰা বহুত কার্যৰ উৎপত্তি হ'বও পাৰে।

চার্বাক অধিবিদ্যাৰ মতে, বস্তুৰ অন্তর্নিহিত শক্তি বা স্বভাৱেই হ'ল বিশ্বব্ৰহ্মাণ্ডৰ পৰম কাৰণ। বিশ্বব্ৰহ্মাণ্ডৰ বস্তুবোৰ চাৰিটা মৌলিক উপাদানৰ অন্তর্নিহিত শক্তিৰ পৰা উৎপন্ন হয়। চার্বাকসকলে এইবোৰ "ভূতচতুষ্টয়" বুলি কয়; সেইবোৰ হ'ল— পৃথিৰী (ক্ষিতি), পানী (অপ), জুই (তেজ) আৰু বায়ু (মৰুৎ)।

চার্বাকসকলে সেয়েহে জগতৰ বৈচিত্র্য ব্যাখ্যা কৰিবলৈ কার্যকাৰণ নীতিৰ পৰিৱর্তে স্বভাৱবাদ বা প্রকৃতিবাদ গ্রহণ কৰিছে। তেওঁলোকে 'স্বভাৱ' বা 'প্রকৃতি' (যদৃচ্চা) শব্দটোৰে বস্তুৰ অন্তর্নিহিত শক্তিৰ ইংগিত দিছে। এই স্বভাৱৰ পৰাই জগতৰ বৈচিত্র্যৰ উৎপত্তি, পৰিচালনা আৰু ধ্বংস হয়। বস্তুৰ স্বভাৱ বা প্রকৃতি অনুসৰি সকলো ঘটনাই ঘটে।

আকৌ তেওঁলোকৰ মতে, কার্য-কাৰণ সম্পর্কৰ অন্তৰালত কোনো অন্তর্নিহিত অনিবার্যতা নাই। জুইৰ উত্তাপৰ অন্তৰালত, পানীৰ শীতলতাত, কাঁইটৰ তীক্ষ্ণতাৰ অন্তৰালত কোনো কাৰণ নাই। এইবোৰ সিহঁতৰ স্বভাৱ অনুসৰি সম্পাদিত হয়। স্বভাৱৰ কোনো কাৰণ নাই, ই নিজেই নিজৰ কাৰণ।

৬.৯ চার্বাক ঃ কর্মবাদ আৰু পুনর্জন্মবাদ অস্বীকাৰ

চার্বাক দর্শনৰ বাহিৰে ভাৰতীয় দর্শনৰ আন সকলোবোৰ সম্প্রদায়ে কর্মবাদ আৰু পুনর্জন্মৰ মতবাদ গ্রহণ কৰিছে। নৈতিক জগতত ব্যৱহৃত কার্যকাৰণ নীতিকেই কর্মবাদ বুলি কোৱা হয়। কর্মবাদ অনুসৰি মানৱ জীৱন সুখ, দুখ, কষ্ট, আনন্দ আদি মানুহৰ কর্মৰ লগত জড়িত। ভাল কামৰ ফল ভাল হয়। প্রত্যেক ব্যক্তিয়েই নিজৰ কর্মৰ ফলাফল ভোগ কৰিবই লাগিব। যদি এজন মানুহে ভাল কাম কৰে তেন্তে তেওঁ ভাল ফল পায়, আনহাতে বেয়া কামৰ ফলো বেয়া হয়, তেওঁ বেয়া কামৰ বেয়া পৰিণতি বা ফলাফল আওকাণ কৰিব নোৱাৰে। সেয়েহে কর্মবাদ অনুসৰি কোনেও তেওঁৰ কর্মৰ ফলাফলৰ পৰা হাত সাৰিব নোৱাৰে। প্রত্যেকেই নিজৰ কর্মফল হয় এই জনমত নহ'লে মৃত্যুৰ পিছৰ জনমত ভোগ কৰিবই লাগিব। এই কর্মফল ভোগৰ বাবেই মানুহে বাৰে বাৰে জন্ম গ্রহণ কৰে।

পুনর্জন্মৰ ধাৰণাৰ লগত কর্মবাদ জড়িত। কিন্তু চার্বাক দর্শন তথা তত্ত্ববিদ্যাত কর্মবাদ আৰু পুনর্জন্মৰ কোনো স্থান নাই। চার্বাক দর্শনে কার্য-কাৰণ নীতি যিহেতু স্বীকাৰ কৰা নাই, সেয়েহে কর্মবাদো পৰিহাৰ কৰিছে। কার্য আৰু ফলৰ মাজত কোনো আৱশ্যকীয় সম্বন্ধ চার্বাক মতে নাই। গতিকে কর্মবাদৰ সত্যতাও তেওঁলোকৰ মতে নাই। প্রত্যেক কর্মৰ ফল সৃষ্টি নহ'ব পাৰে। ই মাত্র এটা কল্পনা। সুখ-দুখ, আনন্দ-যন্ত্রণা, পুৰষ্কাৰ-শাস্তি ইত্যাদি মানুহৰ কর্মৰ ফল বা পৰিণাম নহয়। এইবোৰ কর্তাই সম্পাদন কৰা কর্মৰ ওপৰত নির্ভৰ নকৰে। বৰং কর্ম সম্পাদনৰ লগত জড়িত পাৰিপার্শ্বিক অৱস্থা, পৰিবেশ আদিৰ ওপৰতহে এইবোৰ নির্ভৰশীল। এই পৃথিবীৰ প্রত্যেকটো বস্তু আকস্মিক। একেটা কর্ম সম্পাদন কৰি এজনে দুখ পাব পাৰে, অথচ আন এজনে সেই কর্ম সম্পাদন কৰি সুখ-আনন্দ লাভ কৰিব পাৰে। কর্মবাদ যিহেতু চার্বাক দর্শনে পৰিহাৰ কৰিছে, গতিকে মৃত্যুৰ পাছত মানুহৰ পুনৰজন্ম হ'ব নোৱাৰে। জড়ীয় শৰীৰটোৰ কোনো আত্মা নাই। মৃত্যৰ লগে লগে শৰীৰটো ধ্বংস হয়, তাৰ পাছত একোৱে নাথাকে। এতেকে আকৌ জন্মগ্রহণ কৰাৰ কথা আহিবই নোৱাৰে। পুনৰজন্ম, আত্মা আদি মিছা ধাৰণা অথবা অলীক কল্পনা। এইদৰে চার্বাক দর্শনে কর্মবাদ আৰু পুনর্জন্মবাদ প্রত্যাখ্যান কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ চার্বাকৰ প্রকাৰসমূহ কি কি ?

.....

.....

প্রশ্ন নং ৫ ঃ সুশিক্ষিত চার্বাক বুলি ক'লে সাধাৰণতে কি বুজা যায়। (40টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

প্রশ্ন নং ৬ ঃ চার্বাক দর্শনে কিমান প্রকাৰৰ ভৌতিক উপাদান গ্রহণ কৰিছে?

.....

.....

.....

প্রশ্ন নং ৭ ঃ চার্বাক দর্শনে কিমান প্রকাৰৰ ভৌতিক উপাদান গ্রহণ কৰিছে?

.....

প্রশ্ন নং ৮ ঃ কোনবিধ উপাদানক চার্বাকে গ্রহণ কৰা নাই ?

.....

.....

প্রশ্ন নং ৯ ঃ চার্বাক দর্শন মতে আত্মা কি ? (15টা শব্দৰ ভিতৰত লিখক)

.....

প্রশ্ন নং ১০ ঃ চার্বাক দর্শনে এক নিত্য আত্মাক বিশ্বাস কৰেনে ? (15টা শব্দৰ ভিতৰত লিখক)

.....

প্রশ্ন নং ১১ ঃ আত্মা সম্পর্কীয় চার্বাক মতবাদ ভালেমান ভাৰতীয় দার্শনিকে সমালোচনা কৰিছে। তেওঁলোকৰ নামবোৰ উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন নং ১২ ঃ কি কাৰণে চার্বাক দর্শন 'লোকায়ত' দর্শন নামে জনা যায় ? (15টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং ১৩ ঃ পৰাবিদ্যা বা তত্ত্ববিদ্যাক পাঁচটা ভাগত ভগোৱা হয়। ইয়াৰ ভাগসমূহ কি কি?

.....

.....

.....

প্রশ্ন নং ১৪ ঃ চার্বাক আস্তিক সম্প্রদায় হয় নে? কিয় নহয়? (15টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং ১৫ ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক—

ক) চার্বাক এটি আস্তিক সম্প্রদায়। (শুদ্ধ/অশুদ্ধ)

খ) চার্বাকৰ মতে, প্রত্যক্ষই জ্ঞানৰ একমাত্র উপায়। (শুদ্ধ/অশুদ্ধ)

গ) চার্বাকৰ মতে চৈতন্য এটা উপসমুৎপাদ বা উপবস্তু। (শুদ্ধ/অশুদ্ধ)

ঘ) চার্বাকৰ মতে আত্মা প্রত্যক্ষণীয়। (শুদ্ধ/অশুদ্ধ)

ঙ) চার্বাকে আকাশক ভৌতিক উপাদান হিচাপে গ্রহণ কৰিছে। (শুদ্ধ/অশুদ্ধ)



চিন্তা-চর্চা কৰক ৬.২

ক) চার্বাকে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰিছেনে?

.....

.....

.....

খ) চার্বাকৰ মতে কার্য - কাৰণ সম্বন্ধ নিয়ত আৰু অনিবার্য হয় নে?

.....

.....

.....

গ) চার্বাকে পুৰুষার্থ হিচাপে মোক্ষক গ্রহণ কৰিছেনে?

.....

.....

.....

ঘ) কর্মবাদ আৰু পুনর্জন্মবাদক চার্বাকে সমর্থন কৰিছেনে?

.....

.....

.....

৬.১০ চার্বাক ঃ মুক্তিৰ ধাৰণাৰ বিপক্ষে যুক্তি

মোক্ষ ভাৰতীয় দৰ্শনৰ এটি গুৰুত্বপূৰ্ণ ধাৰণা বা বিষয়। চার্বাকৰ বাহিৰে আন সম্প্ৰদায় সমূহে বিশ্বাস কৰে যে মোক্ষ বা মুক্তি মানৰ জীৱনৰ পৰম লক্ষ্য। তেওঁলোকে মুক্তি লাভৰ বিভিন্ন উপায় বা মার্গৰ বিষয়েও মতামত আগবঢ়াইছে। মুক্তি হৈছে পৰম শান্তি, পৰম বৈৰাগ্য আৰু পৰম সুখৰ অৱস্থা। মুক্তিৰ দুটা অৱস্থা পোৱা যায়— (1) জীৱনমুক্তি আৰু (2) বিদেহমুক্তি। জীৱনমুক্তি অৱস্থাত মুক্ত আত্মা বা মানৱে প্ৰত্যেক বিষয়ৰ প্ৰতি পৰম শান্তি, অনাসক্তি এই জীৱনতে অনুভৱ কৰে। এনে লোকে কোনো স্বাৰ্থ বা অনুৰাগবিহীনভাৱে আনৰ বাবে জীয়াই থাকে। মৃত্যুৰ যোগেদি মুক্তি লাভ কৰাকে বিদেহমুক্তি বোলে। এনে অৱস্থাত জীৱই জীৱনৰ বন্ধন, অনুৰাগ, পার্থিব আকাঙ্খা আদিৰ পৰা সম্পূৰ্ণ মুক্ত।

কিন্তু চার্বাকসকলৰ মতে দেহৰ পৰা আত্মাৰ বৈৰাগ্যই মুক্তি নহয়। বিশুদ্ধ জড়বাদী দৰ্শন হিচাপে চার্বাকে শৰীৰ ভিন্ন আত্মাৰ অস্তিত্ব স্বীকাৰ নকৰে। এনে মতত বিশ্বাসী দৰ্শনে আত্মাৰ মুক্তিৰ ধাৰণাকো সমর্থন নকৰে। ভৌতিক শৰীৰটোৰ ধ্বংসৰ লগে লগে সকলো ধ্বংস হয়। যিখন ভৌতিক জগত আমি দেখিছো সেইখন একমাত্ৰ জগত। মানৰ জীৱনটো আনন্দ-যন্ত্ৰণা, সুখ-দুখেৰে ভৰা। এতেকে মোক্ষ বোলা অৱস্থা এটা নাই য'ত কেৱল পৰম শান্তি, সুখ আদিহে থাকিব, য'ত দুখ-কষ্ট শোক যন্ত্ৰণা আদি নাথাকে। এইদৰে চার্বাকসকলে কয় যে জীৱন থাকিলে দেহ থাকিব, দেহ থাকিলে সুখ-দুখ উভয়ে থাকিব। মানৰ জীৱন সুখ-দুখেৰে গঢ়া। যিহেতু মোক্ষ অপ্ৰত্যক্ষণীয়, গতিকে অসত্য।



৬.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'চার্বাক' শব্দটোৰ মূল উৎস 'চর্ব'ৰ পৰা নিঃসৃত হৈছে যাৰ অর্থ 'চোবোৱা' বা 'খোৱা'। এই দৰ্শনে 'খোৱা', 'পিয়া'ত আৰু 'আনন্দ' কৰাত বিশেষ গুৰুত্ব আৰোপ কৰিছে।
- চার্বাক সম্প্ৰদায়ক 'লোকায়ত সম্প্ৰদায়' হিচাপেও নামকৰণ কৰা হয়; কাৰণ এই দৰ্শন সাধাৰণ মানুহৰ মাজত বিশেষভাৱে জনপ্ৰিয় (লোক আয়ত)।
- জড়বাদী দৃষ্টিভংগীৰে এই দৰ্শনে সকলো মতবাদ ব্যাখ্যা কৰে।
- ইয়াৰ জ্ঞানতত্ত্ব, তত্ত্ববিদ্যা আৰু নীতিতত্ত্বৰ ক্ষেত্ৰত জড়ই মূখ্য স্থান লাভ কৰিছে, কোনো আধ্যাত্মবাদী ব্যাখ্যাৰ প্ৰতি এই দৰ্শন অনুৰাগী নহয়। গতিকে দেখা যায় যে আন সকলো ভাৰতীয় দৰ্শন সম্প্ৰদায়তকৈ চার্বাক এটি সুকিয়া তথা স্বকীয় চিন্তাধাৰা।
- চার্বাক তত্ত্ববিদ্যা ইয়াৰ জ্ঞানতত্ত্বৰ অপৰিহার্য পৰিণাম।
- আধ্যাত্মবাদ প্ৰত্যাখ্যান কৰি এই দৰ্শনে জড়বাদ প্ৰতিষ্ঠা কৰিছে। তাৰ পাছত তাত্ত্বিক মতবাদবোৰ আগবঢ়াইছে।

- ঈশ্বৰ, নিত্য আত্মাৰ অস্তিত্ব, পূর্বজন্ম, পৰজন্ম আদিক চার্বাকে প্রত্যাখ্যান কৰিছে।
- এই তাত্ত্বিক বিষয়বোৰ অস্বীকাৰ কৰাৰ মূল কাৰণটো হ'ল চার্বাকৰ মতে 'প্রত্যক্ষই একমাত্র যথার্থ জ্ঞানৰ উৎস'।
- পঞ্চ ইন্দ্রিয়ৰ দ্বাৰা চাৰিবিধ বস্তুহে আমি জানো। সেইবোৰ হ'ল— মাটি, পানী, অগ্নি আৰু বায়ু। কিন্তু এই চাৰিপ্রকাৰ ভৌতিক উপাদানৰ অণুবোৰ নিত্য আৰু অবিনশ্বৰ। এইবোৰৰ ৰূপান্তৰ আছে, ধ্বংস নাই।
- সমগ্র বিশ্বৰ জড়বস্তু আৰু জীৱ সমষ্টি এই চতুঃপদার্থৰ সংযোগত গঠিত হয়। দেহ অতিৰিক্ত অজড় কোনো আত্মা নাই। সচেতন দেহটোৱেই আত্মা। দেহৰ ধ্বংসৰ লগে লগে চৈতন্যৰ ধ্বংস হৈ চতুৰভূতত পৰিণত হয়। চার্বাক দর্শনৰ ইয়াকে ইতিবাচক তাত্ত্বিক মতবাদ হিচাপে জনা যায়।
- চার্বাক দর্শনে চাৰিবিধ ভৌতিক উপাদান আছে বুলি বিশ্বাস কৰে। সেইবোৰ হ'ল ঃ পৃথিৰী (ক্ষিতি), পানী (অপ), জুই (তেজ) আৰু বায়ু (মৰৎ) 'চার্বাকসকলে এই ভৌতিক উপাদানবোৰক "ভূতচতুষ্টয়" বুলি কয়।
- চার্বাকৰ মতে, ভৌতিক পদার্থ চাৰিবিধ অবিনেশ্বৰ আৰু নিত্য।
- এই দর্শনৰ নেতিবাচক সিদ্ধান্ত হ'ল— 'ঈশ্বৰ, অজড় আত্মা, স্বর্গ, নৰক, পৰজন্ম, পূর্বজন্ম নাই।
- তাত্ত্বিক বিষয়বোৰৰ প্রতি চার্বাক দর্শনৰ দৃষ্টিভংগী সুকীয়া।



৬.১২ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1] Chatterjee, S. C. & Dutta, D. M. (1968). *An Introduction to Indian Philosophy*. University of Calcutta.

2] Dasgupta, Nath. Surendra, *A History of Indian Philosophy,* Motilal Benarasi Publication.

3] Kapoor, Subodh. *The systems of Indian Philosophy,* Motilal Benarasi Das Publication.

4] Radhakrishnan, S. (1923). *Indian Philosophy (Vol. 1)*. London : Oxford University Press.

5] Sharma, C. D. (1973). *A Critical Survey of Indian Philosophy*. Delhi : Motilal Banarasidass Publishers Private Limited.

6] Sinha, Jadunath. *Indian Philosophy,* Motilal Benarasi Publication.



৬.১৩ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতীয় দর্শনত নটা সম্প্রদায় আছে। যেনে— ন্যায়, বৈশেষিক, সাংখ্য, যোগ, মীমাংসা, বেদান্ত, চার্বাক, বুদ্ধ আৰু জৈন দর্শন।

২ নং প্রশ্নৰ উত্তৰ ঃ যথার্থ জ্ঞানৰ একমাত্র নির্ভৰযোগ্য উৎস হৈছে প্রত্যক্ষ।

৩ নং প্রশ্নৰ উত্তৰ ঃ ক) আস্তিক বা বৈদিক খ) নাস্তিক বা অবৈদিক গ) শব্দ বা শ্রুতি ঘ) 'Meta' ('পৰা') আৰু 'Physika' ('বিজ্ঞান') ঙ) এৰিষ্টটল

৪ নং প্রশ্নৰ উত্তৰ ঃ ধূর্ত বা চয়তান চার্বাক আৰু সুশিক্ষিত অথবা মার্জিত চার্বাক।

৫ নং প্রশ্নৰ উত্তৰ ঃ সুশিক্ষিত চার্বাকসকলে মত পোষণ কৰে যে আত্মাৰ নিত্য জ্ঞান আছে আৰু ই দেহৰ লগত ধ্বংস প্রাপ্ত হয়। আত্মা এটা দেহৰ পৰা আন এটা দেহলৈ স্থানান্তৰিত নহয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ চার্বাক দর্শনৰ মতে, দেহ বা শৰীৰ ধ্বংস হ'লে আৰু একো বাকী নাথাকে। সেয়ে, অনিত্য, অমৰ দেহাতীয় কোনো আত্মা নাই। গতিকে চার্বাক দর্শনৰ আত্মাৰ ধাৰণাক 'দেহাত্মবাদ' বা 'ভূতচৈতন্যবাদ' বুলি জনা যায়।

৭ নং প্রশ্নৰ উত্তৰ ঃ চার্বাক দর্শনে চাৰিটা উপাদান স্বীকাৰ কৰি লয়।

৮ নং প্রশ্নৰ উত্তৰ ঃ চার্বাক দর্শনে পঞ্চম উপাদান 'আকাশ'ক প্রত্যাখ্যান কৰিছে। কাৰণ এই উপাদানটোক অনুমান কৰিবহে পাৰি, ই প্রত্যক্ষণীয় নহয়।

৯ নং প্রশ্নৰ উত্তৰ ঃ চার্বাক দর্শনৰ মতে, সচেতন জীৱিত শৰীৰেই হৈছে আত্মা।

১০ নং প্রশ্নৰ উত্তৰ ঃ নহয়, চার্বাক দর্শনে নিত্য আত্মাক বিশ্বাস নকৰে।

১১ নং প্রশ্নৰ উত্তৰ ঃ বাৎস্যায়ন, উদয়ন, জয়ন্ত, বিজ্ঞান ভিক্ষু, শংকৰাচার্য, বাচস্পতি মিশ্র আদি ভাৰতীয় দার্শনিক সকলে চার্বাক দর্শনে আত্মা সম্পর্কে দিয়া ধাৰণাক অস্বীকাৰ কৰিছে।

১২ নং প্রশ্নৰ উত্তৰ ঃ কাৰণ, সাধাৰণ মানুহৰ মাজত চার্বাক দর্শন অতি জনপ্রিয়।

১৩ নং প্রশ্নৰ উত্তৰ ঃ পৰাবিদ্যা পাঁচটা শাখাত ভাগ কৰা হৈছে ঃ

ক) আত্মা দর্শন (Philosophy of self)

খ) সৃষ্টিতত্ত্ব বা বিশ্বোৎপত্তি মীমাংসা (Cosmogowy)

গ) বিশ্বতত্ত্ব বা বিশ্ববিজ্ঞান (Cosmology)

ঘ) ঈশ্বৰ মীমাংসা বা ধর্মদর্শন (Theology)

ঙ) তত্ত্ববিদ্যা (Ontology)

১৪ নং প্রশ্নৰ উত্তৰ ঃ চার্বাক আস্তিক সম্প্রদায় নহয়, কাৰণ ই বেদৰ কর্তৃত্ব স্বীকাৰ নকৰে।

১৫ নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ গ) অশুদ্ধ ঘ) অশুদ্ধ ঙ) অশুদ্ধ।



৬.১৪ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ চার্বাক দর্শনৰ প্রতিষ্ঠাতা কোন?

প্ৰশ্ন ২ ঃ চার্বাক দর্শন গ্রহণ কৰা চাৰিবিধ উপাদানবোৰ কি কি?

প্ৰশ্ন ৩ ঃ চার্বাক দর্শনৰ মতে, বৈধ জ্ঞানৰ উৎস কি?

খ) চুটি প্ৰশ্ন (150টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ চার্বাক তত্ত্ববিদ্যা কি?

প্ৰশ্ন ২ ঃ দেহাত্মবাদ কি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ চার্বাক দর্শনে আত্মাৰ অস্তিত্বক স্বীকাৰ কৰেনে? চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ চার্বাক সম্বন্ধে চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ স্বভাৱবাদ কি?

গ) চমুটোকা লিখক (150টা শব্দৰ ভিতৰত লিখক)

(ক) চার্বাকৰ কাৰণতাবাদ

(খ) চার্বাকৰ ঈশ্বৰৰ অস্তিত্ব প্রত্যাখ্যান

(গ) মোক্ষ বা মুক্তি

(ঘ) স্বভাৱবাদ

ঘ) ৰচনাধৰ্মী প্ৰশ্ন (300–500টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ চার্বাক তত্ত্ববিদ্যা বা অধিবিদ্যা সম্পর্কে ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ চার্বাক দর্শনৰ ঈশ্বৰৰ ধাৰণা আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ কর্মবাদ আৰু জন্মান্তৰবাদক চার্বাকে গ্রহণ কৰিছেনে? ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ ভাৰতীয় দর্শনত মোক্ষৰ সাধাৰণ ধাৰণাটো কি? চার্বাকে এই ধাৰণা গ্রহণ কৰিছেনে? আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ৭ ঃ বৌদ্ধ দর্শন ঃ চাৰিটা আর্যসত্য

অধ্যায় গাঁথনি

7.1 উদ্দেশ্য
7.2 পৰিচয়
7.3 বুদ্ধ দর্শনৰ সংক্ষিপ্ত বিৱৰণ
7.4 চাৰিটা আর্যসত্যৰ ধাৰণা
7.5 দুখ আছে
7.6 দুখৰ কাৰণ আছে
7.6.1 প্রতীত্যসমূৎপাদবাদ
7.7 দুখৰ নিবৃত্তি আছে
7.7.1 নির্বাণৰ ধাৰণা
7.8 দুখ নিবৃত্তিৰ উপায়
7.9 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
7.10 অধিক জানিবলৈ
7.11 অগ্রগতিৰ খতিয়ান
7.12 আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বুদ্ধ দর্শনৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- বুদ্ধ দর্শনৰ চাৰিটা মহৎ বা আর্যসত্যৰ বিশ্লেষণ কৰিব পাৰিব
- নির্বাণৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- নির্বাণৰ অষ্টাংগ মার্গৰ বিৱৰণ আগবঢ়াব পাৰিব।


৭.২ পৰিচয়

এই অধ্যায়ত বুদ্ধ দর্শনৰ চাৰিটা আর্যসত্যৰ পৰিচয় দিয়া হৈছে। বুদ্ধৰ প্রধান শিক্ষাসমূহ এই অধ্যায়তে আলোচনা কৰা হৈছে। চাৰিটা আর্যসত্যৰ ভিতৰত তেওঁৰ শিক্ষাসমূহ অন্তর্ভুক্ত। সেইসমূহ হ'ল — (ক) এইটো সত্য যে দুখ আছে, (খ) দুখৰ এটা কাৰণ আছে, (গ) দুখৰ নিবৃত্তি আছে আৰু (ঘ) দুখৰ নিবৃত্তিৰ উপায় আছে। বুদ্ধৰ শিক্ষাৰ প্রধান উদ্দেশ্য হৈছে সম্পূর্ণভাৱে দুখৰ অৱসান ঘটোৱাটো। তেওঁৰ মতে, এই পৃথিৱীতে নির্বাণ লাভ কৰিব পৰা যায়। এইটো এটা

পৰম শান্তি আৰু পৰম জ্ঞানৰ অৱস্থা। শুদ্ধ আচৰণ, সমাধি আৰু অন্তর্জ্ঞানৰ অষ্টাংগ মার্গে হ'ল নির্বাণত অৱতীর্ণ হোৱাৰ উপায়। এইসমূহে অজ্ঞানতা আৰু কামনা বাসনা দুৰ কৰে, মনত জ্ঞান প্রদান কৰে আৰু পূর্ণ স্থিৰতা আৰু শান্তি বহন কৰে।

৭.৩ বুদ্ধ দর্শনৰ সংক্ষিপ্ত বিৱৰণ

ভাৰতীয় দর্শন দুটা প্রধান শ্রেণীত ভাগ কৰা হৈছে। সেইকেইটা হ'ল— গোড়া মতাৱলম্বী বা আস্তিক আৰু গোড়া মতৰ বিৰোধী বা নাস্তিক সম্প্রদায়। আস্তিক সম্প্রদায়সমূহ আকৌ আন ছটা ভাগত ভাগ কৰা হৈছে। সেইকেইটা হ'ল— মীমাংসা, বেদান্ত, সাংখ্য, যোগ, ন্যায়, বৈশেষিক। ঠিক সেইদৰে নাস্তিক সম্প্রদায়সমূহৰো আন তিনিটা ভাগ আছে। সেইকেইটা হ'ল— চার্বাক, বুদ্ধ আৰু জৈন। এই শ্রেণীসমূহ তলত উল্লেখ কৰা ধৰণেৰে দেখুৱাব পাৰি।



তেনেহ'লে দেখা যায় যে বুদ্ধ দর্শন নাস্তিক সম্প্রদায়ৰ অন্তর্ভুক্ত। বুদ্ধ দর্শনৰ প্রতিষ্ঠাতা হ'ল গৌতম বুদ্ধ। শৈশৱ কালৰে পৰা বুদ্ধই মানৱ জীৱনৰ দুখ কষ্ট সমূহ যেনে— বেমাৰ, বৃদ্ধ বয়স, মৃত্যু আদি দেখি খুব বেজাৰ পাইছিল। সেয়ে তেওঁ এই দুখ কষ্টৰ কাৰণ বিচাৰি আৰু সেইসমূহ নাইকীয়া কৰাৰ উপায় বিচাৰি ওলায় যায়। অৱশেষত তেওঁ তেওঁৰ পৰিভ্রমণৰ ফল পালে। ইয়াকে বুদ্ধ দর্শনৰ চাৰিটা আর্যসত্যৰ আকাৰত জনা যায়। সাধাৰণতে বুদ্ধৰ শিক্ষা সমূহ পিটকত পোৱা যায়। বুদ্ধ দর্শনত তিনিটা পিটকৰ উল্লেখ আছে। এইসমূহ হ'ল— সূত্ত পিটক, বিনয় পিটক আৰু অভিধর্ম পিটক। এইবোৰক একেলগে ত্রিপিটক বোলা হয় বা শিক্ষাৰ তিনিটা পাঁচি বুলি জনা যায়। এই পিটকসমূহ পালি ভাষাত লিখা।

সময়ত তেওঁৰ অনুসৰণকাৰীৰ সংখ্যা বৃদ্ধি পায়। সেয়ে তেওঁলোকক বিভিন্ন শাখাত ভাগ কৰা হয়। বুদ্ধ দর্শনক প্রধানতঃ দুটা শ্রেণীত ভাগ কৰা হৈছে—

1) হীনযান আৰু

2) মহাযান।

এই ভাগসমূহ বিশেষ প্রশ্নৰ ওপৰত নির্ভৰ কৰি কৰা হৈছে— নির্বাণৰ উদ্দেশ্য কি?

হীনযান সম্প্রদায়ে কেৱল নিজৰ বাবেহে নির্বাণ লাভ কৰাৰ নির্দেশ দিয়ে। আনহাতে মহাযান সম্প্রদায়ে বিশ্বাস কৰে যে নির্বাণ কেৱল নিজৰ বাবে নহয়, শুদ্ধ জ্ঞানত অৱতীর্ণ হ'বৰ বাবে দুখ পোৱা সকলোৰে বাবে নির্বাণৰ প্রয়োজনীয়তা আছে। সেইকাৰণে আমি ক'ব পাৰো যে বুদ্ধ দর্শনৰ প্রধান শিক্ষা হ'ল নির্বাণৰ ধাৰণা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শুদ্ধ উত্তৰ বিচাৰি উলিৱাওক—

ক) বৌদ্ধ দর্শন আস্তিক সম্প্রদায়ৰ লগত সম্বন্ধিত।
(শুদ্ধ/অশুদ্ধ)

খ) বৌদ্ধ দর্শনত 3টা পিটক আছে। (শুদ্ধ/অশুদ্ধ)

গ) পিটকসমূহ পালি ভাষাত লিখিত। (শুদ্ধ/অশুদ্ধ)

ঘ) বৌদ্ধক দর্শনৰ প্রৱর্ত্তক হ'ল মহাবীৰ। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ ঃ ত্রিপিটকৰ অর্থ কি?

.....

প্রশ্ন নং ৩ ঃ বৌদ্ধ দর্শনৰ প্রধান শাখাসমূহ কি?

.....



চিন্তা-চর্চা কৰক ৭.১

ক) নির্বাণে পৰম সুখলৈ আগবঢ়াই নিব পাৰেনে? বিশ্লেষণ কৰক।

.....

.....

.....

খ) মহাযান এটা ভাৱবাদী শাখানে? বর্ণনা আগবঢ়াওক।

.....

.....

.....

৭.৪ চাৰিটা আর্যসত্যৰ ধাৰণা

প্রাৰম্ভণিতে গৌতম বুদ্ধ এজন সমাজ সংস্কাৰক আৰু নীতি শিক্ষাবিদ আছিল। নীতি শিক্ষক হিচাপে তেওঁৰ শিক্ষাসমূহ সৰহ সংখ্যক মানুহে অনুসৰণ কৰিছিল। এই শিক্ষাই আমাক সকলো দুখৰ অৱসান ঘটোৱা এটা পথ বা মার্গলৈ আগুৱাই নিয়ে। এক গভীৰ তপস্যাৰ পাছত বুদ্ধই চাৰিটা মহৎ সত্যৰ সন্ধান পায়। সেইকেইটাকে 'চত্বাৰী আর্যসত্যানি' বা চাৰিটা আর্য্যসত্য বুলি বুদ্ধ দর্শনত জনা যায়। সেইকেইটা তলত দিয়া ধৰণৰ—

ক) বিশ্বব্রহ্মাণ্ডৰ জীৱন দুখেৰে ভৰপূৰ (দু:খ)

খ) এই দুখৰ কাৰণ আছে (দু:খ সমুদায়)

গ) দুখৰ নিবৃত্তি আছে (দু:খ নিৰোধ)

ঘ) দুখৰ নিবৃত্তিৰ উপায় আছে (দু:খ নিৰোধ মার্গ)

আমি এতিয়া এই চাৰিটা আর্যসত্যৰ বিষয়ে আলোচনা কৰিম—

৭.৫ দুখ আছে (দু:খ)

বুদ্ধ দর্শনৰ প্রথম আর্যসত্যটো মানুহৰ দুখৰ স্বৰূপৰ লগত জড়িত। দুখৰ কাৰণ হ'ল জন্ম বিভিন্ন ব্যাধি, জড়া আৰু মৃত্যু। সেয়ে সকলোতে আৰু জীৱনৰ সকলো অৱস্থাতে দুখ আছে। জন্মত যন্ত্রণা আছে আৰু এই যন্ত্রণা জীৱনৰ এটা অংশ। সেইদৰে ব্যাধি দু:খজনিত। মৃত্যু দু:খকৰ। আনন্দহীনতাৰ লগত সংযুক্ত হোৱাটো দু:খকৰ। ঠিক তেনেকৈয়ে আনন্দৰ লগত বিচ্ছেদ হোৱাটোও দু:খজনিত। মুঠতে বুদ্ধই শেষ সিদ্ধান্তত আহে যে 'জীৱন দুখময়'। আমাৰ জীৱনত আমি মানুহে কিছুমান বস্তুক লৈ আনন্দ উপভোগ কৰো। কিন্তু বুদ্ধই কৈছে যে সেইসমূহ কেৱল কিছুমান ইন্দ্রিয়জনিত আনন্দ আৰু ইন্দ্রিয়জনিত আনন্দ কেতিয়াও স্থায়ী হ'ব নোৱাৰে। তেওঁৰ মতে ইন্দ্রিয়জনিত আনন্দ ক্ষণস্থায়ী আৰু দুখৰ অনুগামী।

৭.৬ দুখৰ কাৰণ আছে

দ্বিতীয় আর্যসত্যটো দুখৰ উৎপত্তিৰ লগত জড়িত। ইয়াৰ মতে দুখৰ কাৰণ আছে। কাৰণ প্রত্যেক ঘটনাৰে এটা কাৰণ থাকিবই। কাৰণ অবিহনে কোনো ঘটনা ঘটিব নোৱাৰে। জীয়াই থাকিবলৈ ইচ্ছা কৰা বা আকাংক্ষা কৰাটো এক উদ্দেশ্য প্রণোদিত শক্তি যি জন্ম-মৃত্যুৰ চক্রৰ সৃষ্টি কৰে, আৰু এইটোৱেই হ'ল দুখৰ কাৰণ। এই আকাংক্ষা তিনি প্রকাৰৰ। সেইকেইটা হ'ল— (ক) যৌনজনিত বা ইন্দ্রিয়জনিত আনন্দৰ কাৰণে জীয়াই থাকিবলৈ কৰা ইচ্ছা। (খ) জীৱনত আনন্দ উপভোগ কৰি জীয়াই থাকিবলৈ কৰা ইচ্ছা। (গ) সম্পত্তি আৰু ক্ষমতাৰ বাবে কৰা আকাংক্ষা। সেয়ে জীয়াই থাকিবলৈ ইচ্ছা কৰাটোৱেই হ'ল দুখৰ কাৰণ। বুদ্ধই এই কাৰণসমূহক, তেওঁৰ কাৰণবাদ মতটোত বর্ণনা দিছে। এইটোকে প্রতীত্যসমুৎপাদবাদ বা কার্য-কাৰণবাদ বুলি জনা যায়। এই প্রতীত্যসমুৎপাদ বাদৰ বিষয়ে বহলাই জানিব লাগিব।

৭.৬.১ প্রতীত্যসমুৎপাদবাদ

বুদ্ধৰ সমগ্র শিক্ষাৰ মৌলিক তত্ত্ব হ'ল কার্য-কাৰণৰ ওপৰত নির্ভৰশীল মতবাদ বা প্রতীত্যসমুৎপাদ বাদ। প্রতীত্যসমুৎপাদ বাদৰ সৰল অর্থ হ'ল— উদ্ভৱ হোৱা (সমুৎপাদ), পোৱাৰ পাছত (প্রতীত্য)। ইয়াৰ অর্থ হ'ল কাৰণ আৰু উপকাৰণৰ পৰিপূৰকৰ পৰাই কার্যৰ উৎপত্তি। যেতিয়াই কাৰণ আৰু উপকাৰণসমূহ নাইকিয়া হয়, তেতিয়া

কাৰ্যৰ আবিৰ্ভাৱ হয়। কাৰণবাদৰ সূত্ৰ হৈছে 'এইটো আছে, সেইটোৰ উদ্ভৱ হৈছে'। ইয়াৰ অৰ্থ হ'ল কাৰণৰ ওপৰত নিৰ্ভৰ কৰি কাৰ্য উদ্ভৱ হয়।

বুদ্ধই বিশ্বাস কৰা এই 'কাৰ্য-কাৰণৰ মতবাদটো' বাৰটা কাৰণৰ শৃংখলিত যোগসূত্ৰৰ লগত সম্বন্ধিত। ই তেওঁক দুখ কষ্টৰ উৎপত্তি হোৱা পাছৰ অৱস্থাসমূহ উলিয়ায় লোৱাতো সম্ভৱ কৰি তোলে। ইয়াত প্ৰত্যেকটো পৰৱৰ্তী অৱস্থাৰ উৎপত্তিৰ কাৰণে ইয়াৰ পূৰ্বৱৰ্তী অৱস্থাৰ ওপৰত নিৰ্ভৰশীল। বুদ্ধই এই বাৰটা যোগসূত্ৰ তলত দিয়া ধৰণেৰে ব্যাখ্যা কৰিছে।

'জৰা-মৰণ' হৈছে এই শৃংখলৰ প্ৰথম যোগসূত্ৰ। ইয়াৰ অৰ্থ হ'ল দুখবোৰ জৰা-ব্যাধি ইত্যাদিৰ স্বৰূপৰ পৰা উদ্ভৱ হয়। জাতি এই জৰা-মৰণৰ কাৰণ। যদি কোনো এজনে জন্ম নলয়, তেতিয়াহ'লে দুখৰ প্ৰশ্নই নুঠে। সেয়ে জন্মই হৈছে দুখৰ কাৰণ। জাতিৰ কাৰণ ভৱ। অৰ্থাৎ জন্ম ল'বলৈ কৰা ইচ্ছা। ভৱৰ কাৰণ উপাদান। ইয়াৰ অৰ্থ হৈছে তৃষ্ণাৰ বাবেই এজনৰ আসক্তি বা কোনো ধৰণৰ আনন্দ উপভোগৰ স্পৃহা। বেদনাই হৈছে তৃষ্ণাৰ কাৰণ। এইটো হৈছে প্ৰকৃত ইন্দ্ৰিয়জনিত আনন্দ। এই ইন্দ্ৰিয়জনিত আনন্দৰ কাৰণ স্পৰ্শ। এইটো হৈছে জ্ঞানেন্দ্ৰিয় আৰু বস্তুৰ সংযোগ। ষড়ায়তন মনক লৈ ষষ্ঠ জ্ঞানেন্দ্ৰিয়ৰ কাৰণ হ'ল নাম-ৰূপ। ইয়াৰ অৰ্থ মনো-দৈহিক গঠন। এই গঠনৰ কাৰণ বিজ্ঞান, ভ্ৰূণৰ প্ৰাৰম্ভিক চৈতন্য। সংস্কাৰৰ অৰ্থ হ'ল অতীত কৰ্মৰ দ্বাৰা উৎপাদন কৰা শক্তি যিবোৰ অৱশেষত অবিদ্যাৰ কাৰণ হয়। গতিকে অবিদ্যাই হ'ল মানৰ জীৱনৰ সকলো দুখৰ মূল কাৰণ। মুঠতে কাৰ্য-কাৰণবাদৰ বাৰটা শৃংখল এনেদৰে পোৱা যায়।

১।	অজ্ঞানতা (অবিদ্যা)	
২।	কৰ্মশক্তিৰ চাপ (সংস্কাৰ)	(অতীত জীৱন)
৩।	ভ্ৰূণৰ প্ৰাৰম্ভিক চৈতন্য (বিজ্ঞান)	
৪।	মনো-দৈহিক সংগঠন (নাম-ৰূপ)	
৫।	মনক লৈ ষষ্ঠ জ্ঞানেন্দ্ৰিয় (ষড়ায়তন)	
৬।	ইন্দ্ৰিয় আৰু বস্তুৰ সংযোগ (স্পৰ্শ)	(বৰ্তমান জীৱন)
৭।	ইন্দ্ৰিয়জনিত অভিজ্ঞতা (বেদনা)	
৮।	ইন্দ্ৰিয়জনিত আনন্দ উপভোগ কৰাৰ স্পৃহা (তৃষ্ণা)	
৯।	জাগতিক বিষয় উপভোগৰ প্ৰতি থকা আসক্তি	(উপাদান)
১০।	জন্ম ল'বলৈ কৰা ইচ্ছা (ভৱ)	
১১।	পূণৰ জন্ম (জাতি)	(ভৱিষ্যৎ জীৱন)
১২।	বৃদ্ধ বয়স আৰু মৰণ (জড়া-মৰণ)	

এই বাৰটা শৃংখলক ভৱ চক্ৰ, জন্ম-মৰণ চক্ৰ, ধৰ্ম চক্ৰ, প্ৰতীত্যসমূৎপাদ চক্ৰ আদি বুলি কোৱা হয়। এই বাৰটা শৃংখলৰ মাজৰ অবিদ্যা আৰু সংস্কাৰ অতীত জীৱনৰ লগত সম্বন্ধিত। শেষৰ দুটা জাতি আৰু জৰামৰণ ভৱিষ্যৎ জীৱনৰ লগত আৰু আন

সমূহ বর্তমান জীৱনৰ লগত সম্বন্ধিত।

কর্মবাদ এই তত্ত্বৰ ওপৰতে প্রতিষ্ঠিত। আমাৰ বর্তমান জীৱন অতীত জীৱনৰ চাপ আৰু এইটোৱে আমাৰ ভৱিষ্যৎ জীৱনক গঢ় দিব। আকৌ ক্ষণভংগ মতবাদ বা ক্ষণীকতাবাদটোও ইয়াৰ ওপৰতে প্রতিষ্ঠিত। ইয়াৰ মতে, সকলো বস্তুৱেই আপেক্ষিক, নির্ভৰশীল, চর্তমূলক আৰু সীমিত। সেয়ে সেইসমূহ ক্ষণস্থায়ী হ'বই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ তলৰ বাক্যসমূহ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক।

ক) বৌদ্ধ দর্শনৰ কাৰণবাদক চাৰিটা আর্যসত্য বুলি কোৱা হয়। (শুদ্ধ/অশুদ্ধ)

খ) কার্যকাৰণবাদত বাৰটা যোগসূত্র আছে। (শুদ্ধ/অশুদ্ধ)

গ) কর্মবাদৰ মতটো প্রতীত্যসমূৎপাদৰ লগত জড়িত। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৫ ঃ প্রতীত্যসমূৎপাদ কি?

.....

.....

.....

প্রশ্ন ৬ ঃ বাৰটা যোগসূত্রৰ মাজৰ কোনটোৰ লগত বর্তমান জীৱন সম্বন্ধিত?

.....



চিন্তা-চর্চা কৰক ঃ ৭.২

ক) কাৰণ অবিহনে কার্যৰ অস্তিত্ব আছেনে? বিশ্লেষণ কৰক।

.....

.....

.....

৭.৭ দুখৰ নিবৃত্তি

তৃতীয় আর্য বা মহৎ সত্যটো হ'ল দুখৰ নিবৃত্তি যিহেতুকে সকলোৰে কিছুমান কাৰণ আৰু উপকাৰণৰ পৰা উদ্ভৱ, সেয়ে যেতিয়া উপকাৰণসমূহ নাইকিয়া কৰিব পৰা যায়, তেতিয়া দুখবোৰো নাইকিয়া কৰিব পৰা যাব। সম্পূর্ণ দুখৰ নিবৃত্তিক নির্বাণ বুলি জনা যায়। নির্বাণৰ অর্থ হ'ল বন্ধন আৰু পূনর্জন্মৰ পৰা মুক্তি পোৱা। এইটো আশা আকাংক্ষাৰ দ্বাৰা প্রলোভিত নোহোৱা সম্পূর্ণ এটা শান্তি আৰু প্রশান্তিৰ অৱস্থা।

৭.৭.১ নির্বাণৰ ধাৰণা

দুখ নিৰোধ বা দুখৰ অৱসানকে নির্বাণ বুলি কোৱা হয়। বুদ্ধই কৈছে যে যেতিয়া এজন ব্যক্তিয়ে নিজৰ ৰিপুবোৰক সংযমত ৰাখিব পাৰে, তেতিয়াই তেওঁ পূর্ণজ্ঞান লাভ কৰে। এইটো সম্ভৱ হয় যেতিয়া তেওঁ চাৰিটা আর্যসত্যক উপলব্ধি কৰিব পাৰে। তেতিয়াহে তেওঁ অর্হতৰ যোগ্য হয়। অর্হত মানে গুণবান ব্যক্তি। বুদ্ধৰ মতে এই অৱস্থাটোকে জনপ্রিয়ভাৱে নির্বাণ বুলি জনা যায়। এইটো আনন্দ আৰু সুখৰ অৱস্থা। ইয়াৰ ভিতৰত দুখ বা কষ্টৰ স্থান নাই।

সৰল অর্থত নির্বাণ শব্দৰ ব্যুৎপত্তিগত অর্থ 'নুমাই যোৱা' বা 'বিলীন হোৱা'। এই সৰল অর্থৰ ওপৰত ভিত্তি কৰি কিছু সংখ্যক বৌদ্ধ আৰু অনাবৌদ্ধ টিকাকাৰে নির্বাণ সম্পর্কে এটা নেতিবাচক অর্থ প্রকাশ কৰে। তেওঁলোকৰ মতে নির্বাণে সকলো দৈহিক আৰু মানসিক অস্তিত্বৰ বিলোপ হোৱাকে বুজায়। কিন্তু ৰাইছ ডেভিডছে (Rhys Davids) কোৱা মতে বুদ্ধই নির্বাণৰ অর্থ অস্তিত্বৰ চিৰ বিলুপ্তি বুলি কেতিয়াও কোৱা নাই। বুদ্ধৰ মতে নির্বাণে কেৱল দুখৰ নিবৃত্তি ঘটায় আৰু পুনর্জন্মৰ কাৰণসমূহৰ বিলোপ সাধন কৰে।

পালি ভাষাত নির্বাণক এক শান্তিৰ অৱস্থা বুলি ব্যাখ্যা কৰিছে। ইয়াত নির্বাণক অনন্ত স্বাস্থ্য, পৰম অন্তিম আৰু ভয়হীন অৱস্থা বুলি কৈছে। নির্বাণ শাশ্বতো নহয়, শূন্যও নহয়। বুদ্ধই কৈছে যে নির্বাণ অজ্ঞাত, এক আৰু অসৃষ্ট। এইটো এটা উপলব্ধিৰ অৱস্থা। যেনেকৈ বতাহক প্রত্যক্ষ কৰিব নোৱাৰি, কিন্তু ইয়াৰ অস্তিত্বক অমান্য কৰিব নোৱাৰি। সেয়ে ই এক উপলব্ধিৰ বিষয়। ইয়াৰ উপৰি নির্বাণক নিত্য, স্থিৰ, বয়সহীন, গতিহীন, অমৰ, জন্মহীন আৰু অবর্দ্ধিত বুলি বর্ণনা দিব পৰা যায়। ই যেন এক সুখ আৰু আনন্দৰ অৱস্থা। ৰজা মিলিন্দই (বুদ্ধৰ এজন শিষ্য) নির্বাণৰ স্বৰূপৰ বর্ণনা দি কৈছে যে নির্বাণ যেন এক সাগৰ তুল্য। পর্বতৰ চূড়াৰ নিচিনা উচ্চ আৰু মৌৰ নিচিনাই মিঠা, ইত্যাদি।

পালি ভাষাত নির্বাণৰ দুটা অৱস্থাৰ উল্লেখ আছে। এটাক 'উপাধিশেষ নির্বাণ' আৰু আনটোক 'নিৰুপাধিশেষ নির্বাণ' বুলি জনা যায়। প্রথম বিধক নির্বাণ আৰু পিছৰ বিধক পৰিনির্বাণ বুলিও জনা যায়। নির্বাণৰ অৱস্থাত কোনো কামনা বা বাসনা নাথাকে, কেৱল শুদ্ধ চৈতন্যৰ অস্তিত্বহে থাকে। কিন্তু পৰিনির্বাণৰ অৱস্থাত এই সকলো নাইকিয়া হৈ যায়।

বুদ্ধৰ মতে বর্তমান জীৱনতে নির্বাণ লাভ কৰিব পৰা যায় আৰু বুদ্ধ নিজেই ইয়াৰ মহান উদাহৰণ। নির্বাণ হৈছে সম্পূর্ণ জ্ঞানৰ, সম্পূর্ণ শান্তি আৰু সম্পূর্ণ স্বপৰিচালিত এক অবর্ণনীয় অৱস্থা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ তলৰ বাক্যসমূহÃÃ শুদ্ধনে অশুদ্ধ বিচাৰ কৰক।

ক) ভাষিক অর্থত নির্বাণ মানে নুমাই যোৱা। (শুদ্ধ Û অশুদ্ধ)

খ) নির্বাণ তৃতীয় আর্যসত্যৰ লগত জড়িত। (শুদ্ধ Û অশুদ্ধ)

গ) অর্হত মানে দুখ। (শুদ্ধ Û অশুদ্ধ)

ঘ) বুদ্ধৰ মতে বর্তমান জীৱনতে নির্বাণ লাভ কৰিব পৰা যায়। (শুদ্ধ Û অশুদ্ধ)

প্রশ্ন ৮ ঃ দুই প্রকাৰৰ নির্বাণ কি কি?

.....

৭.৮ দুখ নিবৃত্তিৰ উপায়

চতুর্থ আর্যসত্যটো হ'ল দুখৰ নিবৃত্তিৰ উপায় আছে। বুদ্ধই কৈছে যে এজনে নিজৰ বর্তমান জীৱনতে নির্বাণ লাভ কৰিব পাৰে। কিন্তু ইয়াত এক প্রশ্ন উঠে— কেনেকৈ এই মুক্তি বা নির্বাণ লাভ কৰাটো সম্ভৱ? বুদ্ধৰ মতে নির্বাণ লাভ কৰিবৰ বাবে আঠটা পথ আছে। ইয়াক বুদ্ধ দর্শনৰ আঠটা পথ বা অষ্টাংগ মার্গ বুলি জনা যায়। এই পথসমূহ সকলো সাধু আৰু সাধাৰণ ব্যক্তিৰ বাবে মুক্ত। এইসমূহ হ'ল—

1¼ শুদ্ধ দৃষ্টি (সম্যক দৃষ্টি)

2¼ শুদ্ধ সংকল্প (সম্যক সংকল্প)

3¼ শুদ্ধ বাক (সম্যক বাক)

4¼ শুদ্ধ আচৰণ (সম্যক কর্মান্ত)

5¼ শুদ্ধ আজীৱ (সম্যক আজীৱ)

6¼ শুদ্ধ প্রচেষ্টা (সম্যক ব্যায়াম)

7¼ শুদ্ধ স্মৃতি (সম্যক স্মৃতি)

8¼ শুদ্ধ সমাধি (সম্যক সমাধি)

সম্যক দৃষ্টি ঃ মানুহৰ দুখৰ মূল কাৰণ হৈছে অজ্ঞানতা বা অবিদ্যা। অজ্ঞানতাৰ কাৰণেই মানুহে আত্মা আৰু বিশ্বব্রহ্মাণ্ডৰ মাজত থকা সমন্ধৰ সম্যক জ্ঞান লাভ কৰিব নোৱাৰে। সেয়ে সম্যক জ্ঞানক চাৰিটা আর্যসত্যৰ ওপৰত থকা শুদ্ধ জ্ঞান বুলি অভিহিত কৰা হৈছে। যেতিয়াই আমি এই শুদ্ধ জ্ঞান লাভ কৰিম, তেতিয়াই ই আমাক আমাৰ চৰম উদ্দেশ্য নির্বাণৰ পথলৈ লৈ যাব।

সম্যক সংকল্প ঃ শুদ্ধ জ্ঞানৰ মাধ্যমেদি উদ্ভাসিত হৈ প্রত্যেক মানুহেই শুদ্ধ সংকল্পৰ দ্বাৰা নিজৰ জীৱনটো পুনৰ প্রতিষ্ঠিত কৰিব লাগে। সেয়ে শুদ্ধ জ্ঞানৰ পথেদি এক সৎ জীৱন অতিবাহিত কৰিবলৈ মনত পোষণ কৰা ভাবেই হ'ল শুদ্ধ সংকল্প। সেয়ে বুদ্ধই তিনিটা সংকল্প গ্রহণৰ বর্ণনা দিছে। সেইকেইটা হ'ল— (ক) সংসাৰৰ প্রতি আসক্তি বর্জনৰ সংকল্প, (খ) পৰদ্বেষ

বৰ্জনৰ সংকল্প, (গ) আনৰ অনিষ্ট নকৰিবলৈ সংকল্প।

সম্যক বাক ঃ সম্যক বাক মিছা কথা কোৱা, মিছা অপবাদ দিয়া, কটুক্তি কৰা, কটুকথাৰ ব্যৱহাৰ কৰা আদিৰ পৰা বিৰত থকাৰ লগত জড়িত। এজনে সদায় শুদ্ধটো ক'ব লাগে, অশুদ্ধ নহয়। তেওঁ সদায় সত্যটো কোৱা উচিত, অসত্য নহয়, সদায় ভালটো কোৱা উচিত আৰু এনে কথা কোৱা উচিত যি আনক দুখ নিদিয়ে বা আঘাট নকৰে।

সম্যক আচৰণ ঃ ই আনৰ জীৱন ধ্বংস কৰা, চুৰ কৰা, মিছা কোৱা আদিৰ পৰা বিৰত থকাৰ লগত জড়িত। উদাৰতা, সভ্যতা, দয়া আৰু নিঃস্বাৰ্থপৰায়ণতা সকলোৱে আহৰণ কৰা উচিত।

সম্যক আজীৱ ঃ সৎ উপায়েৰে জীৱিকা নিৰ্বাহ কৰাই হ'ল সম্যক আজীৱ। মিছা ভাষ্য আৰু বেয়া কৰ্মৰ পৰা বিৰত থাকি সৎ উপায়েৰে জীৱিকা নিৰ্বাহ কৰা উচিত।

সম্যক ব্যায়াম ঃ অসৎ চিন্তা দূৰ কৰা আৰু সদায় সৎ চিন্তাৰ ধাৰণা কৰাই হ'ল সম্যক ব্যায়াম। এটা চঞ্চল মন ভাল ভাৱ, ভাল আৱেগ আৰু ভাল চৰিত্ৰৰ সহায়কাৰী হ'ব নোৱাৰে।

সম্যক স্মৃতি ঃ দেহৰ অপৱিত্ৰতা, অনুভূতিৰ সুখ-দুখৰ স্বৰূপ মনত পেলোৱাই হ'ল সম্যক স্মৃতি। ই মনক ৰাগ দ্বেষৰ পৰা মুক্ত কৰে আৰু উচ্চ সমাধি লাভৰ বাবে প্ৰস্তুত কৰে। সেয়ে সম্যক স্মৃতি সম্যক সমাধিৰ এক অত্যাৱশ্যকীয় প্ৰাগ্ প্ৰস্তুতি।

সম্যক সমাধি ঃ সম্যক সমাধি নিৰ্বাণৰ সৰ্বশেষ স্তৰ। ইয়াত সমাধিৰ চাৰিটা অৱস্থাৰ উল্লেখ আছে।

ক) প্ৰথম অৱস্থাত ভোগ বাসনা চৰিতাৰ্থ কৰা কামুকতাসমূহ অপসাৰিত কৰা হয়। কাৰণ এই সমূহেই বিভেদজনিত কৰ্মজন্মৰ অৱস্থা।

খ) দ্বিতীয় অৱস্থা গভীৰ শান্তিৰ অৱস্থা।

গ) তৃতীয় স্তৰ মানসিক চৈতন্যৰ অৱস্থা, য'ত সকলো ধৰণৰ ভাৱ আবেগ অপসাৰিত কৰা হয়।

ঘ) সৰ্বশেষ অৱস্থাই হ'ল সম্পূৰ্ণ প্ৰশান্তিৰ আৰু স্বঅনুভূতিৰ স্তৰ। মুঠতে এইটো এটা সম্পূৰ্ণ জ্ঞানৰ অৱস্থা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ তলৰ বাক্যসমূহ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক—

ক) দুখৰ নিবৃত্তিৰ নিৰ্বাণ বুলি জনা যায়। (শুদ্ধ ☐ অশুদ্ধ)

খ) সম্যক ব্যায়াম বা প্ৰচেষ্টা চাৰিটা ☐ তিনিটা প্ৰচেষ্টাৰ লগত জড়িত। (শুদ্ধ ☐ অশুদ্ধ)

গ) বৌদ্ধ দৰ্শনে নিৰ্বাণ প্ৰাপ্তিৰ বাবে অষ্টাংগ মাৰ্গ বা আঠটা পথ আছে। (শুদ্ধ ☐ অশুদ্ধ)

প্রশ্ন নং ১০ ঃ বৌদ্ধ দর্শনৰ আঠটা পথ কি কি?

.....

.....

প্রশ্ন নং ১১ ঃ সম্যক আজীৱ বুলি ক'লে কি বুজা যায়?

.....

.....



৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৌদ্ধ দর্শনৰ চাৰিটা মহৎ সত্যক চাৰিটা আর্য্যসত্য বুলি জনা যায়।
- দ্বিতীয় আর্যসত্যৰ মতে প্রত্যেক ঘটনাৰে এটা কাৰণ থাকিবই।
- বৌদ্ধৰ দ্বিতীয় আর্যসত্যই কার্যকাৰণৰ ওপৰত নির্ভৰশীল, সেয়ে ইয়াক প্রতীত্যসমূৎপাদ বুলি জনা যায়।
- বৌদ্ধৰ মতে, অজ্ঞানতাই সকলো দুখৰ মূল কাৰণ।
- কার্যকাৰণবাদৰ বাৰটা শৃংখলক ভৱ চক্র, জন্ম মৰণ চক্র, ধর্মচক্র, প্রতীত্যসমূৎপাদচক্র বুলি জনা যায়।
- বৌদ্ধৰ মতে নির্বাণ কৰিবৰ বাবে আঠটা উপায় আছে আৰু এই আঠ প্রকাৰ মার্গক অষ্টাংগ মার্গ বুলি জনা যায়।
- দুখ নিৰোধ বা দুখৰ নিবৃত্তিক নির্বাণ বুলি কোৱা হয়।



৭.১০ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

1] বৰুৱা, গিৰীশ, *ভাৰতীয় দর্শনত এভুমুকি,* ভাগৱতী প্রকাশন।

2] সেনগুপ্ত, প্রমোদবন্ধু, *ভাৰতীয় দর্শন প্রথম খণ্ড,* ব্যানার্জী পাৱলিশার্স।

ইংৰাজী গ্রন্থ ঃ

1] Chatterjee, S. C. & Dutta, D. M. (1968). *An Introduction to Indian Philosophy*. University of Calcutta.

2] Radhakrishnan, S. (1923). *Indian Philosophy (Vol. 1)*. London : Oxford University Press.

3] Sharma, C. D. (1973). *A Critical Survey of Indian Philosophy*. Delhi : Motilal Banarasidass Publishers Private Limited.



৭.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ গ) শুদ্ধ ঘ) অশুদ্ধ।

২ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষাৰ তিনিটা পাঁচি।

৩ নং প্রশ্নৰ উত্তৰ ঃ হীনযান আৰু মহাযান।

৪ নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ গ) শুদ্ধ।

৫ নং প্রশ্নৰ উত্তৰ ঃ প্রত্যেক ঘটনাৰে একোটা কাৰণ আছে আৰু কাৰণ অবিহনে কোনো ঘটনা ঘটিব নোৱাৰে। সেয়ে, বৌদ্ধই মত দিয়ে যে জীয়াই থকাৰ ইচ্ছাই দুখৰ মূল কাৰণ। যেতিয়া দুখৰ কাৰণটো নোহোৱা হৈ যায় তেতিয়াই জীৱনত পোৱা দুখৰ অৱসান হয়। এইটোৱে ইয়াকে নির্দেশ কৰে যে কাৰণৰ ওপৰত নির্ভৰ কৰিয়েই কার্যৰ সৃষ্টি হয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ নাম-ৰূপ

৭ নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ গ) শুদ্ধ ঘ) শুদ্ধ

৮ নং প্রশ্নৰ উত্তৰ ঃ উপাধি শেষ নির্বাণ আৰু নিৰোপাধি শেষ নির্বাণ

৯ নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ গ) শুদ্ধ

১০ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ দৃষ্টি, শুদ্ধ সংকল্প, শুদ্ধ বাক, শুদ্ধ আচৰণ, শুদ্ধ আজীৱ, শুদ্ধ প্রচেষ্টা, শুদ্ধ স্মৃতি, শুদ্ধ সমাধি।

১১ নং প্রশ্নৰ উত্তৰ ঃ সৎ উপায়েৰে জীৱিকা নির্বাহ কৰাই হ'ল সম্যক আজীৱ। মিছা ভাষ্য আৰু বেয়া কার্যৰ পৰা বিৰত থাকি সৎ উপায়েৰে জীৱিকা নির্বাহ কৰা উচিত।



৭.১২ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ ভাৰতীয় দর্শনত পোৱা আস্তিক সম্প্রদায়সমূহ কি কি?

প্রশ্ন ২ ঃ ভাৰতীয় দর্শনত পোৱা নাস্তিক সম্প্রদায়সমূহ কি কি?

প্রশ্ন ৩ ঃ বৌদ্ধ দর্শনৰ প্রধান দুটা শাখা কি কি?

প্রশ্ন ৪ ঃ বৌদ্ধ দর্শনৰ চাৰিটা আর্যসত্য কি কি?

প্রশ্ন ৫ ঃ প্রতীত্যসমুৎপাদ কি?

প্রশ্ন ৬ ঃ বৌদ্ধ দর্শনৰ অষ্টাংগ মার্গ বোৰ কি কি?

খ) চুটি প্রশ্ন (150টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বৌদ্ধ দর্শনৰ 'চাৰিটা আর্যসত্য'ৰ সম্পর্কে চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ প্রতীত্য সমূৎপাদ কাৰণ চক্র'ৰ বাৰটা শৃংখল কি কি?

প্রশ্ন ৩ ঃ বৌদ্ধ দর্শনক প্রথম আর্যসত্যটো চমুকৈ আলোচনা কৰক।

প্রশ্ন ৪ ঃ বৌদ্ধৰ মতে, শুদ্ধ সমাধি কি?

গ) চমুটোকা লিখক (150টা শব্দৰ ভিতৰত লিখক)

(ক) চাৰিটা আর্যসত্য

(খ) প্রতীত্যসমূৎপাদবাদ

(গ) সম্যক দৃষ্টি

(ঘ) সম্যক স্মৃতি

(ঙ) নির্বাণ

ঘ) ৰচনাধর্মী প্রশ্ন (300–500টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ নির্বাণ ধাৰণাটোৰ বিষয়ে আলোচনা আগবঢ়াওক

প্রশ্ন ২ ঃ বুদ্ধৰ মতে নির্বাণত উপনীত হোৱাৰ উপায় কি? বিশ্লেষণ কৰক।

প্রশ্ন ৩ ঃ বুদ্ধ দর্শনৰ অষ্টাংগ মার্গ ধাৰণাটোৰ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৪ ঃ বৌদ্ধ দর্শনৰ মূল শিক্ষা বুলিলে কি বুজা যায়। আলোচনা আগবঢ়াওক

প্রশ্ন ৫ ঃ চমুকৈ বৌদ্ধ দর্শনৰ পিটক সম্বন্ধে আলোচনা আগবঢ়াওক।

প্রশ্ন ৬ ঃ বুদ্ধ দর্শনৰ চাৰিটা আর্যসত্যৰ ব্যাখ্যা আগবঢ়াওক।

*** ***** ***

অধ্যায় ৮ ঃ বৌদ্ধ দর্শন ঃ ক্ষণিকবাদ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ বৌদ্ধদর্শনৰ সাধাৰণ ধাৰণা
৮.৪ প্রতীত্যসমুৎপাদবাদ
৮.৫ ক্ষণিকবাদৰ ধাৰণা
৮.৬ ক্ষণিকবাদৰ সমালোচনা
৮.৭ অনাত্মাবাদৰ চমু আভাস
৮.৮ অধ্যায়টিৰ পৰা কি শিকিলো
৮.৯ অধিক জানিবলৈ
৮.১০ অগ্রগতিৰ খতিয়ান
৮.১১ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বৌদ্ধদর্শনৰ ওপৰত এক চমু বিৱৰণ দিবলৈ সক্ষম হ'ব
- প্রতীত্যসমূৎপাদক বর্ণনা কৰিবলৈ সক্ষম হ'ব
- ক্ষণিকবাদক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- অনাত্মাবাদক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।

৮.২ পৰিচয়

এই অধ্যায়টোয়ে আপোনালোকক ক্ষণিকবাদৰ ধাৰণাটোৰ সৈতে পৰিচয় কৰাব। কিন্তু, ক্ষণিকবাদৰ বিষয়ে আলোচনা কৰাৰ পূর্বে, আমি প্রতীত্যসমুৎপাদবাদৰ ধাৰণাটো আলোচনা কৰাটো উচিত। প্রতীত্যসমূৎপাদবাদক বুদ্ধৰ সকলো শিক্ষাৰ মূল ভেঁটি হিচাপে ধৰা যায়। ই বুদ্ধৰ দ্বিতীয় আর্য্যসত্যত নিহিত হৈ আছে, যাৰ মতে দুখৰ কাৰণ আছে আৰু তৃতীয় আর্য্য সত্যৰ মাজতো ই নিহিত হৈ আছে, যাৰ মতে দুখ নিবৃত্তিৰ উপায়ো আছে। বুদ্ধৰ বাবে, দুখৰ অর্থ হৈছে সংসাৰ আৰু দুখ নিবৃত্তিৰ অর্থ হৈছে নির্বাণ। মানৱ জীৱনৰ ওপৰত ৰোগ ব্যাধি, বার্ধক্য আৰু মৃত্যুৰ প্রভাৱ পর্য্যবেক্ষণ কৰি বুদ্ধই পার্থিব জীৱনৰ দুখ-যন্ত্রণাৰ পৰা পৰিত্রানৰ সমিধান বিচাৰি তেওঁৰ ৰাজপ্রসাদ ত্যাগ কৰিছিল। এই সমস্যাৰ সমাধান হিচাপে তেওঁ প্রতীত্যসমূৎপাদবাদক লাভ কৰে। ইয়ে হৈছে বুদ্ধৰ শিক্ষাৰ কেন্দ্রবিন্দু আৰু তেওঁৰ অন্যান্য শিক্ষাসমূহো ইয়াৰ পৰা সহজে নিঃসৃত কৰিব পৰা যায়।

৮.৩ বৌদ্ধদর্শনৰ সাধাৰণ ধাৰণা

পৰম্পৰাগতভাৱে, ভাৰতীয় দর্শনক দুটা বহল ভাগত বিভক্ত কৰা হৈছে। সেয়া হৈছেঃ আস্তিক (Orthodox) আৰু নাস্তিক (Heterodox) ভাৰতীয় দর্শনৰ ক্ষেত্রত আস্তিক বা বৈদিক শব্দৰ দ্বাৰা আমি সেইবোৰ দার্শনিক সম্প্রদায়ক বুজো, যিয়ে বেদৰ কর্ত্তৃত্ব স্বীকাৰ কৰে। অর্থাৎ বেদক স্বতঃসিদ্ধ আৰু একমাত্র প্রামান্য গ্রন্থ হিচাপে স্বীকাৰ কৰে। আকৌ, নাস্তিক বা অবৈদিক শব্দৰ দ্বাৰা আমি সেইসমূহ দার্শনিক সম্প্রদায়ক বুজো, যিয়ে বেদৰ কর্ত্তৃত্ব মানি নচলে; অর্থাৎ বেদক স্বতঃসিদ্ধ আৰু একমাত্র প্রামানিক গ্রন্থ ৰূপে স্বীকাৰ নকৰে। ৯ টা দার্শনিক সম্প্রদায়ৰ ভিতৰত সাংখ্য, যোগ, ন্যায়, বৈশেষিক, মীমাংসা আৰু বেদান্তক আস্তিক নাইবা বৈদিক বুলি জনা যায় আৰু চার্বাক, জৈন আৰু বৌদ্ধ দর্শনক নাস্তিক বা অবৈদিক বুলি জনা যায়, যিহেতু তেওঁলোকে বেদৰ অস্তিত্বক অস্বীকাৰ কৰিছে।

এইদৰেই বৌদ্ধ দর্শনে বেদৰ কর্ত্তৃত্বক অস্বীকাৰ কৰিছে আৰু ই প্রকৃতিগতভাৱে নাস্তিক বা অবৈদিক। বৌদ্ধদর্শন হৈছে বুদ্ধদেৱৰ শিক্ষা নাইবা বাণীসমূহৰ ব্যাখ্যা। প্রকৃতার্থত শিক্ষা নাইবা বাণীসমূহৰ ব্যাখ্যা। প্রকৃতার্থত, বুদ্ধদেৱ আছিল এজন নৈতিক গুৰু যিয়ে মৌখিক ভাৱে নিজৰ বাণীসমূহ প্রচাৰ কৰিছিল। তেওঁ শিক্ষা বা বাণীসমূহ 'ত্রিপিট্‌ক' নাইবা 'নীতিৰ তিনিটা খৰাহী'ৰ জৰিয়তে পাব পৰা যায়। এই তিনিটা পিট্‌ক হৈছেঃ (i) বিনয় পিট্‌ক (ii) সুওপিট্‌ক আৰু (iii) অভিধর্ম্ম পিট্‌ক। বিনয় পিট্‌ক সুনিয়মৰ ব্যৱহাৰিক শাসন প্রণালীৰ সৈতে জড়িত। সুত্তপিট্‌ক ত সৰু সৰু গল্পৰ মাধ্যমত বুদ্ধদেৱৰ ধর্মোপদেশ, বাণী আৰু মত লিপিবদ্ধ কৰা হৈছে। আকৌ, অভিধর্ম্ম পিটকত বুদ্ধদেৱৰ বচনৰ ব্যাখ্যা, বিশ্লেষণ আৰু ভাষ্য অন্তর্ভুক্ত হৈছে। অর্থাৎ, অভিধম্ম পিটক দার্শনিক আলোচনাৰ লগত জড়িত।

সাধাৰণতে, উপনিষদৰ মতে কেৱল শ্বাশ্বত আত্মা নাইবা ব্রহ্ম (Brahman) ই সত্য। ই হৈছে সর্বশ্রেষ্ঠ নাইবা অতীন্দ্রিয় সত্য, বিবেক আৰু পৰম সুখ। আনহাতে, বুদ্ধই কয় যে, সকলো অস্থায়ী স্থায়ী বোলা কোনো আত্মা নাথাকে, আত্মা হৈছে মন আৰু শৰীৰৰ এক ক্ষণস্থায়ী প্রৱাহ মাত্র। জগতত ক্ষণস্থায়ী গুণাৱলীসমূহৰ বাহিৰে কোনোধৰণৰ স্থায়ী দ্রব্য নাই। আমাৰ জীৱনটো দুখেৰে ভৰপুৰ, আনকি সমস্ত জগতখনেই দুখেৰে পৰিপূর্ণ। দুখ আহে আমাৰ জীয়াই থকাৰ ইচ্ছাৰ হেতু। আকৌ, অজ্ঞানতাৰ হেতু আমি জীয়াই থাকিব বিচাৰো। অবিদ্যা বা অজ্ঞানতা হৈছে অস্থায়ীক স্থায়ী বুলি ভৰাৰ ভ্রান্ত জ্ঞান। ই হৈছে সকলো দুখৰ মূল কাৰণ। বুদ্ধৰ নীতি বা শিক্ষাৰ লক্ষ্য হৈছে অবিদ্যা দুৰ কৰা আৰু এই জগতত নির্বাণ লাভ কৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলৰ বক্তব্যসমূহ সত্য নে অসত্য উল্লেখ কৰক ঃ

(ক) বৌদ্ধদর্শনে বেদৰ কর্ত্তৃত্ত স্বীকাৰ কৰে। (সত্য / অসত্য)

(খ) বৌদ্ধদর্শন বুদ্ধৰ শিক্ষা বা বাণীৰ ব্যাখ্যা। (সত্য / অসত্য)

(গ) নৈতিক গুৰু বুদ্ধই মৌখিকভাৱে তেওঁৰ বাণীসমূহ প্ৰচাৰ কৰিছিল।
(সত্য /অসত্য)

(ঘ) বেদ্ধৰ শিক্ষাৰ মূল লক্ষ্য নিৰ্বাণ প্ৰাপ্তি। (সত্য /অসত্য)

প্ৰশ্ন নং ২ ঃ বুদ্ধৰ মতে দুখৰ মূল কাৰণ কি ?

প্ৰশ্ন নং ৩ ঃ বুদ্ধ কি শিক্ষা দিছিল ?

৮.৪ প্ৰতীত্যসমূৎপাদবাদ

বৌদ্ধদৰ্শনৰ মূল ভেটি হৈছে প্ৰতীত্য সমুৎ পাদবাদ। 'প্ৰতীত্য' শব্দৰ অৰ্থ 'প্ৰাপ্ত হোৱা' বা 'পোৱা' আৰু 'সমুৎপাদ' শব্দৰ অৰ্থ হ'ল 'উৎপত্তি' বা 'উদ্ভৱ'। কোনো বস্তু এটা প্ৰাপ্ত হোৱাৰ পাছত আন এটা বস্তুৰ উৎপত্তি নাইবা কিবা এটাৰ ওপৰত নিৰ্ভৰ কৰি আন এটা বস্তুৰ উৎপত্তি বা উদ্ভৱ। এই সংসাৰত বিনা কাৰণত বাআকস্মিকভাৱে একোৱেই নঘটে। এটা কাৰ্যৰ উৎপত্তি নিৰ্ভৰ কৰে কিবা এটা কাৰণ নাইবা চৰ্ত্তৰ ওপৰত। যদিহে কাৰণ আৰু উপকাৰণসমূহ অদৃশ্য হৈ যায়, তেতিয়া কেৱল কাৰ্য্যটোহে দৃশ্যমান হৈ উঠে। অৰ্থাৎ, কাৰণ আৰু উপকাৰণৰ ধ্বংসৰ পৰাই এটা কাৰ্য্যৰ সৃষ্টি হয়। চিন্তাৰ বস্তুবোৰ অনিবাৰ্য্যভাৱে সম্বন্ধ বিষয়ক (relative) । প্ৰতীত্য সমূৎপাদবাদৰ কাৰ্য্য-কাৰণ চক্ৰ নাইবা ভৱচক্ৰৰ বাৰটা নিদানক তলত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি ঃ

১। অজ্ঞানতা (Avidya)
২। সংস্কাৰ (Samskara)
৩। বিজ্ঞান (Vijnana)
৪। নাম- ৰূপ (Nama-rupa)
৫। ষড়ায়তন (Sadayatana)
৬। স্পৰ্শ (Sparsa)
৭। বেদনা (Vedana)
৮। তৃষ্ণা (Trishna)
৯। উপাদান (Upadana)
১০। ভৱ (Bhava)
১১। জাতি (Jati)
১২। জৰা-মৰনাদি (Jara-maranadi)

এই দ্বাদশ নিদানৰ মাজত প্ৰথম দুটা আমাৰ অতীত জীৱনৰ সৈতে জড়িত, শেষৰ দুটা আমাৰ ভৱিষ্যৎ জীৱন আৰু বাকীকেইটা বৰ্ত্তমান জীৱনৰ সৈতে জড়িত। সেয়েহে, ইয়াক জন্ম আৰু মৃত্যুৰ চক্ৰ বা ভৱচক্ৰ হিচপে ধৰা হয়। ই হৈছে কাৰণতাৰ বিদ্বেষপূৰ্ণ চক্ৰ। এই চক্ৰ মৃত্যুৰ লগতে শেষ হৈ নাযায়। মৃত্যুক এক নতুন জীৱনৰ পাতনি ৰিপে ধৰা হয়। ইয়াকে ভৱচক্ৰ বোলা হয় ।এই প্ৰতীত্য সমূৎপাদবাদৰ বাৰটা কাৰণক ধ্বংস কৰিব পৰা যায় কেৱল তেতিয়া, যেতিয়া

ইয়াৰ মূল কাৰণ অবিদ্যা বা অজ্ঞনতাক নাশ কৰা হয়।

প্রতীত্যসমূৎপাদবাদৰ মতবাদটোৱে ক্রমে আকস্মিকতাবাদ (Accidentalism), স্বভাৱবাদ (Naturalism), নিয়তিবাদ (Fatalism) আৰু অলৌকিকতাবাদ (Supernaturalism)ৰ বিৰোধীতা কৰিছে। কাৰণ, আকস্মিকতাবাদৰ মতে, এটা ঘটনা আকস্মিকভাৱে ঘটে, আৰু ই কার্য্য কাৰণ নীতিক অস্বীকাৰ কৰিছে। আকৌ, স্বভাৱবাদে পোষণ কৰে যে, এটা কার্য্যৰ উৎপত্তি হয়। তাৰ নিজৰ মাজত নিহিত স্বভাৱৰ বাবে। নিয়তিবাদে উল্লেখ কৰে যে, ভাল আৰু বেয়া সকলো বস্তুৱেই নিয়তিৰ দ্বাৰা পূর্বনির্দ্ধৰিত হৈ থাকে। আগলৈ, অলৌকিকতাবাদে পোষণ কৰে যে, এটা ঘটনাৰ উৎপত্তি হয় ঈশ্বৰৰ অলৌকিক হস্তক্ষেপৰ দ্বাৰা। সেইহেতু, বৌদ্ধদর্শনে গ্রহণ কৰে যে, শাৰীৰিক আৰু মানসিক সকলো অস্তিত্ব কাৰণতাৰ সার্বিক নীতিৰ বিষয় । কোনো বস্তু অকাৰণ আৰু চিৰন্তন নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ প্রতীত্য সমূৎপাদৰ অর্থ কি ?

.....

প্রশ্ন নং ৫ ঃ প্রতীত্য সমূৎপাদবাদে কিয় আকষস্মিকতাবাদৰ বিৰোধীতা কৰিছে?

.....

প্রশ্ন নং ৬ ঃ বুদ্ধই 'কোনো বস্তু অকাৰণ আৰু চিৰন্তন নহয়' বুলি কিয় উল্লেখ কৰিছে?

.....

৮.৫ ক্ষনিকবাদৰ ধাৰণা

প্রতীত্য সমুৎপাদবাদে বস্তুৰ ক্ষণস্থায়ী স্বভাৱৰ বুদ্ধৰ মতবাদক স্পষ্ট কৰিছে। বুদ্ধৰ মতে সকলো বস্তু পৰিবর্ত্তন আৰু ধ্বংসৰ বিষয়। যিহেতু সকলো বস্তু কেতবোৰ চর্ত বা উপকাৰণৰ পৰা সৃষ্টি হয়, সেয়ে ইয়াৰ বিনাশৰ লগে লগে বস্তুটোও অদৃশ্য হৈ পৰে। বহুতো কবি আৰু দার্শনিকে জীৱন আৰু পার্থিব বস্তুৰ ক্ষণস্থায়ীত্বৰ বিষয়ে উল্লেখ কৰিছে। এই মতামতে বুদ্ধৰ শিক্ষাত অস্থায়ীত্বৰ মতবাদৰ মর্য্যদা লাভ কৰিছে। তেওঁৰ শিষ্যসকলে ইয়াক ক্ষণিকবাদ হিচাপে প্রস্ফুটিত কৰে। 'ক্ষনিক' শব্দৰ অর্থ হৈছে সকলো বস্তুৰে চর্তসাপেক্ষৰ লগতে অ-স্থায়ী অস্তিত্ব আছে আৰু সকলো বস্তু সময়ৰ আনকি অতি কম মুহুর্ত্তৰ বাবেও বর্তি নাথাকে, কিন্তু কেৱল এক অংশবিহীন ক্ষণৰ বাবেহে এইবোৰ অস্তিত্বশীল।

বুদ্ধৰ মতে, এই বিশ্ব -ব্রহ্মাণ্ডত একোৱেই স্থায়ী নহয়। তেওঁৰ বাবে শৰীৰ, সংবেদন আৰু বিবেক অস্থায়ী আৰু দুখদায়ক। ইয়াৰ কোনোটোৱেই আচল নহয়। ই দ্রব্য বা সত্ত্বাৰ শূণ্য আকাৰ। বস্তুৰ অস্থায়ীত্ব, অন্তহীন পৰিবর্তন আৰু বস্তুৰ আকাৰৰ পৰিবর্ত্তণৰ দ্বাৰা আকৃষ্ট হৈ বুদ্ধই এক পৰিবর্তনৰ দর্শনৰ গঢ় দিয়ে। তেওঁ প্রতিষ্ঠা কৰে যে, জীৱন, সংভৱন আৰু বিলুপ্তি প্রকাশৰ এক ধাৰাৰ বাহিৰে আন একো নহয়। সকলো বস্তুৰ পৰিবর্তন হয়। মানৱ আৰু স্বর্গ বুলি

একো নাথাকে, যি স্থায়ী। উদাহৰণ স্বৰূপে: দুই শিখাক দেখাত অপৰিবর্তনীয় যেন লাগে, কিন্তু প্রত্যেক মুহূর্ত্তত ই বেলেগ আৰু সেই একেটা শিখা নহয়। বোৱঁতী পানীৰ প্রত্যেক প্রৱাহেই নতুন। সকলো বস্তুৰেই সংভৱন বৌদ্ধদর্শনৰ কেন্দ্রীয় সত্য। চৰম সত্তা জগতত কোনো বস্তুৰেই গুণ নহয়।

বস্তুৰ পৰিচয় হৈছে সংভৱনৰ ধাৰাবাহিকতাৰ বাবে কেৱল এক অন্য নাম। এটা শিশু এজন যুৱক এজন মানুহ এজন বৃদ্ধ মানুহ একেজন ব্যক্তিয়েই। বীজ আৰু গছজোপা একে। এহাজাৰ বছৰ পুৰণি আহঁতগছ এজোপা বীজটোৰ সৈতে একে য'ৰ পৰা ই বৃদ্ধি পায়। ই হৈছে এক অনুক্রম, যিয়ে এক অবিচ্ছিন্ন পৰিচয়ৰ আকাৰ প্রদান কৰে। এটা মুহূর্ত্তৰ পৰা আন এটা মুহূর্ত্তলৈ আপাত পৰিচয় গঠিত হয় বহুতো মুহূর্ত্তৰ এক প্রৱাহত, যাক আমি এক কেতিয়া পৰিবর্তন নোহোৱা পৰিচয়ৰ প্রৱাহ বুলিব পাৰো। স্থায়ী নিম্নস্তৰৰ অনুপস্থিতিত জগতৰ ধাৰাবাহিকতাৰ বাবে বুদ্ধই কার্য্য কাৰণ নীতি ঘোষণা কৰিছিল আৰু ইয়াক ধাৰা বাহিকতাৰ ভিণ্ডি হিচাপে প্রতিষ্ঠা কৰিছিল। সংভৱনৰ শাশ্বত প্রৱাহৰ পৰিণামৰ সৈতে সার্বিক কার্য্য কাৰণ নীতিটো হৈছে ভাৰতীয় দর্শনলৈ বুদ্ধদেৱৰ মুখ্য অৱিহণা। বুদ্ধৰ দৃষ্টিত অস্তিত্ব হৈছে ৰূপান্তৰকৰণ। ই হৈছে ক্রমাগত অৱস্থাৰ এক ক্রম বা শ্রেণী। উৎপাদন (Utpada), স্থিতি (Staying), জৰা (growth) আৰু নিৰোধ (destruction) অত নির্দ্দেশ কৰাৰ দৰে সকলো, বস্তু পৰিবর্তনৰ অধীন।

পূর্বৰ বৌদ্ধদর্শনৰ দ্বাৰা আগবঢ়োৱা অস্থায়ীত্বৰ মতবাদটো বুদ্ধৰ অনুগামীসকলৰ দ্বাৰা ক্ষণিকবাদ হিচাপে বিকাশ লাভ কৰিছে। কিন্তু এই খিনিতে উল্লেখ কৰিব লাগিব যে, অস্থায়ীত্বৰ ধাৰণাটো ক্ষনিকতাৰ ধাৰণাৰ পৰা পৃথক। কাৰণ, যেতিয়া আমি কওঁ যে 'বস্তুবোৰ অনিত্য বা অস্থায়ী'- এইযাৰ কথা 'বস্তুবোৰ ক্ষণিক'- কথাযাৰৰ পৰা পৃথক । বুদ্ধই অ-মানসিক সত্ত্বাৰ অনিত্য স্বভাৱৰ পৰা মানসিক প্রক্রিয়াৰ ক্ষনিক স্বভাৱক স্পষ্টকৈ পার্থক্য কৰি দেখুওৱাইছে। যেতিয়া ক্ষণিক স্বভাৱটো সকলো অস্তিত্বলৈ প্রসাৰিত কৰা হয়, তেতিয়াই আমি ক্ষণিকবাদক পাওঁ। বুদ্ধৰ অনুগামীসকলে বিশ্বাস কৰিছিল যে সকলো অস্তিত্বই ক্ষণিক। তেওঁলোকৰ বাবে স্থায়ী বা নিত্য অস্তিত্বৰ ধাৰণা এক বিৰোধ। এই কথা উল্লেখ কৰিব পৰা যায় যে ক্ষণিকবাদ মতবাদটো বৌদ্ধ দর্শনৰ হীনমান সম্প্রদায়ৰ আটাইতকৈ গুৰুত্বপূর্ণ মতবাদ। এই মতবাদ অনুসৰি, প্রত্যেক বস্তুৰেই জন্ম আৰু মৃত্যু, উৎপত্তি আৰু ধ্বংস আৰু সৃষ্টি আৰু বিনাশৰ বিষয়।

বুদ্ধৰ বাবে অস্তিত্ব অনিত্য। সকলো বস্তু, মানসিক আৰু শাৰিৰীক পৰিবর্তনশীল। অস্তিত্বও নাই, অ-অস্তিত্বও নাই, আছে কেৱল সংভৱণ (becoming)। সকলোবোৰ সংভৱন, পৰিবর্তনশীল, আৰু প্রবাহমান। সংভৱণৰ জগতখন কার্য্য-কাৰণ নীতি (প্রতীত্যসমুৎপাদবাদ)ৰ দ্বাৰা পৰিচালিত হয়। প্রত্যেক ব্যক্তি বিবেকৰ ক্ষণিক পর্য্যায়বোৰৰ এক শৃঙ্খলামাত্র। ক্ষণিকবাদ প্রতীত্য সমুৎপাদবাদৰেই পৰিণাম। বস্তুবোৰ সিহঁতৰ কাৰণ আৰু উপকাৰণৰ ওপৰত নির্ভৰশীল। যিহেতু বস্তুবোৰ আপেক্ষিক, নির্ভৰশীল, চর্তযুক্ত আৰু সীমিত, সেয়ে সেইবোৰ ক্ষণিক হ'বই লাগিব। আমি যদি কওঁ যে এটা বস্তু, তাৰ কাৰণৰ ওপৰত নির্ভৰ কৰি আহে, তেন্তে ই এই কথা স্বীকাৰ কৰি লয় যে ই ক্ষণিক বা ক্ষণস্থায়ী , কাৰণ যেতিয়াই ইয়াৰ কাৰণটো নাইকীয়া হয়, লগে

লগে সেই বস্তুটো নাইবা কার্যটোও নোহোৱা হৈ পৰে। অর্থাৎ, যাৰ সৃষ্টি হয়, নাইবা জন্ম হয়, নাইবা উৎপত্তি হয়, সি মৃত্যু আৰু বিনাশৰ বিষয় হ'বই। আকৌ, যি মৃত্যু আৰু বিনাশৰ বিষয়, সি কেতিয়াও নিত্য বা স্থায়ী হ'ব নোৱাৰে। তাৰোপৰি যি নিত্য নহয়, সি ক্ষণিক। অনাত্মাবাদ মতবাদটো ইয়াৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। যিহেতু, সকলো ক্ষণিক, আত্মাও ক্ষনিক আৰু সেইবাবে ই আপেক্ষিক আৰু অসত্য। স্থায়ী বা নিত্য আত্মা বুলি একো নাই, কিন্তু সি কেৱল ক্ষণিক মানসিক প্রক্রিয়াৰ অনুক্রম মাত্র। এইদৰেই সকলো কেৱল এক ক্ষণলৈহে বর্তি থাকে।

৮.৬ ক্ষণিকবাদৰ সমালোচনা

ক্ষণিকবাদ মতবাদটো বহুতো চিন্তাবিদৰ দ্বাৰা সমালোচিত হৈছে। কাৰণ, যদিহে আমি ক্ষণিকবাদৰ মতটো গ্রহণ কৰোঁ তেন্তে আমি কাৰণতো আৰু ধাৰাবাহিকতাক, সিহঁতৰ স্থায়ীত্ব আৰু পৰিচয়ৰ সহসম্বন্ধৰ সৈত্যে মানি ল'ব লাগিব নাইবা জগতখনক আসুৰিক শক্তিৰ ভুত প্রেতৰ এক নৃত্যত ব্যাখ্যা কৰিব লাগিব আৰু ইয়াক জনাৰ সকলো প্রয়াস ত্যাগ কৰিব লাগিব। শংকৰাচার্য্যই স্থায়ীত্বৰ ভাৱৰ সৈতে কাৰণতা আৰু ক্ষণিকবাদৰ মাজত অসংলগ্নতাক আঙুলিয়াই দেখুওৱাইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ তলৰ বক্তব্যসমূহ সত্য নে অসত্য উল্লেখ কৰকঃ

(ক) ক্ষণিকবাদ মতবাদটো প্রতীত্যসমুৎপাদবাদৰ ওপৰত প্রতিষ্ঠিত। (সত্য /অসত্য)

(খ) বুদ্ধৰ মতে, সকলো নিত্য আৰু চিৰন্তন। (সত্য /অসত্য)

(গ) বৌদ্ধদর্শনে পোষণ কৰে যে, নিত্য অস্তিত্বৰ ধাৰণাটো এক বিৰোধী উক্তি। (সত্য /অসত্য)

(ঘ) বুদ্ধৰ বাবে সকলো কেৱল এক ক্ষণৰ বাবেহে বর্তি থাকে। (সত্য /অসত্য)

(ঙ) বুদ্ধই বস্তুৰ সাৰমর্মক প্রত্যাখান কৰিছে। (সত্য /অসত্য)

প্রশ্ন নং ৮ ঃ ক্ষণিকবাদ মতবাদটো কি?

.....

৮.৭ অনাত্মাবাদৰ চমু আভাস

বৌদ্ধদর্শনৰ আটাইতকৈ মূল্যবান মতবাদবোৰ ভিতৰত এটা হৈছে অনাত্মাবাদ। সাধাৰণতে, এটা সামান্য বিশ্বাস আছে যে, মানুহৰ মাজত আত্মা নামৰ এক চিৰন্তন সত্ত্বা আছে। ই শৰীৰত অতিক্রম কৰা সকলো পৰিবর্ত্তনৰ মাজেৰে অবিৰত হৈ থাকে আৰু জন্ম আৰু মৃত্যুৰ পাছতো অস্তিত্বশীল হৈ থাকে। আকৌ, আত্মাক এটা শৰীৰৰ পৰা আন এটা শৰীৰলৈ পৰিবর্তন

কৰা বুলিও বিশ্বাস কৰা হয়। কিন্তু চৰ্তযুক্ত অস্তিত্ব আৰু সাৰ্বিক পৰিবৰ্ত্তনৰ লগত বুদ্ধই আত্মাৰ অস্তিত্ব নুই কৰিছে। বুদ্ধৰ মতে, মানুহ হৈছে বিভিন্নধৰণৰ অৱয়ব, পার্থিৱ শৰীৰ (কায়া), অপার্থিৱ মন (মন) আৰু আকৃতি বিহীন চৈতনা (বিজ্ঞান)ৰ এক সংগ্রহৰ বাবে কেৱল এক প্রচলিত নামহে। এখন ৰথ যিদৰে চকা, অক্ষ দণ্ড, শলখা আদিৰ এক সংগ্রহ মাত্র, ঠিক সেইদৰে মানুহৰ অস্তিত্তও সেইবোৰৰ সংগ্রহৰ ওপৰত নির্ভৰশীল আৰু ইয়াৰ অস্তিত্ব লুপ্ত হৈ পৰে, এই সংগ্রহ ভঙ্গঁ হৈ পৰে। আত্মা নাইবা অহংৰ দ্বাৰা এই সংগ্রহৰ বাহিৰে আন একোকে নির্দ্দেশ নকৰে।

অনাত্মাবাদৰ দুই প্রকাৰৰ অর্থ থাকিব পাৰেঃ

(i) আত্মা হৈছে অনিত্য মানসিক আৰু শাৰীৰিক প্রক্রিয়াৰ এক সমুদায়। (ii) জগতখন অবাস্তৱ আৰু শূন্য। আত্মা অনিত্য। ই ক্রমাগত মানসিক আৰু শাৰীৰিক প্রক্রিয়াৰ ক্রম, যিবোৰ অস্থায়ী বা অনিত্য। ই জ্ঞান বিষয়ৰ এক প্রৱাহ। ইয়াৰ মাজত অবিৰত পৰিবর্তনশীল মানসিক প্রক্রিয়াৰ এক ধাৰা বা প্রবাহ বিদ্যামান। আত্মা হৈছে শৰীৰ আৰু চাৰি প্রকাৰৰ মানসিক প্রক্রিয়া অনুভূতি, প্রত্যক্ষ, ইচ্ছা আৰু আত্ম-চৈতন্যৰ এক সমুদায়।

সেয়েহে, বুদ্ধৰ অনাত্মাবাদৰ অর্থ হৈছে যে, জগতখন অবাস্তৱ আৰু আত্মাবিহীন। সকলো চিৰন্তন বস্তু পৰিবর্ত্তনশীলতাৰ গুণাৱলীৰ এক সংগ্রহ বা সমুদায়। অস্তিত্বৰ সকলো ৰূপ, পার্থিব আৰু শাৰিৰীক, অনিত্য আৰু আত্মাবিহীন। আত্মাৰ ধাৰণাটোক চৈতন্যৰ এক অ-ভঙ্গুঁৰ প্রৱাহৰ দ্বাৰা স্থানান্তৰকৰণ কৰা হৈছে। যিহেতু চেতন্যৰ বর্ত্তমান অৱস্থাই ইয়াৰ বৈশিষ্ট্যসমূহ পূর্বৰ চৈতন্যৰ পৰা উত্তৰাধিকাৰী সূত্রে আহে, সেয়ে অতীত ইয়াৰ কার্য্যৰ জৰিয়তে বর্ত্তমানত চলি থাকে। এইদৰেই, স্মৃতিক আনকি এক আত্মাৰ অবিহনেও বুজিব পৰা হৈ পৰে। আত্মাৰ এই অ-স্তিত্বৰ মতবাদ (অনাত্মাবাদ) টোৰ বৌদ্ধ শিক্ষাত এক গুৰুত্বপূর্ণ ভূমিকা আছে।

আকৌ, বুদ্ধৰ মতে, এক মানসিক দৃষ্টিকোণৰ পৰা মানুহক পাঁচ প্রকাৰৰ পৰিবতনশীল অৱস্থা, যাক কোৱা হয় পঞ্চস্কন্ধ (panch-skandhas), তাৰ এক সংযোজন হিচাপে ধৰিব পৰা যায়। সেইকেইটা হৈছে ঃ (i) ৰূপ (form), যি গঠিত হয় বিভিন্ন উৎপাদকৰ দ্বাৰা, যাক আমি ৰূপ থকা এই শৰীৰত প্রত্যক্ষ কৰোঁ; (ii) অনুভূতি (Vedana), অর্থাৎ সুখ, দুখ আৰু উদাসীনতাৰ অনুভূতি; (iii) বোধ আৰু জ্ঞান (Sanjna) ক সাঙুৰি প্রত্যক্ষ; (iv) অতীতৰ অভিজ্ঞতাৰ সাঁচৰ দ্বাৰা সৃষ্টি হোৱা বাসনা (Samskara) আৰু চৈতন্য বা বিবেক (Vijnana)। শেষৰ চাৰিটা নাম (Nama) ৰূপে জনা যায়। গতিকে, এই 'নামৰূপ' (nama-rupa) ৰ সংযোজনৰ বাহিৰে মানুহৰ মাজত কোনো শাশ্বত আত্মা নাই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ অনাত্মাবাদৰ দুই প্রকাৰৰ অর্থ কি কি ?

.....

প্রশ্ন নং ১০ ঃ বুদ্ধৰ মতে আত্মা কি ?

.....



৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৌদ্ধদর্শনৰ মতে এই বিশ্ব-ব্রহ্মাণ্ডত সকলো অনিত্য।
- বুদ্ধৰ অনিত্যবাদৰ মতবাদটো তেওঁৰ অনুগামী সকলৰ দ্বাৰা ক্ষণিকবাদ হিচাপে বিকাশ লাভ কৰিছে।
- বুদ্ধৰ বাবে জীৱনটো সংভৱন আৰু বিলুপ্তিৰ প্রকাশৰ কেৱল এক ক্রমৰ বাহিৰে একো নহয়।
- সকলো পৰিবর্তনশীল, আনিত্য আৰু প্রৱাহ।
- ভাৰতীয় চিন্তাধাৰালৈ সংভৱনৰ চিৰন্তন প্রৱাহৰ পৰিণামৰ সৈতে সার্বিক কার্য্য কাৰণৰ নীতিয়েই হৈছে বৌদ্ধদর্শনৰ মুখ্য আৰিহনা।
- বৌদ্ধদর্শনৰ মতে নিত্য অস্তিত্ব হৈছে আত্ম বিৰোধী।
- প্রতীত্য সমুৎপাদবাদে স্যব্যস্ত কৰে যে, যিয়েই অস্তিত্বশীল, সি কাৰণ আৰু উপকাৰণৰ পৰাই উদ্ভৱ হয়।
- সকলো অস্তিত্বই ক্ষণিক আৰু সকলো কেৱল এটা ক্ষণৰ বাবেহে বর্তি থাকে।
- চিৰন্তন বুলি কোনো আত্মা নাথাকে। কিন্তু, ই অনিত্য মানসিক আৰু শাৰীৰিক প্রক্রিয়াৰ এক সমাহাৰ মাত্র।



৮.৯ অধিক জানিবলৈ

1] Chatterjee, S.C. and Dutta. D.M. (1984), An Introduction to Indian Philosophy. University of Calcutta.

2] Hiriyana. M. (1990). Qutlinens of Indian Philosophy, Delhi: Matilal Baanarasidass Publishers. Pvt. Ltd.

3] S. Radhakrishnan(1920), Indian Philosophy, (2 volumes). Oxford University Press.

4] Sharma, C.D. (1997). A Critical Survey of Indian Philosophy. Delhi: Motilal Banarasidass Publishers Pvt. Ltd.

5] Sinha. J.N. (2010). Q utlines of Indian Philosophy, Kolkata: New Central Book Agencey Ptv. Ltd.



৮.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) অসত্য (খ) সত্য (গ) সত্য (ঘ) অসত্য (ঙ) সত্য

২ নং প্রশ্নৰ উত্তৰ ঃ অবিদ্যা বা অজ্ঞানতাই হৈছে দুখৰ মূল কাৰণ।

৩ নং প্রশ্নৰ উত্তৰ ঃ বুদ্ধই শিক্ষা দিছিল যে এই বিশ্ব ব্রহ্মাণ্ডত সকলো বস্তুৰেই অনিত্য; একোৰেই চিৰন্তন নাই।

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রতীত্য সমুৎপাদৰ অর্থ হৈছে সৃষ্টি হোৱা (সমুৎপাদঃ, কিবা এটা পোৱাৰ পাছত (প্রতীত্য)। ই কাৰণ আৰু উপকাৰণৰ এক সম্পূর্ণতাৰ অধীনত সম্ভৱ এক কার্য্যৰ উৎপাদনক বুজায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ কাৰণ, আকস্মিকতাবাদে ভাৱে যে এটা ঘটনা হৈছে এক আকস্মিক সংঘটন আৰু ই কার্য্য কাৰণ নীতিক অস্বীকাৰ কৰিছে।

৬ নং প্রশ্নৰ উত্তৰ ঃ বুদ্ধৰ মতে এই বিশ্ব-ব্রহ্মাণ্ডৰ প্রত্যেকৰেই এটা কাৰণ আছে। কাৰণ অবিহনে একোৰেই নঘটে। একো বস্তু বা ঘটনা হঠাৎ সৃষ্টি নহয়। শাৰীৰিক আৰু মানসিক সকলো অস্তিত্বই কার্য্য কাৰণৰ সার্বিক নীতিৰ বিষয় বা অধীন। সেয়ে, একো বস্তু বা ঘটনা কাৰণ বিহীন আৰু শাশ্বত নহয়।

৭ নং প্রশ্নৰ উত্তৰ ঃ সত্য (খ) অসত্য (গ) সত্য (ঘ) সত্য (ঙ) সত্য।

৮ নং প্রশ্নৰ উত্তৰ ঃ ক্ষনিকবাদ বৌদ্ধদর্শনৰ গুৰুত্বপূর্ণ মতবাদসমূহৰ মাজৰ এটা। এই মতবাদ অনুসৰি সকলোৰে চর্ত থকাৰ লগতে অস্থায়ী বা অনিত্য অস্তিত্ব আছে। আৰু বস্তুবোৰ আনকি সময়ৰ এক সৰু ক্ষণৰ বাবেই নহয়, বৰঞ্চ এক অভিক্ত ক্ষণৰ বাবেহে কেৱল বর্তি থাকে।

৯ নং প্রশ্নৰ উত্তৰ ঃ (i) আত্মা হৈছে অনিত্য মানসিক ও শাৰীৰিক প্রক্রিয়াৰ এক সমুদায়। (ii) জগতখন অবাস্তৱ আৰু শূণ্য।

১০ নং প্রশ্নৰ উত্তৰ ঃ বুদ্ধৰ মতে, আত্মা অনিত্য। ই হৈছে ক্রমশঃ মানসিক ও শাৰীৰিক প্রক্রিয়াৰ অনুক্রম, যি অনিত্য। ই হৈছে জ্ঞান বা জ্ঞাত বিষয়ৰ এক প্রবাহ।



৮.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ২ ঃ বৌদ্ধ দর্শনক কিয় নাস্তিক দর্শন বোলা হয়?

প্রশ্ন ২ ঃ বুদ্ধৰ শিক্ষণৰ দিশ বা উপায় কি?

প্রশ্ন ৩ ঃ প্রতীত্য সমুৎপাদ কি?

প্রশ্ন ৪ ঃ দুখৰ মূল কাৰণ কি?

প্রশ্ন ৫ ঃ অবিদ্যা কি?

(খ) চমু প্রশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ক্ষণিকবাদ সম্পর্কে চমুকৈ আলোচনা কৰক।

প্রশ্ন ২ ঃ প্রতীত্যসমুৎপাদবাদৰ ভৱ-চক্রৰ বাৰটা সংযোগ কি কি?

প্রশ্ন ৩ ঃ বুদ্ধৰ অনাত্মাবাদৰ চমু বিৱৰণ দিয়ক।

প্রশ্ন ৪ ঃ 'ত্রিপিটক' সম্পর্কে চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৫ ঃ অনিত্যবাদ আৰু ক্ষণিকবাদৰ মাজৰ পার্থক্য উল্লেখ কৰক।

(গ) চমুটোকা লিখক।

প্রশ্ন ১ ঃ প্রতীত্যসমুৎপাদবাদ

প্রশ্ন ২ ঃ অনাত্মাবাদ

প্রশ্ন ৩ ঃ পঞ্চস্কন্ধ

(ঘ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ সমালোচনাসহ ক্ষণিকবাদৰ আলোচনা কৰক।

প্রশ্ন ২ ঃ 'ত্রকোৱেই বিনা-কাৰণ আৰু শাশ্বত নহয়'- ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ আত্মাৰ- মতবাদটোক বৌদ্ধদর্শনত কিয় 'অনাত্মাবাদ' হিচাপে জনা যায়?- ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ বৌদ্ধ দর্শন ঃ নির্বাণৰ ধাৰণা

অধ্যায় গাঁথনি

9.1 উদ্দেশ্য
9.2 পৰিচয়
9.3 বৌদ্ধদর্শনৰ ওপৰত এক চমু আলোকপাত
9.4 চাৰি আর্য্যসত্যৰ ধাৰণা
9.5 1ম আর্য্যসত্য
9.6 2য় আর্য্যসত্য
9.7 3য় আর্য্যসত্য
9.8 4র্থ আর্য্যসত্য
9.9 নির্বানৰ ধাৰণা
9.10 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
9.11 অধিক জানিবলৈ
9.12 অগ্রগতিৰ খতিয়ান
9.13 আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বৌদ্ধ দর্শনৰ বিষয়ে চমু ব্যাখ্যা দিব পাৰিব
- চাৰি আর্য্য-সত্যক বিশ্লেষণ কৰিব পাৰিব
- 'অষ্টাংগিকমার্গ'ৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- 'নির্বাণ'ৰ ধাৰণাটোক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।

৯.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনালোকক নির্বাণ সম্পর্কে বৌদ্ধসকলৰ ধাৰণাৰ সৈতে পৰিচয় কৰাব। নির্বাণৰ ধাৰণাটো বিশ্লেষণ কৰা পূর্বে আমি চাৰি মহান সত্য নাইবা চাৰি আর্য্য-সত্যৰ বিষয়ে আলোচনা কৰিব লাগিব। এজন আধিবৈজ্ঞানিক দার্শনিকতকৈ বুদ্ধদেৱ আছিল মূলতঃ এজন নৈতিক গুৰু আৰু সংস্কাৰক। তেওঁ মৌখিকভাৱেই তেওঁৰ মতবাদ প্রচাৰ কৰিছিল। তেওঁৰ প্রবুদ্ধিৰ বাণীসমূহে নির্বাণৰ ফালে অগ্রসৰ হোৱাৰ পথ মানুহক দেখুওৱায়। আমাৰ ব্যৱহাৰিক জীৱনত অধিবিজ্ঞানসম্বন্ধীয় প্রশ্নসমূহ অপ্রয়োজনীয় বুলি তেওঁ ভাৱে। সেয়ে, তেওঁ মানুহক দুখ, ইয়াৰ উৎস, দুখৰ পৰিত্রাণ আৰু ইয়াৰ পৰিত্রাণৰ উপায়ৰ আটাইতকৈ গুৰুত্বপূর্ণ প্রশ্নসমূহৰ ওপৰতহে জ্ঞানো দীপ্ত কৰাবলৈ চেষ্টা কৰিছিল।

৯.৩ বৌদ্ধদর্শনৰ ওপৰত এক চমু আলোকপাত

বৌদ্ধ দর্শনক ভাৰতীয় দর্শনৰ এক নাস্তিক দার্শনিক সম্প্রদায় হিচাপে জনা যায়। পৌৰাণিক যুগৰ গুৰুসকলৰ দৰে বুদ্ধদেৱেও তেওঁৰ বাণীসমূহ কথোপকথনৰ জৰিয়তে মানুহক শিকাইছিল। তেওঁৰ মৌখিক নির্দেশনা সমূহ তেওঁৰ শিষ্যসকলে বহুদিনলৈকে পিছৰ বহু পুৰুষলৈকে প্রচাৰ কৰি গৈছিল। বুদ্ধৰ শিক্ষাৰ জ্ঞান মুখ্যতঃ 'ত্রিপিটক' বা 'শিক্ষনৰ তিনিটা খৰাহী' অর্থাৎ বিনয় 'পিটক', 'সুত্ত পিটক' আৰু 'অবিধম্মপিটক।

বুদ্ধৰ শিক্ষণসমূহক তেওঁৰ শিষ্যসকলে নানা প্রকাৰে ব্যাখ্যা কৰাৰ লগতে তাৰ বিকাশো সাধন কৰে। ধর্মীয় দৃষ্টিভঙ্গীৰ ফালৰ পৰা বৌদ্ধদর্শনক দুটা গুৰুত্বপূর্ণ শাখাত বিভক্ত কৰা হৈছে হীনযান আৰু মহাযান। জৈনদর্শনৰ দৰে, হীনযান শাখাও ঈশ্বৰ ৰহিত এক ধর্ম আৰু ইয়াত কর্মই ঈশ্বৰৰ স্থান দখল কৰিছে। হীনযানসকলৰ মতে মানুহে নিজে নিজৰ মুক্তি বা মোক্ষ লাভ কৰিব পাৰে। তেওঁ লোকৰ মতে, নির্বাণ নঞৰ্থকবোধক। আনহাতে, মহাযানসকলে বিশ্বাস কৰে যে, নির্বাণ দুখৰ এক নঞৰ্থক পৰিত্রান নহয়, কিন্তু ই পৰম আনন্দৰ এক সদর্থক অৱস্থাহে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলৰ উক্তিসমূহ সত্য নে অসত্য উল্লেখ কৰকঃ

(ক) বুদ্ধই মানুহক মৌখিক শিক্ষা দিছিল। (সত্য /অসত্য)

(খ) বুদ্ধৰ শিক্ষাৰ জ্ঞান সম্ভৱতঃ 'ত্রিপিটক'ত পোৱা যায়। (সত্য /অসত্য)

(গ) ধর্মীয়ভাৱে বৌদ্ধদর্শন তিনিটা শাখাত বিভক্ত। (সত্য /অসত্য)

(ঘ) বুদ্ধই গ্রহণ কৰা নাছিল যে জগতখন দুখেৰে পৰিপূর্ণ। (সত্য /অসত্য)

(ঙ) নির্বাণৰ অর্থ বন্ধন। (সত্য /অসত্য)

প্রশ্ন নং ২ ঃ বৌদ্ধদর্শনৰ হীনযান আৰু মহাযান সম্প্রদায় বুলিলে কি বুজে ?

৯.৪ চাৰি আর্য্য সত্যৰ ধাৰণা

বুদ্ধদেৱ মূলতঃ এজন নৈতিক শিক্ষাগুৰু আৰু সংস্কাৰক আছিল। তেওঁ তাত্ত্বিক প্রশ্নসমূহৰ আলোচনা কৰাত গুৰুত্ব দিয়া নাছিল। ইয়াৰ পৰিবর্তে তেওঁ মানুহক সদায় দুখ, ইয়াৰ উৎপত্তি, ইয়াৰ পৰিত্রাণ আৰু দুখৰ পৰা পৰিত্রাণৰ উপায় আদিৰ আটাইতকৈ গুৰুত্বপূর্ণ প্রশ্নসমূহৰ ওপৰতহে জ্ঞানৰ পোহৰ দিবলৈ প্রয়াস কৰিছিল। সেয়েহে, বুদ্ধৰ বাবে তাত্ত্বিক আলোচনাৰ কোনো মূল্য নাই। সুদীর্ঘ কাল ধৰি তপস্যা কৰাৰ ফলত তেওঁৰ জ্ঞানোদ্দীপ্তি হ'ল আৰু চাৰিটা মহান সত্যৰ সন্ধান পালে। এই সত্যজ্ঞান বৌদ্ধধর্ম তথা বৌদ্ধদর্শনত 'আর্য্যসত্য চতুষ্টয়' বা 'চত্বাৰি আর্য্য সত্যানি' নামে পৰিচিত। এই চাৰিটা পৰম সত্য হ'ল ক্রমে (i) জীৱনত দুখ আছে (ii) দুখৰ কাৰণ আছে (iii) দুখ ৰোধ কৰিব পাৰি (iv) দুখৰোধৰ উপায় আছে।

তলত এই চাৰিওটা আর্য্যসত্য সম্পর্কে আলোচনা কৰোঁ আহক-

৯.৫ প্রথম আর্য্যসত্য (দুখ)

বুদ্ধৰ প্রথম আর্য্যসত্য 'জীৱনত দুখ আছে' ক দুখৰ অত্যাচাৰ ৰূপে ধৰা হয়। আমাৰ জীৱনটো দুখ আৰু কষ্টৰে পৰিপুর্ণ। এই জগত প্রতিটো বস্তুতে দুখ নিহিত হৈ থাকে । জন্ম দুখদায়ক, মৃত্যু দুখদায়ক, বাধিও দুখদায়ক। মুঠতে সর্বপ্রকাৰ অস্তিত্ব আৰু সর্বপ্রকাৰ মানৱীয় অভিজ্ঞতাৰ মাজতে দুখ নিহিত থাকে। আনকি যি বস্তু বর্ত্তমানে প্রতিকৰ বুলি মনত ধাৰণা কৰা হয়, তাৰো মূলত দুখেই থাকে। অর্থাৎ আসক্তিয়ে উৎপত্তি কৰা সকলো বস্তুতে দুখ আৰু যাতনা থাকিবই। ই এক সাধাৰণ অভিজ্ঞতা যে জগতখন দুখেৰে ভৰপুৰ। দাৰিদ্রতা, ব্যাধি, বার্ধক্য, মৃত্যু, স্বার্থপৰতা, লোভ, ঘৃণা, খং-ৰাগ, কাজিয়া, শোষণ আদি এই পৃথিৱীত ব্যাপকভাৱে সমৃদ্ধিশালী হৈ উঠিছে। এই কথা কোনেও নুই কৰিব নোৱাৰে।

৯.৬ দ্বিতীয় আর্য্যসত্য (দুখ-সমুদয়)

বৌদ্ধ দর্শনৰ দ্বিতীয়টো আর্য্যসত্য হৈছে 'দুখৰ কাৰণ আছে' (দুখ-সমুদয়)। ই দুখৰ কাৰণসমূহৰ লগত জড়িত। বৌদ্ধদর্শন অনুসৰি প্রত্যেকৰে এক নির্দ্দিষ্ট কাৰণ আছে; য'ত একো নাই তাৰ পৰা একা পাব নোৱাৰি- শূণ্যৰ পৰা শূণ্যহে পাব পাৰি (Ex-nihilo nihil fit) । প্রত্যেক ঘটনাৰে অস্তিত্ব ইয়াৰ কাৰণ আৰু অৱস্থাৰ ওপৰত নির্ভৰশীল। এই জগতৰ সকলোৱেই চর্তসাপেক্ষ, আপেক্ষিক আৰু সীমিত। সেইবাবে, দুখ ভোগ কৰাৰো এক কাৰণ থাকিবই লাগিব। ই কেতবোৰ চর্তৰ ওপৰত নির্ভৰশীল হ'বই লাগিব। হাবিয়াস বা ইচ্ছাই জন্ম-মৃত্যুৰ চক্রক উৎপন্ন কৰে আৰু ইয়েই দুখৰ কাৰণ। হাবিয়াস তিনি প্রকাৰৰ ঃ (ক) ইন্দ্রিয় সুখৰ বাবে ইচ্ছা (খ) ধন-সম্পদৰ বাবে ইচ্ছা আৰু (গ) অস্তিত্ব তথা জন্মৰ বাবে ইচ্ছা।

বুদ্ধই নিৰূপিত কৰে যে জন্ম (জাতি)ৰ কাৰণেই মানুহে দুখ কৰে নাইবা মানুহৰ জীৱনত দুখ যাতনা(জৰা-মৰণাদি) থাকে। যদি এজন মানুহে জন্ম গ্রহণ নকৰে, তেন্তে তেওঁ যন্ত্রনা দায়ক অৱস্থাৰো বিষয় ন'হলহেতেন। আকৌ, জন্মৰো নিজস্ব কাৰণ আছে। সেয়া হ'ল জন্ম হোৱাৰ অভিলাষ (ভৱ)। মানুহ জন্ম গ্রহণ কৰাৰ কাৰণে ব্যাকুল হয় বুলিয়েই আকৌ জন্ম গ্রহণ কৰে। 'উপাদান' ভৱ বা ব্যাকুল হোৱাৰ কাৰণ। 'উপাদান'ৰ অর্থ জাগতিক বিষয়ৰ প্রতি আসক্তি। এই আসক্তিৰ কাৰণ আকৌ তৃষ্ণা। ইয়াৰ অর্থ ভোগ স্পৃহা; ভোগ স্পৃহাই মানুহৰ মনত জাগতিক বিষয়ৰ প্রতি আসক্তি জন্মায়। ভোগ-স্পৃহাৰ কাৰণ আকৌ বেদনা। বেদনা হৈছে সুখ-দুখ বিজড়িত ইন্দ্রিয় অভিজ্ঞতা। 'স্পর্শ' হৈছে বেদনাৰ কাৰণ। স্পর্শ হৈছে ইন্দ্রিয়াদিৰ লগত 'অর্থ'ৰ অর্থাৎ বিষয়বস্তুৰ সংযোগ। এই সংযোগৰ কাৰণ হৈছে 'ষড়ায়তন'। ইয়াৰ অর্থ আমাৰ ছটা ইন্দ্রিয় চকু, কাণ, নাক জিভা, ছাল আৰু অর্ন্তইন্দ্রিয় মনৰ জৰিয়তে বাহ্যবস্তুৰ লগত হোৱা সংযোগ বা স্পর্শ। 'নামৰূপ' ষড়ায়তনৰ কাৰণ। নামৰূপৰ অর্থ দেহ- মনৰ গঠন। দেহ-মনৰ সংগঠন বিনা ইন্দ্রিয়াদি কোনোমতেই বর্তি থাকিব নোৱাৰে আৰু ক্রিয়াও কৰিব নোৱাৰে। 'বিজ্ঞান' আকৌ নামৰূপৰ কাৰণ। নামৰূপ বা দেহ-মনৰ সংগঠন বিজ্ঞান বা চেতনা ব্যতিৰেকে অসম্ভৱ। বিজ্ঞান বা চেতনাৰ

কাৰণ হৈছে 'পূর্বজন্মৰ সংস্কাৰ'। এই সংস্কাৰৰ কাৰণ হৈছে 'অবিদ্যা'। অবিদ্যাৰ অর্থ হৈছে বিদ্যাৰ অভাৱ অর্থাৎ চাৰি আর্য্য সত্য সম্পর্কে যথার্থ জ্ঞানৰ অভাৱ। এই অবিদ্যাই সকলো দুখৰ মুল কাৰণ।

গতিকে, দুখক এডাল শিকলিৰ লগত তুলনা কৰিব পাৰি আৰু এই শিকলি 12 টা সংযোজকে গঢ়ি তুলিছে। বৌদ্ধ দর্শনত ইয়াক 'দ্বাদশ নিদান' নাইবা 'ভৱ-চক্ৰ' হিচাপে নামকৰণ কৰা হৈছে। বৌদ্ধদর্শনত এই কার্য্য কাৰণ তত্ত্বই হৈছে 'প্রতীত্যসমুদ্‌পাদ'।

৯.৭ তৃতীয় আর্য্যসত্য (দুখ-নিৰোধ আছে)

বুদ্ধৰ ৩য় আর্য্যসত্যটো দুখ নিৰোধৰ লগত জড়িত। বুদ্ধই মত দর্শায় যে জগতখন যদিও দুখেৰে ভৰপুৰ, কিন্তু বিনা কাৰণে সংঘটিত নহয়। আকো, দুখৰ নিৰোধ বা দুখৰ পৰা পৰিত্রাণো আছে। এই বিশ্ব ব্রহ্মাণ্ডৰ প্রত্যেক বস্তুৰেই কেতবোৰ কাৰণ আৰু চর্তৰ ওপৰত নির্ভৰশীল. যদি এইবোৰ কাৰণ আৰু চর্ত নাইকীয়া কৰা হয়, তেন্তে কার্যও নাইকীয়া হৈ পৰিব। সেয়ে, এটা কার্য্য হিচাপে দুখৰো কাৰণ আৰু চর্ত থাকিব। যদি এইবোৰ কাৰণ আৰু চর্ত নাইকীয়া কৰা হয় , তেন্তে নিশ্চিত ভাৱে দুখৰো ধ্বংস হ'ব। অবিদ্যাই হৈছে দুখৰ মূল কাৰণ বা মূল বীজ আৰু যদি ইয়াক নির্মুল কৰা হয়, তেতিয়া দুখৰো অৱসান ঘটিব। অবিদ্যা বা অজ্ঞানতা দূৰৰ দ্বাৰা মানুহে মুক্তি নাইবা নির্বান লাভ কৰিব পাৰে। ইয়াত এই কথা উল্লেখ কৰিব পৰা যায় যে বুদ্ধই বিশ্বাস কৰিছিল যে ইহজনমতেই মানুহে নির্বান লাভ কৰিব পাৰে। তেওঁৰ মতে মানুহে এই জনমতেই অহৰহ সত্যৰ অনুধাৱন আৰু ইন্দ্রিয় সংযমৰ দ্বাৰা নির্বান লাভ কৰিব পাৰে। তেতিয়া তেওঁ সকলো ধৰণৰ পার্থিৱ মোহ মায়াৰ পৰা মুক্ত হৈ পৰে। সেয়ে, নির্বাণ লাভ কৰোঁতা জনক বৌদ্ধদর্শনত 'অর্হৎ' (Arhat) অর্থাৎ পূজনীয় বুলি কোৱা হয়। মানুহৰ এই দুখৰ চিৰনিবৃতিৰ অৱস্থাটোকে নির্বাণ বোলা হয়।

৯.৮ চতুর্থ আর্য্যসত্য (দুখ-নিৰোধ মার্গ)

বুদ্ধৰ চতুর্থ আর্য্যসত্যক 'দুখ নিৰোধ মার্গ' নাইবা 'দুখ নিবৃত্তিৰ উপায়' হিচাপে জনা যায়। কেতবোৰ নৈতিক আৰু পাৰমার্থিক উপায় বা পথ আছে, যিবোৰৰ অনুসৰণৰ দ্বাৰা আমাৰ জীৱনৰ দুখ আৰু যন্ত্রণা বহুপৰিমাণে দূৰ কৰিব পৰা যায়। বুদ্ধই নিজেও এইসমূহ মার্গ অনুসৰণ কৰিছিল আৰু আন লোকসকলকো ইয়াক অনুসৰণ কৰিবলৈ নির্দ্দেশ দিছিল। দুখৰ কাৰণবোৰৰ সম্পর্কে সম্যক জ্ঞানে মুক্তি বা নির্বাণৰ পথ প্রশস্ত কৰে। বুদ্ধই দুখৰ পৰা চিৰ মুক্তি লাভৰ আঠটা অঙ্গঁবিশিষ্ট মার্গ বা পথৰ সন্ধান দিছে। ইয়াক 'অষ্টাঙ্গিঁক মার্গ' বুলি কোৱা হয়। মুক্তিৰ বাবে এই আঠটা অঙ্গঁবিশিষ্ট মার্গৰ অনুশীলন কৰাটো উচিত। এই আঠোটা অঙ্গঁ যথাক্রমে-

(i) সম্যক দৃষ্টি (Right Views) ঃ মুক্তিৰ পথত প্রথম খোজ হৈছে সম্যক দৃষ্টি। চাৰিটা আর্য্যসত্য সম্পর্কে যথার্থ জ্ঞান লাভ কৰাকে সম্যক দৃষ্টি বোলে। এই কথা বুদ্ধৰ দ্বাৰা

উল্লেখ কৰা হয় যে চাৰি আর্য্যসত্য সম্পর্কে যথার্থ জ্ঞানে নৈতিক সংস্কাৰত সহায় কৰে আৰু মানুহক তেওঁলোকৰ জীৱনৰ মূল লক্ষ্য নির্বাণৰ পিনে আগুৱাই লৈ যায়।

(ii) **সম্যকসংকল্প** (Right Resolve) ঃ সত্যৰ জ্ঞান অর্থহীন হৈ পৰিব, যদিহে মানুহে সেই জ্ঞানৰ পোহৰত নিজৰ জীৱনৰ সংস্কাৰ আনিবলৈ দৃঢ় প্রতিজ্ঞ নহয়। সেই বাবে, যিসকল মানুহে মুক্তি লাভ কৰিবলৈ প্রয়াস কৰে, তেওঁলোকে তীব্র ভোগ-বাসনা, হিংসা দ্বেষ,আনৰ প্রতি অনিষ্ট আদিক পৰিহাৰ কৰা উচিত। আনফালে কৰুণা, মুদিতা আৰু মৈত্রী আদি গুণ অর্জন কৰাৰ দৃঢ় অর্থাৎ সম্যক সংকল্পৰ একান্ত প্রয়োজন। সম্যক সংকল্প নির্বান লাভৰ দ্বিতীয় অংগ।

(iii) **সম্যকৰাক্** (Right Speech) ঃ সংযত অর্থাৎ সত্য,শুভ আৰু প্রীতি পদ বাক্ বা কথাবতৰাই সম্যক বাক্। সত্য গোপন, মিথ্যা ভাষণ, আনৰ নিন্দা কুটবাক্য প্রয়োগ, অসাৰ আলোচনা আদি মানুহে সর্বতোপ্রকাৰে বর্জন কৰাটো উচিত। বাক্ সংযম নির্বাণ লা ভৰ এক অপৰিহার্য্য অংগ।

(iv) **সম্যক কর্মান্ত** (Right Conduct) ঃ সম্যক সংকল্প কেৱল সম্যক বাক্তেই সীমাবদ্ধ নহয়; ই সম্যক কর্মান্তকো অর্ন্তভূক্ত কৰে। 'পঞ্চ-শীল'ৰ ধাৰণা অর্থাৎ অহিংসা, অস্তেয়, ব্রহ্মচর্য্য, সত্যপালন আৰু মাদকদ্রব্য বর্জন আদি সম্যক কর্মান্তৰ অর্ন্তগত।

(v) **সম্যক আজীৱ** (Right Livelihood) ঃ সদুপায়ে জীৱন নির্বাহ কৰাই সম্যক আজীৱ। বুদ্ধৰ মতে মুক্তিকামী ব্যক্তিয়ে বাসনামুক্ত হৈ সৎকর্মৰ দ্বাৰা সৎ উপায়ে জীৱিকা আর্জন কৰিব লাগিব। কেৱল জীৱন ৰক্ষাৰ নিমিত্তে কেতিয়াও অসৎ উপায় অৱলম্বন কৰা উচিত নহয়। সাধ্য আৰু সাধনা দুয়ো সৎ হোৱা উচিত।

(vi) **সম্যক ব্যায়াম** (Right Effort) ঃ সম্যক ব্যায়াম হৈছে মনত ব্যাপ্ত হৈ থকা কু-সংস্কাৰ আৰু কুচিন্তা-কুভাৱ আদিক দুৰ কৰাৰ এক নিয়ত প্রচেষ্টা। মুক্তিকামী লোকৰ মন নির্মল, স্বচ্ছ আৰু পৱিত্র হোৱা উচিত। সেয়ে, কুচিন্তাবোৰ পৰিহাৰ কৰাৰ দ্বাৰাই নৈতিক উদ্গতি বজায় চলিবলৈ মানুহে অহৰহ প্রচেষ্টা চলাই যোৱাটো উচিত।

(vii) **সম্যক স্মৃতি** (Right Mindfulness) ঃ মুক্তিকামী লোকসকলে সদায় শৰীৰক শৰীৰ ৰূপে, সংবেদনক সংবেদন ৰূপে, মনক মন ৰূপে আৰু মানসিক স্থিতিক মানসিক স্থিতি ৰূপে সদায় মনত ৰখাটো আৰু ধ্যানমগ্ন হোৱাটো উচিত। আত্মা, শৰীৰ, নাইবা অনিত্য বস্তুবোৰৰ জৰিয়তে লাভ কৰা জ্ঞানৰ ওপৰত আমাৰ স্থিৰ ধ্যান থকাটো উচিত। যদি আমি সম্যক ধ্যানৰ গৰাকী হ'ব নোৱাৰো, তেন্তে আমি চিন্তা কৰোঁ যে শৰীৰ, সংবেদন, মন আৰু মানসিক স্থিতি- এই আটাইবোৰ স্থায়ী আৰু অমূল্য। সেইকাৰণে, এনেধৰণৰ বস্তুৰ প্রতি আমাৰ মায়া বা মোহ ওপজে আৰু যেতিয়া আমি এইবোৰক হেৰুৱাও, আমাৰ মনত তাৰ প্রতি লোভৰ সৃষ্টি হয়। এইদৰেই, আমি বন্ধন আৰু যন্ত্রণাৰ বিষয় হৈ পৰো। কিন্তু এই বস্তুবোৰৰ ক্ষণস্থায়ী বা অনিত্য স্বভাৱৰ ওপৰত থকা আমাৰ ধ্যানে আমাক মোহ-মায়া আৰু দুখ যন্ত্রণাৰ পৰা মুক্তি লাভ কৰিবলৈ সহায় কৰে।

(viii) সম্যক সমাধি (Right Concentration) ঃ সম্যক সমাধি হৈছে আঠটা মার্গৰ একেবাৰে শেষ মার্গ যিয়ে নির্বাণৰ পিনে আমাক আগুৱাই লৈ যায়। উপৰোক্ত সাতোটা অংগ অনুসৰণ কৰি যি ব্যক্তিয়ে নিজৰ জীৱনক কৃতকার্য্যভাবে পৰিচালনা কৰিব পাৰে আৰু নিজৰ মনক সকলো প্রকাৰৰ কু-চিন্তা, কু- ভাৱনা আদিৰ পৰা মুক্ত কৰি, নিজৰ আচৰণক সংযত কৰি ইন্দ্রিয়বোৰক বশীভূত কৰিব পাৰিছে, তেৱেঁই সমাধিৰ মাধ্যমেৰে নির্বাণ লাভ কৰিবলৈ সক্ষম হয়। সমাধি চাৰিটা স্তৰ আছে। এই স্তৰসমূহে মানুহক তেওঁলোকৰ জীৱনৰ মূল লক্ষ্য দুখ নিৰোধৰ পিনে লৈ যায়। সেয়া হ'ল- (1) প্রথম স্তৰটো যুক্তি আৰু সত্যৰ সন্দর্ভত অনুসন্ধানৰ ওপৰত প্রতিষ্ঠিত। ইয়াত শুদ্ধ চিন্তাৰ এক আনন্দ অনুভৱ কৰা হয়। (2) দ্বিতীয় স্তৰত চাৰিটা আর্য্য সত্য সম্পর্কে সাধকৰ মনত গভীৰ প্রত্যয় জন্মে। মনৰ পৰা সকলো শংকা দুৰীভূত হয়। তেতিয়া বিচাৰ বিতর্কৰ কোনো অৱকাল নাথাকে। সাধক তেতিয়া গভীৰ ধ্যানত নিমগ্ন হ'ব পাৰে আৰু মনত এক আনন্দ ও স্থিৰতা অনুভৱ কৰে। (3) তৃতীয় স্তৰত ধ্যানৰ আনন্দময় অনুভূতিৰ প্রতিও উপেক্ষা জাগে। মনৰ মাজত থাকে কেৱল এক শুদ্ধ প্রশান্তিৰ ভাৱ। (4) চতুর্থ স্তৰত প্রকৃত সমাধি লাভ হয়। এই স্তৰত সাধকৰ সুখ দুখৰ অনুভূতিও বিলীন হৈ যায়। প্রজ্ঞাৰ উদ্ভৱ হয়। এই স্তৰত সাধকে জগত আৰু জীৱনৰ অসাৰতা উপলব্ধি কৰে, কামনা-বাসনা মুক্ত হৈ জৰা-মৰণৰ পৰা চিৰমুক্তি লাভ কৰে। সাধকৰ নির্বাণ লাভ হয়।

সেইহেতুকে, এই কথা ইয়াত উল্লেখ কৰিব পৰা যায়যে নির্বানৰ অষ্টাংগিক মার্গ তিনি প্রকাৰৰ অঙ্গঁৰে গঠিত। সেয়া হ'ল- প্রজ্ঞা (right kowledge), শীল (right conduct) আৰু সমাধি (right concentration)।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ তলৰ উক্তিসমূহ সত্য নে অসত্য উল্লেখ কৰক।

(ক) বুদ্ধৰ মতে অবিদ্যাই হৈছে দুখৰ মূল কাৰণ। (সত্য /অসত্য)

(খ) মুক্তি বা নির্বাণ লাভ কৰিবলৈ বুদ্ধই ৯ টা অঙ্গঁ বিশিষ্ট মার্গৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। (সত্য /অসত্য)

(গ) বুদ্ধই দুখ নিবৃত্তিৰ কোনো পথ বা মার্গৰ উল্লেখ কৰা নাছিল। (সত্য /অসত্য)

(ঘ) বুদ্ধই যুক্তি দশাই যে সম্যক জ্ঞানে অবিদ্যা দূৰ কৰিব পাৰে । (সত্য /অসত্য)

প্রশ্ন নং ৪ ঃ সম্যক সমাধি কি ?

৯.৯ নির্বাণৰ ধাৰণা

নির্বাণৰ ধাৰণাটোক মানুহৰ জীৱনৰ পৰম লক্ষ্য হিচাপে ধৰা হয়। 'নির্বান' শব্দটোৰ আক্ষৰিক অর্থ হৈছে 'নুমাই যোৱা' (blowing out) নাইবা 'শীতল হৈ যোৱা' (codling)। শীতল হৈ যোৱাই সম্পূর্ণ ধবংসক নুবুজায়, বৰঞ্চ ই কেৱল উগ্র আসক্তিৰ ধ্বংসকহে বুজায়।

বৌদ্ধ দর্শনৰ মতে, নির্বাণ ঈশ্বৰৰ সৈতে পবিত্র সংসর্গ নহয়। নির্বাণৰ দ্বাৰা বুদ্ধই কেৱল অসৎ অভিপ্রায়বোৰৰ নাশ হোৱাটোকহে বুজাইছে। নির্বাণ, যি হৈছে পাৰমার্থিক সংগ্রাম বা যাতনাৰ ক্ষয়, এক নিশ্চিত স্বর্গসুখ কৃপা। ই সম্পূর্ণতাৰ লক্ষ্য, ধ্বংস বা বিনাশৰ অনন্তকাল নহয়। সকলো বস্তু, অর্থাৎ আমাৰ মাজত থকা প্রত্যেক ব্যক্তি জনৰ ধ্বংশৰ জৰিয়তে আমি সমগ্র বিশ্ব-ব্রহ্মাণ্ডৰ সৈতে মিত্রভাৱৰ জগতলৈ প্রৱেশ কৰোঁ আৰু মহান উদ্দেশ্যৰ এক অবিচ্ছেদ্য অংশ হৈ পৰো। নির্বাণ সত্তাৰ এক আভ্যন্তৰীণ অৱস্থা। নির্বাণৰ যথার্থত পৰম সত্তাৰ মায়াক বিচাৰি পোৱা যায়। নির্বাণ হৈছে সকলো বস্তুৰে মূল নীতি আৰু সেয়ে, ই সংজ্ঞাবিহীন।

নির্বাণক গভীৰ নিদ্রাৰ সৈতে তুলনা কৰা হয় আৰু উল্লেখ কৰে যে নির্বাণত আত্মাই নিজৰ ব্যক্তি সত্ত্বাক হেৰুৱায় আৰু দ্রব্য বিষয়ক সামগ্রিকতাত লোপ পায়। ই বিনাশও নহয় নাইবা আমি ভৱাৰ দৰে অস্তিত্বশীলতাও নহয়। ই কর্মৰ এক অৱস্থা, সি কাৰণতাৰ বিষয় নহয়, কিয়নো ই নিৰপেক্ষ স্বাতন্ত্রৎতা। ই প্রকৃত বা যথার্থতা আৰু সহ্যকাৰিতাৰ অৱস্থা যদিও ই কাল আৰু দেশৰ জগত অস্তিত্বশীল নহয়। এটা অর্থত, ই আত্ম বিলুপ্তিকৰণ, আৰু আন এক অর্থত ই চৰম স্বতন্ত্র্যতা। বুদ্ধৰ মতে, নির্বাণৰ অর্থ জীৱনৰ পৰিসমাপ্তি নহয়।

নির্বাণ হৈছে লোভ, ঘৃণা, হিংসা দ্বেষ আৰু প্রতাৰণাৰ বিলুপ্তি। ই হৈছে পুণৰজন্মৰ নাশ। ইয়াক আসক্তি আৰু আনুষঙ্গিঁক যন্ত্রণাসমূহৰ সম্পূর্ণ বিলুপ্তি কৰণ হিচাপে ভৱা হয়। ই সম্পূর্ণ বিনাশো নহয়, নিষ্ক্রিয়তাও নহয়; কিন্তু সক্রিয় বৌদ্ধিক আৰু সামাজিক জীৱনৰ সৈতে সঙ্গঁত। ই জ্ঞানোন্নতিৰ সেই অৱস্থা, যিয়ে সকলো অজ্ঞানতা বা অবিদ্যা দূৰ কৰে। ই পূর্ণ আত্ম-অধিকাৰ আৰু নিৰপেক্ষ স্বতন্ত্র্যতাৰ অৱস্থা বিশেষ। মুক্তি লাভ কৰা ব্যক্তিজন স্বার্থপৰতা আৰু ব্যক্তিজ্ঞানৰ সংবেদন ৰহিত। নির্বাণৰ অৱস্থাত ব্যক্তিগত অস্তিত্বৰ বিলুপ্তি ঘটে। পালি লিপিত ‘নির্বাণ’ক আর্শীবাদ নাইবা কৃপাৰ এক অৱস্থা ৰূপে বর্ণনা কৰা হৈছে। মুক্তি বা নির্বাণ প্রাপ্ত লোকসকল কু-ইচ্ছা বা প্রৱণতাৰ পৰা মুক্ত, চাৰি আর্য্য সত্য সর্ম্পকে তেওঁলোকৰ পূর্ণ জ্ঞান থাকে। ধর্ম্মপাদত উল্লেখ আছে যে নির্বাণ হৈছে আর্শীবাদৰ অৱস্থা, সুখৰ মুকুট, পূর্ণ শান্তি, ঘৃণা, দ্বেষ, লোভ আৰু প্রতাৰণামুক্ত। ই তেনে এক সুখ যি সন্তোষ বা আনন্দৰ পৰা বেলেগ। ই হৈছে চিত্তৰ এক স্থিৰ আনন্দ পূর্ণ শান্ত অৱস্থা, অর্থাৎ ‘নির্বানং শান্তম’।

নির্বাণৰ গভীৰতা সাগৰৰ দৰে অপৰিমিত আৰু অ-বোধগম্য। ই ধাৰণাৰো অতীত। বুদ্ধৰ মতে, নির্বাণ ধ্বংশও নহয়, অনাদি অনন্ত অস্তিত্বও নহয়, কিন্তু পূর্ণ জ্ঞানৰ এক অবর্ণনীয় অৱস্থা।

ইয়াত আমি দুই প্রকাৰৰ নির্বাণৰ কথা উল্লেখ কৰিছো। সেয়া হৈছে (ক) উপাধিশেষ (Upadhisesa) আৰু (খ) অনুপাধিশেষ (Anupadhisesa)। উপাধিশেষ নির্বাণত মানুহৰ কেৱল আসক্তিসমূহৰ বিলুপ্তি ঘটে আৰু অনুপাধিশেষ নির্বাণত সকলো অস্তিত্বৰে বিলুপ্তি ঘটে। আমি যেতিয়া কওঁ যে মানুহে এইখন জগততে নির্বাণ লাভ কৰিব পাৰে, আমি উপাধিশেষক বুজোঁ। ই হৈছে অৰ্হত্ব যি হৈ পৰে পৰিনির্বাণ, যেতিয়া অৰ্হৎ এই পৰিবর্ত্তনশীল জগতৰ পৰা অদৃশ্য হৈ পৰে। পৰিনির্বাণৰ অর্থ হৈছে অস্তিত্বৰ চৰম সম্পূর্ণতা।

বৌদ্ধদর্শনৰ হীনযান সম্প্রদায়ৰ মতে, মোক্ষ বা মুক্তি কেৱল ব্যক্তিৰ বাবে আৰু ব্যক্তি নিজেই লাভ কৰিব পাৰে। ই আত্ম-সহায়ৰ কঠিন মার্গ। ইয়াৰ লক্ষ্য হৈছে অৰহৎ প্রাপ্তি নাইবা আদর্শৰান সিদ্ধপুৰুষৰ এক অৱস্থা, যিজনে ব্যক্তিগত মোক্ষ নাইবা মুক্তি লাভ কৰিছে। আনহাতে, মহাযান সম্প্রদায়, যাক ডাঙৰ বাহন,ডাঙৰ জাহাজ হিচাপে ধৰা হয়, যিয়ে বহু বেছি সংখ্যক মানুহ থকাৰ ব্যৱস্থা কৰিব পাৰে আৰু তেওঁলোকক অতি সাৱধানে আৰু নিৰাপদে সংসাৰ সাগৰৰ কষ্টকৰ পানীৰ পৰা নির্বাণৰ সমীপলৈ লৈ যাব পাৰে। হীনযান সম্প্রদায়ক এখন সৰু বাহন হিচাপে গ্রহণ কৰা হয়, যাৰ লক্ষ্য অৰহত্ব লাভ। মহাযান সম্প্রদায়ে নির্বাণক আশীৰ্বাদ বা কৃপাৰ এক সদর্থক অৱস্থা হিচাপে স্বীকাৰ কৰে।

সেয়েহে, বৌদ্ধদর্শন অনুসৰি জগত দুখ আৰু যন্ত্রণাৰে পৰিপূর্ণ। অবিদ্যা বা অজ্ঞানতাই এই দুখৰ মূল কাৰণ। জ্ঞানৰ জৰিয়তেই কেৱল এই অজ্ঞানতা নাইকীয়া কৰিব পৰা যায়। সেয়ে, জ্ঞানেই হৈছে মোক্ষ বা মুক্তিৰ মূল উপায়। দুখৰ পৰা পৰিত্রাণ পাবলৈ মানুহৰ চাৰি আর্য্য-সত্য সম্পর্কে সম্যক জ্ঞান থকাটো উচিত আৰু বুদ্ধই আগবঢ়োৱা অষ্টাংগিক মার্গ কেইটা অনুসৰণ কৰাটো উচিত। যেতিয়া এজন ব্যক্তিয়ে আঠটা মার্গ বা অষ্টাংগিক মার্গক অনুসৰণ কৰে, তেওঁ ইহ জনমতে নির্বাণ লাভ কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ (ক) 'নির্বাণ'ৰ ব্যুৎপত্তিগত অর্থ কি?

.....

(খ) 'নির্বাণ' বিনাশৰ অনন্তকাল নেকি?

.....

(গ) ধম্মপাদে নির্বাণৰ সম্পর্কে কি উল্লেখ কৰিছে?

.....

(ঘ) 'নির্বাণ'ৰ গভীৰতাক জুখিব পাৰিনে?

.....

(ঙ) দুইপ্রকাৰৰ নির্বাণ কি কি?

.....



৯.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বুদ্ধই কথোপকথনৰ জৰিয়তে মানুহক শিক্ষা প্রদান কৰিছিল।
- বুদ্ধৰ শিক্ষনসমূহৰ জ্ঞান 'ট্রিপিটক'ত দেখিবলৈ পোৱা যায়। সেয়া হৈছে বিনয় পিটক্, সুত্ত পিটক্ আৰু অভিধম্মপিটক্।

- ধর্মীয়ভাৱে, বৌদ্ধ দর্শন দুটা গুৰুত্বপূর্ণ শাখাত বিভক্তঃ হীনযান আৰু মহাযান।
- হীনযানে মানুহৰ মুক্তি বা মোক্ষ নিজে নিজৰ দ্বাৰাই সম্ভৱৰ ওপৰত গুৰুত্ব প্রদান কৰিছে।
- মহাযানে বিশ্বাস কৰে যে, নির্বাণ দুখ যন্ত্রণাৰ এক নঞৰ্থক নিবৃত্তি নহয়, বৰঞ্চ আশীর্বাদ বা কৃপাৰ এক সকাৰাত্মক অৱস্থা।
- বুদ্ধ প্রকৃতার্থত এজন নৈতিক শিক্ষাগুৰু আৰু সংস্কাৰক, যিয়ে দুখ, ইয়াৰ উৎপত্তি, ইয়াৰ নিবৃত্তি আৰু নিবৃত্তিৰ উপায়সমূহৰ আটাইতকৈ গুৰুত্বপূর্ণ প্রশ্নবোৰৰ ওপৰত মানুহক জ্ঞানোদীপ্ত কৰিবলৈ সদায়ে প্রচেষ্টা কৰিছিল।
- বুদ্ধৰ মতে জীৱনটো দুখ আৰু যান্ত্রণৰে পৰিপূর্ণ।
- বৌদ্ধ দর্শনৰ মতে, প্রত্যেকৰে একোটা নির্দ্দিষ্ট কাৰণ থাকে; শূণ্যৰ পৰা কেৱল শূণ্যহে পাব পাৰি (Exnihilonihil fit)।
- অবিদ্যাই হৈছে দুখৰ মূল কাৰণ, যাক নাইকীয়া কৰিব পৰা যায় কেৱল সম্যক জ্ঞানৰ দ্বাৰাহৈ।
- বুদ্ধই মোক্ষ বা মুক্তি লাভৰ বাবে আঠটা পথৰ সন্ধান দিছে।
- নির্বাণ হৈছে সম্পূর্ণতা বা পূর্ণতাৰ লক্ষ্য।



৯.১১ অধিক জানিবলৈ

1] Chatterjee.S.C. & Dutta. D.M (1984). An Introduction to Indian Philosophy. University of Calcutta.

2] Hiriyana. M. (1990). Outlines of Indian Philosophy. Delhi: Motilal Banarasidass Publishers Pvt. Ltd.

3] Radhakrishnan. S. (1992). Indian Philosophy (2volumes). Oxford University Press.

4] Sharma. C.D. (1997); 'A Critical Survey of Indian Philosophy. Delhi: Motilal Banarasidass Publishers Pvt. Ltd.

5] Sinha.J.N. (2010) Qutlines of Indian Philosophy. Kolkata New Central Book Agency Pvt. Ltd.



৯.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) সত্য (খ) সত্য (গ) অসত্য (ঘ) অসত্য (ঙ) অসত্য।

২ নং প্রশ্নৰ উত্তৰ ঃ হীনযান আৰু মহাযান হৈছে বৌদ্ধ দর্শনৰ দুটা ধর্মীয় শাখা। হীনযানে নির্বাণক নঞৰ্থক অর্থত লৈছে আৰু কেৱল ব্যক্তিয়ে নিজৰ বাবে নিজে লাভ কৰা নির্বাণৰ ওপৰত গুৰুত্ব দিছে। কিন্তু মহাযানে যুক্তি দেখুৱাই যে, নির্বাণ হৈছে আশীর্বাদ নাইবা কৃপাৰ এক অৱস্থা।

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) সত্য (খ) অসত্য (গ) অসত্য (ঘ)সত্য (ঙ) সত্য।

৪ নং প্রশ্নৰ উত্তৰ ঃ সম্যক ধ্যান হৈছে অষ্টাঙ্গিক মার্গৰ শেষৰটো স্তৰ, যিয়ে নির্বাণৰ পিনে আগুৱাই লৈ যায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক)'নির্বাণ'ৰ ব্যুৎপত্তিগত অর্থ হৈছে 'নুমাই যোৱা', 'বিলীন হোৱা' নাইবা 'শীতল হৈ পৰা'।

(খ) নহয়, 'নির্বান' ধ্বংস বা বিনাশৰ অনন্তকাল নহয়।

(গ) ধম্মপাদ্ই নির্বাণৰ বিষয়ে প্রকাশ কৰে যে, 'নির্বাণ আশীর্বাদৰ এক অৱস্থা', 'সুখৰ মুকুট', 'পূর্ণ শান্তি', 'ঘৃণা, লোভ আৰু প্রতাৰণাৰ পৰা মুক্ত'। ই সেই প্রকাৰৰ সুখ বা আনন্দ যি সাধাৰণ আনন্দৰ পৰা পৃথক। ই হৈছে কৃপা পূর্ণ অন্ত।

(ঘ) নহয়, নির্বাণৰ গভীৰতাক জুখিব পৰা নাযায়।

(ঙ) দুই প্রকাৰৰ নির্বাণ হৈছে (ক) উপাধিশেষ আৰু (খ) অনুপাধিশেষ।



৯.১৩ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ নির্বাণ কি?

প্রশ্ন ২ ঃ বুদ্ধই কেইপ্রকাৰৰ কার্য্য-সত্যৰ কথা কৈছে?

প্রশ্ন ৩ ঃ তৃতীয় আর্য্য-সত্যটো কি?

প্রশ্ন ৪ ঃ অষ্টাঙ্গিক মার্গৰ স্তৰ কেইটা কি কি?

প্রশ্ন ৫ ঃ 'অৰহৎ' কি?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ **১০০-১৫০** শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ ঃ প্রথম আর্য্য সত্যটো চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ বৌদ্ধ দর্শনৰ মহাযান শাখাৰ মতে নির্বাণ কি?

প্রশ্ন ৩ ঃ তৃতীয় আর্য্য সত্যটো আলোচনা কৰক।

প্রশ্ন ৪ ঃ চতুর্থ আর্য্য সত্যটো ব্যাখ্যা কৰক।

প্রশ্ন ৫ ঃ দুই প্রকাৰৰ নির্বাণ কি কি?

(গ) চমু টোকা যুগুত কৰক।

প্রশ্ন ১ ঃ 2য় আর্য্য সত্য

প্রশ্ন ২ ঃ সম্যক দৃষ্টি

প্রশ্ন ৩ ঃ সম্যক কর্মান্ত

প্রশ্ন ৪ ঃ সম্যক স্মৃতি

প্রশ্ন ৫ ঃ সম্যক ধ্যান বা সমাধি

ঘ) দীঘল প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 300–500 শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ ঃ হীনযান আৰু মহাযান শাখাই বর্ণনা কৰা 'নির্বাণ'ৰ ধাৰণা আলোচনা কৰক।

প্রশ্ন ২ ঃ 'নির্বাণ'ৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ 'নির্বাণ'ৰ আঠটা অঙ্গঁবিশিষ্ট মার্গ বা অষ্টাঙ্গিঁক মার্গৰ ব্যাখ্যা আগবঢ়াওক।

*** ***** ***

অধ্যায় ১০ঃ বৌদ্ধ দর্শনৰ বস্তুবাদী বা বাস্তৱবাদী সম্প্রদায়সমূহঃ বৈভাষিক, সৌত্রান্তিক

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ সর্বস্তিবাদ নাইবা বৈভাষিক

১০.৩.১ ধর্মমতবাদ

১০.৩.১.১ 'সকলো অস্তিত্বশীল' মতবাদ

১০.৩.২ অনাত্মাবাদ

১০.৪ সৌত্রান্তিক

১০.৪.১ ক্ষনিকবাদ

১০.৪.২ স্কন্ধমাত্র

১০.৪.৩ নির্বাণ

১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৬ অধিক জানিবলৈ

১০.৭ অগ্রগতিৰ খতিয়ান

১০.৮ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সর্বাস্তিবাদ আৰু সৌত্রান্তিক সম্প্রদায়ক কিয় বৌদ্ধ দর্শনৰ বস্তুবাদী সম্প্রদায় বোলা হয়, তাক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- সর্বস্তিবাদৰ মৌলিক মতবাদক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- সর্বস্তিবাদ সম্প্রদায়ৰ ধর্ম মতবাদৰ নক্সা দিবলৈ সক্ষম হ'ব,
- 'সকলো অস্তিত্বশীল' মতবাদ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- অনাত্মবাদ মতবাদক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- সৌত্রান্তিক সম্প্রদায়ৰ মৌলিক মতবাদ সমূহ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- ক্ষনিকবাদৰ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- স্কন্ধমাত্র মতবাদ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- সৌত্রান্তিকৰ নির্বাণৰ ধাৰণাৰ এক নক্সা আগবঢ়াবলৈ সক্ষম হ'ব।

১০.২ পৰিচয়

সর্বাস্তিবাদক প্রায়ে বৈভাষিক বুলিও কোৱা হয়, যি স্থৱিৰবাদৰ এক প্রধান সম্প্রদায় হিচাপে গা কৰি উঠিছিল। অভিধর্ম্ম পিটকৰ ওপৰত 'বিভাষা' নামৰ এখন ভাষ্য ৰচিত হৈছিল। অভিধর্ম ভাষ্যৰ অনুসৰণত বা 'বিভাষা'ৰ অনুসৰণ কৰি মতবাদ প্রতিষ্ঠা কৰাৰ হেতু এই দর্শন সম্প্রদায়ক বৈভাষিক দর্শন বোলা হয়। ই হীনযান সম্প্রদায়ৰ অন্তর্গত। সর্বাস্তিবাদে বৌদ্ধদর্শনৰ গুৰুত্বপূর্ণ বাস্তৱবাদী শাখাক নির্দ্দেশ কৰে। এই শাখাটোৰ প্রধান বৈশিষ্ট্য হৈছে ইয়াৰ মিতাচাৰী আৰু বাস্তৱবাদী শক্তি। সর্বস্তিবাদীসকলৰ দৰে সৌত্রান্ত্রিকসকলে অভিধম্মৰ আনুগত্যতাক অস্বীকাৰ কৰা নাই। মুঠতে, তেওঁলোকে নিজা নামটো নিঃসৃত কৰিছে এই সত্যৰ পৰা যে তেওঁলোকে কেৱল বুদ্ধৰ ভাষ্য হিচাপেহে সূত্রসমূহক গ্রহণ কৰিছে। সৌত্রান্ত্রিকসকল প্রকৃততে নিজস্ব গোপনীয়তা আৰু শৃঙ্খলাবদ্ধ নীতিৰে সৈতে এক স্বতন্ত্র সম্প্রদায় নহয়। ইয়াৰ ঠাইত, তেওঁলোক হৈছে চিন্তাবিদসকলৰ এক শ্রেণী বা গোট, থিয়ে সর্বস্তিবাদীসকলৰ সৈতে বৌদ্ধিক বিষয়সমূহৰ ওপৰত অসন্মত হ'বলৈ প্রয়াস কৰে। তেওঁলোকে পৰম্পৰাগত সর্বাস্তিবাদৰ ভাৰি লোৱা অস্তিত্বক বিৰোধিতা কৰিছে। উদাহৰণ স্বৰূপে ঃ সর্বস্তিবাদীসকলে এই মতামত পোষণ কৰে যে, অতীত আৰু ভৱিষ্যতৰ কোনো বাস্তৱ অস্তিত্ব নাথাকে, অতীতৰ পৰা ভৱিষ্যতলৈ অগ্রসৰ হোৱা এটা সত্তাই কেৱল ইয়াৰ পর্য্যায়হে সলনি কৰে, কিন্তু ই অস্তিত্বশীল নাইবা অন্ত হৈ নাযায়। সৌত্রান্ত্রিক সকলে উত্তৰ দিয়ে টে সত্তাসমূহক প্রয়োজনীয়তা অবিহনে সংখ্যা বৃদ্ধি কৰাটো উচিত নহয় আৰু এই সাধাৰণ মতামতৰ ক্ষেত্রতো ধৰি ৰখাটো উচিত নহয় যে অতীত হৈছে সি, যি অস্তিত্বশীল, কিন্তু বর্ত্তমান কোনোপধ্যে অস্তিত্বশীল নহয়, আৰু ভবিষ্যত যি এতিয়াও অস্তিত্বশীল নহয়, কিন্তু ভবিষ্যতে অস্তিত্বশীল হ'ব। সৌত্রান্ত্রিকসকলে নির্বাণক এক পৃথক অৱস্থা ৰূপে অস্বীকাৰ কৰিছে আৰু সর্বস্তিবাদীসকলক প্রতিবাদ কৰি কৈছে যে কিবা এটাৰ অন্ত বা শেষৰ সদায় অস্তিত্ব থাকে। যেনেঃ পুণৰজন্মৰ চক্র বা ভৱচক্রত দুখ, নিজে এক অস্তিত্ব নহয়; কিন্তু সৰলভাৱে ই এক অস্তিত্বৰ অন্ত। সৌত্রান্ত্রিকসকলক হীনযান সম্প্রদায়ৰ অন্তর্গত বুলি ধৰিবই লাগিব, কিয়নো, তেওঁলোকে অনিত্য জগতখনৰ সত্যতা স্বীকাৰ কৰিছে আৰু সর্বস্তিবাদীসকলৰ সৈতে ধর্ম তত্ত্ব বা মতবাদৰ মূল উপাদানৰ অংশ গ্রহণ কৰিছে।

১০.৩ সর্বস্তিবাদ বা বৈভাষিক

সর্বস্তিবাদীসকলৰ ত্রিপিটকখন বিনয়পিট্ক, সুত্র-পিট্ক আৰু অভিধর্ম্ম পিটকেৰে গঠিত। অভিধর্ম্ম পিটক্ৰ ওপৰত টিপ্পনী কৰা দুটা ভিন্ন বিভাষ (bibhasa) আছে। এই দুয়োটাৰ ভিতৰত আটাইতকৈ গুৰুত্বপূর্ণ টীকা বা ব্যাখ্যা হৈছে জ্ঞানপ্রস্থানশাস্ত্র (Tranaprasthanasartra)ৰ ওপৰত কৰা টীকা বা ব্যাখ্যা। বিভাষৰ মত সম্বন্ধীয় আৱশ্যকতা আছিল এনেধৰণৰ যে ই সর্বস্তিবাদীসকলক ইয়াৰ বৈভাষিক নামটো প্রদান কৰিছিল।

সর্বস্তিবাদীসকলৰ পদ্ধতিত আটাইতকৈ অতুলনীয় চিন্তাটো হৈছে আত্মাৰ অস্বীকৃতি। সর্বস্তিবাদী সকলৰ মতে আত্মাক কেতিয়াও বিচাৰি পোৱা নাযায়। তেওঁলোকে আত্মাৰ অস্তিত্বক একেবাৰেই নুই কৰিছে। সর্বস্তিবাদীসকলে এক আত্মাৰ অবিহনেই পূর্বজন্মৰ নিয়মক ব্যাখ্যা কৰিছে। বৌদ্ধদর্শনত ধর্ম মানে অন্তিম উপাদান। সর্বস্তিবাদীসকলে ধর্ম তত্ত্বকো আলোচনা কৰিছে, যাৰ মতে সকলো অস্তিত্বশীল বস্তুক ধর্মলৈ পৰিবর্তন কৰা হয়, এই অর্থত যে সেইবোৰ অন্তিম নীতি নাইবা মূলগত সত্য বা সত্তা হিচাপে পৰিগণিত হৈ পৰে।

১০.৩.১ ধর্ম তত্ত্ব বা মতবাদ

সর্বস্তিবাদীসকলে বিশ্বজগতত নীতি নাইবা ধর্মৰ বহুত্বত বিশ্বাস কৰিছিল। সর্বস্তিবাদীসকলৰ দ্বাৰা তালিকাভুক্ত ধর্মৰ সংখ্যা হৈছে পয়সত্তৰটা। এই বোৰৰ মাজত ৭২ টা সংস্কৃত ধর্ম (Samaskrta) আৰু বাকী তিনিটা অসংস্কৃত ধর্ম (Asamskrta)। আৰম্ভনিৰে পৰা এজন লোকে সংস্কৃত আৰু অসংস্কৃত দুয়োটা ধর্মকে পৃথকে পৃথকে গ্রহণ কৰিব লাগিব। অসংস্কৃত ধর্ম অনাদি অনন্ত এই অর্থত যে এইবোৰ কর্মৰ কাৰণৰ দ্বাৰা চর্তসাপেক্ষ নহয় আৰু কর্মৰ গঠনীয় শক্তিৰো বিষয় নহয়। এইবোৰে দুখেৰে পূর্ণ জগতৰ সৃষ্টিত অংশ গ্রহণ নকৰে। সর্বস্তিবাদীসকলে তিনিটা অসংস্কৃত ধর্মৰ কথা কয়। সেয়া হৈছে আকাল, অপ্রতিসংখ্যা নিৰোধ (suppression without knowledge) আৰু প্রতিসংখ্যা নিৰোধ (suppression through knowledge)।

ইয়াৰ বিপৰীতে সর্বস্তিবাদীসকলে সংস্কৃত ধর্মক চাৰিটা শ্রেণীত বিভক্ত কৰিছে- ৰূপ, চিত্ত, চৈতসিক আৰু চিত্ত বিপর্যুক্ত।

১। চিত্ত বা মন (Citta) ঃ বিবেচনা শক্তি বা চিন্তা-শক্তি

২। চৈত্তসিক বা মানসিক অৱস্থা (Caittasika) ঃ এজন ব্যক্তিৰ অন্তর্জাত সক্ষমতা আৰু স্বাভাৱিক গুণ বা বুদ্ধিৰ লগতে তেওঁৰ মনৰ অৱস্থা, অনুভূতি, উদ্বেগ আৰু বিশেষ মনোযোগ

৩। ৰূপ (Rupa) ঃ শাৰিৰীক সুখভিলাষী নাইবা দৃষ্টি সম্বন্ধীয় শক্তি, যি সংবেদন সীমাৰ লগত সঙ্গতি ৰক্ষা কৰে, যেনেঃ দৃশ্য, শ্রব্য ইত্যাদি আৰু প্রত্যক্ষৰ বিষয়।

৪। চিত্ত বিপর্যুক্ত (Visamprayukta Samskaras) ঃ ই হৈছে এক মন-স্বতন্ত্র অৱস্থা। অ-ইন্দ্রিয়গ্রাহ্য সম্পর্কসমূহ আৰু প্রাপ্ত, অ-প্রাপ্ত, জীৱন ধাৰণ শক্তি, বয়সপ্রাপ্ত, অস্থায়িত ইত্যাদিৰ দৰে নিয়ম বা প্রণালী।

ধর্ম মতবাদ অনুযায়ী সকলো অভিজ্ঞতা সিদ্ধ সত্তা আৰু সকলো, যি সেইবোৰত বাহ্যিক জগত হিচাপে প্রতিবিম্বিত হয়, সেয়া হৈছে সংস্কৃত ধর্মৰ দ্বাৰা গঠিত অদ্ভুত দৃশ্য। ধর্ম হৈছে অভিজ্ঞতাসিদ্ধ অস্তিত্বৰ সাংগঠনিক উপাদান, যাক আগলৈ ৰূপান্তৰ কৰিব পৰা নাযায়। কর্মৰ দ্বাৰা কাৰণগত আৰু পৰিচালিত, সিহঁতে নিদৃষ্ট অনুপাতত লগ লাগে আৰু অদ্ভুট দৃশ্যৰ গঠন কৰে, যাক আমি নিজা হিচাপে আৰু জগত হিচাপে

অভিজ্ঞতাত লাভ কৰোঁ। সত্য বা সত্তাৰ সমগ্রতা সংস্কৃত ধর্মৰ দ্বাৰা সংগঠিত পৰিদৃশ্যমানত লুপ্ত হৈ যায়; সিহঁতৰ পিছত নাইবা উৰ্দ্ধত কোনো নিম্নতৰ স্তৰ নাইবা মূলভাগ নাথাকে।

ই হৈছে তেওঁলোকৰ কর্মৰাজিৰ সংক্ষেপনীয়তা, যিয়ে ধর্ম প্রণালীক সম্পাদিত কৰিবলৈ সংস্কৃত ধর্মক যোগ্য কৰি তোলে। সর্বাস্তিবাদে পোষণ কৰে যে সংস্কৃত ধর্ম কেৱল অলপ সময়ৰ বাবেহে ফলপ্রসু হয়। কিন্তু, এইবোৰ ধর্মৰ উদ্ভাৱন নাই আৰু সদায়ে অস্তিত্বশীল। ধর্মই সৱলভাৱে এক গুপ্ত অৱস্থাৰ পৰা সক্রিয়তালৈ পৰিবর্তন হয়। সর্বস্তিবাদীসকলে ধর্মৰ কার্য্যকাৰিতাক পর্বতৰ শৃংগত থকা এটা শিলৰ উদাহৰণৰ দ্বাৰা ব্যাখ্যা কৰিছেঃ বহুদিন ধৰি শিলটো নিষ্ক্রিয় হৈ আছিল। এদিন সি পৰিবলৈ আৰম্ভ কৰিলে আৰু এইদৰেই সি সক্রিয় হৈ থাকিব যেতিয়ালৈকে সি বৈ নাযায় আৰু নিষ্ক্রয়তালৈ পুনৰ ঘুৰি নাযায়। পর্বতৰ ওপৰত থকা শিলটোক ভৱিষ্যতৰ ধর্মৰ লগত তুলনা ই বর্ত্তমানৰ ধর্মৰ দৰে আৰু যেতিয়া ই স্থবিৰ হৈ পৰে, ই হয় অতীতৰ ধর্ম। ধর্মত তিনিওটা কালৰ অৱসান নোহোৱাৰ দৰে শিলটোতও অতীত, বর্ত্তমান আৰু ভৱিষ্যৎ সহৱস্থান কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) সর্বাস্তিবাদ হৈছে ইয়াৰ পিটকসমূহৰ সৈতে এক .....সম্প্রদায়।

(খ) সর্বস্তিবাদীসকলৰ পদ্ধতিত আটাইতকৈ অতুলনীয় চিন্তা হৈছে .....ৰ অস্বীকাৰ।

(গ) সর্বাস্তিবাদে তিনিটা অসংস্কৃত ধর্মৰ কথা কয় ঃ ....., ..., আৰু .....।

১০.৩.১.১ সকলো অস্তিত্বশীল (সর্বম্ অস্তি)

সর্বস্তিবাদীসকলে বিশ্বাস কৰিছিল যে কেৱল বর্ত্তমান কালতে বস্তুবোৰ অস্তিত্বশীল নহয়, বৰঞ্চ অতীত আৰু ভৱিষ্যতৰ বস্তুবোৰবোৰ অস্তিত্ব থাকে, যিবোৰ বর্ত্তমানৰ সৈতে ধাৰাবাহিকতাত জড়িত হৈ থাকে। 'সকলো অস্তিত্বশীল' (All exist)-ই হৈছে সর্বস্তিবাদীসকলৰ এক স্বতঃসিদ্ধ প্রমাণ (axiom), য'ৰ পৰা এই সম্প্রদায়ে নিজা নামটো লৈছে। সর্বস্তিবাদীসকলে পাঁচ প্রকাৰৰ ধর্ম (অসংস্কৃত আৰু চাৰি প্রকাৰৰ সংস্কৃত)ৰ অস্তিত্ব সমর্থন কৰিছে তেওঁলোকৰ সকলো কালৰ অৱস্থাত, সি লাগে অতীততেই হওঁক, বর্ত্তমানতেই হওঁক নাইবা ভৱিষ্যতেই হওঁক। সেয়ে, কোনো কোনো অর্থত অতীত আৰু ভৱিষ্যতকে সামৰি সকলো নীতি, সকলো ধর্মৰে অস্তিত্ব আছে।

অতীতৰ ধর্মক বর্ত্তমানলৈ প্রেৰণ কৰা হয়, আনহাতে ভৱিষ্যতৰ ধর্মবোৰ বর্ত্তমান কালত অজ্ঞাতভাৱে নিহিত হৈ ৰয়। ইয়াক এটা উদাহৰণেৰে সৈতে ব্যাখ্যা কৰিব পৰা যায়- অতীতৰ আমাৰ গুটিটোৱে বর্ত্তমানলৈ ইয়াৰ 'আমত্ব' (manogness) ক প্রেৰণ কৰে, আৰু ঠিক সেইদৰে, 'ভৱিষ্যতৰ আম' (future mango) ই ইয়াৰ 'আমত্ব' বর্ত্তমানৰ পৰা গ্রহণ কৰে। এইখিনিতেই, সর্বস্তিবাদীসকল আন আন বৌদ্ধ সম্প্রদায়সমূহৰ পৰা পৃথক। আন আন বৌদ্ধ সম্প্রদায়সমূহে সমর্থন কৰে যে বর্ত্তমানৰ কেৱল সেইবোৰ হে অস্তিত্বশীল হয়, সম্ভৱত এক অর্থত যে কিছুমান অতীতৰ কার্য্য, যিয়ে এই পর্য্যন্ত সিহঁতৰ সম্পূর্ণ পৰিণতি বা ফলক উৎপাদন কৰিব পৰা নাই বা কৰা নাই। সি যি কি নহওঁক, সত্তা আৰু অতীত, বর্ত্তমান আৰু ভৱিষ্যতত বস্তুবোৰৰ অস্তিত্বৰ সন্দর্ভত সর্বাস্তিবাদৰ প্রদর্শকসকল তেওঁলোকৰ নিজৰ মাজতে বেলেগ বেলেগ আৰু নানা প্রকাৰে তাক ব্যাখ্যা কৰিছে ঃ

(ক) ধর্মতত্ত্বই উক্তি কৰে যে, বস্তুবোৰ একেই থাকে আৰু, কেৱল ধাৰাবিষয়ক পৰিবর্ত্তনসমূহহে আহে, অর্থাৎ আকাৰ আৰু গুণ, বিভিন্ন ধাৰণাৰ উদয়, যেনেঃ অতীত, বর্ত্তমান আৰু ভৱিষ্যতৰ দৰে। এটা বস্তু আৰম্ভ হয়, যেতিয়া ই নতুন পর্য্যয় নাইবা আকাৰ নাইবা গুণ গ্রহণ কৰে আৰু ইয়াক ধ্বংস কৰা যায়, যেতিয়া সিহঁত পৰিত্যক্ত হয়। উদাহৰণ স্বৰূপেঃ সোণ আৰু সোণৰ গহণাৰ ক্ষেত্রত, সোণ একেই থাকে, যদিও ইয়াৰ পৰিবর্তন ঘটোৱা হয় ইয়াৰ আকাৰ আৰু গুণৰ ক্ষেত্রত। ঠিক একেদৰেই, গাখীৰ আৰু দৈ'ৰ ক্ষেত্রত, 'গাখীৰ' -এই দ্রব্য একেই থাকে, কিন্তু কেৱল ইয়াৰ আকাৰ আৰু গুণৰ পৰিবর্তনহে দৈ'ত দেখা যায়। এই দুয়োটা উদাহৰণতে কেৱল পর্য্যায়গত পৰিবর্তনহে ঘটে। এই পর্য্যায়গত পৰিবর্তনসমূহক অতীত, বর্ত্তমান আৰু ভৱিষ্যৎ নাইবা উৎস আৰু অৱনতি হিচাপে বর্ণনা কৰা হয়। এটা নিদৃষ্ট বস্তুৱে ভৱিষ্যতৰ পর্য্যায় নাইবা আকাৰ আৰু গুণক পৰিত্যাগ কৰে আৰু বর্ত্তমান পর্য্যায়ত উপস্থিত হয়। একেদৰেই, ই তাৰ বর্ত্তমান পর্য্যায় বা আকাৰ আৰু গুণক ত্যাগ কৰে আৰু এক অতীত পর্য্যায় লাভ কৰিব পাৰে। ইয়াৰ কাৰণ এয়ে যে এটা বস্তু কেৱল ইয়াৰ পর্যায়ত পৰিবর্তন হ'ব পাৰে, ভৱিষ্যৎ, অতীত আৰু বর্ত্তমানৰ বস্তুবোৰ ইটোৰ পৰা সিটো সম্পূর্ণৰূপে পৃথক।

(খ) (Ghosaka) ৰ মতে, প্রত্যেক দৃশ্যমান বস্তুৰেই তিনিটা বৈশিষ্ট্য থাকে। যেনেঃ জন্ম, বৃদ্ধাৱস্থা আৰু মৃত্যু, যি বস্তুটোৰ সৈতে সকলো সময়তে অস্তিত্বশীল। উদাহৰণ স্বৰূপে ঃ যেতিয়া এটি কেঁচুৱাৰ জন্ম হয়, সি নিজৰ লগত বার্দ্ধক্য আৰু মৃত্যুও বহন কৰি আহে। একেদৰেই, গাখীৰ যেতিয়া খীৰোৱা হয়, সোণৰ গহণা যেতিয়া বনোৱা হয়, তেতিয়া সেইবোৰে নিজৰ লগত বৃদ্ধ বয়স আৰু মৃত্যুও বহন কৰে। সৃষ্টি, বৃদ্ধাৱস্থা আৰু মৃত্যু এটা বস্তুত একেলগে অস্তিত্বশীল হৈ থাকে। বর্ত্তমান কাল হে (Presentness) প্রকৃত, যেতিয়া অতীত আৰু

ভৱিষ্যতক পাব পৰা ৰূপে পার্থক্য কৰা হয়। এটা বস্তুৰ আৰম্ভনিক কোৱা হয় জন্ম বা বর্ত্তমান, আনহাতে, বার্ধক্য আৰু মৃত্যু; যি আহিবলগীয়া, সেয়া হৈছে ভৱিষ্যত যেতিয়া এটা শিশুৰ বয়স বৃদ্ধি হয়, গাখীৰ দৈ লৈ ৰূপান্তৰ হয়, নাইবা সোণৰ অলংকাৰ ক্ষয় যায়, ইয়াৰ বৃদ্ধাৱস্থা হৈ পৰে বর্ত্তমান, আনহাতে ইয়াৰ আৰম্ভনি হৈ পৰে অতীত আৰু মৃত্যু হৈ পৰে ভৱিষ্যৎ। Ghosaka বস্তু, গুণ আৰু আকাৰক পৃথকে আলোচনা কৰিছে অথচ, তেওঁ ইয়াক অৱিচ্ছেদ্য হিচাপে গ্রহণ কৰিছে। Ghosaka ই পোষণ কৰে যে যদিহে তিনিওটা বৈশিষ্ট্য একে লগে অস্তিত্বশীল নহয়, তেনেহ'লে বর্ত্তমান অতীত হ'ব নোৱাৰে আৰু ভৱিষ্যৎ বর্ত্তমান হ'ব নোৱাৰে।

(গ) বসুমিত্রই উক্তি কৰে যে, বস্তু তিনিওটা কাল অতীত, বর্ত্তমান আৰু ভৱিষ্যতত অস্তিত্বশীল। Dharmaratra আৰু Ghosaka ই কোৱাৰ দৰে বস্তুৱে দ্রব্য নাইবা, সিহঁতৰ আকাৰ আৰু গুণ নাইবা সিহঁতৰ বৈশিষ্ট্যসমূহত কোনো পৰিবর্তনৰ অধীন নহয়। তেওঁৰ মতে, ই হৈছে কর্মৰাজি নাইবা ক্রিয়া, যিয়ে এটা বস্তুৰ অতীত কাল, বর্ত্তমান কাল আৰু ভৱিষ্যৎ কাল নির্দ্ধাৰণ কৰে। যেতিয়া ক্রিয়াটো সংঘটিত হয়, ইয়াক কোৱা হয় বর্ত্তমান যেতিয়া ক্রিয়াটো শেষ হয়, তাক কোৱা হয়, অতীত আৰু যেতিয়া ক্রিয়াটো সংঘটিত হ'ব, ইয়াক কোৱা হয় ভৱিষ্যৎ। উদাহৰণ স্বৰূপে ঃ যেতিয়া চকুৱে ক্রিয়া কৰে আৰু এটা দ্রব্যত থকাৰ দৰে বস্তু এটাক প্রত্যক্ষ কৰে, সি হয় বর্ত্তমান; যেতিয়া চকুৱে বস্তুটো প্রত্যক্ষ কৰা কামটো সম্পূর্ণ কৰে, তেতিয়া বস্তুটোক অতীত হিচাপে ধৰা হয় আৰু যেতিয়া বস্তুটোক প্রত্যক্ষ কৰা হ'ব, ই হয় ভৱিষ্যৎ। অন্য কথাত, সকলো বস্তুতে তিনিওটা কালৰ সহঃ অৱস্থান হয় আৰু ই হৈছে কর্মৰাজি বা ক্রিয়া, যিয়ে নির্দ্ধাৰণ কৰে এটা বস্তুৰ কাল নাইবা স্বভাৱ। যদি তিনিওটা কাল সহাৱস্থান নকৰে নাইবা ক্রিয়া নকৰে, তেতিয়া অতীত আৰু ভৱিষ্যৎ 'শহাৰ শিং'ৰ লেখিয়াকৈ অ-অস্তিত্বশীল হৈ পৰিব আৰু অতীত আৰু ভৱিষ্যৎ কালত্ব সম্পূর্ণৰূপে অ অস্তিত্বশীল নহয়। সকলো দৃশ্যমান বস্তুৱেই অতীত, বর্ত্তমান আৰু ভৱিষ্যত কালত অস্তিত্বশীল।

(ঘ) বুদ্ধদেৱৰ দ্বাৰা প্রকাশিত 4র্থ মতামত এটাও আছে। তেওঁৰ মতে দৃশ্যমান বা ইন্দ্রিয়গ্রাহ্য বস্তুবোৰ সকলো কালতে বিদ্যমান। সিহঁতক অতীত, বর্ত্তমান আৰু ভৱিষ্যৎ ৰূপে নির্দ্দেশ কৰা হয় কেৱল আপেক্ষিক ভাৱেহে। বসুবন্ধুৰ দৰে তেৱোঁ এই মত প্রত্যাখান কৰিছে যে, বস্তুবোৰ ইয়াৰ আকাৰ নাইবা গুণ নাইবা কাল-বৈশিষ্ট্যত পৰিবর্তনৰ অধীন। তেওঁৰ মতে, এটা বস্তু সকলো কালতে একেই থাকে। তেওঁ কয় যে, যেতিয়া সকলো বস্তুৰ একে সময়তে তিনিওটা কালেই থাকে, কেৱল এটাক আন এটাৰ সন্দর্ভত হে দৃষ্টিগোচৰ কৰা হয়। এটা উদাহৰণ দিবলৈ হ'লেঃ এটা নির্দ্দিষ্ট বস্তু দৈ হয় ইয়াৰ বর্ত্তমান কালত, গাখীৰ হয় ইয়াৰ

অতীতত আৰু ক্রীম হয় ইয়াৰ ভৱিষ্যতত। এইদৰেই, বুদ্ধদেৱে সকলো কালতে এটা বস্তুৰ অস্তিত্ব প্রতিষ্ঠা কৰিছে।

১০.৩.২ অনাত্মাবাদ

বৌদ্ধদর্শন আত্মা সম্পর্কীয় মতবাদ হৈছে এক ব্যতিক্রমধর্মী মতবাদ। বুদ্ধদেৱৰ মতে আত্মা বুলি একো বস্তু বা সত্তা নাথাকে। আত্মাৰ নিত্য, স্থায়ী ৰূপ নাই বুলি মত প্রকাশ কৰাৰ বাবে এই মতবাদক অনাত্মাবাদ (No-Soul Theory) বুলি কোৱা হয়। সর্বাস্তিবাদে অনাত্মাত বিশ্বাস কৰিছিল; অর্থাৎ এজন ব্যক্তিৰ মাজত কোনো স্থায়ী সত্তাৰ অনুপস্থিতি, যদিও তেওঁলোকে সকলো বস্তুটেই স্থায়ী সত্তাৰ উপস্থিতি স্বীকাৰ কৰিছিল। ধর্ম প্রণালীয়ে সর্বস্তিবাদীসকলক এক আত্মাৰ অবিহনে পুর্ণদুখৰ তত্ত্বগত ভিত্তি প্রদান কৰে। কর্মৰ অৱস্থা হেতু ধর্মৰ সৃষ্টি হয়, যি এজনৰ কর্মৰ বাবে এজন ব্যক্তিক গঠন কৰিবলৈ একত্রিত হয়। কর্ম হৈছে ধর্মৰ বাবে নিমিত্ত আৰু গঠনমূলক শক্তি। যেতিয়া ধর্মসমূহ, যিয়ে এজন ব্যক্তিক সংগঠন কৰে, তেওঁৰ মৃত্যুত বিভাজিত হয়, কর্ম-অভিপ্রায়, যাক ব্যক্তিজনে অনুমোদন কৰে যেতিয়া জীয়াই থাকে আৰু নির্দ্ধাৰণ কৰে যে কোনটো নতুন ধর্ম 'তেওঁ'ৰ অস্তিত্বৰ নতুন ৰূপটোত একত্রিত হ'ব। এই নতুন অস্তিত্ব পুৰণাটোৰ সৈতে একে নহয়, কিন্তু পূর্বৰ অস্তিত্বৰ অবিহনে নতুন অস্তিত্ব আহিব নোৱাৰাৰ অবিহনে ইয়াক এজনৰ অস্তিত্বৰ প্রকৃতিৰ বাবে পুৰণিটোক পাব লাগিব।

সর্বস্তিবাদীসকলে পোষণ কৰে যে ব্যক্তিত্ব হৈছে চর্তসাপেক্ষ ধর্মৰ এক স্বাভাৱিক চলনশক্তি বিষয়ক এক ধাৰা বা সোঁত। এনেধৰণৰ ব্যাখ্যাই সর্বস্তিবাদীসকলক ব্যক্তিত্বৰ কথা ক'বলৈ সামর্থ্য কৰি তোলে, যেতিয়া তেওঁলোকে আত্মাৰ অস্তিত্বক নুই কৰে। বস্তুৰ দৰে অস্তিত্ব সাধাৰণতে যি আছে, তাৰ উর্দ্ধত একো নহয়। অস্তিত্ব দৰাচলতে ক্রমাগত অস্তিত্বৰ ধাৰাবাহিকতাৰ সংজ্ঞা। সিহঁত ধর্মৰ এক সংকলনৰ বাহিৰে একো নহয় আৰু সিহঁতৰ নিজস্ব কোনো স্থিৰ স্বভাৱ নাথাকে। 'দুখ', 'কর্ম' আৰু 'মুক্তি'ৰ দৰে উক্তিসমূহ বিষয়ৰ লগত যুক্ত, কিন্তু ই কেৱল এক অভিজ্ঞতা বিষয়কহে ঃ এক ধর্ম সংকলন। এক জীৱিত অস্তিত্বৰ পৰিচয়ক জুইৰ গ্রাসত পতিত এখন হাবিৰ সৈতে তুলনা কৰিব পাৰি। জুইখিনিক একেখিনি জুই ৰূপেই বুজাব পাৰি, কিন্তু, প্রকৃততে, জুইৰ শিখাবোৰে নিজকে একেৰাহে পুনৰাবৃত্তি কৰি থাকে, আৰু অতি কম সময়ৰ বাবে ইয়াৰ কোনোটোক প্রবর্ত্তন কৰিব নোৱাৰে। এইদৰেই বিভিন্ন মুহূর্ত্তৰ জুইৰ শিখাৰ মাজত এটা অবিচ্ছিন্ন ধাৰা বা প্রৱাহ পৰিলক্ষিত হয়। ফলস্বৰূপে , জুইৰ শিখাৰ প্রৱাহেই কেৱল মাত্র একুৰা জুই জ্বলি থকা বুলি মনত ধাৰণা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ সত্য যে অসত্য উল্লেখ কৰকঃ

(ক) সর্বাস্তিবাদে বিশ্বাস কৰিছিল যে কেৱল বর্ত্তমানৰ বস্তুৰহে অস্তিত্ব আছে।

(খ) Dharmatrata -ৰ মতে, প্রত্যেক ইন্দ্রিয়গ্রাহ্য বস্তুৰেই তিনিটা বৈশিষ্ট্য আছে। যেনেঃ জন্ম, বার্ধক্য আৰু মৃত্যু, যি বস্তুৰ সৈতে সকলো কালতেই উপস্থিত থাকে।

(গ) বসুমিত্রই কয় যে, বস্তু তিনিটা কালৰ আটাইকেইটাতে (ভূত, বর্ত্তমান, ভৱিষ্যতত উপস্থিত থাকে।

১০.৪ সৌত্রান্তিক

সর্বস্তিবাদীসকলৰ বাস্তৱবাদৰ তুলনাত সৌত্রান্তিকসকলক প্রায়ে নামমাত্রবাদী আখ্যা দিয়া হয়। সৌত্রান্তিকসকলে উল্লেখ কৰে যে সর্বস্তিবাদী সকলৰ ধর্মসমূহৰ বেছি ভাগেই কেৱল এক সংজ্ঞা (Prajnaptita) হিচাপে অস্তিত্বশীল। উদাহৰণ স্বৰূপেঃ মহাকাশ হৈছে কেৱল শূণ্যতা আৰু নির্বাণ হৈছে কেৱল বিলুপ্তি। 'মহাকাল' আৰু 'নির্বাণ' শব্দদুটাক প্রকৃত সত্তাক নির্দ্দেশ কৰিবলৈ ব্যৱহাৰ কৰা হয়, কিন্তু ইয়াক কেৱল সংজ্ঞা ৰূপেহে ব্যৱহাৰ কৰা হয়। সৌত্রান্তিকসকলকৰ প্রধান বৈশিষ্ট্য তেওঁলোকৰ ক্ষণিকবাদ, সেই মতবাদ যিয়ে স্কন্ধমাত্রক অস্তিত্বৰ পৰা অস্তিত্বলৈ স্থানান্তৰ কৰে আৰু সেই সকলো যি নির্বাণত অন্ত পৰে।

১০.৪.১ ক্ষণিকবাদ

বৌদ্ধদর্শনৰ ক্ষণিকবাদে জগতৰ বস্তুসমূহৰ অস্তিত্ব সম্পর্কে এক গুৰুত্বপূর্ণ মতবাদ আগবঢ়াইছে। বৌদ্ধদর্শনত জগতৰ কোনো বস্তু বা ঘটনায়েই স্থায়ী নহয় বুলি গণ্য কৰা হয়। বুদ্ধৰ মতানুসৰি, জগতত শাশ্বত বা চিৰন্তন বুলি একোৱেই নাই। জগতৰ সকলোৱেই পৰিবর্তনশীল (Everything is changeables)। এই সংসাৰৰ সকলোৱেই অনিত্য। যাৰ উৎপত্তি আছে, তাৰ বিনাশো আছে। যাৰ জন্ম আছে, তাৰ মৃত্যু অনিবার্য্য। ঠিক একেদৰে যাৰ আদি আছে, তাৰ অন্তও আছে। জগতৰ সকলোৱেই অনিত্য বুলি গণ্য কৰা বৌদ্ধ দর্শন এই মতবাদক অনিত্যবাদ বা ক্ষণিকবাদ বোলা হয়। বুদ্ধৰ মতে, এই জগত সমগ্র বস্তু অনিত্য আৰু বিজ্ঞান বা চেতনা হৈছে ক্ষণিক। সৌত্রান্তিকসকলৰ মতে চেতনা বা মনৰ দৰে সকলো বস্তুসত্তাই ক্ষণিক। ক্ষণিকবাদ অনুযায়ী জগতৰ সকলো বস্তু বা সত্তা এটি মাত্র ক্ষণৰ বাবেহে স্থায়ী। সর্বস্তিবাদীসকলে যুক্তি প্রদর্শন কৰে যে ধর্ম ভূত, বর্ত্তমান আৰু ভৱিষ্যৎ এই তিনিওটা কালতে বর্তি

থাকে। ইয়াৰ অর্থ এয়ে যে অতীত আৰু ভৱিষ্যৎ যি কোনো প্রকাৰে বর্ত্তমানত নিহিত থাকে, যিহেতু ধর্মত সিহঁত উপস্থিত থাকে। অতীত, বর্ত্তমান, ভৱিষ্যৎ সকলো অস্তিত্বশীল। সৌত্রান্তিকসকলে সর্বস্তিবাদীসকলৰ স্থানক 'অস্থায়ীত্ব'ৰ বুদ্ধৰ মৌলিক নীতিৰ এক উলংঘন হিচাপে গ্রহণ কৰে। সৌত্রান্তিকসকলৰ বাবে কেৱল বর্ত্তমান বাস্তৱ। তেওঁলোকে ভাৱে যে বর্ত্তমান হৈছে যি কেৱল অস্তিত্বশীল, অতীত হৈছে, যি অস্তিত্বশীল আছিল আৰু ভৱিষ্যৎ, যি অস্তিত্বশীল হ'ব ভৱিষ্যতে যেতিয়া ইয়াৰ চর্তবোৰ প্রদত্ত কৰা হয়। সৌত্রান্তিকসকলে আনকি অতীতৰ অস্তিত্বও অস্বীকাৰ কৰিছে, যি এতিয়ালৈকে তাৰ ফল বা পৰিণামৰ উৎপন্ন কৰা নাই। তেওঁলোকে সমর্থন নকৰে যে ফল বা পৰিণাম অতীতৰ কার্যৰ পৰা পোণপটীয়াকৈ উৎপন্ন হয়, আৰু সেয়ে ই বেছি সময় অস্তিত্বশীল হৈ থাকিব নোৱাৰে। এটা ক্রমত এক নিদৃষ্ট ক্ষণৰ পৰা উৎপত্তি হোৱা ফল বা পৰিণাম টোৱে কার্য্যটোক অনুসৰণ কৰে। কার্য্যটো সম্পূর্ণ হোৱা মুহুর্ত্তত, ই ক্রমটোৰ ৰূপান্তৰ ঘটায়, আৰু এই ৰূপান্তৰে পৰিণাম বা বিকাশক নির্দ্ধাৰণ কৰে। বিকাশৰ একেবাৰে অন্তিমটো ক্ষণৰ এক বিশেষ ফলদায়ক শক্তি আছে, সেয়া হৈছে ফল বা পৰিণামক তৎক্ষণাত উৎপন্ন কৰাৰ ক্ষমতা। এই ক্ষণ বা মুহূর্ত্তক পার্থক্যবোধক ক্ষণ বা মুহূর্ত্ত (বিশেষ) বোলা হয়। ঠিক একেদৰেই প্রকৃতিতো বীজে তৎক্ষণাত ফলৰ উৎপাদন নকৰে, বৰঞ্চ দীঘলীয়া বিকাশৰ এক পদ্ধতিৰ পিছতহে কেৱল সম্ভৱ হয়। পোন প্রথমে গজালি, ঠাৰি, পাত, ফল আৰু অৱশেষত ফলৰ সৃষ্টি হয়।

১০.৪.২ স্কন্ধ মাত্র

সৌত্রান্ত্রিকসকলে যদিও সাব্যস্ত কৰে যে যদিও ধর্মসমূহ কেৱল ক্ষণস্থায়ী, যেতিয়ালৈকে সেইবোৰ ফলপ্রসু হৈ থাকে, তেতিয়ালৈকেহে কেৱল সিহঁত অস্তিত্বশীল হৈ থাকে, কিন্তু ধর্মৰ শিকলিৰ পাছফালে এক নিম্নস্তৰ (আশ্রয়) থাকে, যেনেঃ বিবেক (consciousness) য়ে এক ক্রম হিচাপে ক্রিয়া কৰে, যি এটা জন্মৰ পৰা আন এটা জন্মৰ অৱস্থালৈ পৰিবর্তিত হয়। তেওঁলোকে ভাৱে যে এটা অস্তিত্বৰ পৰা আন এটালৈ স্কন্ধ মাত্রৰ পৰিবর্তন আছে। এই মতামতটো বৌদ্ধধর্মৰ প্রধান মতবাদ স্কন্ধমাত্রৰ ক্ষণিক অস্তিত্বৰ সম্পূর্ণৰূপে এক বিৰোধী মতবাদ। পৌৰাণিক বৌদ্ধধর্ম অনুসৰি, স্কন্ধসমূহে আন এটাৰ সৃষ্টিত প্রত্যেক ক্ষণকে খণ্ডন কৰি পেলায়। তথাপিও, সৌত্রান্ত্রিকসকলে পৌৰাণিক বৌদ্ধদর্শনৰ এই মতবাদৰ প্রতিবাদ কৰি কয় যে স্কন্ধসমূহ সিহতঁৰ সম্পূর্ণ ৰূপত এটা অস্তিত্বৰ পৰা আন এটা অস্তিত্বলৈ গতি নকৰে। ই হৈছে মূলান্তিক স্কন্ধ, অর্থাৎ স্কন্ধৰ প্রকৃত ৰূপ, সিহে এটা অস্তিত্বৰ পৰা আন এটালৈ গতি কৰে। পাঁচোটা স্কন্ধৰ মূলান্তিক হৈছে একে প্রকৃতিৰ। অন্য কথাত, পাঁচটা স্কন্ধৰ সৈতে সঙ্গঁতি ৰাখি পাঁচ প্রকাৰৰ মুলান্তিক নাই। প্রকৃতার্থত, সিহঁত এটা দ্রব্য, আৰু এটা অস্তিত্বৰ পৰা আন এটা অস্তিত্বলৈ গতি কৰা পাঁচটা ভিন্ন দ্রব্য নহয়। ই হৈছে বিবেকৰ এক ৰূপ, যি এক

বীজ সদৃশ্য আৰু য'ৰ পৰা এই সমগ্র অস্থায়ী জগতৰ বিকাল হয়। ই নৈর্ব্যক্তিক আৰু সার্বিক আৰু যোগ্যতা অনুযায়ী ইয়াক পৃথক কৰিব পৰা যায়। বিভিন্ন ধৰণৰ অস্তিত্বৰ জৰিয়তে স্কন্ধমাত্রৰ স্থানান্তৰ কৰণৰ মতবাদৰ হেতু সৌত্রান্ত্রিক সকলক সংক্রান্তিবাদী (Samkrantivadins) নাইবা সংক্রান্তিক (Samkrantikas) বুলিও কোৱা হয়।

১০.৪.৩ নির্বাণ

সৌত্রান্তিকসকলে সাধাৰণ দৃষ্টিভঙ্গী হৈছে যে অসংস্কৃতৰ বাস্তৱ অস্তিত্ব নাথাকে আৰু নির্বাণৰ স্বৰূপ সম্পর্কীয় তেওঁলোকৰ মতামতটো তেওঁলোকৰ এই সাধাৰণ দৃষ্টিকোনৰেই এক তর্কীয় প্রসাৰতা বা ব্যাপ্তি। চর্তহীন বস্তুবোৰ বাস্তৱ আৰু স্পষ্ট অস্তিত্ব নহয়; কিন্তু বিশুদ্ধ অনুপস্থিতি। দেশ (space) হৈছে নিশ্চয়তাৰ অনুপস্থিতি। অপ্রতিসংখ্যানিৰোধ (Apratisamkhyanirodha) হৈছে কাৰণ আৰু জ্ঞানৰ শক্তি স্বতন্ত্রৰ অনুপস্থিতিৰ মাজেৰে লাভ কৰা ভৱিষ্যতৰ বস্তুসমূহৰ উদ্ভৱৰ অনুপস্থিতি। তেওঁলোকে প্রতিসংখ্যানিৰোধ নাইবা নির্বাণক জ্ঞানৰ আহিলাৰে লাভ কৰা অজ্ঞাত অভিপ্রায় আৰু অস্তিত্বৰ অনুপস্থিতি হিচাপে গ্রহণ কৰে। নির্বাণৰ অর্থ হৈছে সত্তাৰ অত্যান্তিক বিনাশ বা সত্তাৰ পূর্ণ বিলুপ্তি। ই হৈছে প্রকাশৰ চৰম অন্ত, আৰু কোনো সদর্থক প্রতিলিপিৰ অবিহনে আসক্তি ও জীৱনৰ অন্ত। নির্বাণৰ কোনো কাৰণ নাই। নির্বাণৰ কোনো উৎপত্তি নাই। নির্বাণৰ উৎপত্তি নথকাৰ হেতু ইয়াৰ বিনাশ অসম্ভৱ। তেওঁলোকে সর্বাস্তিবাদৰ বাস্তৱিক মতামতটোৰ বিৰোধিতা কৰিছে, যিসকলে নির্বাণক এক স্পষ্ট অস্তিত্ব বা প্রকৃত সাৰবস্তু ৰূপে ধাৰণা কৰে। নির্বাণ প্রাপ্তিৰ ক্ষেত্রত অপৱিত্রতা আৰু অপবিত্রৰ উপাদানসমূহ ভৱিষ্যতে আৰু সৃষ্টি নহয়। সৌত্রান্তিকসকলৰ মতে, অ-উদীয়মানৰ অর্থ হৈছে কেৱল অ-অস্তিত্ব। এইদৰেই তেওঁলোকে সিদ্ধান্তত উপনীত হয় যে, নির্বাণ হৈছে এক অস্তিত্বহীনতা, আৰু একো নাই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ চমু উত্তৰ লিখক ঃ

(ক) সৌত্রান্তিকসকলক কিয় নামমাত্রবাদী আখ্যা দিয়া হয়?

(খ) সৌত্রান্তিকসকলক কিয় সংক্রান্তিক বোলা হয়?

(গ) সৌত্রান্তিকসকলৰ মতে অসংস্কৃতৰ বাস্তৱ অস্তিত্ব আছেনে?



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সর্বস্তিবাদীসকলক প্রায়ে বৈভাষিক বুলি কোৱা হয়, যি স্থৱিৰবাদীসকলৰ এক স্পষ্ট শাখা ৰূপে পৰিগণিত হয়। সংস্কৃত ভাষাত নিজস্ব পিটকৰ সৈতে ই হৈছে এক হীনযান সম্প্রদায়। সৌত্রান্তিকসকল প্রকৃততে নিজস্ব গোপনীয়তা আৰু শৃঙ্খলাৱদ্ধ নীতিৰে সৈতে এক স্বতন্ত্র সম্প্রদায় নহয়। ইয়াৰ ঠাইত, তেওঁলোক হৈছে চিন্তাবিদসকলৰ সৈতে বৌদ্ধিক বিষয়সমূহৰ ওপৰত অসন্মত হ'বলৈ প্রয়াস কৰে।
- সর্বস্তিবাদীসকলৰ পদ্ধতিত আটাইতকৈ অতুলনীয় চিন্তাটো হৈছে আত্মাৰ অস্বীকৃতি। তেওঁলোকে ধর্ম তত্ত্বৰো আলোচনা কৰিছে, যাৰ মতে সকলো অস্তিত্বশীল বস্তুক ধর্মলৈ পৰিবর্তণ কৰা হয় এই অর্থত যে সেইবোৰ অন্তিম নীতি নাইবা মূলগত সত্তা হিচাপে পৰিগণিত হৈ পৰে।
- সর্বাস্তিবাদে বিশ্বব্রহ্মাণ্ডত নীতি বা ধর্মৰ বহুত্বত বিশ্বাস কৰিছিল। তেওঁলোকৰ মতে ধর্ম মুঠ পয়সত্তৰটা। এইবোৰৰ ভিতৰত তিনিটা চর্তবিহীন (অসংস্কৃত) আৰু বাসত্তৰটো চর্তযুক্ত (সংস্কৃত)।
- সর্বাস্তিবাদে তিনিটা অসংস্কৃত ধর্মৰ কথা কয়। সেয়া হৈছে আকাশ, অপ্রতিসংখ্যানিৰোধ (suppression without knowledge) আৰু প্রতিসংখ্যা নিৰোধ (suppression throught knowledge)।
- অসংস্কৃত ধর্মৰ পৰিবর্তে তেওঁলোকে সংস্কৃত ধর্মক উপস্থাপন কৰিছে। সর্বস্তিবাদীসকলে সংস্কৃত ধর্মক চাৰি ভাগত বিভক্ত কৰিছেঃ চিত্ত (mind), চৈত্তসিক বা মানসিক অৱস্থা (Caittasika), ৰূপ (Rupa) আৰু চিত্ত- বিপর্যুক্ত (Visamprayakta)
- ধর্মতত্ত্ব অনুসৰি সকলো অভিজ্ঞতালব্ধ সত্তা আৰু সেই সকলো যি তাৰ মাজত বাহ্যিক জগত ৰূপে প্রতিবিম্বিত হয়, সেয়া হৈছে সংস্কৃত ধর্মৰ দ্বাৰা গঠিত অদ্ভুত দৃশ্য।
- সর্বাস্তিবাদে পোষণ কৰে যে, সংস্কৃত ধর্মবোৰ কেৱল অতি কম সময়ৰ বাবেহে ফলপ্রসু হৈ থাকে। কিন্তু, এইবোৰ ধর্মৰ কোনো আদি নাথাকে আৰু সদায়ে অস্তিত্বশীল। ধর্মই সৰলভাৱে এক গুপ্ত অৱস্থাৰ পৰা সক্রিয়তালৈ পৰিবর্তন হয়।
- সর্বাস্তিবাদে বিশ্বাস কৰিছিল যে কেৱল বর্ত্তমান কালতে বস্তুবোৰ অস্তিত্বশীল নহয়, বৰঞ্চ থাকে; যিবোৰ বর্তমানৰ সৈতে ধাৰাবাহিকতাত জড়িত হৈ থাকে।
- সি যি কি নহওঁক, সত্তা আৰু অতীত, বর্ত্তমান আৰু ভৱিষ্যতত বস্তুবোৰৰ অস্তিত্বৰ সর্দভত সর্বাস্তিবাদৰ প্রদর্শকসকল তেওঁলোকৰ নিজৰ মাজতে ভিন্ন আৰু নানা প্রকাৰে তাক ব্যাখ্যা কৰিছে।
- ধর্মতত্বই উল্লেখ কৰে যে, বস্তুবোৰ একেই থাকে আৰু কেৱল ধাৰাবিষয়ক পৰিবর্তন

সমূহহে আহে, অর্থাৎ আকাৰ আৰু গুণ, বিভিন্ন ধাৰণাৰ উদয়, যেনেঃ অতীত, বর্তমান আৰু ভৱিষ্যৎৰ দৰে।

- Ghosaka ৰ মতে, প্রত্যেক দৃশ্যমান বস্তুৰেই তিনিটা বৈশিষ্ট্য থাকে। যেনেঃ জন্ম, বৃদ্ধাৱস্থা আৰু মৃত্যু, যি বস্তুটোৰ সৈতে সকলো কালতে অস্তিত্বশীল।
- বসুমিত্রই উল্লেখ কৰে যে, বস্তু তিনিওটা কাল যেনেঃ অতীত, বর্ত্তমান আৰু ভৱিষ্যতত অস্তিত্বশীল তেওঁৰ মতে, ই হৈছে কর্মৰাজি নাইবা ক্রিয়া, যিয়ে এটা বস্তুৰ অতীত কালত্ব, বর্ত্তমান কালত্ব আৰু ভৱিষ্যৎ কালত্বক নির্দ্ধাৰণ কৰে।
- বুদ্ধদেৱৰ মতে, দৃশ্যমান বা ইন্দ্রিয়গ্রাহ্য বস্তু বোৰ সকলো সময়তে বিদ্যামান। সিহঁতক অতীত, বর্ত্তমান আৰু ভৱিষ্যৎ ৰূপে নির্দ্দেশ কৰা হয় কেৱল আপেক্ষিকভাৱেহে।
- সর্বাস্তিবাদে অনাত্মাত বিশ্বাস কৰিছিল। অর্থাৎ এজন ব্যক্তিৰ মাজত কোনো স্থায়ী সত্তাৰ অনুপস্থিতি; যদিও তেওঁলোকে সকলো বস্তুটেই স্থায়ী সত্তাৰ উপস্থিতি স্বীকাৰ কৰিছিল।
- অস্তিত্ব দৰাচলতে ক্রমাগত অস্তিত্বৰ ধাৰাবাহিকতাৰ সংজ্ঞা। সিহঁত ধর্মৰ এক সংকলনৰ বাহিৰে আন একো নহয়। আৰু সিহঁতৰ নিজস্ব কোনো স্থিৰ স্বভাৱ নাথাকে।
- সৌত্রান্তিকসকলৰ প্রধান বৈশিষ্ট্য হৈছে তেওঁলোকৰ ক্ষণিকবাদ, সেই মতবাদ যিয়ে স্কন্ধমাত্রক এটা অস্তিত্বৰ পৰা আন এটা অস্তিত্বলৈ স্থানান্তৰ কৰে আৰু সকলোবোৰ নির্জনত শেষ হৈ যায়।
- সৌত্রান্তিকসকলৰ মতে কেৱল বর্ত্তমান ক্ষণহে অস্তিত্বশীল।
- সর্বাস্তিবাদে সাব্যস্ত কৰে যে যদিও ধর্ম সমূহ কেৱল ক্ষণস্থায়ী, যেতিয়ালৈকে সেইবোৰ ফলপ্রসু হৈ থাকে, তেতিয়ালৈকেহে কেৱল সিহঁত অস্তিত্বশীল হৈ থাকে, কিন্তু ধর্মৰ শিকলিৰ পাছফালে এক আশ্রয় থাকে, যেনে বিবেক (consciousness) য়ে এক ক্রম হিচাপে ক্রিয়া কৰে, যি এটা জন্মৰ পৰা আন এক জন্মৰ অৱস্থালৈ পৰিবর্তিত হয়।
- তেওঁলোকে প্রতিসংখ্যানিৰোধ নাইবা নির্বাণক জ্ঞানৰ আহিলাৰে লাভ কৰা অজ্ঞাত অভিপ্রায় আৰু অস্তিত্বৰ অনুপস্থিতি ৰূপে গ্রহণ কৰে। নির্বাণৰ অর্থ হৈছে সত্তাৰ অত্যান্তিক বিনাশ বা সত্তাৰ পূর্ণ বিলুপ্তি।



১০.৬ অধিক জানিবলৈ

1] Bapat, P.V.(ed), 1956, 2500 Years of Buddhism, Publication Division, Ministry of Buddhism, Publication Division, Ministry of Indormation and Broadcasting, Govt. of India. Reprint 2012.

2] Bareau, A., 1955. The Buddhist Schools of the small Vehicle, Dev Publishers and Distributors, New Delhi, 2015.

3] Dutta, N., 1978, Buddhist Sects in India, Motilal Banarasidass, New Delhi, Print 2005.

4] Trauwallner, E., 1956, The Philosophy of Buddhism, translatted by G.L. Sangpo, Motilal Banarasidass, New Delhi, Edition 2010.

5] Sangarakshita, 2001, A Survey of Buddhism, Motilal Banarasidass, New Delhi, 2006.

6] Sinha, J.N., 1952 Indian Philosophy, Voll.II, Motilal Banarasidass, New Delhi, Reprint 2006.

7] Scheepers, D., 1994, A Survey of Buddhist Thought, Motilal Banarasidass, New Delhi, 2008.

8] Scheemann, H.W., 1973, Buddhism An Outline of its Teachings and Schools, translated by G. Feurstein, The Theosophical Publishing House, U.S.A, Print 1983.

১০.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) সংস্কৃত

(খ) আত্মা

(গ) দেশ, অপ্রতিসংখ্যানিৰোধ আৰু প্রতিসংখ্যা নিৰোধ।

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) অসত্য (খ) অসত্য (গ) সত্য

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) সর্বস্তিবাদীসকলৰ বাস্তৱবাদৰ বিপৰীতে সৌত্রান্তিকসকলক প্রায়ে নামমাত্রবাদী হিচাপেহে জনা যায়। সৌত্রান্তিকসকলে উল্লেখ কৰে যে সর্বস্তিবাদীসকলৰ বেছিভাগ ধর্ম কেৱল প্রজ্ঞাপ্তি হিচাপেহে অস্তিত্বশীল। উদাহৱণ স্বৰূপেঃ দেশ হৈছে কেৱল শূণ্যতা আৰু নির্বাণ হৈছে কেৱল বিলুপ্তি।

(খ) বিভিন্ন ধৱণৰ অস্তিত্বৰ জৰিয়তে স্কন্ধমাত্রৰ স্থানান্তৰকৱণৰ মতবাদৰ হেতু সৌত্রান্তিক সকলক সংক্রান্তিবাদী (Samkrantivadins) নাই বা সংক্রান্তিক (Samkrantikas) বোলা হয়।

(গ) সৌত্রান্তিকসকলৰ মতে, অসংস্কৃতৰ বাস্তৱ অস্তিত্ব নাথাকে। অ-চর্তসাপেক্ষ বস্তুবোৰ বাস্তৱ আৰু স্পষ্ট অস্তিত্ব নহয়, কিন্তু বিশুদ্ধ অনুপস্থিতি।



১০.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তুমি কিয় ভাবা যে সৌত্রান্তিক সকলক হীনযান বৌদ্ধদৰ্শনৰ এক সম্প্রদায় ৰূপে ধৰিব পাৰি?

প্ৰশ্ন ২ ঃ সৰ্বস্তিবাদী সম্প্রদায়টোক কিয় বৈভাষিক হিচাপেও জনা যায়?

প্ৰশ্ন ৩ ঃ সৰ্বস্তিবাদৰ পাঁচপ্রকাৰৰ ধৰ্ম কি কি?

প্ৰশ্ন ৪ ঃ সবস্তিবাদী সম্প্রদায়টোক কিয় সেই নামেৰে জনা যায়?

প্ৰশ্ন ৫ ঃ সৰ্বস্তিবাদৰ প্রধান দাৰ্শনিক সতবাদ সমূহ কি কি?

প্ৰশ্ন ৬ ঃ মৌলিক মতবাদসমূহ কি কি, যাৰ দ্বাৰা সৌত্রান্তিকসকল বৈশিষ্ট্যকৰণ কৰিব পৰা যায়?

প্ৰশ্ন ৭ ঃ সৌত্রান্তিকসকলৰ মতে দেশ আৰু অপ্রতিসংখ্যানিৰোধৰ স্বৰূপ কি?

প্ৰশ্ন ৮ ঃ সৌত্রান্তিকসকলক কিয় সংক্রান্তিক বুলিও কোৱা হয়?

(খ) চমুটোকা ঃ (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সৰ্বস্তিবাদৰ ধৰ্মতত্ব

প্ৰশ্ন ২ ঃ 'সৰ্বম্ অস্তি'ৰ মতবাদ

প্ৰশ্ন ৩ ঃ অনাত্মাবাদ

প্ৰশ্ন ৪ ঃ ক্ষনিকবাদ

প্ৰশ্ন ৫ ঃ স্কন্ধমাত্র

প্ৰশ্ন ৬ ঃ সৌত্রান্তিকসকলৰ নিৰ্বাণৰ ধাৰণা

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সৰ্বস্তিবাদৰ দৰ্শন আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সৌত্রান্তিকসকলৰ মৌলিক মতবাদবোৰৰ এক চমু নক্সা আগবঢ়াওক।

*** ***** ***

অধ্যায় ১১ঃ বৌদ্ধ দর্শনৰ ভাৱবাদী বা আদর্শবাদী শাখাসমূহ ঃ মাধ্যমিক আৰু যোগাচাৰ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ মাধ্যমিক বা শূন্যবাদ ঃ নার্গাজুন

১১.৩.১ বাহ্যিক জগতৰ অসত্যতা

১১.৩.২ পৰম সত্য বা পৰম সত্ত্বা

১১.৪ যোগাচাৰ

১১.৪.১ কেৱল ধাৰণাৰ অস্তিত্ব (বিজ্ঞপ্তিমাত্র)

১১.৪.২ সঞ্চিত বিবেচনাশক্তি বা বোধ

১১.৪.৩ স্বভাৱৰ তিনিটা প্রকাৰ

১১.৫ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

১১.৬ অধিক জানিবলৈ

১১.৭ অগ্রগতিৰ খতিয়ান

১১.৮ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- নার্গাজুনে জগখনৰ অসত্যতা প্রমান কৰাৰ দিশসমূহ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- নার্গাজুনৰ দর্শনত পৰম সত্তাৰ প্রকৃতি ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- নার্গাজুনৰ দর্শনৰ নক্সা আগবঢ়াবলৈ সক্ষম হ'ব
- কেৱল ধাৰণাৰ মতবাদটোক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- সঞ্চিত বিবেকশক্তি বা বোধৰ ধাৰণাটোক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- তিনি প্রকাৰৰ স্বভাৱক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- যোগাচাৰ দর্শনৰ এটি নক্সা দিবলৈ সক্ষম হ'ব।

১১.২ পৰিচয়

বুদ্ধৰ মহাপ্রয়াণৰ প্রায় চাৰিশ বছৰৰ পাছত বৌদ্ধদর্শনৰ এক নতুন ৰূপৰ আৰ্বিভাৱ হৈছিল, যাক মহাযান বুলি জনা যায়। অর্থাৎ, 'মহান বা বৃহৎ বাহন' (দুখৰ মহাসাগৰত)। ই বন্ধন মুক্তিৰ নতুন পথৰ সন্ধান দিয়ে আৰু সেই হেতুকে, এই সর্বোত্তম লক্ষ্যৰ পথ পুৰণি বৌদ্ধদর্শনতকৈ

মানুহৰ এক বহল পৰিসৰৰ ক্ষেত্রত সুগম কৰি তুলিছে। অতীজৰ বৌদ্ধদর্শনত এক লঘু নাম হীনযান (সৰু বাহন) য়েই কামত আহিছিল। মহাযান সকলৰ মতে, হীনযান বৌদ্ধদর্শনৰ কেৱল এক সূচনামূলক বা পৰিচয়মূলক অংশহে। ওলোটাকৈ, হীনযানসকলে মহাযানক গৌতম বুদ্ধৰ শিক্ষা বা উপদেশসমূহৰ এক বিকৃতিকৰণ আখ্যা দিছে।

বৌদ্ধ দর্শনত মূলত তিনিটা ধাৰণা আছে, যিয়ে মহাযানক হীনযানৰ পৰা পৃথক কৰিছে আৰু একে সময়তে মহাযানৰ বেলেগ বেলেগ শাখা বা সম্প্রদায়সমূহক একেটা বিষয়ৰ মাজতে আৱদ্ধ কৰি ৰাখিছে। সেয়া হৈছে বৌদ্ধ মতবাদ, তিনিশৰীৰ (ত্রিকায়) ৰ মতবাদ আৰু বৌধিসত্তৰ ধাৰণা।

'সূত্র' ৰ শিক্ষা বা উপদেশসমূহৰ শ্রেণীবদ্ধকৰণ আৰু বাহুল্যকৰণৰ জৰিয়তে এক ধর্মীয় দিশৰ পৰাই মহাযান দার্শনিক সম্প্রদায়ৰ বিকাশ ঘটিছে। মহাযানসকলৰ দর্শনে এটা মূল সমস্যাৰ ওপৰত মনোনিবেশ কৰে। সেয়া হৈছে বহু আৰু একৰ মাজৰ সম্পর্ক-পার্থিৱ সত্তাবোৰৰ বহুলতা, যিয়ে জগতখন গঠন কৰে আৰু সেই নীতিৰ ঐক্য, যাক সেই সত্তাবোৰৰ মাজত পৰম সত্তা স্বৰূপে সংবেদন কৰিব পাৰি আৰু যাক ব্যক্তিগত অভিজ্ঞতাৰ জৰিয়তে অনুভৱ কৰিব পাৰি।

বৌদ্ধদর্শনৰ মহাযান সম্প্রদায়ক পুনৰ দুটা দার্শনিক চিন্তাৰ শাখাত বিভক্ত কৰা হৈছে ঃ মাধ্যমিক আৰু যোগাচাৰ। নার্গাজুন হৈছে মাধ্যমিক শাখাৰ প্রতিষ্ঠাপক। মাধ্যমিক শাখাৰ অন্যান্য চিন্তাবিদসকল হৈছে- আর্য্যদেৱ, যি আছিল নার্গজুনৰ প্রত্যক্ষ শিষ্য, বুদ্ধ পালিতা, ভৱবিবেক, চন্দ্রকীর্ত্তি, শান্তিদেৱ, সন্ত্বৰক্ষিতা আৰু কমলাশীল। মহাযানৰ আনটো প্রধান দার্শনিক সম্প্রদায় হৈছে যোগাচাৰ। যোগাচাৰ সম্প্রদায়ৰ তিনিজন গুৰুত্বপূর্ণ ব্যক্তিত্ব হৈছে ঃ মৈত্রেয়ানাথ, অসঙ্গ আৰু বসুবন্ধু। যোগাচাৰ সম্প্রদায়ৰ আন কেইজনমান উল্লেখনীয় দার্শনিক হৈছে ঃ দিঙনাগ, ধর্মোত্তৰ আৰু হৰিভদ্র। এই সমূহ পিছৰ যোগাচাৰ দার্শনিকসকলৰ লিখনিসমূহ প্রধানকৈ জ্ঞানসীমাংসা আৰু তর্কবিজ্ঞানৰ লগত জড়িত।

১১.৩ মাধ্যমিক বা শূন্যবাদ ঃ নার্গাজুন

মাধ্যম- প্রতিপদ (the middle view)ৰ ওপৰত দিয়া জোৰৰ বাবে মাধ্যমিকসকলক তথাকথিত বোলা হয়। বুদ্ধই বাৰানসীত তেওঁৰ ধর্মোপদেশত মধ্যম মার্গৰ প্রচাৰ কৰিছিল, যি আত্ম-বিৰক্তিও নহয়, নাইবা ইন্দ্রিয় সুখৰ প্রতি অনুৰাগী এক জীৱনো নহয়। তথাপি, মাধ্যমিক সম্প্রদায়ৰ দ্বাৰা সমর্থিত মধ্যম পন্থা বুদ্ধৰ দ্বাৰা প্রচাৰিত হোৱাৰ দৰে সম্পূর্ণ একে নহয়। বাৰানসীত বুদ্ধৰ দ্বাৰা উত্থাপিত মধ্যম পন্থাৰ এক নীতিবিজ্ঞানসন্মত অর্থ আছে, আনহাতে মাধ্যমিকসকলৰ সি হৈছে এক আধিবৈজ্ঞানিক বা পৰমসত্তাসম্পর্কীয় ধাৰণা।

নাগার্জুনেই পোন প্রথমে মহাযান দার্শনিক সম্প্রদায় সৃষ্টি কৰিছিল। কিন্তু, তেওঁ দর্শনৰ এক সম্প্রদায়ৰ বিকাশ কৰা নাছিল। তেওঁৰ দর্শন সু-সংবদ্ধভাৱে আগবঢ়োৱা এক সম্পূর্ণ গঠন নাছিল। তথাপিও, তেওঁ বাহ্যিক জগতৰ অসত্যতা বা অসাৰতাৰ এক প্রমাণ আগবঢ়াৱলৈ চেষ্টা

কৰিছিল, যাক কেৱল 'প্রজ্ঞাপৰমিতা' (Prajnaparamita) ৰ মহাযান সুত্রতহে উল্লেখ কৰা আছে। মাধ্যমিক সম্প্রদায়ৰ মৌলিক ধাৰণাসমূহৰো তেওঁ বিকাশ আৰু ব্যাখ্যা কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালীঠাই পূৰোৱা ঃ

(ক) মহাযানে বন্ধনমুক্তিৰ নতুন পথৰ সন্ধান দিয়ে, সেই হেতুকে, এই সর্বোত্তম লক্ষ্য অতীজৰ বৌদ্ধ দর্শনতকৈ মানুহৰ এক বহল পৰিসৰত পথ সুগম কৰি তুলিছে, যাৰবাবে এক লঘু নাম ..... নাইবা ..... ব্যৱহাৰত আহিছিল।

(খ) মূলতঃ তিনি প্রকাৰৰ ধাৰণা আছে, যিয়ে মহাযানক হীনযানৰ পৰা পৃথক কৰিছে আৰু একেটা সময়তে মহাযানৰ ভিন্নধৰণৰ সম্প্রদায়বোৰক একেটা বিষয়ৰ মাজতে আৱদ্ধ কৰি ৰাখিছে। সেয়া হৈছে ....., ... আৰু.....ৰ ধাৰণা।

(গ) বাৰাণসীত বুদ্ধৰ দ্বাৰা উত্থাপিত মধ্যম পন্থাটোৰ এক ..... অর্থ আছে, য'ত মাধ্যমিকসকলৰ সি হৈছে ..... ধাৰণা।

১১.৩.১ বাহ্যিক জগতৰ অসত্যতা বা অসাৰতা

নার্গাজুনৰ মূল লক্ষ্য হৈছে অৱভাসিক জগতখনৰ অসত্যতা প্রমাণ কৰাটো। আমাৰ দৈনন্দিন জীৱনৰ বেছিভাগ ধাৰাণাই যে অসম্ভৱ এই যুক্তিৰ সহায়েৰে তেওঁ স্পষ্টকৈ এই কথা প্রমাণ কৰিবলৈ চেষ্টা কৰিছে। ইন্দ্রিয়গ্রাহ্য জগতখনে নিজকে যেনেদৰে আছে তেনেদৰেই প্রকাশ কৰে, কাৰণ সমগ্র ইন্দ্রিয়গ্রাহ্য বা অৱভাসিক জগত খনেই এই ধাৰণাবোৰৰ ওপৰতেই বর্তি থাকে। আৰু যিহেতু ধাৰণাসমূহ অসম্ভৱ, সেয়ে, অৱভাসিক এই জগতখনো অসম্ভৱ।

বৌদ্ধদর্শনত ইন্দ্রিয়গ্রাহ্য জগতখনক সাধাৰণতে পাঁচবিধ সমুদায়ৰ ক্ষেত্রত বর্ণনা কৰা হৈছে। নাগার্জুনে ইয়াক প্রতীত্যসমুৎপাদৰ সৈতে স্থানান্তৰ কৰিছে। এই কথা সত্য যে বুদ্ধৰ নিজৰ কালছোৱাৰ পৰাই ইন্দ্রিয়গ্রাহ্য জগতখনৰ ক্ষণস্থায়ীত্ব নিৰূপিত হৈ আহিছে। জগতৰ স্বৰূপক অবিচ্ছিন্ন সংভৱনত দেখা যায়, যি প্রতীত্যসমুৎপাদৰ নীতিৰ দ্বাৰা পৰিচালিত হয়। নাগার্জুনে এই প্রতীত্যসমুৎপাদৰ নীতিটোক উপযুক্ত বিশেষ সিধান্ত বা নিয়ম হিচাপে মানি লৈছিল, যাৰ জৰিয়তে ইন্দ্রিয়গ্রাহ্য জগতৰ স্বৰূপ প্রকাশ কৰিব পৰা যায়। নাগার্জুনৰ বাবে, প্রতীত্যসমুৎপাদবাদ নিজেও অবাস্তৱ, যিহেতু ই সংভৱনৰ সম্ভাৱনাক বিৰোধীতা কৰিছে। নাগার্জুনৰ মতামতসমূহৰ ভিতৰত এটা মতে দেখুওৱায় বিৰুদ্ধ ধাৰণাসমূহৰ আপেক্ষিকতা। এনেধৰণৰ ধাৰণা সমূহ এটা আনটোৰ ওপৰত পৰস্পৰ নির্ভৰশীল, কাৰণ যেতিয়া এটা সম্ভৱ নহয়, কেৱল তেতিয়াহে, যেতিয়া

আনটোকো প্রদান কৰা হয়। ইয়াৰ পৰা নাগার্জুনে এক সিদ্ধান্ত নিঃসৰণ কৰে যে অনুৰূপ সাৰবস্তু অস্তিত্বশীল হ'ব নোৱাৰে, কিয়নো এটাৰ অস্তিত্ব সদায় আন এটাৰ অস্তিত্বক পূর্বধাৰণা ওপৰত নির্ভৰ শীল। উদাহৰণ স্বৰূপে ঃ এটা কাৰণ কেৱল এটা কার্য্যৰ ক্ষেত্রত কাৰণ হয়। সেয়ে, এটা কাৰণ তেতিয়ালৈকে অস্তিত্বশীল হ'ব নোৱাৰে, যেতিয়ালৈকে কার্য্যটো অস্তিত্বশীল নহয়। এটা কাৰণৰ অবিহনে কেতিয়াও এটা কার্য্য সংঘটিত হ'ব নোৱাৰে। এটা সত্য সতবাদ উভয় বৈপৰীত্যৰ প্রত্যাখ্যানত নিহিত থাকে; ই মধ্যম পন্থাৰে গঠিত। ইয়াৰ দ্বাৰা নাগার্জুনে বুদ্ধৰ উক্তিৰ সৈতে এক সংযোগ স্থাপন কৰিছে, যিজনে নিজেও নিজো সতবাদক মধ্যম পন্থা হিচাপে স্বীকৃতি দিয়ে। নাগার্জুনে দৃঢ় ভাৱে কয় যে তেওঁ বুদ্ধৰ প্রকৃত মতবাদ প্রচাৰ কৰিছে। এই কাৰণে তেওঁৰ দ্বাৰা প্রচাৰিত সম্প্রদায়টোক মধ্যম পন্থাৰ মতবাদ- মাধ্যমিক দর্শন বোলা হয়।

বেছি গুৰুত্বপূর্ণ বিষয় হৈছে নাগার্জুনৰ 'আন্তৰিক স্বভাৱ' (intrinsic nature)ৰ ধাৰণা। নাগার্জুনৰ বাবে, আন্তৰিক স্বাভাৱৰ অর্থ হৈছে বস্তুবোৰ নিজে নিজৰ দ্বাৰাই চর্ত সাপেক্ষ, সকলো বস্তুৰ পৰা স্বতন্দ্র। এই মতামতৰ পৰা এই কথা প্রতিপন্ন হয় যে এনেধৰণৰ আন্তৰিক স্বভাৱৰ উদয় নহয়, আৰু সি অন্ত বা নিঃশেষ হৈ যোৱাৰো বিষয় নহয়, যিহেতু ইয়াৰ অস্তিত্ব যিকোনো বস্তুৰ ওপৰত নির্ভৰশীল নহয়। সেয়েহে, ই স্থায়ী আৰু অবিনাশী। এতিয়া, নাগার্জুনৰ সিদ্ধান্তত উপনীত হয় যে, অৱভাসিক জগতখনৰ মূলসত্তাসমূহ, যি স্থিৰ সংভৱন, আৰু অবিৰত, তাৰ আন্তৰিক স্বভাৱ থাকিব নোৱাৰে। সেইকাৰণে, সিহঁত স্বভাৱবিহীন, আৰু সেয়ে অবাস্তৱ বা অসত্য।

যদিও অৱভাসিক জগতৰ মৌলিক সত্তা সমূহক অবাস্তৱ অযথার্থ ৰূপে দেখুওৱা হয়, কিন্তু অৱভাসিক জগতখন অস্তিত্বশীল নহয় বুলি ধৰা নাযায়। ই মাত্র আন্তৰিকভাৱে-অস্তিত্বশীল নহয়। নাগার্জুনে অৱভাসিক জগতখনৰ এই স্বভাৱক 'শূণ্যতা' ৰে প্রকাশ কৰিছে। ইন্দ্রিয়গ্রাহ্য জগতৰ বস্তুবোৰ সেয়ে শূণ্য বা খালী, স্বভাৱ শূণ্য। সেইবাবে, সত্তাবোৰক আমি অস্তিত্বশীল বুলিও ক'ব নোৱাৰো, নাইবা অস্তিত্ববিহীন বুলিও ক'ব নোৱাৰো। আমাৰ অভিজ্ঞতালব্ধ কোনো বস্তুৰেই সম্পূর্ণ স্বাধীন স্বভাৱ বা লক্ষণ নাই, আৰু সেই বস্তু সম্পর্কে কোনো বর্ণনাৰে নিৰুপাধিক সত্যতা নাই। যথার্থতা বা সত্যতা মধ্যম পন্থাত অর্থাৎ, শূণ্যতাতহে নিহিত থাকে। নাগার্জুনে মাধ্যমিককাৰিকাত দুটা সত্যৰ অস্তিত্বৰ কথা উল্লেখ কৰিছে। সেয়া হ'ল- সংবৃত্তি-সত্য (Empirical Truth) আৰু পাৰমার্থিক সত্য (Transcendental Truth)। তেওঁৰ মতে সংবৃত্তি হ'ল মানুহৰ বুদ্ধি প্রসুত। এই সংবৃত্তিয়েই ৰূপময় জগত সৃষ্টি কৰে আৰু সত্যক লুকুৱাই ৰাখে। পাৰমার্থিক সত্য সম্পর্কে অৱগত হ'লে এই দৃশ্যমান জগতৰ অসত্যতা উপলব্ধি কৰিব পাৰে। সংবৃত্তি সত্যৰ পৰাই পাৰমার্থিক সত্যলৈ উন্নীত হ'ব পাৰি।

নাগার্জুনৰ দর্শনত দৃশ্যমান জগতখনৰ স্বভাৱৰ সন্দর্ভত ২ য় মতামত আছে। অৱভাসিক জগতখনৰ স্বভাৱ হৈছে অনৈক্যতা ।(প্রপঞ্চ)। যদিও নার্গাজুনে এই ধাৰণাটো

ব্যাখ্যা কৰা নাছিল। নির্ভৰশীলতাৰ জগতখন বহুমুখীতাৰ ওপৰত প্রতিষ্ঠিত, যি বিচিত্রতাৰ পৰা আহে। অধিক গুৰুত্বপূর্ণভাৱে, আমাৰ ধাৰণাসমূহ, যিবোৰ চৰম সত্যৰ ক্ষেত্রত প্রয়োগ কৰা নহয়, যি সকলো অনৈক্যৰ পৰা মুক্ত, কিন্তু যিয়ে আমাৰ বাবে এই অৱভাসিক জগতৰ আৱিষ্কাৰ কৰে, সি অনৈক্যৰ মাজতে স্থিত হৈ থাকে।

১১.৩.২ পৰম সত্য বা পৰম সত্তা

যেতিয়া পৰম সত্য বা পৰম সত্তাৰ কথা আহি পৰে, নাগার্জুনে সদর্থক উক্তি আৰু সংজ্ঞাসমূহক পৰিহাৰ কৰে। তেওঁ নীতিসমূহৰ মূল উপাদান (ধর্মধাতু) নাইবা তথাত (suchness)ৰ কথা নকয়, কিন্তু কেৱল বিলুপ্তিকৰণ অর্থাৎ নির্বাণৰ কথাহে কয়। নির্বাণৰ কোনো উৎপত্তিত নাই, যাৰবাবে বিনাশো অসম্ভৱ। আনকি ই স্থায়ীও নহয়। অতি গুৰুত্বপূর্ণভাৱে, ই অস্তিত্বশীলো নহয়, -অস্তিত্বশীলো নহয়, অস্তিত্বশীল আৰু অ-অস্তিত্বশীল, যিহেতু দুটা বিৰোধী ধাৰণা আৰু নির্ভৰশীলতাৰ জগতৰ অন্তর্ভুক্ত। অধিক আগলৈ, নির্বাণ সকলো বৈচিত্র্যৰ পৰা মুক্ত, সেয়ে ই আমাৰ ধাৰণাবোৰৰ বাবে কোনোধৰণৰ ভিত্তি আগনবঢ়ায় আৰু সেইদৰেই ই অকল্পনীয় আৰু অপ্রকাশ্য। নির্বাণত অৱভাসৰ বহুমুখীতা আৰু প্রতীত্যসমুৎপাদনৰ নীতি একাষৰীয়াকৈ থাকে।

এইদৰেই, অৱভাসিক জগতখনৰ বিষয়ে আগবঢ়োৱা উক্তিৰ দৰেই নির্বাণৰ বিষয়েও একে উক্তি আগবঢ়োৱা হৈছে। সেয়ে, নাগার্জুনে অৱভাসিক জগত আৰু নির্বাণৰ ঐক্যতাক দৃঢ়ভাৱে প্রকাশ কৰিছে। বৈশিষ্ট্যকৰণ, যিবোৰ বস্তু (ধর্মাত্ত) সমূহৰ বাবে বৈধ, সেইবোৰ নির্বাণৰ বাবেও বৈধ। নির্বাণ আৰু অৱভাসিক জগত উভয়েই একে প্রকৃতিৰ দুটা ভিন্ন ৰূপ মাত্রহে। নিয়মাধীনতা আৰু নির্ভৰশীলতাৰ দ্বাৰাই এই দৃশ্যমান অৱভাসিক জগতখন গঠিত আৰু এই নিয়মাধীনতা আৰু নির্ভৰশীলতা মুক্তই হৈছে নির্বাণ। নাগার্জুনে দৃঢ়ভাবে অৱভাসিক জগত আৰু নির্বাণৰ সাদৃশ্য দাবী কৰে। উ ভয়ৰে মাজত তিলমাত্রও বৈসাদৃশ্য নাই। সেয়ে, অৱভাসিক জগতৰ পৰা নিজকে মুক্ত কৰাৰ দ্বাৰা এজনে যি লাভ কৰে, নির্বাণ তাতকৈ বেলেগ কিবা এটা নহয়। মুঠতে, ই কেৱল এটা সত্যৰে গঠিত টে অৱভাসিক জগতখনৰ প্রতাৰণা বেছি দিনলৈ প্রত্যক্ষ কৰিব নোৱাৰি, যিহেতু বিচিত্রতা, যাৰ ওপৰত ই ভিত্তিশীল, সি অদৃশ্য হৈ পৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ সত্য নে অসত্য উল্লেখ কৰক ঃ

(ক) নাগার্জুনৰ মতে বাহ্যিকজগতখন সত্য বা বাস্তৱ।

(খ) নাগার্জুনে পাঁচটা সমুদয়ৰ ক্ষেত্রত অৱভাসিক জগতখন বর্ণনা কৰিছে।

(গ) পৰম সত্ত্বাৰ ক্ষেত্রত নাগার্জুনে সদর্থক উক্তি আৰু সংজ্ঞাসমূহক পৰিহাৰ কৰিছে।

১১.৪ যোগাচাৰ

যোগাচাৰ সম্প্রদায় বা বিজ্ঞানবাদ বৌদ্ধ দর্শনৰ অন্যতম সম্প্রদায়। এই সম্প্রদায়টোৱে যোগাচাৰ নামটো বহন কৰিছে, কাৰণ যিটো শাখা বা মণ্ডলৰ পৰা ইয়াৰ উৎপত্তি হৈছে, সেই শাখা বা মণ্ডলত যোগৰ অনুশীলনে এক বিশেষ চৰিত্ৰ ৰূপায়ন কৰিছে। ইয়াত 'যোগ' শব্দটো এক সাধাৰণ অর্থত, অর্থাৎ, সমুদয় যত্ন, অনুশীলন, এজন ভৱিষ্যতৰ বুদ্ধৰ বাবে প্রয়োজনীয় সমস্ত সদাচাৰৰ উদ্যোগীকৰণ, বোধিসত্ত্ব আদিৰ হিচাপে বুজা হয়। এটা মার্গ বা পথৰ বর্ণনা, যাক এজন বোধিসত্ত্বই পৰিভ্রমণ কৰিবলগীয়া হয়, তাক এক কাল্পনিক ধৰণেৰে বাহুল্য কৰা হৈছিল। সি যি কি নহওঁক, ইয়াৰ লগে লগে বিভিন্ন দার্শনিক সম্প্রদায়ো গা কৰি উঠিছিল। কিন্তু পিছলৈ এইবোৰৰ সংলীনন ঘটিছিল আৰু বিভিন্ন গুৰুতৰ দার্শনিকৰ বিভিন্ন ধাৰণাসমূহৰ জৰিয়তে প্রসাৰতাও লাভ কৰিছিল। এইদৰেই, অৱশেষত যোগাচাৰৰ এক সর্ব-পৰিবেষ্টিত সম্প্রদায়ৰ সৃষ্টি হয়। এই সম্প্রদায়টোক বিজ্ঞানবাদ বুলিও জনা যায়। কিয়নো, এই সম্প্রদায়ে মত পোষণ কৰে যে কেৱল বিজ্ঞপ্তি নাইবা ধাৰণাই সত্য। যোগদর্শন অনুসৰি বাহ্যিক বস্তুবোৰ অমূলক বা অসত্য বিজ্ঞান বা চেতনাই একমাত্র সত্তা। "যোগাচাৰে দর্শনৰ ব্যৱহাৰিক দিশটোৰ উদয় কৰে, কিন্তু বিজ্ঞানবাদে ইয়াৰ কল্পনাশীল দিশটোৰ উদয় কৰে।" 'যোগাচাৰ' নামটো প্রদান কৰিছে যোগাচাৰবাদৰ প্রধান সমর্থক অসঙ্গই; কিন্তু 'বিজ্ঞানবাদ' শব্দটো ব্যৱহৃত হৈছিল বসুবন্ধুৰ দ্বাৰা। যোগাচাৰ সম্প্রদায়ে পাৰমার্থিক সত্যক পৰম চৈতন্য বা মন হিচাপে গ্রহণ কৰিছে আৰু আপাত বস্তুগত জগতখন কিয় আৰু কেনেকৈ পৰম মন বা আত্মাৰ পৰা প্রকাশিত হয়, সেই কথা ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল।

১১.৪.১ কেৱল ধাৰণাৰ অস্তিত্ব (বিজ্ঞপ্তি মাত্র)

বস্তু বা পদার্থৰ অস্তিত্বক অসত্য প্রমাণ কৰাৰ দ্বাৰা পৰম-আত্মা বা মনৰ একমাত্র সত্যতা স্পষ্টকৈ দেখুওৱাৰ এটা আটাইতকৈ ভাল উপায়। বসুবন্ধুৱে তেওঁৰ 'ত্রিমসিক বিজ্ঞাপ্তিমাত্র' (Trimsika Vijnaptimatra) অত দেখুওৱাবলৈ চেষ্টা কৰিছিল যে, এনেধৰণৰ কোনো বস্তু নাই, যি ভৌতিক পদার্থ, সি আনৰিকেই হওঁক নাইবা অ-আনৰিকেই হওঁক, কেৱল ধাৰণা বা ভাৱৰহে অস্তিত্ব আছে। সেই নহওঁক বসুবন্ধুৱে ইন্দ্রিয়গ্রাহ্য গুণসমূহৰ অস্তিত্ব অস্বীকাৰ কৰা নাই, কিন্তু এই গুণবোৰ নিহিত থকা স্বতন্ত্র বস্তুগত নিম্নতম স্তৰটোক অস্বীকাৰ কৰিছে। উদাহৰণ স্বৰূপেঃ এপাহ ফুল কেতবোৰ দৃশ্যমান, গন্ধবাহী আৰু স্পর্শজ্ঞানবোধক সংবেদনৰ সমষ্টি। ই দ্রব্য বা বিষয়বস্তুৰ এটা পিণ্ড নহয়; যি ইয়াৰ গুণ হিচাপে এইবোৰ সংবেদনৰ অধিকাৰী। ইন্দ্রিয় সংবেদনৰ উপৰি আমি কেতিয়াও এটা বস্তুক প্রত্যক্ষ নাইবা অনুমান কৰিব নোৱাৰো। দ্রব্য এক বির্ত্তকৰণ ধাৰণা, কেৱল এক শব্দ। যথার্থতে ক'বলৈ গ'লে, এটা বস্তুৰ প্রত্যক্ষ নাথাকে,

কিন্তু কেৱল প্রত্যক্ষহে থাকে তাক আমি নির্দ্দেশ কৰাটো উচিত। বসুবন্ধুৰ মতে, কেৱল 'বিজ্ঞপিতমাত্র'- কেৱল ভাব বা ধাৰণা, মাক প্রত্যক্ষ বুলিব পাৰি, তাৰহে অস্তিত্ব আছে। তেওঁ ধাৰণা পোষণ কৰে যে, আমি যেতিয়া উপলব্ধি কৰোঁ যে তথাকথিত বস্তুগত জগতখন আমাৰ মনৰ বাহিৰে কতো অস্তিত্বশীল নহয়, তেতিয়া ইয়াৰ প্রতি থকা আমাৰ সকলো আসক্তি ধ্বংস হৈ পৰিব, আৰু ইয়াৰ লগে লগে আমি মুক্তি বা মোক্ষ লাভ কৰিবলৈ সক্ষম হ'ব পাৰিম। বসুবন্ধুৰ নিজৰ কথাত, "য'ত খামোচ মাৰি ধৰিবলৈ একো নাই, ত'ত কোনো লোভীয়াও নাই।" ("Where there is nothing to grasp there is no more grasping") বসুবন্ধুৱে তেওঁৰ সিদ্ধান্তত কেৱল তর্কবিজ্ঞান আৰু সপোনৰ উপমানৰ বাবেই সমর্থন জনাবলৈ গোহাৰি জনোৱা নাই। বৰঞ্চ, যোগীসকলৰ সাক্ষ্যৰ প্রতিও গোহাৰি জনাইছে, যিসকলে সমাধিৰ উন্নত স্তৰত কোনো বস্তুগত প্রবৃত্তিৰ অবিহনেই স্পষ্ট ইন্দ্রিয়ানুভুত সাঁচ সমূহক প্রত্যক্ষ কৰে। বসুবন্ধুৱে পৰামর্শ দিয়ে যে, ধ্যান বা সমাধিৰ কেৱল ব্যক্তিগত অভিজ্ঞতাৰ দ্বাৰাহে এজন লোকে বিজ্ঞপ্তি মাত্রৰ সত্যতাৰ কে জীৱিত দৃঢ় বিশ্বাসৰ প্রত্যয় লাভ কৰিব পাৰে। সপোনৰ পৰা এজন মানুহে সাৰ পোৱাৰ আগেয়ে, তেওঁ জানিব নোৱাৰে যে সপোনত তেওঁ যি দেখিছিল, সি অস্তিত্বশীল নহয়।

১১.৪.২ সঞ্চিত বিবেচনা শক্তি বা বোধ

যদি এই কথা গ্রহণ কৰা যায় যে দ্রব্য অস্তিত্বশীল নহয় আৰু আমাৰ সংবেদনসমূহৰ সমুদায়ৰ বাহিৰে জগতখনৰ কোনো সত্যতা নাই, তেন্তিয়া যি প্রশ্নৰ উদ্রেক হ'ব, সি আছে, বস্তুগত অস্তিত্বৰ ভ্রমৰ কাৰণ কি ? বলবিজ্ঞান বা সঞ্চিত বিবেচনা শক্তিৰ মতবাদটো হৈছে এক সু-সংবদ্ধৰূপত এই প্রশ্নৰ উত্তৰ দিবলৈ কৰা যোগাচাৰৰ এক অংশ। মূল সত্তা হিচাপে চৰম মন বা আত্মাক সত্যৰূপে মানি লোৱাৰ উপৰিও মৈত্রেয়নাথে অভূত পৰিকল্পিত বা অবাস্তৱ কল্পনাৰ অস্তিত্বও সত্যৰূপে মানি লৈছে, যাৰ দ্বাৰা চৰম মন বা আত্মাৰ জ্যোতি অস্পষ্ট হৈ পৰে। এক অর্থত এই দুয়োটা নীতি যেতিয়া একে হয়, আন এক অর্থত আকৌ দুয়োটা ভিন্ন হয়। অর্থাৎ এটা আনটোৰ পৰা পৃথক. পৃথক হিচাপে ধৰিলে চৰম মন বা আত্মা স্থিৰ, আৰু অবাস্তৱ কল্পনা গতিশীল, নাইবা সম্ভাৱনীয় গতিশক্তি বিষয়ক নীতি। এই গতিশক্তি বিষয়ক নীতিৰ মাজত যিয়ে দুটা দিশ অন্তর্ভুক্ত কৰে, আৰু অৱশেষত এই তথাকথিত বিশ্বব্রহ্মাণ্ডৰ উদ্ভৱ হয়, যি প্রকৃতার্থত মন বা আত্মাৰ পৰিবর্ত্তনৰ আকাৰৰ বাহিৰে আন একো নহয়। সেই দুটা দিশ হৈছে ক্রমে আলয়বিজ্ঞান (alayavijnana) নাইবা সঞ্চিত বিবেচনা, আৰু প্রবৃত্তি বিজ্ঞান (Pravrttvijnana) নাইবা প্রকাশিত বিবেক। প্রত্যেক আকাংক্ষাজনিত ক্রিয়াই এক ফল বা পৰিণতিৰ উৎপত্তি কৰে, যাক প্রযুক্তিগত ভাৱে 'বাসনা' বুলি জনা যায়।

এই বাসনা অলয়বিজ্ঞানত বীজাকাৰে সঞ্চিত হৈ থাকে। এইবোৰ বীজ যেতিয়াই ফলৱতী হয় আৰু ফল বা পৰিণতিৰ উদ্ভৱ কৰে, তেতিয়া সি অতীজৰ পৰম্পৰাৰ পঞ্চ সমুদায়ৰ প্রতি সঙ্গঁতি ৰাখি স্পর্শ, মানসিক ক্রিয়া ( ), অনুভূতি, প্রত্যক্ষ, আৰু ইচ্ছা বা আকাংক্ষা ( )ৰ বিকাশ কৰে। ইয়ে হৈছে বিবেকৰ প্রথম পৰিবর্ত্তন। ২য় পৰিবর্ত্তন আহে যেতিয়া মন বা অহংবোধ অলয়- বিজ্ঞানৰ পৰা প্রকাশিত হয়, আৰু ৩য়টো হয় ষষ্ঠাঙ্গিক সংবেদন-ক্রিয়া, ৰঙৰ প্রত্যক্ষ, শব্দ, তাপমান, প্রতিৰোধ ইত্যাদিৰ সৃষ্টিৰ দ্বাৰা আৰু বস্তুগত আৰু আত্মগত জগত প্রত্যেকেই আনৰ পৰা স্বতন্ত্র হিচাপে ভুল ব্যাখ্যা আগবঢ়োৱা হয়। ইয়ে হৈছে বস্তু আৰু আত্মাৰ সত্তাৰ মায়া বা ভ্রমৰ উৎস। ইন্দ্রিয়ৰ ছটা শক্তিৰ সৈতে সংযুক্ত বিজ্ঞানে মানোবিজ্ঞান নাইবা অহংবোধৰ সৈতে একেলগে প্রকাশিত বিজ্ঞান নাইবা প্রবৃত্তি-বিজ্ঞানক অন্তর্ভুক্ত কৰে আৰু এই সাতটা আৰু আলয়বিজ্ঞানে যোগাচাৰৰ অষ্ট-সচেতনতা সম্পূর্ণ কৰে।

১১.৪.৩ স্বভাৱৰ তিনিটা প্রকাৰ

যেতিয়া আলয়বিজ্ঞানৰ মতবাদ চৰম মন আৰু ইয়াৰ প্রকল্পৰ মাজৰ কার্য্যকাৰণ সম্পর্কক ব্যাখ্যা কৰাৰ এক প্রয়াসৰ অংশ, স্বভাৱৰ মতবাদটোৱে সিহঁতৰ তাত্ত্বিক মর্য্যদাক পৃথক কৰে আৰু তাত্ত্বিক দৃষ্টিকোণৰ পৰা সিহঁতৰ অর্ন্তসম্পর্কসমূহৰ প্রকৃতি নির্দ্ধাৰণ কৰে। তিনিটা স্বভাৱ হৈছে- পৰ্‌নিস্পনা (Parnispanna) নাইবা চৰম স্বভাৱ, পৰতন্ত্র (Paratantra) নাইবা পৰাধীন স্বভাৱ আৰু পৰিকল্পিত (h) আপোপিত স্বভাৱ নাইবা কেৱলমাত্র ভ্রম বা মায়া। প্রথমটোৰ চৰম মন বা আত্মাৰ লগত সঙ্গঁতি আছে, দ্বিতীয়টোৰ সঙ্গঁতি অৱাস্তৱ কল্পনাৰ লগত আৰু তৃতীয়টোৰ বস্তুগত আৰু আত্মগত অস্তিত্বৰ ভ্রান্ত ধাৰণাৰ সৈতে সঙ্গঁতি আছে। যেতিয়া যোগাচাৰী-সকলৰ বাবে বিষয় আৰু বস্তুৰ মাজৰ পার্থক্য সামগ্রিক ভাৱে অবাস্তৱ, মন আৰু মানসিক স্তৰ, যাৰ ওপৰত ইয়াক আৰোপ কৰা হয়, সি সম্বন্ধ বিষয়ক অর্থত বাস্তৱ বা সত্য। মুঠৰ ওপৰত সিহঁত অভূতপৰিকল্পিতৰ সৈতে অনুৰূপ, যি কেৱল ঈশ্বৰৰ মনৰ চৰম সত্তাৰ তুলনাতহে অবাস্তৱ। মন আৰু মানসিক স্থিতিবোৰৰ পৰতন্ত্র স্বভাৱক স্বীকাৰ কৰাৰ দ্বাৰা যোগাচাৰে ধর্মৰ সর্বাস্তিবাদী শ্রেণীবিভাজনক চামিল কৰিছে। বসুবন্ধুৱে এক ব্যাখ্যাৰ জৰিয়তে এইবোৰ স্বভাৱৰ মাজৰ পার্থক্যসমূহ ব্যাখ্যা কৰিবলৈ প্রয়াস কৰিছল। তেওঁ কয় যে এটা মন্ত্রৰ দ্বাৰা এটুকুৰা কাঠক এটা হাতীৰ ৰূপত উপস্থাপন কৰিব পৰা যায়। কাঠত হাতীৰ অস্তিত্বহীনতা হৈছে চৰম স্বভাৱ, হাতীৰ আকাৰ হৈছে পৰতন্ত্র স্বভাৱ আৰু হাতীটো নিজে আৰোপিত স্বভাৱ; মন্ত্রৰ সঙ্গঁতি আছে অলয়বিজ্ঞানৰ লগত। বসুবন্ধুৱে এই কথা পৰিষ্কাৰ কৰি দিয়ে যে তিনিওটা স্বভাৱ মাজৰ পার্থক্য কেৱল উপযোগীতাবাদী বা প্রয়োগবাদী। অৱশেষত, কেৱল ঈশ্বৰৰ মনৰহে অস্তিত্ব আছে। যিদৰে, মায়া বা ভ্রমৰ হাতীটো আৰু ইয়াৰ আকাৰক বেছি সময় প্রত্যক্ষ কৰিব পৰা নাযায় আৰু কাঠৰ

টুকুৰাটো দেখা পোৱা যায়, ঠিক সেইদৰে, যেতিয়া আৰোপিত স্ব ভাৱ আৰু পৰতন্ত্র স্বভাৱ নাইকীয়া হৈ যায়, তেতিয়াই চৰম স্বভাৱৰ উপলব্ধি হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ চমুকৈ উত্তৰ দিয়ক।

(ক) যোগাচাৰ সম্প্রদায়ক কিয় বিজ্ঞানবাদ বোলা হয়?

(খ) 'দ্রব্য'ৰ সন্দর্ভত যোগাচাৰৰ মতামত কি?

(গ) যোগাচাৰৰ তিনিটা স্বভাৱ কি কি?



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বুদ্ধৰ মহাপ্রয়ানৰ প্রায় চাৰিশ বছৰৰ পাছত বৌদ্ধদর্শনৰ এক নতুন ৰূপৰ আৰ্ৱিভাৱ হৈছিল, যাক মহাযান বুলি জনা যায়। অর্থাৎ, 'মহান বা বৃহৎ বাহন' (দুখ সমুদ্রত)। ই বন্ধন মুক্তিৰ নতুন পথৰ সন্ধান দিয়ে আৰু সেইহেতুকে, পৌৰাণিক বৌদ্ধ দর্শনৰ তুলনাত ই মানুহৰ এক বহল পৰিসৰত এই চৰম লক্ষ্যৰ সন্ধানৰ পথ সুগম কৰি তুলিছে।
- ইয়াত মূলতঃ তিনিটা ধাৰণা আছে, যিয়ে হীনযানৰ পৰা মহাযানক বেলেগ বেলেগ শাখা বা সম্প্রদায়সমূহক একেটা বিষয়ৰ মাজতে আৱদ্ধ কৰি ৰাখিছে। সেয়া হৈছে- বৌদ্ধ মতবাদ (Buddhalogy), তিনি শৰীৰ (ত্রিকায়)ৰ মতবাদ (Trikaya), আৰু বোধিসত্ত্বৰ ধাৰণা (Concept of Bodhisattva) ।
- মধ্যমা-প্রতিপদৰ ওপৰত দিয়া জোৰৰ বাবে মাধ্যমিকসকলক তথাকথিত বোলা হয়। তথাপি, মাধ্যমিক সম্প্রদায়ৰ দ্বাৰা সমর্থিত মধ্যম পন্থা বুদ্ধৰ দ্বাৰা প্রচাৰিত হোৱাৰ দৰে সম্পূর্ণ একে নহয়। বাৰাণসীত বুদ্ধৰ দ্বাৰা প্রচলিত মধ্যম পন্থাৰ এক নীতিবিজ্ঞানসন্মত অর্থ আছে, আনহাতে, মাধ্যমিকসকলৰ সি হৈছে, এক আধিবৈজ্ঞানিক বা পৰমসত্তাসম্পর্কীয় ধাৰণা।
- নাগার্জুনেই হৈছে প্রথম ব্যক্তি, যিয়ে মহাযান দার্শনিক সম্প্রদায়ৰ সৃষ্টি কৰিছিল। তেওঁৰ দর্শন সু-সংবদ্ধভাৱে আগবঢ়োৱা এক সম্পূর্ণ গঠন নাছিল। তথাপিও, তেওঁ বাহ্যিক জগতৰ অসাৰতা বা অসত্যতাৰ এক প্রমাণ আগবঢ়াবলৈ প্রয়াস কৰিছিল যাৰ উল্লেখ কেৱল প্রজ্ঞাপাৰমিতা (Prajnaparamita) ৰ মহাযান সূত্রতহে দেখিবলৈ পোৱা যায়।
- বৌদ্ধ দর্শনত ইন্দ্রিয়গ্রাহ্য জগতখনক সাধাৰণতে পাঁচবিধ সমুদায়ৰ ক্ষেত্রত বর্ণনা কৰা হৈছে। নাগার্জুনে ইয়াক প্রতীত্য সমুৎপাদৰ সৈতে স্থানান্তৰ কৰিছে। নাগার্জুনে এই প্রতীত্যসমূৎপাদৰ নীতিটোক উপযুক্ত বিশেষ সিদ্ধান্ত বা নিয়ম ৰূপে মানি লৈছিল, যাৰ জৰিয়তে ইন্দ্রিয়গ্রাহ্য জগতৰ স্বৰূপ প্রকাশ কৰিব পৰা যায়।

- নাগার্জুনৰ বাবে প্রতীত্যসমুৎপাদবাদ নিজেও অবাস্তব, যিহেতু ই সংভৱনৰ সম্ভাৱনাক বিৰোধীতা কৰিছে। নাগার্জুনৰ মতামতসমূহৰ ভিতৰত এটা মতে দেখুওৱায় বিৰুদ্ধ ধাৰণা সমূহৰ আপেক্ষিকতা।
- নার্গাজুনে কৈছে যে অৱভাসিক জগতখনৰ মূল সত্তাসমূহ, যি স্থিৰ সংভৱন আৰু অবিৰত, তাৰ আন্তৰিক স্বভাৱ থাকিব নোৱাৰে। সেই কাৰণে, সিহঁত স্বভাৱবিহীন আৰু সেয়ে অবাস্তৱ বা অসত্য।
- নাগার্জুনে অৱভাসিক জগতখনৰ স্বভাৱক 'শূণ্যতা'ৰে প্রকাশ কৰিছে। ইন্দ্রিয়গ্রাহ্য জগতৰ বস্তুবোৰ সেয়ে শূণ্য বা খালী, স্বভাৱশূণ্য। সেইবাবে, সত্তাবোৰক আমি অস্তিত্বশীল বুলিও ক'ব নোৱাৰো, নাইবা অস্তিত্ববিহীন বুলিও ক'ব নোৱাৰো। আমাৰ অভিজ্ঞতালব্ধ কোনো বস্তুৰেই সম্পূর্ণ স্বাধীন স্বভাৱ বা লক্ষণ নাই, আৰু সেই বস্তু সম্পর্কে কোনো বর্ণনাৰে নিৰুপাধিক সত্যতা নাই। যথার্থতা বা সত্যতা মধ্যম পন্থাত, অর্থাৎ, শূণ্যতাতহে নিহিত থাকে।
- ইন্দ্রিয়গ্রহ্য জগতখন ইয়াৰ নিজস্ব স্থিৰ আইন অনুযায়ী অস্তিত্বশীল আৰু সেয়ে ইয়াৰ এক নিশ্চিত সত্যতা থাকে। ইন্দ্রিয়গ্রাহ্য জগতখনৰ যি সত্যতা, সর্বোচ্চ সত্যতা নহয়, ই এক সীমাবদ্ধ সত্যতা (সংবৃত্তি সত্য) হে।
- যেতিয়া পৰম সত্য বা পৰম সত্তাৰ কথা আহি পৰে, নাগার্জুনে সদর্থক উক্তি আৰু সংজ্ঞাবোৰক পৰিহাৰ কৰে। তেওঁ নীতিসমূহৰ মূল উপাদান (ধর্মধাতু) নাইবা তথাত (suchness) ৰ কথা নকয়, কিন্তু কেৱল বিলুপ্তিকৰণ অর্থাৎ নির্বাণৰ কথাহে কয়।
- নির্বান এই সত্যৰে গঠিত যে অৱভাসিক জগতখনৰ প্রতাৰণা অধিক সময়লৈ প্রত্যক্ষ কৰিব নোৱাৰি। যিহেতু বিচিত্রতা, যাৰ ওপৰত ই ভিত্তিশীল, সি অদৃশ্য হৈ পৰে।
- যিটো শাখা বা মণ্ডলৰ পৰা যোগাচাৰৰ উৎপত্তি হৈছে, তাত যোগ অনুশীলনে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰাৰ হেতু এই সম্প্রদায়ৰ নাম যোগাচাৰ ৰখা হৈছে।
- এই সম্প্রদায়টোক বিজ্ঞানবাদ নামেৰেও জনা যায় এই সত্যতা অনুসৰি যে ই বিজ্ঞপ্তি মাত্র নাইবা কেৱল ধাৰণাকে সত্য ৰূপে গ্রহণ কৰিছে।
- পৰম আত্মা বা মনৰ একমাত্র সত্যতা স্পষ্টকৈ দেখুওৱাৰ এটা আটাইতকৈ ভাল উপায় হৈছে বস্তু বা দ্রব্যৰ অস্তিত্বক অসত্য প্রমাণ কৰা। দ্রব্য হৈছে এক বিমুর্ত্তকৰণ, কেৱল এক শব্দ। দৃঢ়কৈ ক'বলৈ হ'লে, এটা বস্তুৰ প্রত্যক্ষ নাথাকে, কেৱল প্রত্যক্ষহে থাকে -কথাষাৰকহে নির্দ্দেশ কৰাটো উচিত।
- আলয়বিজ্ঞানত বাসনাসমূহ বীজাকাৰে সঞ্চিত হৈ থাকে। এইবোৰ বীজ যেতিয়াই ফলৱতী হয়, আৰু কোনো ফল বা পৰিণামৰ উদ্ভৱ কৰে, তেতিয়া সি অতীজৰ পৰম্পৰাগত পঞ্চ সমুদায়ৰ প্রতি সঙ্গতি ৰাখি স্পর্শ, মানসিক ক্রিয়া, অনুভূতি, প্রত্যক্ষ আৰু ইচ্ছা বা আকাংক্ষাৰ বিকাশ ঘটায়।
- যোগাচাৰৰ তিনিটা স্বভাৱক পৰ্‌নিস্পনা নাইবা চৰম স্বভাৱ, পৰতন্ত্র নাইবা পৰাধীন স্বভাৱ

আৰু পৰিকল্পিত নাইবা আৰোপিত স্বভাৱ নাইবা কেৱল মাত্ৰ ভ্ৰম বা মায়া। ইয়াৰে প্ৰথমটো চৰম মন বা আত্মাৰ লগত, দ্বিতীয়টো উদ্ভত কল্পনাৰ লগত আৰু তৃতীয়টো বস্তুগত আৰু বিষয়গত অস্তিত্বৰ ভ্ৰান্ত ধাৰণাৰ লগত সঙ্গঁতি আছে।



১১.৬ অধিক জানিবলৈ

1] Bapat, P. V. (ed) 1956, 2500 Years of Buddism, Publication Division, Ministry of Information and Broadcasting, Government of India, Reprint 2012

2] Trauwallner, E, 1956, The Philosophy of Buddhism, translated by G.L. Sangpo, Matilal Banarasidass, New Delhi, Edition 1210.

3] Sangarakshita, 2001, A survey of Buddhism, Motilal Banarasidass, New Delhi, Reprint 2006.

4] Sinha. J. N. 1952, Indian Philosophy, Vol. II, Motilal Banarasidass, New Delhi Reprint 2006

5] Scheepers, A., 1994, A Survey of Buddhists Thought, Motilal Banarasidass, New Delhi, 2008.



১১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) হীনযান বা 'ক্ষুদ্ৰ বাহন'।

(খ) বুদ্ধতত্ব, তিনি শৰীৰৰ মতবাদ (ত্ৰিকায়), বৌধিসত্ত্ব।

(গ) নীতিগত অৰ্থ, তাত্ত্বিক বা আধিবৈজ্ঞানিক অৰ্থ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অসত্য (খ) অসত্য (গ) সত্য

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) যোগাচাৰ সম্প্ৰদায়ক এই সত্যৰ বাবে বিজ্ঞানবাদ নামেৰেও জনা যায় যে ই বিজ্ঞাপ্তিমাত্ৰ নাইবা ধাৰণাকে কেৱল সত্য বুলি বিবেচনা কৰে।

(খ) যোগচাৰে দ্ৰব্যৰ অস্তিত্বক অস্বীকাৰ কৰিছে। তেওঁলোকৰ মতে, দ্ৰব্য এক অমুৰ্ত্তকৰণ, কেৱল এক শব্দ। দৃঢ়কৈ ক'বলৈ হ'লে, এটা বস্তুৰ প্ৰত্যক্ষ আছে বুলি আমি নিৰ্দ্দেশ কৰাটোহে উচিত।

(গ) যোগাচাৰে গ্ৰহণ কৰা তিনিটা স্বভাৱক পৰিনিস্পন্ন, (চৰম মন বা আত্মা), পৰতন্ত্ৰ (পৰাধীন স্বাভাৱ) আৰু পৰিকল্পিত (অৰোপিত বা কেৱল মায়া বাভ্ৰম) হিচাপে

জনা যায়। ইয়াৰে প্রথমটোৰ চৰম মন, দ্বিতীয়টোৰ অৰাস্তৰ কল্পনা আৰু তৃতীয়টোৰ বস্তুগত আৰু বিষয়গত প্রকৃতিৰ ভ্রান্ত ধাৰণাৰ সৈতে সঙ্গঁতি আছে।



১১.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ মাধ্যমিক সম্প্রদায়ক কিয় এইটো নামেৰে জনা যায়?

প্রশ্ন ২ ঃ বাহ্যিক জগত অসত্যতা প্রমাণ কৰিবলৈ নাগার্জুনে কি পদ্ধতি প্রয়োগ কৰিছে?

প্রশ্ন ৩ ঃ বাহ্যিক জগতৰ প্রকৃতি সন্দর্ভত নাগার্জুন আৰু অতীজৰ বৌদ্ধদর্শনৰ মাজৰ মূল পার্থক্য কি?

প্রশ্ন ৪ ঃ নাগার্জুনৰ মতে, প্রতীত্যসমুৎপাদ কিয় অসত্য?

প্রশ্ন ৫ ঃ নাগার্জুনে কেনেকৈ সর্বোত্তম সত্যৰ প্রকৃতি বা স্বভাৱক প্রকাশ কৰিছে?

প্রশ্ন ৬ ঃ ক'ৰ পৰা যোগাচাৰ সম্প্রদায়ৰ নামটো নিঃসৃত হৈছে?

প্রশ্ন ৭ ঃ যোগাচাৰে কিয় প্রমাণ কৰিবলৈ চেষ্টা কৰিছে যে দ্রব্যৰ অস্তিত্ব নাই?

প্রশ্ন ৮ ঃ 'অভূতপৰিকল্পিত' বুলিলে কি বুজে?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ নাগার্জুনৰ দর্শনত ইন্দ্রিয়গ্রাহ্য জগতখনৰ প্রকৃতি।

প্রশ্ন ২ ঃ নাগার্জুনৰ দর্শনত সর্বোত্তম সত্য

প্রশ্ন ৩ ঃ বিজ্ঞপ্তিমাত্র

প্রশ্ন ৪ ঃ অলয়বিজ্ঞান

প্রশ্ন ৫ ঃ তিনি স্বভাৱ

(গ) ৰচনাধর্মী প্রশ্ন (৩০০- ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ নাগার্জুনৰ মাধ্যমিক দর্শনৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ যোগাচাৰৰ ভাৱবাদৰ ওপৰত এটি চমুটোকা লিখক।

*** ***** ***

অধ্যায় ১২ ঃ জৈন দর্শন ঃ স্যাৎবাদ সম্পর্কীয় মতবাদ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ জৈন দর্শনৰ চমু পৰিচয়

১২.৩.১ জৈন দর্শনৰ জ্ঞানবিজ্ঞান

১২.৩.২ জৈন দর্শনৰ অধিবিদ্যা

১২.৪ স্যাৎবাদ বা "সপ্তভংগী নয়"

১২.৫ স্যাৎবাদৰ সমালোচনা

১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৭ অধিক জানিবলৈ

১২.৮ অগ্রগতিৰ খতিয়ান

১২.৯ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জৈন দর্শনৰ চমু পৰিচয় আগবঢ়াব পাৰিব
- জৈন দর্শনৰ "জ্ঞান-বিজ্ঞান" সম্পর্কীয় মতবাদ ব্যাখ্যা কৰিব পাৰিব
- জৈন দর্শনৰ "অধিবিদ্যা"ৰ বর্ণনা কৰিব পাৰিব
- "স্যাৎ বাদ" বা "সপ্তভংগী নয়" —বিশ্লেষণ কৰিব পাৰিব
- স্যাৎবাদৰ সমালোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়টিয়ে জৈন দর্শনৰ অন্তর্ভুক্ত স্যাৎবাদৰ সুত্রৰ বিষয়ে পৰিচয় দাঙি ধৰিছে। কিন্তু স্যাৎবাদৰ বিষয়ে আলোচনা কৰাৰ আগতে জৈন দর্শনৰ জ্ঞানবিদ্যা আৰু অধিবিদ্যাৰ বিষয়ে খৰচি মাৰি জানিব লাগিব। জৈন জ্ঞান-বিজ্ঞান আৰু অধিবিদ্যা —এই দুয়োটাই স্যাৎবাদৰ ধাৰণাৰ সৈতে ওতঃপ্রোতভাবে জড়িত। অন্যান্য ভাৰতীয় দর্শনৰ দৰে, জৈন দর্শনো জ্ঞানৰ উৎসৰ পৰাই উৎপত্তি। জৈন জ্ঞান-বিদ্যাত সাধাৰণতে তিনিটা জ্ঞানৰ উৎসৰ ব্যাখ্যা পোৱা যায়— অনুমান, প্রত্যক্ষ আৰু শব্দ। এজন সাধাৰণ মানুহৰ বাবে সকলো বিষয়তে গভীৰভাৱে জ্ঞান আহৰণ কৰা সম্ভৱপৰ নহয়। মানুহে আপেক্ষিক ভাবেহে জ্ঞান পাব পাৰে। আপেক্ষিক জ্ঞানকেই স্যাৎবাদ বুলি কোৱা হয়। অধিবিদ্যাৰ ফালৰ পৰা জৈন দর্শন বাস্তৱবাদী আৰু বহুত্ববাদী দর্শন। জৈনসকলৰ

মতে, যি বস্তুৰ সম্পর্কে আমাৰ প্রত্যক্ষ বা পৰোক্ষ জ্ঞান হয়, সেই বস্তুসমুহৰ অসংখ্য গুণ বা লক্ষণ থাকে। গতিকে প্রত্যেক বস্তুৰেই 'অনেকান্ত'। সেয়েহে জৈন অধিবিদ্যাক অনেকান্তবাদ বুলিও কোৱা হয়। ইয়াৰ পৰা ক'ব পাৰি যে, অধিবিদ্যা আৰু জ্ঞানবিদ্যা জৈন দর্শনৰ একেটা বিষয়ৰে দুটা দিশ।

১২.৩ জৈন দর্শনৰ চমু পৰিচয়

প্রাক্ ঐতিহাসিক যুগত জৈন দর্শনৰ উৎপত্তি হৈছিল। জৈন মতবাদ অনুসৰি চব্বিশ জন তীর্থংকৰৰ উপদেশাৱলীয়ে জৈন দর্শন গঢ়ি তুলিছে। এই তীর্থংকৰসকলৰ প্রথমজন আছিল ঋষভদেৱ আৰু শেষৰ জন মহাবীৰ। মহাবীৰক জৈন দর্শনৰ প্রৱর্তক বুলি গণ্য কৰা নহয়, কিয়নো জৈন দর্শন অতি প্রাচীন আৰু মহাবীৰৰ আগতেও এই ধর্ম আৰু দর্শন প্রচাৰ কৰা হৈছিল। মহাবীৰক বর্দ্ধমান বুলিও জনা যায়। তেওঁ গৌতম বুদ্ধৰ সমসাময়িক আছিল।

১২.৩.১ জৈন দর্শনৰ জ্ঞানবিদ্যা

প্রত্যক্ষ, অনুমান আৰু শব্দ —এই তিনিওটাকেই জৈনসকলে প্রমাণ অর্থাৎ যথার্থ জ্ঞান অর্জনৰ উৎস হিচাপে স্বীকাৰ কৰে। জৈন দর্শন মতে, যুক্তিপূর্ণভাৱে নিয়ম মানি অনুমান প্রয়োগ কৰিলে যথার্থ জ্ঞান পাব পাৰি। অনুমানৰ দৰে, নির্ভৰযোগ্য আৰু বিশ্বাসযোগ্য ব্যক্তি বা বাক্য বা বচন হ'লে তেনে শব্দকো যথার্থ প্রমাণ বুলি গণ্য কৰে। জৈনসকলে কয় যে সর্বজ্ঞ আৰু সর্ব শক্তিমান জৈন গুৰুসকলৰ (জিন বা তীর্থংকৰ) উপদেশসমূহৰ ওপৰত নির্ভৰ কৰিয়েই অতীন্দ্রিয় আৰু আধ্যাত্মিক বিষয় সম্পর্কে অভ্রান্ত জ্ঞান লাভ কৰিব পৰা যায়। জৈনসকলৰ মতে জ্ঞান দুই প্রকাৰৰ— পৰোক্ষ জ্ঞান আৰু অপৰোক্ষ জ্ঞান।

জৈনসকলে আৰু দুই প্রকাৰৰ জ্ঞানৰ কথা উল্লেখ কৰিছে—

- প্রমাণ (Pramana)
- নয় (Naya)

বস্তুৰ যথাযথ জ্ঞানেই হৈছে প্রমাণ। যিকোনো বস্তুৰ অসংখ্য লক্ষণৰ মাজৰ পৰা এটা বা দুটা লক্ষণ নিৰীক্ষণ কৰি যি আংশিক জ্ঞান আহৰণ কৰা হয় তাকে 'নয়' (Naya) বুলি কোৱা হয়। কিবা এটা বস্তু সম্পর্কে সাব্যস্ত জ্ঞান লাভ কৰা সম্ভৱ নহয়। সেয়েহে জৈন মতবাদ অনুসৰি প্রত্যেক বস্তু আংশিকভাৱে সত্য হ'ব পাৰে। জৈনসকলৰ মতে 'নয়' সাত প্রকাৰৰ। প্রথম চাৰি প্রকাৰৰ নয়ক 'অর্থ নয়' (Artha Naya) বুলি কোৱা হয়, কিয়নো এই নিয়মসমূহ অর্থৰ লগত জড়িত। আনহাতে শেষৰ তিনিটা নয়ক "শব্দ নয়" (Sabda Naya) বোলে। শব্দৰ সৈতে জড়িত বাবে এই তিনিটাক 'শব্দ নয়' বুলি কোৱা হয়। 'নয়'ৰ ক্ষেত্রত এটি ভ্রান্তি হোৱা দেখা যায় আৰু এই ভ্রান্তিক "নয়ভাচ" (Nayabhasa) বুলি জনা যায়।

১২.৩.২ জৈন দর্শনৰ অধিবিদ্যা

জৈন দর্শন অনুসৰি, প্রত্যেক বস্তুৰে অসংখ্য গুণ বা লক্ষণ (অনন্ত ধর্মকর্ম বস্তু) থাকে। সেয়েহে প্রত্যেক বস্তুৰেই 'অনেকান্ত'। জ্ঞানৰ যোগেদি কোনো বস্তুৰ সকলোবোৰ গুণ সম্পর্কে মাত্র সর্বজ্ঞ পুৰুষেহে আয়ত্ব কৰিব পাৰে। কিন্তু ব্যৱহাৰিক জীৱনত মানুহৰ বাবে যিকোনো বিষয়ৰ গুণ সম্পর্কে পূর্ণ জ্ঞান লাভ কৰা সম্ভৱ নহয়। সেয়েহে অপূর্ণ ব্যক্তিয়ে এটা বিশেষ দৃষ্টিভংগীৰে লক্ষ্য কৰি এটা বিশেষ লক্ষণহে পাব পাৰে। অধিবিদ্যা দিশৰ পৰা জৈন দর্শনক 'বহুত্ববাদী' দর্শন বুলি কোৱা হয়। একেটা বস্তুকেই বিভিন্ন ব্যক্তিয়ে বিভিন্ন দিশৰ পৰা দেখে। সেয়েহে এই মতবাদক অনেকান্তবাদ বুলি কোৱা হয়। কিয়নো বিভিন্ন ব্যক্তিয়ে বিভিন্ন দিশৰ পৰা বস্তু এটা দেখে। ফলত একে বস্তুকেই বিভিন্ন ব্যক্তিয়ে বিভিন্ন প্রকাৰে দেখে। সেয়েহে ইয়াক অনেকান্তবাদ বুলি কোৱা হয়।

আকৌ, অধিবিদ্যা দিশৰ পৰা জৈন দর্শন 'আপেক্ষিকতাবাদ' (Relativistic), কিয়নো তেওঁলোকে কোনো মতবাদকে সম্পূর্ণৰূপে সত্য বুলি মানি নলয়। প্রত্যেক বস্তু আংশিকভাৱে সত্য। সেয়েহে জৈন অধিবিদ্যাক অনেকান্তবাদ বোলা হয়।

জৈন অধিবিদ্যা অনুসৰি ক'ব পাৰি যে জ্ঞান হৈছে আপেক্ষিক। এই প্রসংগতে এইটো উল্লেখ কৰিব পাৰি যে কোনো এটা বিষয়ৰ সৈতে জড়িত লক্ষণসমূহৰ জ্ঞান আহৰণ কৰা মানুহৰ পক্ষে আপেক্ষিক। জৈন জ্ঞানবিদ্যা মতে, কোনো এটা বিষয়ৰ সৈতে জড়িত কিছুমান লক্ষণ সম্পর্কেহে জানিব পৰা যায়। ইয়াক স্যাৎবাদ বুলি কোৱা হয়। আকৌ অধিবিদ্যাৰ ফালৰপৰা ইয়াক অনেকান্তবাদ বুলিও ব্যক্ত কৰা হয়, কিয়নো কোনো এটা বিষয় বা বস্তু অলেখ গুণৰ সমষ্টি। আচলতে 'সাৎবাদ' আৰু 'অনেকান্তবাদ' এই দুয়োটা মতবাদ এটা মুদ্রাৰ দুটা পিঠি। যেতিয়া কোনো এটা মতবাদক সম্পূর্ণৰূপে সত্য বুলি গণ্য কৰা যায়, তেতিয়া জৈন অধিবিদ্যাৰ ক্ষেত্রত এটি ভ্রান্তি পৰিলক্ষিত হয়। ইয়াক 'একান্ত দোষ' (Fallacy of ekantatavada) বুলি কোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জৈন দর্শনৰ জ্ঞান অর্জনৰ উৎসসমূহ কি কি ?

.....

প্রশ্ন নং ২ ঃ জৈনসকলৰ মতে দুই প্রকাৰৰ জ্ঞান কি কি ?

.....

প্রশ্ন নং ৩ ঃ জৈন দর্শনত 'নয়' মানে কি ? (২০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং ৪ ঃ অনেকান্তবাদ মানে কি? (20টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং ৫ ঃ শুদ্ধ উত্তৰ বাচি উলিয়াওক ঃ

ক) জৈন অধিবিদ্যা আপেক্ষিকতাবাদÃ। (শুদ্ধÛঅশুদ্ধ)

খ) জৈন জ্ঞানবিদ্যাক স্যাৎবাদ বোলে। (শুদ্ধÛঅশুদ্ধ)

গ) জৈন অধিবিদ্যাক অনেকান্তবাদ বোলে। (শুদ্ধÛঅশুদ্ধ)

ঘ) জৈনসকলৰ মতে আঠ প্রকাৰৰ 'নয়' আছে। (শুদ্ধÛঅশুদ্ধ)

১২.৪ স্যাৎবাদ বা সপ্তভংগী নয়

আপেক্ষিক জ্ঞানেই হৈছে স্যাৎবাদৰ মূল সুত্র। ইয়াক সপ্তভংগী নয় বা সপ্তম অৱধাৰণা বুলি কোৱা হয়। 'স্যাৎ' শব্দটোৱে 'হ'ব পাৰে', 'সম্ভাব্য', 'সম্ভৱত' ঃ আদিকে বুজায়। সেয়ে এই মতবাদক জ্ঞানৰ সম্ভাৱনীয় সূত্র (Probability theory of knowledge) বুলিও জনা যায়। 'স্যাৎবাদ' মতবাদৰ যোগেদি জৈনসকলে কৈছে যে, প্রত্যেক বস্তুৰেই অনন্ত গুণ আছে। সেইবাবে মানুহে বস্তুৰ সম্পূর্ণ সত্য সম্ভাব্য বুলি গণ্য কৰে। তেওঁলোকৰ জ্ঞান আংশিক জ্ঞান, সম্পূর্ণ জ্ঞান নহয়। এই দৃষ্টিকোণৰ পৰা জৈন দর্শনক সম্ভাৱনীয় সুত্র বুলিব পাৰি। সেই বুলি জৈন দর্শনক সংশয়বাদ (Skepticism) আখ্যা দিব নোৱাৰি।

স্যাৎবাদৰ মতে, অৱধাৰণাবোৰ আপেক্ষিক আৰু সীমিত। কোনো অৱধাৰণাই সম্পূর্ণ সত্য বা মিথ্যা হ'ব নোৱাৰে। সেয়েহে ক'ব পাৰি যে, অৱধাৰণাবোৰ আংশিকভাবে সত্য বা আংশিকভাৱে মিথ্যা। অৱধাৰণাৰ দুটা দিশ হ'ল— সদর্থক আৰু নঞর্থক। এটি উদাহৰণৰ সহায়ত আপেক্ষিকতাবাদ মতবাদ বুজাবলৈ চেষ্টা কৰা হ'ল— পাহাৰ এখন দেখিলে আমি ক'ব পাৰো যে, 'পাহাৰখন আছে' কিন্তু এই অৱধাৰণা সকলো ক্ষেত্রতে সত্য নহ'বও পাৰে। গতিকে আমি ক'ব লাগিব যে, এটা অর্থত বা কোনো ক্ষেত্রত পাহাৰখন আছে। এই বাক্যটোৰ অর্থ হ'ল যে, পাহাৰখনৰ অস্তিত্ব দেশ, কাল, গুণ আদি নানা চর্তৰ ভিতৰত কোনো এটা ক্ষেত্রতহে সম্ভৱ হ'ব। পাহাৰখন আছে বুলি ক'লে ই সকলো সময়ত সকলো ঠাইত থকা বুজায় আৰু আমাৰ ভুল হোৱাৰ সম্ভাৱনা থাকে। সেয়েহে যথার্থতাৰ কাৰণে অবধাৰণাটো 'এটা অর্থত' বা 'কোনো ক্ষেত্রত' বা 'হয়তো' —আদি উক্তিৰে সীমাবদ্ধ কৰা উচিত। সেইবাবে জৈনসকলে অৱধাৰণাবোৰ আপেক্ষিক বুলি কয়।

ছয়জন অন্ধৰ হস্তীদর্শনৰ গল্পৰ সহায়ত জৈন স্যাৎবাদ মতবাদ ব্যাখ্যা কৰিব পাৰি। অন্ধলোক কেইজনে হাতীৰ বিভিন্ন অংগ-প্রত্যংগ স্পর্শ কৰি হাতীৰ আকৃতি সম্পর্কে বিভিন্ন ধাৰণা পোষণ কৰে আৰু ভিন ভিন মত প্রকাশ কৰে। প্রথম অন্ধজনে হাতীৰ কাণখন চুই বিচনীৰ লগত তুলনা কৰিছিল। দ্বিতীয় জন অন্ধলোকে হাতীৰ ভৰিখনক স্তম্ভ সদৃশ বুলি আখ্যা দিছিল। আকৌ তৃতীয়জন অন্ধলোকে হাতীৰ শূৰডালক অজগৰ সাপৰ লগত তুলনা কৰিছিল। চতুর্থ

অন্ধজনে হাতীৰ নেজডাল ধৰি ৰচি বুলি কৈছিল। সেইদৰে পঞ্চম জনে হাতীৰ গাটো বেৰৰ দৰে বুলি কৈছিল। শেষৰজনে হাতীৰ কপালখন চুই বুকুৰ লগত তুলনা কৰিছিল। ছয়জন অন্ধলোকে ভাবিছিল যে হাতী সম্পর্কে তেওঁলোকে দিয়া অভিমতবোৰ শুদ্ধ। কিন্তু অন্ধলোক সকলে পিছত জানিলে যে, তেওঁলোকৰ অভিমত একো একোটা অংগৰ ক্ষেত্রতহে সত্য। গতিকে জৈন স্যাৎবাদে দেখুৱাই যে কিবা এটা বস্তু সম্পর্কে আমি যি সাব্যস্ত কৰো, সেই বস্তুটোৰ এটা লক্ষণহে সত্য আৰু কোনো অৱধাৰণা সম্পূর্ণৰূপে সত্য বুলি গণ্য কৰা নহয়। প্রত্যেক অৱধাৰণা এটা বিশেষ অর্থত সত্য। 'স্যাৎ' শব্দটোৱে এটা অৱধাৰণাৰ অনিশ্চয়তা নির্দেশ নকৰে, মাত্র চর্তসাপেক্ষে ইয়াৰ এটা লক্ষণহে নির্দেশ কৰে। এই অৱধাৰণাসমূহক 'সপ্তভংগী নয়' বুলি কোৱা হয়। এইকেইটা হ'ল—

1। স্যাৎ অস্তি

2। স্যাৎ নাস্তি

3। স্যাৎ অস্তি চ, নাস্তি চ।

4। স্যাৎ অবক্তব্যম্

5। স্যাৎ অস্তি চ, অবক্তব্যম্ চ

6। স্যাৎ নাস্তি চ, অবক্তব্যম্ চ

7। স্যাৎ অস্তি চ, নাস্তি চ, অবক্তব্যম্ চ

অৱধাৰণাৰ দুটা দিশ হ'ল— সদর্থক আৰু নঞর্থক। এই দুটাৰ ওপৰত ভিত্তি কৰিয়েই সাত প্রকাৰৰ অৱধাৰণা পোৱা যায়। সদর্থক অৱধাৰণাত এটা বস্তুৰ কিবা এটা লক্ষণ স্বীকাৰ কৰা হয় আৰু নঞর্থক অৱধাৰণাত বস্তুটোৰ লক্ষণ অস্বীকাৰ কৰা হয়। 'সপ্তভংগী নয়' কেইটা তলত বিশদভাবে আলোচনা কৰা হ'ল—

1। স্যাৎ অস্তি ঃ ইয়াৰ সাংকেতিক ৰূপ— 'কোনো ক্ষেত্রত s p'হয়। এইটো এটা সদর্থক অৱধাৰণা। যেনে কলহটো সম্পর্কে সদর্থক অৱধাৰণা কৰা হয় যে "কোঠালীটোত কোনো ক্ষেত্রত কলহটো আছে", অর্থাৎ এটা বিশেষ সময়ত বিশেষ স্থানত বিশেষ আকৃতিৰ কলহটো আছে।

2। স্যাৎ নাস্তি ঃ ই এটা নঞর্থক অৱধাৰণা আৰু চিহ্নিত ৰূপ হ'ল--- 'কোনো ক্ষেত্রত s p' নহয় । যেনে— কোনো ক্ষেত্রত কলহটো কোঠালীৰ বাহিৰত নাই। অর্থাৎ এটা বিশেষ সময়ত বিশেষ পৰিস্থিতিত কলহটো বাহিৰত নাই।

3। স্যাৎ অস্তি চ, নাস্তি চ ঃ এটা বস্তু সদর্থক আৰু নঞর্থক দুয়োটা লক্ষণ বুজাবলৈ যৌগিক অৱধাৰণাৰ প্রয়োজন হয়। তেতিয়া তাক স্যাৎ অস্তি চ্, নাস্তি চ্ বুলি কোৱা হয়। ইয়াৰ সাংকেতিক ৰূপ হ'ল— 'কোনো ক্ষেত্রতে s p হয় আৰু p' নহয়। যেনে— কোনো ক্ষেত্রত কলহটো ৰঙা হয় আৰু ৰঙা নহয়।

4। স্যাৎ অবক্তব্যম্ ঃ এই অৱধাৰণাটোৰ সাংকেতিক ৰূপ হ'ল— 'কোনো ক্ষেত্রত হয় অবর্ণনীয়' s। যেতিয়া কোনো সময়ত একেটা বস্তুৰে বিৰোধী লক্ষণ দেখা যায়, তেতিয়া

বস্তুটো অবর্ণনীয় বুলি ক'ব পাৰি। যেনে— কেতিয়াবা দেখা যায় যে কেঁচা মাটিৰ কলহটো ক'লা হয় আৰু জুইৰ তাপত ৰঙা হয়। গতিকে কলহটোৰ যথার্থ ৰং কি বুলি প্রশ্ন কৰিলে আমি কোৱা উচিত যে, ৰংটো কি ক'ব পৰা নাযায়। অর্থাৎ কলহটো অবর্ণনীয়।

5¼ স্যাৎ অস্তি চ, অবক্তব্যম্ চ ঃ ইয়াৰ সাংকেতিক ৰূপ হ'ল— 'কোনো ক্ষেত্রত s হয় p আৰু অবর্ণনীয় । স্যাৎ অস্তিৰ লগত স্যাৎ অবক্তব্যম্ চ অৱধাৰণাক সংযোগ কৰি এই অৱধাৰণাটি পোৱা যায়। যেনে— কোনো ক্ষেত্রত কলহটো ৰঙা আৰু কোনো ক্ষেত্রত অবর্ণনীয়।

6¼ স্যাৎ নাস্তি চ, অবক্তব্যম্ চ ঃ সাংকেতিক ৰূপ হ'ল— 'কোনো ক্ষেত্রত s নহয় p আৰু অবর্ণনীয়'। স্যাৎ নাস্তি অৱধাৰণৰ সৈতে স্যাৎ অবক্তব্যম সংযোগিত কৰিলে এই অৱধাৰণাটো পোৱা যায়। যেনে— কোনো ক্ষেত্রত কলহটো বাহিৰত নাই আৰু কোনো ক্ষেত্রত ই অবর্ণনীয়।

7¼ স্যাৎ অস্তি চ, নাস্তি চ, অবক্তব্যম্ চ ঃ ইয়াৰ সাংকেতিক ৰূপ হ'ল— 'কোনো ক্ষেত্রত s হয় p; নহয় p আৰু অবর্ণনীয়'। স্যাৎ অস্তি চ, নাস্তি চ ৰ সৈতে স্যাৎ অবক্তব্যম্ সংযোগ কৰিলে এই অৱধাৰণাটো পোৱা যায়। যেনে— কোনো ক্ষেত্রত কলহটো ৰঙা হয় আৰু ৰঙা নহয় আৰু কোনো ক্ষেত্রত ই অবর্ণনীয়।

যদিও ওপৰত উল্লেখ কৰা জৈন স্যাৎবাদক শুদ্ধ বুলি ভবা যায় সেয়েহে সমালোচক সকলে এই মতবাদটো সমালোচনা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) জৈনসকলৰ মতে অৱধাৰণাবোৰ .....।

খ) 'স্যাৎ' শব্দটোৰ অর্থ .....।

গ) সাত প্রকাৰৰ অৱধাৰণাক ..... জনা যায়।

ঘ) 'নয়' ৰ ভ্রান্তিক ..... বোলে।

প্রশ্ন নং ৭ ঃ জ্ঞানৰ আপেক্ষিকতাবাদ বুলিলে কি বুজা যায়?

(70টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....



চিন্তা-চর্চা কৰক ১২.১

ক) জ্ঞানৰ আপেক্ষিকতাবাদ বা স্যাৎবাদ সূত্রই জ্ঞানৰ অসাধ্যতা বুজাই নেকি? আপোনাৰ মতামত কি? আলোচনা কৰক।

.....

.....

.....

খ) জৈনৰ 'সপ্তভংগী নয়' মতবাদে কোনো বস্তুৰ সত্তা সম্পর্কে আলোচনা কৰিবলৈ সক্ষম হৈছে নে? আপোনাৰ মতামত কি? ব্যাখ্যা কৰক।

.....

.....

.....

১২.৫ স্যাৎবাদৰ সমালোচনা

ক) বৌদ্ধ আৰু বেদান্তসকলৰ মতে স্যাৎবাদৰ অন্তর্ভুক্ত 'স্যাৎ' শব্দটোৱে অসুবিধাৰ সৃষ্টি কৰে। তেওঁলোকে স্যাৎবাদক 'আত্মবিৰোধ' (Self-Contradictory) বুলি আখ্যা দিছে। এই সূত্র অনুসৰি একে বস্তুৰ একে সময়তে গুণৰ অস্তিত্ব থাকিবও পাৰে আৰু নাথাকিবও পাৰে সেয়েহে একে সময়তে পোহৰ আৰু এন্ধাৰ থাকিব নোৱাৰে। এই ক্ষেত্রত ধর্মকীর্তিয়ে কয় যে জৈন দর্শনে পগলা মানুহৰ নিচিনাকৈ বিৰোধৰ সৃষ্টি কৰিছে। শংকৰাচার্যৰ মতে, একে বস্তুৰ একে সময়তে দুটা ৰূপ থাকিব নোৱাৰে। তেওঁৰ মতে, অদ্বিতীয়াত্মবাদ আৰু বহুত্ববাদ, সদর্থক আৰু নঞর্থক, পোহৰ আৰু এন্ধাৰ — এইবোৰ একে বস্তুৰ ক্ষেত্রত একে সময়তে সম্ভৱ নহয়। ৰামানুজেও শংকৰাচার্যৰ সৈতে একমত হৈ এই মতবাদ সমালোচনা কৰে।

খ) জ্ঞানৰ আপেক্ষিকতাবাদ মতবাদ অর্থাৎ স্যাৎবাদ অনুসৰি সকলো ধৰণৰ অৱধাৰণাই চর্ত সাপেক্ষ। সকলো সদর্থক ধাৰণাই নঞর্থক ধাৰণাক অনুসৰণ কৰে আৰু সকলো নঞর্থক অৱধাৰণাই সদর্থক অৱধাৰণাক অনুসৰণ কৰে। আকৌ এই সূত্র অনুসৰি সকলো সত্যতা আংশিকভাৱেহে সত্য বা মিছা। এই ক্ষেত্রত আমি ইয়াকেই ক'ব পাৰো যে যদি সত্যতা আংশিক ভাবেহে সঁচা বা মিছা হয়, তেন্তে স্যাৎবাদ সূত্রটো নিজেই সম্ভাৱনাপূর্ণ হ'ব, অথবা আংশিকভাৱেহে সঁচা বা মিছা হ'ব। জৈনসকলৰ স্যাৎবাদ তত্ত্বটোৱে যিহেতু পূর্ণ সত্যৰ কোনো আভাস দিব নোৱাৰে, সেয়েহে ইয়াক এক গ্রহণযোগ্য মতবাদ বুলি মানি ল'ব নোৱাৰি।



১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

জৈন 'স্যাৎবাদ' মতবাদটো সমালোচনা কৰা হৈছে যদিও ইয়াৰ গুৰুত্ব নুই কৰিব নোৱাৰি। জৈনসকলে সত্তাৰ বিভিন্নতা স্যাৎবাদ তত্ত্বটোৰ দ্বাৰা ব্যাখ্যা কৰিছে। এটি অৱধাৰণাই কেতিয়াও স্বতন্ত্রভাবে সত্তা প্রকাশ কৰিব নোৱাৰে। গতিকে জৈনসকলে সপ্তভংগী নয়ৰ দ্বাৰা প্রকাশ কৰিব বিচাৰিছে। যিহেতু এটি অবধাৰণাক কেতিয়াও সম্পূর্ণভাৱে ব্যাখ্যা কৰিব পৰা নাযায়, সেয়েহে জৈন সকলে স্যাৎবাদ তত্ত্বটো এক উপযুক্ত তত্ত্ব বুলি গ্রহণ কৰে। জৈনসকলে স্যাৎবাদ তত্ত্বটোক সত্তাৰ অপ্রকাশিত ৰূপটোক ব্যাখ্যা কৰাৰ প্রয়াস কৰিছে। সেয়েহে তেওঁ লোকৰ স্যাৎবাদ তত্ত্বটোক সত্তাৰ যথার্থতা ব্যাখ্যাত এক উপযুক্ত মতবাদ বুলি গ্রহণ কৰিব পৰা যায়।

জৈন দর্শনৰ কেইটিমান গুৰুত্ব পূর্ণ কথা তলত উল্লেখ কৰা হ'ল—

- প্রত্যক্ষ, অনুমান আৰু শব্দ— এই তিনিওটাক জৈন সকলে যথার্থ জ্ঞানার্জনৰ উপায় হিচাপে স্বীকাৰ কৰে।
- জৈন সকলৰ মতে জ্ঞান দুই প্রকাৰৰ— 'প্রমাণ' আৰু 'নয়'
- আংশিক জ্ঞান লাভ কৰা উপায়ক নয় বোলে।
- বস্তুৰ যথাযথ জ্ঞানেই হৈছে প্রমাণ।
- জৈন অধিবিদ্যা মতে সকলো অৱধাৰণাই হৈছে আপেক্ষিক।
- জৈন জ্ঞানবিদ্যা অনুসৰি জ্ঞান হৈছে আপেক্ষিক কিয়নো আমি আংশিক জ্ঞানহে জানো। ইয়াকে স্যাৎবাদ বুলি কোৱা হয়।
- অধিবিদ্যা অনুসৰি প্রত্যেক বস্তুৰে অসংখ্য গুণ বা লক্ষণ থাকে। ইয়াকে অনেকান্তবাদ বোলে।
- স্যাৎবাদ হৈছে জ্ঞানৰ আপেক্ষিকতাবাদ। ইয়াক 'সপ্তভংগী নয়' বা সপ্তম অৱধাৰনা বুলিও কোৱা হয়।



১২.৭ অধিক জানিবলৈ

1] দাস, কালিচৰণ, *ভাৰতীয় দর্শন*

2] বৰুৱা, গিৰিশ, *ভাৰতীয় দর্শন*

3] ভট্টাচার্য্য, জ্যোৎস্না, *ভাৰতীয় দর্শন*

4] শর্মা, ৰাম নাথ, *ভাৰতীয় দর্শন*



১২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ প্রত্যক্ষ, অনুমান আৰু শব্দ।

২ নং প্রশ্নৰ উত্তৰ ঃ অপৰোক্ষ আৰু পৰোক্ষ।

৩ নং প্রশ্নৰ উত্তৰ ঃ যিকোনো বস্তুৰ অসংখ্য লক্ষণৰ পৰা আংশিক জ্ঞান আহৰণ কৰা হয়, তাকে 'নয়' বুলি কোৱা হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ অধিবিদ্যা অনুসৰি প্রত্যেক বস্তুৰে অসংখ্য গুণ বা লক্ষণ থাকে। তাকে অনেকান্ত বাদ বোলে।

৫ নং প্রশ্নৰ উত্তৰ ঃ ক) আপেক্ষিকতাবাদ খ) সাৎবাদ গ) অনেকান্তবাদ ঘ) সাত।

৬ নং প্রশ্নৰ উত্তৰ ঃ ক) আপেক্ষিক খ) হ'ব পাৰে গ) 'সপ্তভংগ নয়' ঘ) নয়ভচ।

৭ নং প্রশ্নৰ উত্তৰ ঃ এই তত্ত্বমতে বস্তুৰ এক সামগ্রিক জ্ঞান মানুহ এজনৰ কাৰণে সম্ভৱ নহয়, সেয়ে জ্ঞান সম্ভাব্য বুলি কোৱা হয়। বস্তু এটা বিভিন্ন দিশ থাকিব পাৰে, সেয়ে এজন মানুহে জ্ঞানৰ ক্ষেত্রত সকলো দিশৰেই জ্ঞান আহৰণ কৰিবলৈ অসমর্থ হয়, সেয়ে মানুহে বস্তু এটাৰ সম্বন্ধে আংশিক জ্ঞানহে লাভ কৰিব পাৰে। গতিকে অৱধাৰণবোৰে এটা দিশৰ পৰা এটা সত্যকহে নির্দেশ কৰিব পাৰে, সেয়ে এই তত্ত্বটোক সম্ভাৱনীয় সূত্র বুলি জনা যায়।



১২.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ জৈন দর্শন মতে জ্ঞানৰ উৎসসমূহ কি কি?

প্রশ্ন ২ ঃ জৈন দর্শন অনুসৰি জ্ঞানৰ প্রকাৰবোৰ উল্লেখ কৰক।

প্রশ্ন ৩ ঃ প্রমাণৰ সংজ্ঞা দিয়ক।

প্রশ্ন ৪ ঃ জৈন দর্শন মতে, অর্থ নয় কি?

প্রশ্ন ৫ ঃ শব্দৰ নয় কি?

প্রশ্ন ৬ ঃ নয়'ত উদ্ভৱ হোৱা দোষটি উল্লেখ কৰক।

প্রশ্ন ৭ ঃ জৈন দর্শন মতে, স্যাৎ শব্দটোৰ অর্থ কি?

খ) চুটি প্রশ্ন (150টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ স্যাৎবাদৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ সপ্তভংগী নয় কি? চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ জৈন পৰাবিদ্যা সম্পর্কে চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৪ ঃ জৈন জ্ঞানবিজ্ঞান বুলিলে কি বুজা যায়? চমুকৈ ব্যাখ্যা আগবঢ়াওক।

গ) চমুটোকা লিখক (১৫০টা শব্দৰ ভিতৰত লিখক**)**

(ক) জৈন পৰাবিদ্যা বা তত্ত্ববিদ্যা

(খ) জৈন জ্ঞানবিজ্ঞান

(গ) অনেকান্তবাদ

(ঘ) সপ্তভংগী নয়

(ঙ) স্যাৎবাদ

ঘ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক**)**

প্রশ্ন ১ ঃ জৈন জ্ঞানবিদ্যা মানে কি বুজে ? আলোচনা কৰক।

প্রশ্ন ২ ঃ জৈন অধিবিদ্যা বুলিলে কি বুজে? আলোচনা কৰক।

প্রশ্ন ৩ ঃ জৈন "স্যাৎবাদ" বা "সপ্তভংগী নয়" বিশদভাৱে আলোচনা কৰক।

প্রশ্ন ৪ ঃ জৈন "স্যাৎবাদ" আলোচনা মুক্ত নে? আলোচনা কৰক।

প্রশ্ন ৫ ঃ জৈনসকলৰ "সপ্তভংগী" নয় বিষয়ে ব্যাখ্যা কৰক।

প্রশ্ন ৬ ঃ অনেকান্তবাদ কি? স্যাৎবাদ আৰু অনেকান্তবাদৰ মাজত কিবা সম্পর্ক আছেনে? আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ জৈন দর্শন ঃ অনেকান্তবাদ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ অনেকান্তবাদৰ অভিধানিক অর্থ
১৩.৪ অনেকান্তবাদৰ সন্দর্ভত পৰিবর্তনৰ ব্যাখ্যা
১৩.৫ এটা বস্তুৰ সদর্থক আৰু নঞৰ্থক বৈশিষ্ট্যৰ ব্যাখ্যা
১৩.৬ এটা বাস্তৰ উদাহৰণেৰে সৈতে অনেকান্তবাদৰ বোধ
১৩.৭ একান্তবাদ
১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৯ অধিক জানিবলৈ
১৩.১০ অগ্রগতিৰ খতিয়ান
১৩.১১ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অনেকান্দবাদ সংজ্ঞা দিবলৈ সক্ষম হ'ব
- পৰিবর্তন নো কি তাক বুজিবলৈ পাৰিব
- এটা বস্তুৰ সদর্থক আৰু নঞৰ্থক অর্থ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- বাস্তৰ উদাহৰণৰ সৈতে অনেকান্তবাদক ব্যাখ্যা কৰিব পাৰিব
- একান্তবাদক বুজিবলৈ সক্ষম হ'ব।

১৩.২ পৰিচয়

জৈন দর্শন ভাৰতীয় দর্শনৰ এক গুৰুত্বপূর্ণ শাখা। ই এক অ-বৈদিক দার্শনিক সম্প্রদায়, নাস্তিক দর্শন নাইবা যাক আমি পৰম্পৰা বিৰোধী দর্শন বুলিও কওঁ জৈন দর্শনে বেদৰ প্রামাণ্যক স্বীকাৰ নকৰে। জৈন দর্শনৰ তীর্থংকৰসকলৰ উপলব্দ সত্যকেই পৰম বা চৰম সত্য বুলি মানি লোৱা হয়। জৈন দর্শনত মুঠ চৌব্বিছজন তীর্থংকৰৰ উল্লেখ পোৱা যায়। ইয়াৰ ভিতৰত প্রথমজন তীর্থংকৰ আছিল ঋষভদেৰ আৰু শেষৰজন আছিল বর্ধমান, যাক মহাবীৰ বুলিও জনা যায়। মহাবীৰ বুদ্ধদেৱৰ সমসাময়িক আছিল। এই কথা বিশ্বাস কৰা হয় যে মহাবীৰ গৌতম বুদ্ধৰ সহায়ত খ্রীঃ পূঃ প্রায় ছয় শতিকা পর্য্যন্ত জীয়াই আছিল।

জৈন দর্শনৰ 'জৈন' শভ্দটো 'জিন' শব্দৰ পৰা উৎপত্তি হৈছে বুলি কোৱা হয়। 'জিন'

শব্দৰ আভিধানিক অর্থ হৈচে 'জয়ী'। 'জিন' শব্দই 24 জন তীর্থংকৰকে নির্দেশ কৰে। 'জিন'ৰ অর্থ হৈছে যিসকলে সকলো প্রকাৰৰ আৱেগ যেনে- ৰাগ, দ্বেষস হিংসা, লোভ আদিক জয় কৰিব পাৰে। আৱেগ অনুভূতিক জয় কৰাৰ দ্বাৰা, তেওঁলোকে সকলো আৱেগৰ উর্দ্ধত উপনীত হয় আৰু মোক্ষ নাইবা মুক্তি লাভ কৰে।

জৈন দর্শনক বস্তু স্বাতন্ত্র্যবাদ আৰু বহুত্ববাদৰ দ্বাৰা বৈশিষ্ট্যকৰণ কৰা হয়। ইয়াৰ অর্থ এয়ে যে এই প্রকৃত বা বাস্তৱ আৰু সংখ্যাত বহু। তেওঁলোকৰ মতে জগতত দুই প্রকাৰৰ তত্ব আছে- জীৱ আৰু অজীৱ। জৈন দর্ন্দ্রনে বিশ্বাস কৰে যে, প্রত্যেক জীৱিত বস্তু, আনকি যি অপউর্ণ তাৰো এক আত্মা নাইবা জীৱ আছে। সেইবাবে তেওঁলোকে অহিংসা নাইবা সকলো জীৱৰ প্রতিপৰম সহিষ্ণুতা অনুশীলন কৰে। আনৰ মতামতক সন্মান কৰা যে জৈন দর্শনৰ আন এক গুৰুত্বপূর্ণ উপাদান এই উপাদানক তেওঁলোকৰ আধিবৈজ্ঞানিক মতবাদ 'অনেকান্তবাদ'ৰ জৰিয়তে আগবঢ়ঞাইছে। তর্কীয় মতবাদটো, যিয়ে প্রকাশ কৰে যে প্রত্যেক অৱধাৰণ চর্ত সাপেক্ষ, অর্থাৎ, ই গঠিত হয় আপেক্ষিক দৃষ্টিকোণ আৰু চর্তৰ পৰা ঢাকে 'স্যাদবাদ' বুলি জনা যায়। এই স্যাদবাদক অনেকান্তবাদৰ পৰা এক অনুবর্তী তর্কীয় মতবাদ হ'ব পাৰে বুলি কোৱা হয়। জৈনসকলে জ্ঞানমীমাংসা নাইবা জ্ঞানবিদ্যাৰ মতবাদ, যিয়ে তর্কবিদ্যা, অধিবিদ্যা আৰু নীতিবিজ্ঞান আৰু ধর্মকো সন্নিবিষ্ট কৰে, আদিৰ দৰে বিভিন্ন মতবাদক পোষণ কৰে। এই মতবাদসমূহে আমাক জৈনসকলৰ দর্শনৰ বিষয়ে এক ধাৰণা আগবঢ়োত সহায় কৰে। যদিও তাত্বিক দৃষ্টকোণৰ পৰা অনেকান্তবাদ আৰু জৈন অধিবিদ্যাই বিদ্বান আৰু গৱেষকসকলৰ মনোযোগ আকর্ষণ কৰাহে দেখা যায়। এই অদ্যায়টিতে অনেকান্তবাদক আলোচনা কৰা হৈছে। পাছত পৰবর্তী অদ্যায়ত জৈন দর্শনৰ অধিবিদ্যাৰ বিষয়ে দিয়া হ'ব।

তর্ক বিজ্ঞান আৰু যুক্তিৰ ক্ষেত্রত ব্যৱহৃত জৈনৰ আপেক্ষিকতাবাদৰ তিনিওটা মতবাদৰ ভিতৰত অনেকান্তবাদৰ তিনিওটা মতবাদৰ ভিতৰত অনেকান্তবাদো এটা আন দুটা মতবাদ হৈছে- (1) স্যাদ্বাদ নাইবা সকলো অৱধাৰণেই চর্ত সাপেক্ষ; আৰু (2) নয়বাদ নাইবা আংশিক মৱধাৰণৰ মতবাদ। অনেকান্তবাদে বহুত্বৰ নীতিসমূহ আৰু দৃষ্টিভঙ্গীৰ বহুত্বতাক নির্দেশ কৰে। এই মতবাদটোক বুজিব পৰা যাব এই মতটো পোষণ কৰিলে যে সৎ বস্তুক বিভিন্ন দৃষ্টিকোণৰ পৰা পাব পাৰি আৰু কোনো সৎ বস্তুৰ যথার্থ আৰু সমগ্র স্বৰূপক এটা মাত্র দৃষ্টিভঙ্গীৰ দ্বাৰা আমি পাব নোৱাৰো। তথাপি, এই একক দৃষ্টিভঙ্গীসমূহক যদি একত্রিকৰণ কৰা হয়, তেন্তে ই সম্পূর্ণ গঠন কৰিব পৰা যায়।

১৩.৩ অনেকান্তবাদৰ আভিধানিক অর্থ

'অনেকান্তবাদ' শব্দটোৰ আক্ষৰিক অথবা আভিধানিক অর্থটো দুটা সংস্কৃত শব্দ ঃ 'অনেকান্ত (বহুমুখীতা) আৰু 'বাদ' (চিন্তাৰ সম্প্রদায় বা শাখা)ৰ যৌগিক ধাতুৰ মাজত নিহিত হৈ আছে। সংস্কৃত শব্দ 'অনেকান্ত' এক যৌগিক শব্দ আৰু ই সংস্কৃত নঞার্থক উপসর্গ 'অ' (an),

'এক' (one), আৰু '____' (ante) ৰ পৰা নিঃসৃত হৈছে আৰু যাৰ অৰ্থ ধৰ্ম বা গুণ। সেয়েহে 'অনেকান্ত' শব্দটোক আক্ষৰিক ভাৱে 'যাৰ একক গুণ নাথাকে' হিচাপে বুজিব পৰা যায়। জৈনসকলে বুদ্ধি বৃত্তি আৰু যুক্তি বা তৰ্কৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰিছে। জৈনসকলে নিজৰ মতৰ ওপৰত দৃঢ়তা প্ৰকাশ কৰে যে চৰম নীতি সদায় যৌক্তিক হোৱাটো বাঞ্ছনীয় আৰু যুক্তিৰ ওপৰত নিৰ্ভৰশীল হোৱাটো প্ৰয়োজনীয়।



চিন্তা চৰ্চা কৰক -১৩.১

জৈনসকলে পোষকতা কৰা অনেকান্তবাদৰ বিষয়ে আপোনালোকে কি ভাৱে? আলোচনা কৰা।

উত্তৰ ঃ .....

.....

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং 1। জৈন দৰ্শনৰ প্ৰতিষ্ঠাপক কোন?

.....

প্ৰশ্ন নংS2। মুঠ কেইজন তীৰ্থংকৰ আছে?

.....

প্ৰশ্ন নং 3¼প্ৰথমজন তীৰ্থংকৰ আছে?

.....

প্ৰশ্ন নং 4। কোনটো সংস্কৃত শব্দৰ পৰা 'জৈন' শব্দটো আহিছে?

.....

প্ৰশ্ন নং 5¼ইয়াৰ আক্ষৰিক অৰ্থ কি?

.....

১৩.৪ অনেকান্তবাদৰ সন্দৰ্ভত পৰিবৰ্তনৰ ব্যাখ্যা

জৈনসকলে প্ৰতিপন্ন কৰে যে 'সৎ বস্তু প্ৰকৃতিগতভাৱে জটিল। সৎ বস্তুৰ জটিল স্বভাৱক বুজি পোৱাৰ উদ্দেশ্য, আমি কোনো এটা বস্তুক সকলো দৃষ্টি কোণৰ পৰা প্ৰত্যক্ষ কৰিবই লাগিব। এটা বস্তুক ইয়াৰ বিশেষ দিশবোৰৰ এটা আৰু এক বিশেষ দৃষ্টি কোণ অনুসৰি বিচাৰ কৰিব পৰা যায়। আমি বুজিবলৈ ব্যৰ্থ হওঁ যে এটা বস্তুৰ অসংখ্য গুণ আছে আৰু ইয়াক অসংখ্য দৃষ্টিকোণৰ পৰা বিচাৰ কৰিব পৰা যায়। ই হয় আমাৰ সীমাবদ্ধতাৰ হেতু যে এটা বস্তুক তাৰ

সকলো বৈশিষ্ট্যৰে সৈতে আৰু অসংখ্য দৃষ্টিকোণৰ পৰা বিচাৰ কৰিবলৈ আমাৰ সীমাবদ্ধতা আছে। কিন্তু, যেতিয়া এই সত্যতাক উপলব্ধি কৰিবলৈ আমি ব্যর্থ হওঁ আৰু বস্তুৰ বিষয়ে কৰা অৱধাৰণ সমূহক নিৰপেক্ষভাৱেই সত্য বুলি ধৰি লওঁ, তেতিয়া ই আমি ভূল কৰো। যেতিয়া আমি এটা বস্তুৰ আংশিক দিশটোকে বস্তুটো হয় বুলি গ্রহণ কৰো, আমাৰ বস্তুটোৰ জ্ঞান হৈ পৰে অসম্পূর্ণ, আংশিক আৰু অসত্য। চাণ্ডগ্য উপনিষদত 'পৰিবর্ত্ত'ন'ক অসত্য বা অবাস্তৱ ৰূপে বর্ণনা কৰা হৈছে। ভিত্তি স্বৰূপ সকলো পৰিবর্ত্তনতে কিন্তু সত্যতা নিহিত থাকে। যাক আমি 'বিভিন্ন' নাইবা 'বহুতো'ৰ দ্বাৰা বুজি পাওঁ, তাক কেৱল নাম আৰু ৰূপতহে দেখা পোৱা যায়। সেইকাৰণে, নাম আৰু ৰূপ অবাস্তৱ বা অসত্য। কিন্তু বৌদ্ধসকলৰ বাবে, একো বস্তুৱেই স্থায়ী নহয়। এই বিশ্ব ব্রহ্মাণ্ডৰ সকলো বস্তুৱেই পৰিবর্ত্তনশীল আৰু অনিত্য। যিবোৰ গুণ আমি আমাৰ অভিজ্ঞতাত পাব পাৰো, সেইবোৰো চর্তসাপেক্ষভাৱে পৰিবর্তনশীল। বৌদ্ধসকলে কয় যে জগত এনে কোনো সত্য নাই, যি নিত্য বা স্থায়ী। তেওঁলোকৰ মতে, জগতত শাশ্বত বা চিৰন্তন বুলি একোৱেই নাই। কিন্তু জৈন সকলে কয় যে, এই দুয়োটা মতামতেই আংশিক, যিহেতু প্রত্যেকেই সত্যতাৰ বর্ণনা ইয়াৰ বহুতো দৃষ্টিকোণৰ মাজৰ কেৱল এটাৰ পিনৰ পৰাহে আগবঢ়াইছে। সেয়েহে, তেওঁলোকৰ মতামতসমূহ 'একান্ত'। এটা মতামত, যি একপক্ষীয় আৰু যাক কেৱল আংশিক দৃষ্টিকোণৰ পৰাহে দিয়া হয়, তাকে 'একান্তবাদ' বুলি কোৱা হয়।

১৩.৫ এটা বস্তুৰ সদর্থক আৰু নঞার্থক বৈশিষ্ট্যৰ ব্যাখ্যা

জৈনসকলে প্রতিপন্ন কৰে যে প্রত্যেক বস্তুৰেই অসংখ্য ধর্ম বা বৈশিষ্ট্য আছে। অর্থাৎ সকলো বস্তুৱেই অনন্ত ধর্ম বিশিষ্ট (অন্ত ধর্মকম বস্তু)। ইয়াত 'অসংখ্য' শব্দটোৰ দ্বাৰ আমি বুজো যে গুণ নাইবা বৈশিষ্ট্যক গণনা কৰিব নোৱাৰি, সেইবোৰ অগনণীয়। জৈনসকলৰ মতামতৰ সম্পূর্ণ আভাষক বুজি পাবলৈ ইয়াত আমি আৰু অলপ ব্যাখ্যা আগবঢ়াবই লাগিব। এই জগতৰ প্রত্যেক বস্তুকেই যেনেদৰে থাকে, ঠিক একেদৰেই চোৱা হয়, ই সম্ভৱ হয় ইয়াৰ সদার্থক আৰু নঞার্থক বৈশিষ্ট্য সমূহৰ বাবে। উদাহৰণ স্বৰূপে এটা বস্তুৰ সদর্থক বৈশিষ্ট্যৰ দ্বাৰ যেনে 'মানুহ' বুলিলে আমি বুজো তেওঁৰ বৰণ, আকাৰ, আকৃতি, ভৰ, বংশগতি, পৰিয়াল, জাতি, নিয়োগ, শিক্ষা, জাতিয়তা, জন্মৰ স্থান, জন্মৰ তাৰিখ, বয়স, আৱাস ইত্যাদি। সদর্থক বৈশিষ্ট্যসমূহ হৈছে সেইবোৰ 'সংজ্ঞাত্মক বৈশিষ্ট', যিয়ে বস্তুক যেনেদৰে আছে ঠিক তেনেদৰেই বর্ণনা কৰে। এই বৈশিষ্ট্যসমূহে এটা বস্তুক সদর্থক অর্থত সংজ্ঞা দিবলৈ আমাক সহায় কৰে. অর্থাৎ, এই সদর্থক গুণ বা বৈশিষ্ট্যসমূহ বস্তুটোৰ মাজতে নিহিত থাকে। এইবোৰ বৈশিষ্ট্যৰ লগতে এটা বস্তুৰ ৰ জগতৰ আন বস্তুবোৰ বস্তুৰ অগননীয় সংখ্যাৰ সৈতে অসংখ্যলসম্পর্ক আছে। 'মানুহ'ৰ নঞার্থক বৈশিষ্ট্যৰ দ্বাৰা আমি বুজো সেইবোৰ বৈশিষ্ট্যক, যিবোৰ তেওঁৰ মাজত উপস্থিত নাথাকে। এজন মানুহক উদাহৰণটোত বর্ণনা কৰাৰ দৰে তেওঁক সম্পূর্ণ ৰূপে জানিব পৰা যাব, যদিহে আমি তাক প্রত্যেক বস্তুৰ পাৰ পৃথক কৰো। আমি জনা উচিত যে, তেওঁ কি নহয়" অর্থাৎ তেওঁ ভাৰতীয় নাইবা আমেৰিকান নাইবা হিন্দু নহয়। আকৌ তেওঁ অসাদু, নাইবা টেটোন নাইবা ধূর্ত

নহয় আদি। মানুহৰ এইবোৰ নঞৰ্থক বৈশিষ্ট্য হৈছে এনে কিছুমান প্ৰভেদ, যিয়ে জগতত মানুহক সকলো বস্তুৰ পৰাই পৃথকীকৰণ কৰিবলৈ সহায় কৰে। এই অৰ্থত, নঞৰ্থক বৈশিষ্ট্যসমূহ সংখ্যাত সদৰ্থক বৈশিষ্ট্যতকৈ বহু বেছি। নঞৰ্থক বৈশিষ্ট্যসমূহ সমানে, গুৰুত্বপূৰ্ণ। ই আমাক সেইবোৰ বৈশিষ্ট্যৰ কথা কয়, যিবোৰৰ অধিকাৰী বস্তুটো নহয়। সেয়েহ, জগতৰ অন্যান্য বস্তুবোৰৰ সম্বন্ধত আমি বস্তুটোক পৃথক কৰিব পাৰো। যিদৰে সদৰ্থক বৈশিষ্ট্য সমূহক এটা বস্তুৰ 'সংজ্ঞাত্মক বৈশিষ্ট্য' ৰূপে বৰ্ণনা কৰা হৈছে, ঠিক সেইদৰে নঞৰ্থক বৈশিষ্ট্যসমূহক বস্তুৰ 'পাৰ্থক্যবোধক বৈশিষ্ট্য' ৰূপে বৰ্ণনা কৰিব পৰা যায়। গতিকে, এই ক্ষেত্ৰত 'মানুহ'ৰ মাজত লদৰ্থক বৈশিষ্ট্যৰ উপস্থিত আৰু নঞৰ্থক বৈশিষ্ট্যৰ অনুপস্থিত থাকে। এইদৰে, বৈশিষ্ট্যৰ এই দুটা সমষ্টিয়ে একেলগে প্ৰমাণ কৰে যে বস্তুবোৰ সৰল নহয়, ইহঁতৰ সীমিত বৈশিষ্ট্য আছে। এটা বস্তুক লক্ষ্য কৰাৰ ক্ষেত্ৰত থকা আমাৰ সীমাবদ্ধতাৰ হেতু সীমিত বৈশিষ্ট্য বিশিষ্ট বস্তুবোৰ সৰল যেন দৃশ্যমান হ'ব পাৰে। কিন্তু, বাস্তৱতে, বস্তু সদায় জটিল প্ৰকৃতিৰ যি অসীম সংখ্যক গুণ আৰু বৈশিষ্ট্যৰৰ গৰাকী। আনকি, যেতিয়া কাল আৰু পৰিবৰ্তনক একেলগে ধৰা হয়, তেতিয়া বস্তুটো এক নতুন বৈশিষ্ট্যযুক্ত হৈ পৰে। সেয়েহে জৈনসকলে বিশ্বাস কৰে যে, এই অৰ্থত বস্তুসমূহৰ অনন্ত ধৰ্ম বা বৈশিষ্ট্য আছে। সেই কাৰণে, সঁচা অৰ্থত ক'ব পাৰি যে জৈন সকলে সদৰ্থক আৰু নঞৰ্থক বৈশিষ্ট্যসমূহৰ ব্যাখ্যাৰ দ্বাৰ অনেকান্তবাদ নতবাদ পোষকতা কৰিছে। এই ব্যাখ্যাতেই প্ৰমাণ কৰিছে যে সকলো বস্তুৱেই অসীম গুণ বা বৈশিষ্ট্য বহন কৰে আৰু জগতৰ সকলো বস্তুকে অসীম দৃষ্টিকোণৰ পৰা বৰ্ণনা কৰিব পৰা যায়।

১৩.৬ এক বাস্তৱ উদাহৰেণেৰে সৈতে অনেকান্তবাদৰ বোধ

জৈনসকলৰ অনেকান্তবাদ আৰু স্যাদবাদৰ ধাৰণা দুটা প্ৰায়ে 'অন্ধ মানুহ আৰু এটা হাতী'ৰ সাধুটোৰ দ্বাৰেই বৰ্ণনা কৰা হয়। জৈনসকলে এই সাধুকথাক 'অন্ধগজন্যায়' ৰূপে বৰ্ণনা কৰে, যাৰ অনুবাদ হৈছে 'অন্ধ মানুহ আৰু হাতীৰ প্ৰবচন'। এই সাধুটোক এনেদৰে বুজিব পাৰি ঃ ছয়জন অন্ধলোকে হাতী নামৰ এক অনভ্যস্ত জন্তু স্পৰ্শ কৰিলে। তেওঁলোকৰ মাজৰ কোনেও ইয়াৰ আকাৰ আৰু আকৃতিৰ বিষয় অৱগত নহয়। প্ৰথম জন অন্ধলোকে জন্তুটোৰ শুঁৰডাল স্পৰ্শ কৰিলে আৰু খচলে জন্তুটো এডাল নলী সদৃশ। আন এজনৰ বাবে, যিয়ে হাতীটোৰ কাণখন স্পৰ্শ কৰিলে, তেওঁ ক'লে যে হাতীটো এখন বিচনীৰ নিচিনা। আকৌ, আন এজন অন্ধলোকে, যিয়ে জন্তুটোৰ ভৰিখন স্পৰ্শ কৰিলে, তেওঁ ক'লে হাতীটো এটা খুঁটাৰ নিচিনা। যিজনে হাতীটোৰ পিচফালটো স্পৰ্শ কৰিলে, তেওঁৰ বাবে হাতীটো সিংহাসনৰ দৰে। এইদৰেই, প্ৰত্যেকজন অন্ধলোকে জন্তুটোক অৰ্থাৎ হাতীটোক বিভিন্ন ধৰণেৰে বৰ্ণনা কৰিলে। কিন্তু এইসকল লোকে প্ৰত্যেকেই নিজা নিজা অভিজ্ঞতাৰে লাভ কৰা ধাৰণাৰ সহায়ত হাতীটোৰ বিষয়ে এক সঁচা ছবিয়েই আগবঢ়াইছে। তেওঁলোকৰ প্ৰত্যেকৰ বাবে নিজা নিজা জ্ঞান শুদ্ধ আৰু সত্য, কিন্তু ানলোকৰ মতামত ভুল আৰু সত্যৰ বিৰোধী। তেতিয়াও হাতীটোৰ প্ৰকৃত ৰূপ বৰ্ণনাৰ ক্ষেত্ৰত তেওঁলোকৰ বৰ্ণনা অসম্পূৰ্ণ বা আংশিক ৰূপে বিবেচিত হয়।

জৈনসকলে কয় যে, হাতীটো বিভিন্ন প্রকাৰে বর্ণনা কৰা হৈছে, কাৰণ প্রত্যেকজন অন্দলোকে বিভিন্ন দৃষ্টিকোণৰ পৰা হাতীটোক বর্ণনা কৰিচে, এটা শুঁৰৰ দৃষ্টিকোণৰ পৰা, আনটো কাণৰ দৃষ্টিকোণৰ পৰা ইত্যাদি। যদিও এই অর্থত, তেওঁলোকৰ বর্ণনা সত্য, কিন্তু এইবোৰ সম্পূর্ণ নহয়। ঠিক সেইদৰে, এটা বস্তুক বিভিন্ন ধৰণৰ দৃষ্টিকোণৰ পৰা জানিব পৰা যায়। যদিও ব্যক্তিগত দিশৰ পৰা বস্তুৰ গুণ নাইবা বৈশিষ্ট্যসমূহ সত্য, কিন্তু, তথাপি ই আমাক বস্তুটোৰ অনন্ত বৈশিষ্ট্যৰাজিৰ বিষয়ে জ্ঞান দিব নোৱাৰে। সেয়ে জৈনসকলে কয় যে, বিশ্বব্রহ্মাণ্ডত অসংখ্য বস্তু আছে, যিবোৰে অনন্ত গুণ বা বৈশিষ্ট্য বহন কৰে আৰু এই বস্তুবোৰক অগণনীয় দৃষ্টি ভঙ্গীৰ ফালৰ পৰা বর্ণনা কৰিব পাৰি।

১৩.৭ একান্তবাদ

জৈন দর্শনে ভাৰতীয় দর্শনৰ আন দার্শনিক সম্প্রদায়সমূহক এটা আপেক্ষিক সত্যতাক পৰম সত্য বুলি কৰা ভ্রান্তিৰ বাবে জগৰীয়া কৰিছে। এই মতামতটোক একান্তবাদ আক্যা দিয়া হৈছে। এই বিশ্ব ব্রহ্মাণ্ডৰ প্রত্যেক বস্তুৰেই বহুতো বৈশিষ্ট্য বা গুণ আছে আৰু ই স্বতন্ত্রভাৰে অস্তিত্বশীল। ইয়াক কোৱা হয় দ্রব্য। দ্রব্য গুণ (ধর্ম) আৰু পয্যায়ৰ অধিকাৰী। কিছুমান গুণ নিত্য আৰু অপৰিহার্য; আনহাতে আন কেতবোৰ গুণ আছে, যি অনিত্য আৰু আকস্মিক, আৰু তাক কোৱা হয় পর্যায়। জৈনসকলৰ মতে গুণ আৰু পর্যায়ৰ আদাৰেই দ্রব্য। সত্যৰ সংজ্ঞা অনৈক্যৰ মাজত ঐক্যতা, নাবা 'ঐক্যতাৰ মাজত অনৈক্যতা' ৰূপে দিয়া হয়। ব্রাহ্মাণ্ডবাদে তাৰ ওপৰত অত্যাধিক গুৰুত্ব প্রদান কৰিছে, যি এক, স্থায়ী আৰু সত্য। আনহাতে আদিম বৌদ্ধদর্শনে বহু পৰিবর্তনশীলতা আৰু অবাস্তৱতাক পোষকতা কৰে। জৈন দর্শনেকয় যে, এই দুয়োটা মতামতক একে ৰূপেই নির্দেশ কৰিব পাৰি, উভয়েই একেটা মুদ্রাৰ ইপিঠি সিপিঠি। দ্রব্য হৈছে সি, যি উৎপাদন, ধ্বংস আৰু স্থায়ীত্বৰ অধিকাৰী। দ্রব্য স্থায়ী বা নিত্য, কাৰণ ই এক অপৰিবর্তনীয় সাৰমর্ম। কিন্তু দ্রব্যৰ আৰম্ভণী বা উৎস (অর্থাৎ উৎপাদন) আছে আৰু যিহেতু দ্রব্যৰ পৰিবর্তনশীল পর্যায় আছে, সেয়ে ইয়াৰ অৱক্ষয় নাইবা ধ্বংসও আছে। ওপৰত দিয়া দুয়োটা মতামতেই তেওঁলোকৰ ব্যক্তিগত দৃষ্টিকোণৰ পৰা সত্য, কিন্তু ই সম্পূর্ণ সত্য নহয়। যিকোনো একপক্ষীয় আৰু আংশিক মতামতক সমগ্র সত্য বুলি গ্রহণ কৰিলেই 'একান্তবাদৰ দোষ'ৰে দুষিত হোৱা যায়। একান্তবাদৰ বিপৰীয়ে, জৈন দর্শনে বিশ্বাস কৰে যে বিশ্ব ব্রহ্মাণ্ডৰ বস্তুসমূহৰ বিষয়ে বহুতো আংশিক মতামত থাকিব পাৰে। কিন্তু, যেতিয়া এইবোৰ অসংখ্য মতামতক সংকলন কৰা হয়, তেতিয়া জগতৰ বস্তুবোৰৰ বিষয়ে আমি এক বাস্তৱ আৰু সত্য জ্ঞান লাভ কৰিব পাৰিম। এই অর্থত, জৈনসকলে অনেকান্তবাদৰ পোষকতা কৰিছে; অর্থাৎ সত্য বা সত্ত্বাক অনেক বা অসংখ্য দৃষ্টিকোণৰ পৰা প্রত্যক্ষ কৰিব পাৰি।



চিন্তা চর্চা কৰক -১৩.২

'অনেকান্তবাদ' আলোচনা কৰোতে আপুনি কিয় ভাৱে যে সদর্থক আৰু নঞৰ্থক বৈশিষ্ট্যসমূহ ধাৰণা তেওঁলোকে আনিছে।

উত্তৰ ঃ .....

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ জৈনসকলে বিশ্বাস কৰে যে বস্তুবোৰ অনন্ত গুণ আৰু ..... অধিকাৰী।

প্রশ্ন নং ৭ ঃ এই জগত প্রত্যেক বস্তুৰেই বহুতো গুণ বা ধর্ম আছে আৰু সিহঁত ..... ভাৱে অস্তিত্বশীল।

প্রশ্ন নং ৮ ঃ সদর্থক গুণসমূহ এটা বস্তুৰ ..... বৈশিষ্ট্য।

প্রশ্ন নং ৯ ঃ নঞৰ্থক গুণবোৰক এটা বস্তুৰ ..... গুণ হিচাপে নির্দেশ কৰা হয়।

প্রশ্ন নং ১০ ঃ এটা দ্রব্যক কিয় স্থায়ী ৰূপে নির্দেশ কৰা হয়?

.....

.....

.....

প্রশ্ন নং ১১ ঃ দ্রব্য ....., ... আৰু ..... গুণৰ অধিকাৰী।

প্রশ্ন নং ১২ ঃ যদি আমি একপক্ষীয় আৰু আংশিক মতক স্বীকাৰ কৰো, তেতিয়া ..... দোষ ঘটিব।



১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ২৪ জন তীর্থংকৰ মাজৰ শেষৰ জন তীর্থংকৰ মহাবীৰ জৈন বা বর্ধমানকেই সাধাৰণতে জৈন দর্শনৰ প্রতিষ্ঠাতা হিচাপে বিশ্বাস কৰা হয়। 'জৈন' শব্দটো 'জিন' শব্দৰ পৰা নিঃসৃত হৈছে, যাৰ অর্থ 'জয়ী'। ইয়াত 'জয়ী' মানে হ'ল যিয়ে সকলো প্রকাৰৰ আৱেগ অনুভূতি আৰু সংবেদনশীলতাক জয় কৰিব পাৰিছে আৰু মোক্ষ বা মুক্তি লাভ কৰিছে।

- জৈনসকে বিভিন্ন ধৰণৰ জ্ঞানমীমাংস সম্পৰ্কীয় মতবাদ আগবঢ়াইছে, যিয়ে তৰ্ক বিজ্ঞান, অধি বিজ্ঞান, নীতি বিজ্ঞান আৰু ধৰ্মকো সাঙুৰি লয়।
- 'অনেকান্তবাদ' শব্দটো দুটা সংস্কৃত শব্দ অনেকান্ত, যাৰ অৰ্থ 'বহুমূখীতা আৰু 'বাদ' যাৰ অৰ্থ হৈছে 'চিন্তাৰ সম্প্ৰদায় বা শাখা'।
- অনেকান্তবাদ সামান্য বোধ বস্তুস্বাতন্ত্র্যবাদ আৰু বহুতত্ববাদৰ ওফৰত প্ৰতিষ্ঠিত।
- 'অনেক' শব্দটো সংস্কৃত নঞৰ্থক উপসৰ্গ 'অ', 'এক' ৰ পৰা আহিছে।
- জৈনসকলে সাব্যস্ত কৰে যে, সত্বা স্বভাৱতঃ জটিল। সেয়ে, সত্বাৰ কোনো একক সংজ্ঞা দিব নোৱাৰি।
- পৰিবৰ্ত্তনৰ বিষয়ত, চাণ্ডগ্য উপনিষদে কয় যে পৰিবৰ্ত্তন অবাস্তৱ।
- বৌদ্ধসকলে কয়যে একোৱেই স্থায়ী নহয়। সমগ্ৰ বিশ্ব অবিৰাম পৰিবৰ্ত্তনশীল আৰু ক্ষণস্থায়ী।
- জৈনসকলে পৰিবৰ্ত্তন কথা কৈছে। সকলো পৰিবৰ্তনৰ অন্তৰালত সত্যতা লুকাই থাকে।
- জৈনসকলে কয় যে প্ৰত্যেক বস্তুৰে অসংখ্য গুণ বা বৈশিষ্ট্য আছে।
- জগতৰ সকলো বস্তুতে সৰ্দথক আৰু মঞৰ্থক গুণ আছে বুলি প্ৰত্যক্ষ কৰিব পাৰি।
- সদৰ্থক গুণসমূহ হৈছে সেইবোৰ গুণ, যিবোৰ এটা বস্তুতে থাকে, আৰু যিবোৰ বস্তুটোৰ সংজ্ঞাত্মক বৈশিষ্ট্য আৰু যিয়ে বস্তুটোৰ সংজ্ঞাটোক নেদৰে থাকে, ঠিক তেনেদৰেই বৰ্ণনা কৰে।
- নঞৰ্থক গুণসমূহ হৈছে বস্তুৰ সেইবোৰ গুণ, যিবোৰৰ গৰাকী বস্তুটো নহয়। সেইবোৰ গুণ পাৰ্থক্যবোধক গুণ' আৰু ই এটা বস্তুক জগতৰ আন আন বস্তুৰ পৰা পৃথক কৰে।
- জৈনসকলে 'অনেকান্তবাদ'ক 'অন্ধ আৰু এটা হাতী'ৰ সাধুটোৰ জৰিয়তে বৰ্ণনা কৰিছে।
- দ্রব্য স্বতন্ত্রভাবে অস্তিত্বশীল। ইয়াৰ গুণ আৰু পৰ্যায় আছে।
- সত্তা হৈছে অনৈক্যৰ মাজত ঐক্য নাইবা ঐক্যৰ মাজত অনৈক্য।
- জৈনসকলে কয় যে, ভাৰতীয় দৰ্শনৰ আন সকলো সম্প্ৰদায়ে একান্তবাদৰ দোষেৰে দোষমক্ত হৈছে।
- 'একান্তবাদ দোষ' সংঘটিত হয়, যেতিয়া এক আংশিক নাইবা একপক্ষীয় মতামতক সমগ্ৰ সত্য হিচাপে লোৱা হয়।



১৩.৯ অধিক জানিবলৈ

1] Sinha, Jadunath (1999) Revised Edition, Qutlines of Indian Philosophy, Pilgrims Book Pvt. Ltd.

2] Chetterjee, S. C. & Dutta, D. M. (1958), An Introduction to Indian

Philosophy, University of Calcutta.

3] Radhakrishnan, S. (1923), Indian Philosophy (2 volumes), Oxford University Press.

4] Pandit, Dr. Balakrishna, S. (1998), Indian Philosophy, SBD. Publishers' Distributors, Nai Sarak, New Delhi.

5] Puliganda, R. (1975), Fundamantals of Indian Philosophy, Abingdom Press, Nashville, New York.

6] Hiriyana, M. (1993), Quatlines of Indian Philosophy, Motilal Banarasidas Publishers Pvt. Ltd., New Delhi.

7] Sharmah, C. D. (1973), A Critical survey of Indian Philosophy, Motilal Banarasidas Publishers Pvt. Ltd. New Delhi.

8] Baruah, Dr. Girish (1991), Indian Philosophy, Bhagawati Prakashan, Golaghat.

9] Dasgupta, S. N. A History of Indian Philosophy, Motilal Banarasidas Publishers Pvt. Ltd. New Delhi.

১৩.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মহাবীৰ জৈন বা বর্ধমান

২ নং প্রশ্নৰ উত্তৰ ঃ ২৪ জন

৩ নং প্রশ্নৰ উত্তৰ ঃ ঋষভ্‌দেৱ

৪ নং প্রশ্নৰ উত্তৰ ঃ 'জিন'

৫ নং প্রশ্নৰ উত্তৰ ঃ 'জিন' শব্দৰ আক্ষৰিক অর্থ 'জয়ী'

৬ নং প্রশ্নৰ উত্তৰ ঃ গুণ

৭ নং প্রশ্নৰ উত্তৰ ঃ স্বতন্ত্র

৮ নং প্রশ্নৰ উত্তৰ ঃ সংজ্ঞাত্মক

৯ নং প্রশ্নৰ উত্তৰ ঃ পার্থক্যবোধক

১০ নং প্রশ্নৰ উত্তৰ ঃ কাৰণ, দ্রব্য এক অপৰিবর্ত্তনশীল মৌলিকতাৰ গৰাকী

১১ নং প্রশ্নৰ উত্তৰ ঃ উৎপাদন, বিনাশ, স্থায়ীত্ব

১২ নং প্রশ্নৰ উত্তৰ ঃ একান্তবাদ।



১৩.১১ আৰ্হি প্ৰশ্ন

(ক) **বস্তুধৰ্মী প্ৰশ্ন**

প্ৰশ্ন ১ ঃ তীৰ্থংকৰ সকলক আন কি নামেৰে জনা যায়?

প্ৰশ্ন ২ ঃ জৈনসকলে জগতৰ সকলো বস্তুকে কেনেকৈ নিৰ্দেশ কৰিছে?

প্ৰশ্ন ৩ ঃ জৈনসকলৰ মতে জগতখন কেনেদৰে গঠিত হৈছে?

প্ৰশ্ন ৪ ঃ সেই মতবাদটোৰ নাম কি, যাৰ দ্বাৰা জৈনসকলে কয় যে জগতৰ বস্তুৰাজিৰ অনন্ত গুণ আছে আৰু ইয়াক অসংখ্য দৃষ্টিকোণৰ পৰা জানিব পাৰি?

(খ) **চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ সদৰ্থক আৰু নঞৰ্থক গুণৰ ওপৰত জৈন সকলৰ বিশ্লেষণ চমু বিৱৰণ দিয়ক।

প্ৰশ্ন ২ ঃ একান্তবাদৰ ওপৰত এটা চমুটোকা লিখক।

(গ) **ৰচনাধৰ্মী প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৪০০-৫০০ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ জগতত এটা বস্তুক বিভিন্ন দৃষ্টি কোণৰ মাজেৰে জানিব পৰা যায়- এই কথাষাৰ এটা বাস্তুৱ উদাহৰণেৰে সৈতে ব্যাখ্যা কৰক। 'অন্ধগজন্যায়'ৰ দ্বাৰা জৈনসকলে কি বুজাইছে?

প্ৰশ্ন ২ ঃ জৈনসকলে পৰিবৰ্তনক কেনেদৰে নিৰ্দেশ কৰিছে। এই সন্দৰ্ভত চাণ্ডোগ্য উপনিষদ আৰু বৌদ্ধ দৰ্শনৰ দ্বাৰা আগবঢ়োৱা পৰিবৰ্তনৰ ওপৰত মতামত সমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ জৈন অধিবিদ্যা বা জৈন পৰাবিদ্যা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ জৈন পৰাবিদ্যা কি?
১৪.৪ জৈন দর্শনত দুটা গুৰুত্বপূর্ণ ধাৰণা
১৪.৪.১ দ্রব্য ঃ এক চমু পৰিচয়
১৪.৫ দ্রব্য
১৪.৬ আত্মা বা জীৱ
১৪.৭ আজীৱ
১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৯ অধিক জানিবলৈ
১৪.১০ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জৈন পৰাবিদ্যাক বুজিবলৈ সক্ষম হ'ব
- জৈন পৰাবিদ্যাত দুটা গুৰুত্বপূর্ণ ধাৰণা ক্রমে ১) অস্তিকায় ২) দ্রব্যক বিশ্লেষণ কৰিব পাৰিব
- দ্রব্যক বহলাই ব্যাখ্যা কৰিব পাৰিব
- জীৱ আৰু অজীৱৰ দৰে ধাৰণাবোৰৰ অর্থ বুজিবলৈ সক্ষম হ'ব
- বিভিন্ন দ্রব্য যেনে ঃ

  ১) দ্রব্য বা পূদ্‌গল,

  ২) আকাল,

  ৩) কালঢ়আৰু

  ৪) ধর্মক বিশ্লেষণ কৰিবলৈ সক্ষম হ'ব।

১৪.২ পৰিচয়

জৈন দর্শনক আঠাইতকৈ পুৰণি ভাৰতীয় দর্শন ৰূপে গ্রহণ কৰা হয়, যিয়ে দেহক আত্মাৰ পৰা সম্পূর্ণৰূপে পৃথক কৰে। এই দর্শনে নিজকে প্রকৃত সত্ত্বা, সৃষ্টি বিজ্ঞান, জ্ঞান বিজ্ঞান, আৰু শক্তিবাদ আদিৰ সৈতে জড়িত কৰে। জৈন দর্শনে আত্মাৰ ব্যক্তিগত বিষয়ক স্বৰূপক

কঠোৰভাৱে বাহাল ৰাখিছে।

ইয়াৰ নিজৰ অনন্তভুক্তিৰ দ্বাৰা জৈন দর্শনে সাব্যস্ত কৰে যে ইয়াৰ শিক্ষণসমূহ চিৰন্তন, শাশ্বত আৰু সেই কাৰণে, ইয়াৰ কোনো জ্ঞাত প্রতিষ্ঠাতা নাই। তথাপিও ইয়াৰ উৎস ৰূপে যুদ্ধৰ সমসাময়িক ২৪ জন তীর্থংকৰৰ (ছয় শতিকাৰ) মহাবীৰকে ধাৰণা কৰে। জৈন, বৌদ্ধ আৰু চার্বাক দর্শনক ভাৰতীয় দর্শনৰ বস্তু বাদ ৰূপে স্বীকাৰ কৰা হয় আৰু এই তিনি দর্শনক ভাৰতীয় দর্শনৰ অবৈদিক নাইবা নাস্তিক দার্শনি সম্প্রদায় বোলা হয়। কাৰণ, এই তিনি দর্শনে বিশ্বাস কৰে যে আমাক জ্ঞান প্রদান কৰিবলৈ বেদ আৰু উপনিষদ সমূহৰ কোনো অধিকাৰ নাই।

১৪.৩ জৈন পৰাবিদ্যা কি

জৈন পৰাবিদ্যাই প্রকৃত সত্ত্বাৰ ওপৰত এক মতামত আগবঢ়াইছে। জৈন পৰাবিদ্যা আৰু জ্ঞানবিদ্যা অন্তৰঙ্গভাৱে সম্পর্কযুক্ত। জৈন জ্ঞানবিজ্ঞানে সাব্যস্ত কৰে যে প্রকৃত সত্ত্বা অনেকান্ত। সেয়ে, কেৱল এটা দৃষ্টিয়ে প্রকৃত সত্ত্বা বা সত্যৰ জ্ঞান দিব নোৱাৰে। অর্থাৎ, কোনো একক উক্তি নাইবা উক্তি সমষ্টিয়ে জগতৰ কঠিন বস্তুবোৰৰ বিষয়ে সমগ্র সত্যতা দিব নোৱাৰে। আনকি কোনো প্রমাণ (বিভিন্ন ভাৰতীয় দার্শনিক সম্প্রদায়ত আলোচনা কৰাৰ দৰে) য়েও পূর্ণ জ্ঞান দিব নোৱাৰে। যদিও কেৱল (Kevala) জ্ঞান, যাক পূর্ণ আত্মাইহে উপভোগ কৰে আৰু যাক ভাষাৰে ব্যক্ত কৰিব নোৱাৰি, সিহে আমাক সত্য জ্ঞান দিব পাৰে। সেইকাৰণে, একক দৃষ্টিকোণৰ জৰিয়তে লাভ কৰা যিকোনো জ্ঞান, আৰু যিকোনো বস্তুৰ বিষয়ে জ্ঞাত কেতবোৰ গুণবোৰ কেৱল অনিশ্চিত আৰু সাময়িক।

জৈন দর্শনৰ মতে, প্রকৃত সত্ত্বা বা সত্যৰ জগতখন দুটা বিষয়েৰে গঠিত— ১) লোক, স্থূল, লোক হৈছে আমাৰ অভিজ্ঞতাৰ বস্তু। ২)অলোক, ঊর্দ্ধ, যি গঠিত হয় শুদ্ধ দেশৰ (Space) দ্বাৰা। জৈন দর্শনত আমি পৌৰানিক প্রকৃতিগত দর্শনৰ কেতবোৰ উপাদান দেখিবলৈ পাওঁ, যেনেঃ পৰমাণুৰ মতবাদ, যিয়ে এজন সৃষ্টিকর্ত্তাৰ সহায়ৰ অবিহনেই জগতৰ স্বৰূপ ব্যাখ্যা কৰে। তাৰোপৰি, ই কর্মক স্থূল দ্রব্যৰ অনু জীৱ হিচাপে ব্যাখ্যা কৰিছে যে যি জীৱন্ত বা সচেতন নাইবা আত্মা, জৈন দর্শনত সিয়েই 'বোধশক্তি বিশিষ্ট' বা 'জ্ঞান বিশিষ্ট' নাইবা 'চৈতন্যৰ নীতি'। অবোধশক্তি বিশিষ্ট নীতিক আজীৱ বা অজীৱন্ত বোলা হয়। জীৱ আৰু আজীৱ উভয়ে সিহঁৰ আন্তৰিক স্বৰূপ প্রকাশ কৰা হিচাপে একচেতীয়া শ্রেণী। মানৰ সত্ত্বাৰ ক্ষেত্রত সিহঁতে সহ-অৱস্থান কৰে, কিন্তু এটাই আনটোৰ স্বৰূপক ধাৰণ কৰিব নোৱাৰে।

১৪.৪ জৈন দর্শনত দুটা গুৰুত্বপূর্ণ ধাৰণা

জৈন দর্শনত দুটা ধাৰণা আছে, যি জৈন দর্শনৰ পাঠক সকলৰ বাবে সমপূর্ণৰূপে বিভ্রান্তিকাৰক। এই দুটা ধাৰণা হৈছে— অস্তিকায় আৰু দ্রব্য। 'অস্তিকায়' এটা যৌগিক শব্দ (Compound word), যি আহিছে 'অস্তি' অর্থাৎ অস্তিত্বশীল (Existing) আৰু 'কায়' অর্থাৎ

বিস্তৃত আকৃতি বা মাত্রা (Extensive Magnitude)। সেয়ে, 'অস্তি' আৰু 'কায়' ক সংযুক্ত কৰাত ইয়াৰ অর্থ হয় 'এক বাস্তৱ, যাৰ আছে বিস্তৃত মাত্রা বা আকৃতি। দ্রব্যই বাস্তৱ বা সত্যক বুজায় যি বৈ থাকে, তৰল নাইবা পৰিবর্ত্তনশীল।

অস্তিকায় ঃ অস্তিকায় সংখ্যাত পাঁচটা। সেয়া হ'ল— ১) জীৱ (আত্মা), ২) পূদ্‌গল (দ্রব্য), ৩) ধর্ম (বিশ্রামৰ নীতি), ৪) অধর্ম (গতিৰ নীতি) আৰু ৫) আকাশ (দেশ)।

এই পাঁচটা অস্তিকায় শাশ্বত। এইবোৰ কোনো বস্তুৰ সৃষ্ট নাইবা কোনো বাহ্যিক অভিকৰণৰ দ্বাৰা সৃষ্ট নহয়। মাত্র বা আকৃতিত ইহঁত বহুত ডাঙৰো হ'ব পাৰে, নাইবা সৰুও হ'ব পাৰে। কিন্তু যেতিয়া আমি সিহঁতক দেখা পাওঁ, তেতিয়া সি হয় কায়। সেইবাবে, অস্তিকায় সমূহ অস্তিত্বশীল সত্ত্বা আৰু দেশৰ সৈতে সংযোজিত। এই পাঁচটা অস্তিকায়ই সমগ্র জগতখন গঠন কৰে। সকলো পার্থিব বস্তু দেশৰ লগত সম্পর্কযুক্ত। জীৱিত চৈতন্য সত্ত্বা এক জৈৱিক দেহৰ দ্বাৰা নির্দ্ধাৰিত হৈ থাকে আৰু ই দেশত অস্তিত্বশীল। কাৰণ, জীৱৰ এক জৈৱিক দেহৰ লগত এই সম্বন্ধ থাকে, সেয়ে জীৱও এক অস্তিকায়।

১৪.৪১ (ii) দ্রব্য ঃ এক চমু পৰিচয় ঃ সাধাৰণতে, এটা বস্তুৰ বৈশিষ্ট্যসমূহ আৰু ধর্ম, অর্থাৎ যি সেই বৈশিষ্ট্যসমূহৰ অধিকাৰী তাৰ মাজত এক পার্থক্য নির্ণয় কৰা হয়। জৈন সকলে কয় যে প্রত্যেক দ্রব্যৰে দুটা বৈশিষ্ট্য আছে— ১) অনিবার্য্য বা মৌলিক আৰু ২) আকস্মিক। যিমান দিনলৈকে এটা দ্রব্য বর্তি থাকে, অনিবার্য্য বা অবিচ্ছেদ্য বৈশিষ্ট্যসমূহ দ্রব্যৰ মাজতে বর্তি থাকে। এই বৈশিষ্ট্যসমূহৰ অবিহনে এটা দ্রব্য দ্রব্য হ'ব নোৱাৰে।চৈতন্যক আত্মাৰ এক অনিবার্য্য বৈশিষ্ট্য ৰূপে মানি লোৱা হয়। দ্রব্যৰ আকস্মিক বৈশিষ্ট্যসমূহৰ পৰিবর্ত্তন হয়। সিহঁত সদায় একে নাইবা স্থিৰ হৈ নাথাকে। সিহঁত আহে আৰু যায়। উদাহৰণ স্বৰূপে আত্মাত ইচ্ছা, স্বেচ্ছা, সুখ আৰু দুখৰ দৰে আকস্মিক বৈশিষ্ট্যবোৰে দ্রব্যক পৰিবর্ত্তন, উৎপৰিবর্ত্তন আৰু বৈসাদৃশ্যৰ অধীন হোৱাত সহায় কৰে। এই আকস্মিক বৈশিষ্ট্যবোৰ এটা দ্রব্যৰ 'পর্য্যায়' (Mode)। জৈনসকলৰ বাবে অনিবার্য্য বৈশিষ্ট্য বিলাকক 'গুণ' (Guna) আৰু পৰিবর্ত্তন শীন আৰু ভিন্ন বৈশিষ্ট্যবোৰ, যিবোৰ স্বভাৱত আকস্মিক, তাক কোৱা হয় পর্য্যায় (Paryaya)।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জৈন পৰাবিদ্যাত আপুনি পোৱা দুটা ধাৰণা কি কি?

১) .....

২) .....

প্রশ্ন নং ২ ঃ জৈনসকলৰ মতে অস্তিকায় সংখ্যাত ..... প্রকাৰৰ। সেয়া হৈছে —

.....

.....

প্ৰশ্ন নং ৩ ঃ জীৱক কিয় অস্তিকায় হিচাপে স্বীকাৰ কৰিছে?

উঃ .....

..... প্ৰত্যেক দ্ৰব্যৰ দ্বাৰা অধিকৃত দুটা বৈশিষ্ট্য কি কি?

উঃ .....

.....

প্ৰশ্ন নং ৪ ঃ জৈনসকলৰ মতে পর্য্যায় কি?

উঃ .....

.....



চিন্তা চৰ্চা কৰক -১৪-১

দ্ৰব্যৰ অনিবাৰ্য্য আৰু আকস্মিক বৈশিষ্ট্যসমূহৰ মাজত থকা পাৰ্থক্যৰ এক চমু বৰ্ণনা আগবঢ়াওক।

১৪.৫ দ্ৰব্য (Substance)

দ্ৰব্য এক গতিশীল সত্ত্বা। ই হৈছে এক 'স্থায়ী সত্যতা' (Permanent Substantiality) আৰু ই পৰিবৰ্ত্তনৰ মাজেৰে প্ৰকাশিত হয়, সি দৃশ্যও হয় অদৃশ্যও হয়। দ্ৰব্যক প্ৰকৃত সত্ত্বাৰ তিনিটা অংশেৰে গঠিত স্বৰূপৰ দ্বাৰা বৈশিষ্ট্যকৰণ কৰা হয়— ১) উৎপাদ (Origin) ২) বাহ্য (Deeay) আৰু ৩) ধ্ৰুব্য (স্থানীত্বৰ আকাৰ)। দ্ৰব্যক পাৰ্থক্য আৰু স্থায়ীত্বৰ দ্বাৰা বৈশিষ্ট্যকৰণ কৰা হয় আৰু নিজকে ই পৰিবৰ্ত্তনৰ মাজেৰে প্ৰকাশ কৰে।

অস্তিকায় বা দ্ৰব্যক দুটা ভাগত বিভক্ত কৰা কৰিছে— জীৱ আৰু অজীৱ। জীৱবোৰ আত্মাৰ সমৰূপ।

আত্মাকো পুনৰ দুভাগত বিভক্ত কৰা হৈছে— যিবোৰ আত্মাই মুক্তি পাইছে সেইবোৰক 'মুক্ত' আৰু যিবোৰ বন্ধনত আছে, সেইবোৰক 'বদ্ধ' বোলা হয়। বদ্ধ আত্মা আকৌ দুই প্ৰকাৰৰ — যিবোৰ গতিশীল সেইবোৰ 'ত্ৰস' (Trasa) আৰু যিবোৰ গতিহীন, সেইবোৰ স্থাৱৰ (Sthavara)। গতিহীন জীৱিত দ্ৰব্যবোৰ সৰ্বপেক্ষ অপূৰ্ণ। এনেবোৰ জীৱিত দেহৰ কেৱল স্পৰ্শ চৈতন্যহে আছে। সিহঁত সংখ্যাত পাঁচটা— মাটি, পানী, অগ্নি, বায়ু আৰু গছ-গছনি। ইহঁতৰ স্পৰ্শৰ সংবেদন নাইবা স্পৰ্শৰ চৈতন্য আছে।

ত্ৰস নাইবা গতিশীল জীৱিত দ্ৰব্যসমূহ পূৰ্ণতাৰ বিভিন্ন মাত্ৰাৰ অধিকাৰী। সেয়েহে, ইহঁতৰ প্ৰত্যেকৰে ভিন্ ভিন্ স্তৰ অনুযায়ী দুটা, তিনিটা , চাৰিটা বা পাঁচটা ইন্দ্ৰিয় আছে। পোক বিলাকৰ দুই প্ৰকাৰৰ সংবেদন হয়— স্পৰ্শ আৰু স্বাদ। আকৌ, পৰুৱা জাতীয় প্ৰাণীসমূহৰ তিনি প্ৰকাৰৰ ইন্দ্ৰিয় সংবেদন হয়— স্পৰ্শ, স্বাদ আৰু ঘ্ৰাণ। আনহাতে মৌমাখি ইত্যাদি প্ৰণীৰ চাৰিপ্ৰকাৰৰ

সংবেদন হয়— স্পর্শ, স্বাদ, প্রাণ আৰু দৃষ্টি। উচ্চ শ্রেণীৰ জন্তু, চৰাই আৰু মনুহৰ পাঁচ প্রকাৰৰ সংবেদন হয়— স্পর্শ, স্বাদ, ঘ্রাণ, দৃষ্টি আৰু শ্রৱণ।

দ্রব্যৰ কিছুমান আন্তর্নিহিত আৰু অবিচ্ছেদ্য গুণ আছে। আগতে উল্লেখ কৰাৰ দৰে এইবোৰক কোৱা হয় 'গুণ' (Gunas)। উদাহৰণ স্বৰূপে— হালধীয়া সোণৰ ক্ষেত্রত, 'হালধীয়া ৰঙ', 'মসৃনতা' আদি 'সোণ'— এই দ্রব্যটোৰ গণ। এইবোৰ অবিচ্ছেদ্য গুণৰ লগতে দ্রব্যৰ কেতবোৰ অৱস্থা বা আকাৰ (Form) থাকিবই লাগিব। এই অৱস্থা আকাৰ হৈছে দ্রব্যৰ অস্তিত্বৰ পর্য্যায় (Paryaya)। আকাৰ নাইবা পর্য্যায় সলনি হয়। ই ধ্বংসত্ত হ'ব পাৰে। এটা নতুন পর্য্যায়বোৰ পুনৰ সৃষ্টি হ'ব পাৰে। কিন্তু দ্রব্য হৈছে গঠনকাৰী বস্তু আৰু সেয়ে, ই সৃষ্টি আৰু ধ্বংসৰ বিষয় নহয়। সৃষ্টি আৰু ধ্বংস পর্য্যায়ৰ অন্তর্ভুক্ত। দ্রব্য, সেয়ে, চিৰন্ত বা শাশ্বত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ তিনিটা অংশেৰে গঠিত স্বভাৱৰ দ্বাৰা দ্রব্যক বৈশিষ্টকৰণ কৰা হয়— ১) ..... ২) ..... আৰু ৩) .....

প্রশ্ন নং ৬ ঃ জৈনসকলৰ মতে, জীৱ আৰু অজীৱ কোনবোৰ?

.....

.....

প্রশ্ন নং ৭ ঃ বদ্ধ আত্মাৰ উদাহৰণ দিয়ক। স্থাৱৰ আত্মাৰ উদাহৰণ দিয়ক।

.....

.....



চিন্তা চর্চা কৰক-১৪.২

ত্রস নাইবা গতিশীল দ্রব্যক ব্যাখ্যা কৰক।

.....

.....

.....

১৪.৬ আত্মা নাইবা জীৱ

আত্মা বা জীৱক এক সচেতন দ্রব্য হিচাপে নির্দেশ কৰা হয়। আত্মাৰ সাৰবস্তু হৈছে চৈতন্য, যদিও বিভিন্ন আত্মাত ইয়াৰ স্বভাৱ আৰু মাত্রাৰ ক্ষেত্রত ভিন্নতা থাকিবও পাৰে। এই কথা মনত ৰাখি আত্মাত চৈতন্যৰ উপস্থিতি ৰ মাত্রা অনুসৰি আত্মাবোৰক উলম্বভাৱে সজ্জিত কৰিব পৰা যায়। এই ব্যৱস্থাত একেবাৰে উর্দ্ধত থাকে সেইবো আত্মা, যি কর্মমুক্ত আৰু পূর্ণ আৰু সর্বজ্ঞ। আৰু একেবাৰে নিম্নতম স্তৰত থাকে মাটি, পানী অগ্নি আৰু বায়ুৰ দেহত বসবাস

কৰা পূর্ণ আত্মাবোৰ। সিহঁতৰ মাজত জীৱন আৰু চেতনাৰ অনুপস্থিতিও দেখা দিব পাৰে। কিন্তু ইয়াৰ পৰিবর্ত্তে, সিহঁতৰ মাজত চৈতন্যৰ কিছুমান আকাৰ থাকিবও পাৰে। যদিও, কর্মৰ বাধ্যতামূলক প্রভাৱৰ কাৰণে ই সুপ্ত অৱস্থাত থাকে। উলম্ব সৃংখলত আটাইতকৈ উচ্চ আৰু আটাইতকৈ নিম্ন স্তৰৰ মাজত আমি বিভিন্ন সংখ্যক সংবেদন বিশি,ট পোক, পৰুৱা মৌমাখি, আৰু মানুহৰ দৰে আত্মাবোৰ পাওঁ। (এই কথা এ অধ্যায়ৰ এক পূর্ব শাখাত ইতিমধ্যে উল্লেখ কৰা হৈছে।)

আত্ম-অভিজ্ঞতাই উল্লেখ কৰে যে, ই বস্তুবোৰক জানে, কর্ম সম্পাদন কৰে, সুখ উপভোগ কৰে, দুখৰ মাজেৰে অতিক্রম কৰে, আন বস্তুবোৰক উজ্বলাই তোলাৰ লগতে ই নিজকেও উজ্জ্বলাই তুলিব পাৰে। আত্মা শৰীৰৰ পৰা পৃথক। আত্মাৰ অস্তিত্ব ইয়াৰ নিজস্ব চৈতন্যৰ জৰিয়তে ই প্রমাণ কৰিব পাৰে। অতীতৰ কর্মৰ ফলৰ হেতু, এটা জীৱই অনুক্রমে বিভিন্ন দেহত বাস কৰিবলৈ লয়। গতিকে, যদিও জীৱ আকাৰ হীন, জীৱই বিভিন্ন শৰীৰক দখল কৰে বুলি কোৱা হয়, আৰু সেই কাৰণে, ইয়াৰ বিস্তৃতি আছে আৰু দেশক ই ধাৰণ কৰে। এই অর্থত, জীৱ সীমিত হৈ পৰে আৰু দেহৰ সৈতে ইয়াক সহ বিস্তৃত বোলা হয় আৰু এই ক্ষেত্রত কেৱল দেহতহে চৈতন্যক পোৱা যায়।

১৪.৭ অজীৱ— জীৱনহীন দ্রব্য

ধর্ম, অধর্ম, আকাশ বা দেশ আৰু পূদ্গল হৈছে অজীৱ নাইবা জীৱনহীন দ্রব্য, যাৰ আছে বিস্তৃতি। আমি বসবাস কৰা ইন্দ্রিয়গ্রাহ্য জগতখন দুটা অংশৰ দ্বাৰা সংগঠিত— ১) আত্মাৰ দ্বাৰা অধিকৃত পার্থিৱ শৰীৰ আৰু ২)অন্যান্য পার্থিব বস্তু, যিয়ে পৰিবেশ গঠন কৰে। এইবোৰ পার্থিব বস্তুৰ বাহিৰেও কাল বা সময়, দেশ, গতি আৰু স্থিতিও জগতত আছে। এই অৱস্তাবোৰ মানি নচলিলে জগত আৰু তাৰ ঘটনাবোৰ ব্যাখ্যা কৰিব নোৱাৰি।

জড় বা পূদ্গল ঃ জৈন দর্শনত জড়বস্তুক পূদ্গল বোলা হয়। শাব্দিক অর্থ অনুযায়ী 'পূদ্গল'ৰ অর্থ হৈছে যি বস্তুৰ সংঘটন আৰু বিভাজন হয়, সিয়েই পূদ্গল। জড়ীয় পদার্থসমূহ সংঘটিত হৈ বৃহত্তৰ পদার্থ সৃষ্টি কৰিব পাৰে— আকৌ বিভাজিত হৈ ক্ষুদ্র ক্ষুদ্র কণিকালৈ ৰূপান্তৰিত হ'ব দুটা বা ততোধিক অনু সংঘটিত হৈ 'সংঘাত' বা 'স্বন্ধ' গঠন কৰে। মানৱদেহ আৰু প্রকৃতিক বস্তু সমূহ অনুসমূহৰে সংঘাট। পূদ্গলৰ চাৰিটা গুণ আছে— স্পর্শ, স্বাদ, গোন্ধ আৰু ৰং। অনু আৰু তাৰ সংঘাত সমূহৰ এই চাৰিওটা গুণ আছে। কিন্তু শব্দ এই চাৰিওটাৰ দৰে মৌলিক গুণ নহয়। জৈনসকলৰ মতে শব্দ, পোহৰ, তাপ, ছায়া, অন্ধকাৰ, সংযোগ, অসংযোগ, আকাৰ ইত্যাদি এই চাৰিওটা গুণৰেই ৰূপান্তৰ বা আকস্মিক বিকাৰ।

আকাশ বা দেশ ঃ বিস্তৃত দ্রব্যসমূহক আকাশে অৱস্থিতিৰ স্থান দিয়ে। আত্মা, জড়, ধর্ম, অধর্ম আদি সকলো বস্তুৰেই দেশ বা আকাশত বিৰাজ কৰে। আকাশ যদিও অপ্রতক্ষিত, ইয়াক অনুমানত পোৱা যায়। বিস্তৃত পদার্থৰ বিস্তৃতিৰ বাবে ঠাই লাগে, আৰু সিয়েই দেশ বা আকাশ। বিস্তৃতি কিছুমান দ্রব্যৰ মৌলিক গুণ বা স্বভাৱ আৰু বিস্তৃত দ্রব্যৰ অৱস্থিতিৰ বাবে স্থান বা আকাশ অপৰিহার্য্য চর্ত। পদার্থই কোনো ঠাইত ব্যাপ্ত হৈ থাকে। আকাশত দ্রব্য ব্যাপ্ত হৈ থাকে

বা দ্ৰব্যই আকাশক অধিকাৰ কৰি থাকে। অন্য ভাষাত সিহঁত পৰিব্যাপ্ত। ইয়ে আকাশ বা দেশ, যাক দখল নাইবা পৰিব্যাপ্ত কৰা হয়। ডেকার্টে কোৱাৰ দৰে আকাশ আৰু বিস্তৃতি একে নহয়, কিন্তু আকাশ হ'ল বিস্তৃতি বা বিস্তৃত বস্তুৰ আশ্রয় স্থল। জৈনসকলে দুই প্ৰকাৰৰ আকাশক স্বীকাৰ কৰিছে— ১) লোকাকাল আৰু ২) আলোকাকাল। যি জগতত আত্মা আৰু অন্যান্য পদার্থৰ স্থিতি আছে, সিয়েই লোকাকাল। আনহাতে, লোকাকাল আৰু জগতৰ সিপাৰৰ শূণ্য মহাকালেই আলোকাকাল।

কাল বা সময় ঃ গুণৰত্নৰ দৰে জৈন মনীষিসকলে কাল বা সময়ক এটা পৃথক দ্ৰব্য হিচাপে গ্ৰহণ কৰা নাই। তেওঁ কয় যে কাল হৈছে অন্যান্য দ্ৰব্যবোৰৰ কেৱল এক পর্য্যায় মাত্র। কিন্তু, কাল কি, তাৰ এক সঠিক ব্যাখ্যাৰ প্রয়োজন আমাৰ আছে আৰু লগতে জৈনসকলে ইয়াক কিদৰে ব্যাখ্যা কৰিছে, তাকো জনাৰ আৱশ্যকতা আছে। আকাশৰ দৰে কালকো প্রত্যক্ষ জ্ঞানেৰে পাৱ নোৱাৰি। সেয়ে, ই ইন্দ্রিয় অভিজ্ঞতাৰ এক উপাদান নহয়। পৰিবর্ত্তন আৰু গতিৰ দৰে, যাক প্রকৃত ৰূপে ভবা হয়, ঠিক সেইদৰে কালকো সত্য ৰূপে স্বীকাৰ কৰা হয়। বিশ্বব্রহ্মাণ্ডৰ আন আন উপাদানৰ দৰে, যিবোৰ বিস্তৃত হয়, আৰু অস্তিকায়, কাল বা সময় ইয়াৰ সম্পূর্ণতাত, প্রকৃত সত্য। আমি ইয়াক 'আপেক্ষিক কাল'ৰ সৈতে তুলনা কৰা আৰু বিভিন্ন অংশত ইয়াক বিভাজন কৰাৰ প্রয়োজন আছে। প্রকৃততে, কালৰ কোনো অংশ নাথাকে। কিন্তু সকলো ব্যৱহাৰিক উদ্দেশ্যৰ বাবে, কালৰ সন্দর্ভত অন্যান্য ইন্দ্রিয়গ্রাহ্য বস্তুক বুজি পাবৰ নিমিত্তে কালক অংশত বিভাজন কৰা হয়। আপেক্ষিক কাল সৰল উপাদান সমূহৰ দ্বাৰা গঠিত হয়, যাক 'কালানু' (Kalanu) বুলি আমি দেখা পাওঁ যে জৈনসকলে কালক পাঁচটা অস্তিকায়ৰ পৰা পৃথক কৰিছে, তেতিয়া এক কৌশলগত শব্দৰ দ্বাৰা ব্যাপক মাত্রাৰ অস্তিকায়ৰ বৈশিষ্ট্যক নির্দ্দেশ কৰিছে, যাক ত্রিয়ক প্রচ্ছায়া (Horigental Extension) বুলি জনা যায়। প্রত্যেক বিস্তৃতিক শৃংখলা বা শাৰী হিচাপে নির্দ্দেশ কৰিব পৰা যায়। এটা শ্রেণী বা সৃংখলাত সৰল উপাদানবোৰৰ অভিযোজন আছে, য'ত এটা বা এপদ বস্তু থাকে, যিহেতু সেই বস্তুটো আন এক শৃংখলাৰ অন্তর্গতও হ'ব পাৰে। ই হৈছে দ্বি-মাত্রিক শাৰী বা শৃংখলা আৰু বিস্তৃতিৰ লগত ইয়াৰ সঙ্গতি আছে। কিন্তু কাল বা সময়ৰ ক্ষেত্রত এনে নহয়। কালৰ কেৱল উর্দ্ধপ্রচ্ছায়া আছে, য'ত উপাদানবোৰ সন্মুখৰ দিশৰ পিনে সজ্জিত থাকে। এনেদৰে সজ্জিত শৃংখলা একক মাত্রিয়, আৰু ইয়াক ৰৈখিক শৃংখলা ত থকা বুলি কোৱা হয়। সেইকাৰণে, ইয়াৰ পৰা আমি ক'ব পাৰো যে, কালৰ কোনো বিস্তৃতি নাই। ই এক অস্তিকায় নহয়। কিন্তু, এক অস্তিকায় নোহোৱা স্বত্তেও, ই এক স্পষ্ট আৰু সদর্থক প্রকৃত সত্বা, যিহেতু ই আন আন বস্তুৰ ক্ষেত্রত পৰিৱর্ত্তন আনে। এইবোৰ হৈছে প্রকৃত কাল বা পাৰসার্থিক কালৰ প্রকৃত বৈশিষ্ট্য। এইদৰে আমি প্রকৃত কাল আৰু আপোক্ষিক বা ব্যৱহাৰ কালক তুলনা কৰোঁ। কালে দীর্ঘ আৰু চুটি অৱধিৰ পৰম্পৰাগত গোটক নির্দ্দেশ কৰে। এইবোৰ দীর্ঘ আৰু চুটি অৱধি (Periods/duratin)ৰ তাৎপর্য্য থাকে কেৱল তেতিয়াহ, যেতিয়া সিহঁত এক একক প্রকৃত কাল শৃংখলৰ দ্বাৰা সমন্বিত হয়। প্রকৃত কালৰ সাৰবস্তু হৈছে ধাৰবাহিকতা নাইবা অৱধি (বর্ত্তন)। আনহাতে, আনুভৱিক কাল (Empirical time) ৰ সাৰবস্তু বিশ্ব-ব্রহ্মাণ্ডৰ সকলো

পৰিবৰ্ত্তনৰ মাজত দেখা পোৱা যায়। ই হৈছে আনুভৱিক বা ব্যৱহাৰিক কাল, যাক কোৱা হয় 'সময়', আৰু যাক আমি পৰাম্পৰাগত আৰু সুবিধা অনুযায়ী মুহূর্ত্ত, ঘণ্টা, মিনিট, চেকেণ্ড ইত্যাদিৰ বিভক্ত কৰা হয়। আমি বিশ্বস কৰোঁ যে আনভৱিক নাইবা ব্যৱহাৰিক কালৰ এক আৰম্ভণী আৰু এক শেষ আছে। আনহাতে, যথার্থ বা প্রকৃত কালৰ আদিও নাই, অন্তও নাই। কাল হৈছে একমাত্র অ-বিস্তৃত দ্রব্য, য'ত বাকী সকলো অস্তিকায় নাইবা বিস্তৃত। আপেক্ষিক নাইবা ব্যৱহাৰিক কালৰ বিপৰীতে, যথ্যর্থ নাইবা পাৰসার্থিক কাল অবিভাজ্য, আৰু আকাৰ বিহীন। ই সনাতন। কাল অ-অস্তিকায়।

ধর্ম আৰু অধর্ম ঃ যিদৰে দেশ আৰু কালৰ অস্তিত্ব প্রত্যক্ষভাৱে প্রমানিত নহয়, বৰঞ্চ যাৰ অস্তিত্ব অনুমানৰ দ্বাৰা নিঃসৃত হয়, ঠিক সেইদৰে, ধর্ম আৰু অধর্মৰ অস্তিত্বও অনুমানৰ মাধ্যমেৰে প্রমাণ কৰা হয়। এনেধৰণৰ অনুমানৰ ভিত্তি হৈছে 'গতি' আৰু 'স্থিতি' জৈনসকলে ইয়াক এনেধৰণেৰে ব্যাখ্যা কৰিছে পানীত মাছৰ গতি হয়। যদি গতিশীলতা মাছৰ নিজা শক্তি, পানীৰ অবিহনে মাছৰ গতি সম্ভৰ নহ'লহেতেন। ঠিক সেইদৰে, আত্মাই নিজৰ গতিৰ বৰে কেতবোৰ সহকাৰী নাইবা ওপৰঞ্চি চর্তৰ আৱশ্যক হয়। এনেবোৰ চর্তই ধর্ম। কিন্তু ধর্মই গতিশীল বস্তুকহে সহাযকৰে, ই এটা অ-গতিশীল বস্তুৰ প্রতি সহায় আগ নবঢ়ায়। যদিও মাছ পানীত গতি কৰে, কিন্তু পানীয়ে নিজেই মাছক গতি কৰাব নোৱাৰে। অধর্ম হৈছে এক স্থিৰস্থাৰ বাবে চর্ত নাইবা তাৰ বাবে যি বস্তুটোক স্থৰিৰ হোৱাৰ বাবে দায়বদ্ধ নহয়। অধর্মই, কিন্তু কোনো গতিশীল বস্তুৰ গতি ৰুদ্ধ কৰিব নোৱাৰে। আমি দেখা পাওঁ যে যদিও ধর্ম আৰু অধর্ম ইটো সিটোৰ বিৰোধী, দুয়োৰে সাদৃশ্যতাক এনেদৰে উল্লেখ কৰিব পাৰি যে উভয়েই শাশ্বত, আকাৰবিহী, অ-গতিশীল আৰু উভয়েই সমগ্র জগতখনক অধিকাৰ কৰি আছে। সিহঁত সক্রিয় নহয়, কিন্তু উভয়েই নিষ্ক্রিয়, যিহেতু সিহঁত গতি আৰু স্থিতিৰ অনিবার্য্য চর্ত। কিন্তু আমি এই কথা মনত ৰাখি থোৱাটো উচিত যে জৈনদর্শনত 'ধর্ম' আৰু 'অধর্ম' দুটাক নৈতিক অর্থত ব্যৱহাৰ কৰা নাই, কিন্তু 'ধর্ম' আৰু 'অধর্ম' শব্দ দুটাক তেওঁলোকে সম্পূর্ণৰূপে এক কৌশলগত অর্থত হে ব্যৱহাৰ কৰিছে।



১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জৈনদর্শন ভাৰতীয় দর্শনৰ আটাইতকৈ পুৰণি নাস্তিক দার্শনিক সম্প্রদায়, যিয়ে আত্মাৰ পৰা দেহক পৃথক কৰিছে।
- জৈন পৰাবিদ্যাই প্রকৃত সত্ত্বাৰ এত মতামত আগবঢ়াইছে। তেওঁলোকৰ মতে প্রকৃত সত্ত্বা অনকান্ত।
- প্রকৃত সত্ত্বাৰ জগতখন দুটা বিষয়েৰে গঠিত— ১) লোক আৰু ২) আলোক। 'লোক' হৈছে স্থুল, যি আমাৰ অভিজ্ঞাতালব্ধ জগত আৰু আলোক হৈছে উর্দ্ধ, অর্থাৎ লোক আৰু জগতৰ উর্দ্ধত।

- জৈনদর্শনৰ দুটা গুৰুত্বপূর্ণ ধাৰণা হৈছে— অস্তিকায় আৰু দ্রব্য।
- অস্তিকায় প্রকৃত বা যথার্থ, যাৰ বিস্তৃত মাত্রা আছে।
- দ্রব্য হৈছে প্রকৃত বা যথার্থ, যি বৈ থাকে তৰল নাইবা পৰিবর্ত্তনশাল।
- অস্তিকায় সংখ্যাত পাঁচটা— ১) জীৱ ২) পূদ্‌গল ৩) ধর্ম ৪) অধর্ম আৰু ৫) আকাশ বা দেশ। অস্তিকায় সমূহ সনাতন।
- স্থুল নাইবা সূক্ষ্ম দ্রব্যৰ অনু হিচাপে কর্মৰ ব্যাখ্যা কৰা হৈছে। জীৱ হৈছে জীৱিত নাইবা চৈতন্যৰ নীতি। অজীৱ হৈছে অ-জীৱিত বা অ-চৈতন্যৰ নীতি।
- জৈনসকলৰ মতে, প্রত্যেক দ্রব্যৰে দুটা বৈশিষ্ট্য থাকে— ১) মৌলিক বা অনিবার্য্য আৰু ২) আকস্মিক। মৌলিক বৈশিষ্ট্যক কোৱা হয় গুণ আৰু পৰিবর্ত্তনশীল আৰু বিন্ন ধর্মী বৈশিষ্ট্যসমূহ, যিবোৰ স্বভাৱতে আকস্মিকতাক কোৱা হয় পর্য্যায়।
- জৈনসকলৰ মতে, দ্রব্যৰ গুণ আৰু পর্য্যায় দুয়োটায়ে থাকে। গুণসমূহ অপৰিবর্ত্তনীয় বৈশিষ্ট্য আৰু পৰিবর্ত্তনীয় বৈশিষ্ট্যসমূহ হৈছে পর্য্যায়।
- দ্রব্যৰ তিনিটা স্বৰূপ হৈছে— ১) উৎপাদ ২) বাহ্য নাইবা পতন আৰু ধ্রুব্য বা স্থানীত্বৰ ৰূপ।
- অস্তিকায়বোৰ দ্রব্য আৰু ইয়াক জীৱ আৰু অজীৱ এই দুই ভাগত বিভক্ত কৰা হৈছে।
- আত্মা মুক্ত আত্মা আৰু বদ্ধ আত্মা— এই দুই ভাগত বিভক্ত কৰা হৈছে। বদ্ধ আত্মাবোৰ হৈছে— ৰ) ত্রস নাইবা গতিশীল, আৰু ২) স্থৱিৰ বা অগতিশীল।
- যদিও আত্মা চিৰন্তন, ই পৰিবর্ত্তন হয়। ই বস্তুবোৰ জানে, ক্রিয়া সম্পন্ন কৰে, সুখ উপভোগ কৰে, দুখৰ অদীন আৰু অন্যান্য বস্তুবোৰক উদ্ভাসিত কৰাৰ লগতে নিজ নিজকেও উদ্ভাসিত কৰি তোলে।
- অজীৱ দ্রব্য চাৰি প্রকাৰৰ— ধর্ম, অধর্ম, পূদ্‌গল আৰু আকাশ।
- যিখন ইন্দ্রিয়গ্রাহ্য জগতত আমি বাস কৰোঁ, সি গঠিত হয়— ১) আত্মাৰ দ্বাৰা অধিকৃত পার্থিব বস্তু আৰু ২) আন আন পার্থিব বস্তু, যাৰ দ্বাৰা পৰিবেশ সংগটিত হয়।
- পূদ্‌গলৰ বিষয়ে জৈনসকলে কয় যে, ই ঐক্যতা বা অখণ্ডতা আৰু অনৈকতৈাৰ বিষয়। দ্রব্যৰ আটাইতকৈ সৰু অনুবোৰ অংশবিহীন আৰু ইয়াক আগলৈ বিভাজন কৰিব নোৱাৰি ইয়াকে কোৱা হয় 'অনু' (Atoms or anu)।যৌগিক দ্রব্যসমূহক কোৱা হয় 'সংঘাত' বা 'স্কন্ধ' আৰু ই হৈছে দুই বা তাতোধিক অনুৰ সংযোজন।
- পূদ্‌গলৰ বৈশিষ্টবোৰ হ'ল— স্পর্শ, স্বাদ, ঘ্রাণ আৰু ৰঙ।
- জৈনসকলে কয় যে, আকাশ হৈঠে সকলো বিস্তৃত দ্রব্যত নিহিত এক গুণ।
- আকাশ অপ্রত্যক্ষিত। আকাশক কেৱল অনুমানতহে পোৱা যায়।
- জৈনসকলে আকাশক দুটা ভাগত ভাগ কৰিছে— ১)লোকাকাশ আৰু ২) আলোকাকাল।
- কাল বা সময়কো প্রত্যক্ষৰ দ্বাৰা পাব নোৱাৰি। কাল— অ-বিস্তৃত, আৰু সেয়ে, অ-অস্থিকায়।

- কাল পৰম বা চৰম আৰু যথার্থ। কিন্তু কালৰ সন্দর্ভত এই বিশ্ব জগতৰ আন আন বস্তুবোৰক বুজি পাবলৈ কালক বিভিন্ন অংশত বিভাজন কৰাটো আমাৰ প্রয়োজন আছে। সেই কাৰণে, আমি আপেক্ষিক কালকো জানিব পাৰোঁ।
- আপেক্ষিক কাল সংগঠিত হয় 'কালানু' বোলা সৰল উপাদানৰ দ্বাৰা।
- জৈনসকলে কাল আৰু পাঁচটা অস্তিকায়ৰ মাজত পার্থক্য নির্ণয় কৰিছে। আগলৈও, জৈনসকলে এক কাৰিকৰী শব্দ 'ত্রিয়ক প্রচ্ছায়া' (Herizental Exention) ৰ দ্বাৰা বিস্তৃত মাত্রাৰ বৈশিষ্ট্যক নির্দ্দেশ কৰিছে।
- আপেক্ষিক কাল বা ব্যৱহাৰিক কালে দীর্ঘ আৰু চুটিৰ পৰম্পৰাগত গোটক নির্দ্দেশ কৰে।
- ধর্ম আৰু অধর্মক প্রত্যক্ষ জ্ঞানেৰে পাব নোৰাৰি, কিন্তু ইয়াক অনুমান সম্বন্ধীয় জ্ঞানৰ দ্বাৰা নির্ধাৰণ কৰিব পাৰি।
- এনেধৰণৰ অনুমানৰ ভিত্তি গতি আৰু স্থিতি।
- ধর্মই এক গতিশীল বস্তুকসহায় কৰে, কিন্তু ই এক অ-গতিশীল বস্তুক সহায় নকৰে। অধর্মই গতিশীল বস্তুৰ চলনত বাধা আৰোপ নকৰে।
- ধর্ম আৰু অধর্ম উভয়েই চিৰন্তন, আকাৰহীন আৰু অ-গতিশীল। উভয়েই সমগ্র জগতক দখল কৰি আছে।



১৪.৯ অধিক জানিবলৈ

১) Pandit, Dr. Balkrishna S. (1998), Indian Philosophy SBD Publishers Distributors, Nai Sarak, New Delhi.

২) Chatterjee S.C. and Dutta. D.M. (1958), An Introduetion to Indian Philosophy, University of Calcutta.

৩) Radhakrishnan S. (1923), Indian Philosophy (2 Valeemes), Oxford University Press.

৪) Sinha Jadunath (1999), Revised Edition, outlines of Indian Philosophy, Pilgeims Book Pvt. Ltd.

৫) Baruah Dr. Girish (1991), Indian Philosophy, Bhagawati Prakashan, Galaghat, Assam.

৬) Puligandla R. (1975). Fundamentals of Indian Philosophy, Abingdon Press, Nashville, New York.

৭) Dargupta S.N. (), A historyof Indian Philosophy, Matilal Banarasidass Publishers Pvt. Ltd., New Delhi.

৮) Sharmah. C.D. (1973), A Critical Survery of Indian Philosophy, Motilal Banarasidass Publishers Pvt. Ltd. New Delhi.

৯) Hiriyanna, M. (1993), Outlines of Indian Philosophy, Motilal Banarasidass Pvt. Ltd. New Delhi.



১৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অস্তিকায় আৰু দ্রব্য

২ নং প্রশ্নৰ উত্তৰ ঃ পাঁত, জীৱ, পুদগল, (দ্রব্য) ধর্ম, অধর্ম, আকাশ

৩ নং প্রশ্নৰ উত্তৰ ঃ অনিবার্য্য বা মৌলিক (২) আকস্মিক

৪ নং প্রশ্নৰ উত্তৰ ঃ দ্রব্যৰ আকস্মিক বৈশিষ্টবোৰ সদায় একে নাথাকে, সিহত আহে আৰু যায়। উদাহৰণস্বৰূপে, আত্মাত ইচ্ছা, সেচ্চা, সুখ আৰু দুখৰ দৰে আকস্মিক বৈশিষ্টবোৰে দ্রব্যক পৰিৱর্তন, উৎপৰিৱর্তন আৰু বৈসাদৃশ্যৰ অধীন হোৱাত সহায় কৰে। এই আকস্মিক বৈশিষ্টবোৰ এটা দ্রব্যৰ পর্য্যায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ উৎপাদ, বাহ্য, ধ্রুব্য

৬ নং প্রশ্নৰ উত্তৰ ঃ জীৱ হ'ল সেইবোৰ আত্মা, যি কর্মযুক্ত আৰু পূর্ণ আৰু সর্বজ্ঞ। আৰু একেবাৰে নিম্নস্তৰত থাকে, মাটি, পানী, অগ্নি আৰু বায়ুৰ দেহত বসবাস কৰা পূর্ণ আত্মাবোৰ। জীৱক এক সচেতন দ্রব্য হিচাপে চিহ্নিত কৰা হয়, আনহাতে সচেতনহীন দ্রব্যক অর্জীং নাইবা জীৱহীন দ্রব্য হিচাপে গণ্য কৰা হয়।

৭ নং প্রশ্নৰ উত্তৰ ঃ পোক, পৰুৱা, গছ-গছনি ইত্যাদি।



১৪.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ জৈনদর্শনৰ দুটা গুৰুত্বপূর্ণধাৰণা কি কি?

প্রশ্ন ২ ঃ 'অনেকান্তবাদ' শব্দই কি বুজায়?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১০০-১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ ঃ অস্তিকায়ৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ ঃ 'অনেকান্তবাদ'ৰ শাব্দিক অর্থ আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ দ্ৰব্য বা পূদ্‌গল সম্পৰ্কে এটা চমুটোকা লিখক।

প্ৰশ্ন ৪ ঃ ধৰ্ম আৰু অধৰ্ম সম্পৰ্কে এটি চমুটোকা লিখক।

(গ) **ৰচনাধৰ্মী প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৪০০-৫০০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ জৈন পৰাবিজ্ঞানত বিস্তৃতভাৱে আলোচিত 'দ্ৰব্য'ক ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ চমুকৈ কাল বা সময়ক বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ জৈনসকলে আত্মা বা জীৱক কিদৰে বৰ্ণনা কৰিছে?

প্ৰশ্ন ৪ ঃ জৈন পৰাবিজ্ঞানৰ অজীৱ দ্ৰব্যসমূহ কি কি?

*** ***** ***

অধ্যায় ১৫ ঃ ন্যায় ঃ প্রমাৰ ধাৰণা

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ প্রমাৰ সংজ্ঞা

১৫.৪ ন্যায় ঃ জ্ঞানৰ উৎসসমূহ

১৫.৪.১ প্রত্যক্ষ

১৫.৪.২ অনুমান

১৫.৪.৩ উপমান

১৫.৪.৪ শব্দ বা আপ্তবাক্য

১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৬ অধিক জানিবলৈ

১৫.৭ অগ্রগতিৰ খতিয়ান

১৫.৮ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্রমাৰ সংজ্ঞা দিবলৈ সক্ষম হ'ব
- জ্ঞানৰ উৎসসমূহ আলোচনা কৰিবলৈ সক্ষম হ'ব
- জ্ঞানৰ উৎস হিচাপে অনুমানক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- জ্ঞানৰ উৎস হিচাপে প্রত্যক্ষক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- জ্ঞানৰ উৎস হিচাপে উপমানক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- জ্ঞানৰ উৎস হিচাপে শব্দ আপ্তবাক্যক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।

১৫.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনালোকক ন্যায় দর্শনৰ 'প্রমা'ৰ ধাৰণাৰ সৈতে পৰিচয় কৰাব। এই অধ্যায়টিৰ জৰিয়তে ইয়াৰ লগত সম্পর্ক থকা মৌলিক বিষয়সমূহ বিচাৰি উলিয়াব পাৰিব। বিষয়বোৰ হ'ল— (১) প্রমাৰ সংজ্ঞা, (২) জ্ঞানৰ উৎস হিচাপে প্রত্যক্ষ, (৩) জ্ঞানৰ উৎস হিচাপে অনুমান, (৪) জ্ঞানৰ উৎস হিচাপে উপমান আৰু (৫) জ্ঞানৰ উৎস হিচাপে শব্দ বা আপ্তবাক্য।

১৫.৩ প্রমাৰ সংজ্ঞা

প্রমাৰ সংজ্ঞা ঃ ন্যায়ৰ মতে জ্ঞান হৈছে বস্তুৰ প্রকাশ। আমাৰ চাৰিওফালে থকা বস্তুবোৰক যিদৰে এটা চাকিৰ পোহৰে পোহৰাই তোলে, ঠিক তেনেদৰে জ্ঞানেও পার্থিৱ বস্তুবোৰক প্রকাশ কৰিব পাৰে, নাইবা বস্তুবোৰক জানিবলৈ আমাক সহায় কৰে। ন্যায়ই পোষণ কৰে যে জ্ঞানক দুটা ভাগত ভগাব পৰা যায় প্রথমটো হৈছে অনুভৱ আৰু দ্বিতীয়টো হৈছে স্মৃতি। এই দুই প্রকাৰৰ জ্ঞান বৈধ নাইবা অবৈধও হ'ব পাৰে।

ন্যায়ৰ মতে, বৈধ জ্ঞানক 'প্রমা' বোলা হয়। আৰু অবৈধ জ্ঞানক কোৱা হয় 'অপ্রমা'। বৈধ জ্ঞান বিভিন্ন প্রকাৰৰ আছে। সেয়া হৈছে এনেধৰণৰ প্রত্যক্ষ অনুমান, উপমান আৰু শব্দ বা আপ্তবাক্য। আনহাতে, অবৈধ জ্ঞানো তিনি প্রকাৰৰ। সেয়া হ'ল শংকা, ভ্রান্তি (ভ্রম নাইবা বিপর্যয়) আৰু প্রাকল্পিক যুক্তি (তর্ক)।

ন্যায়ৰ মতে, অনুভৱ হৈছে বস্তুৰ এক নিশ্চিত, অভ্রান্ত আৰু অ-প্রতিলিপি অভিজ্ঞতা। উদাহৰণস্বৰূপে "মই মেজখনত এখন কিতাপ প্রত্যক্ষ কৰিছো আৰু জ্ঞান লাভ কৰিছো যে মেজখনত এখন কিতাপ আছে।" এই জ্ঞান বৈধ (প্রমা), কাৰণ ইয়াত জ্ঞান আৰু বস্তুটোৰ মাজত এক পোনপটীয়া সম্বন্ধ আছে। সেয়েহে, বৈধ জ্ঞান হৈছে এক নিশ্চিত, অভ্রান্ত আৰু জ্ঞান আৰু বস্তুৰ মাজৰ এক প্রত্যক্ষ সম্বন্ধৰ উৎপাদন।

যিহেতু স্মৃতি অতীত অভিজ্ঞতাৰ কেৱল এক পুনৰ উৎপাদন, সেয়ে ই এই অর্থত বৈধ বা অবৈধ হ'বও পাৰে যে যিহেতু ই এটা পূর্বৰ বৈধ নাইবা অবৈধ জ্ঞানৰ পুনঃউৎপাদন।

শংকাজনিত জ্ঞান প্রমা হ'ব নোৱাৰে। কিয়নো, ই নিশ্চিত জ্ঞান নহয়। ভ্রান্তিক অ-সন্দেহজনিত জ্ঞান নাইবা অনুভৱ হিচাপে গ্রহণ কৰিব পাৰি, কিন্তু ই বস্তুৰ স্বৰূপ বা প্রকৃতি প্রতি সত্য নহয়। উদাহৰণস্বৰূপে ঃ এন্ধাৰত আমি যেতিয়া ৰচী এডালকে সাপ বুলি প্রত্যক্ষ কৰোঁ, তেওঁ সেই মুহূর্তত আমি যি বস্তু প্রত্যক্ষ কৰোঁ তাৰ সত্যতা সম্পর্কে কোনো শংকা নাথাকে। কিন্তু এই প্রত্যক্ষজ্ঞান ভ্রান্তিমূলক, কাৰণ বস্তুটোৰ প্রত্যক্ষৰ দ্বাৰা আমি যি জ্ঞান লাভ কৰিছো, সি সত্য জ্ঞান নহয়। তর্কও বৈধ জ্ঞান নহয়, কাৰণ, ইও আমাক বস্তু সম্পর্কে কোনো সত্য জ্ঞান নিদিয়ে। উদাহৰণ স্বৰূপে ঃ যেতিয়া আমি আমাৰ ওচৰ মানুহৰ ঘৰত ধোঁৱা প্রত্যক্ষ কৰোঁ, আমি কওঁ যে ঘৰটোত জুই লাগিছে, কিন্তু মোৰ বন্ধু এজনে এই পূর্বৰ বক্তব্যটোত বিৰোধ ঘটায় যে ঘৰটোত জুই লগা নাই। তেওঁ সাব্যস্ত কৰে যে তাত জুই নাই। এতিয়া, প্রশ্ন উদয় হয় যে যদি তাত জুই নাই, তেন্তে তাত ধোঁৱা কেনেকৈ থাকিব পাৰে? ই নিঃসন্দেহে আমাক তর্ক বা যুক্তিৰ পিনে লৈ যায়। সেয়ে ক'ব পৰা যায় যে তর্কই আমাক পৰোক্ষ জ্ঞান দিয়ে, যাক অনুমানৰ সহায়ত নিঃসৃত কৰিব পৰা যায়। সেইকাৰণে, ই প্রমা বা বৈধ জ্ঞান হ'ব নোৱাৰে।

বৈধ জ্ঞানৰ ক্ষেত্রত নৈয়ায়িকসকলে এক গুৰুত্বপূর্ণ সন্দেহ প্রকাশক প্রশ্নৰ উত্থাপন কৰে যে মিথ্যা জ্ঞানৰ পৰা সত্য জ্ঞানক কিদৰে পৃথক কৰিব পাৰি? এই সন্দর্ভত নৈয়ায়িকসকলে

সাব্যস্ত কৰে যে সত্যজ্ঞান হৈছে সেই জ্ঞান, যি বাস্তৱ বস্তুৰ লগত সঙ্গতি ৰক্ষা কৰে। উদাহৰণস্বৰূপে ঃ 'গাখীৰ বগা'ক সত্য জ্ঞান ৰূপে স্বীকাৰ কৰা হয়, কাৰণ বাস্তৱত আমি দেখোঁ যে গাখীৰৰ ৰঙা বগা। ইয়াৰ বিপৰীতে, এই মত দিব পৰা যায় যে আমি কেতিয়াও প্রত্যক্ষ কৰা নাই যে গাখীৰৰ ৰং ক'লা, ৰঙা, সেউজীয়া ইত্যাদি। সেই কাৰণে, বগা ৰঙৰ বাহিৰে গাখীৰৰ আন সকলো ৰঙৰ স্বীকৃতি সত্য জ্ঞান হ'ব নোৱাৰে। গতিকে এই প্রশ্ন অনিবার্যভাৱে আহে যে আমি কেনেকৈ জানো যে প্রথম দাবী 'গাখীৰ বগা' সত্য আৰু আনবোৰ দাবী 'গাখীৰ ক'লা বা ৰঙা' আদি অসত্য? ইয়াত নিহিত হৈ থকা আন এক গুৰুত্বপূর্ণ প্রশ্ন এই যে আমি কেনেকৈ জ্ঞানৰ সত্যতা নাইবা অসত্যতা প্রমাণ কৰিব পাৰোঁ। ইয়াক এটা উদাহৰণেৰে ব্যাখ্যা কৰিব পৰা যায়— "পানীয়ে আমাৰ পিয়াহ দূৰ কৰে"— বচনটো প্রকৃত অর্থত সত্য হয় যে আমি পিয়াহ অনুভৱ কৰোঁ আৰু তৎক্ষণাত পানী খাওঁ আৰু লগে লগে আমাৰ পিয়াহ গুচে। এই পৰিপ্রেক্ষিতত ন্যায় দর্শনে গুৰুতৰভাৱে দেখুওৱায় যে জ্ঞানৰ সত্যতা আৰু অসত্যতা তথ্য নাইবা বস্তুৰ সৈতে ইয়াৰ সঙ্গতি আৰু অ-সঙ্গতিৰ মাজত থাকে। যদি বচনটো বস্তু নাইবা তথ্যৰ সৈতে সঙ্গতিপূর্ণ হয়, তেন্তে আমাৰ জ্ঞান সত্য হয়। আনহাতে যদি বচনটো তথ্য নাইবা বস্তুৰ লগত সঙ্গতি ৰক্ষা কৰাত অপাৰগ হয়, তেন্তে সেই বচনৰ সন্দর্ভত আমাৰ জ্ঞান অসত্য হয়। সত্য জ্ঞানে আমাক কৃতকার্যপূর্ণ ব্যৱহাৰিক কর্মৰাজিৰ পিনে অগ্রসৰ কৰায়। আনহাতে, অসত্য জ্ঞানে সত্যতাৰ লগত সঙ্গতি ৰক্ষা কৰাত অসমর্থ হয় আৰু অকৃতকার্যপূর্ণ কর্মৰাজিতে সমাপ্ত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ন্যায়ৰ মতে জ্ঞান কি?

.....

প্রশ্ন নং ২ ঃ ন্যায়ৰ মতে জ্ঞানৰ প্রকাৰসমূহ কি কি?

.....

প্রশ্ন নং ৩ ঃ ন্যায়ৰ মতে বৈধজ্ঞানৰ ভিন্ন প্রকাৰবোৰ কি কি?

.....

প্রশ্ন নং ৪ ঃ 'প্রমা' কাক বোলে?

.....

প্রশ্ন নং ৫ ঃ ন্যায়ৰ মতে অবৈধ জ্ঞানৰ বিভিন্ন প্রকাৰবোৰ কি কি?

.....

প্রশ্ন নং ৬ ঃ 'অপ্রমা' কি?

.....

প্রশ্ন নং ৭ ঃ অসত্য জ্ঞানৰ পৰা সত্য জ্ঞানক কেনেকৈ পৃথক কৰিব পাৰি?

.....

১৫.৪ ন্যায় ঃ জ্ঞানৰ উৎসসমূহ

নৈয়ায়িকসকলে চাৰি প্ৰকাৰৰ জ্ঞান উৎসক স্বীকাৰ কৰিছে। সেইয়া হৈছে— (১) প্ৰত্যক্ষ, (২) অনুমান, (৩) উপমান আৰু (৪) শব্দ বা আপ্তবাদ্য।

১৫.৪.১ প্ৰত্যক্ষ (Perception)

তৰ্কবিজ্ঞানত প্ৰত্যক্ষক সত্য জ্ঞান হিচাপে ধৰা হয়। নৈয়ায়িকসকলে প্ৰত্যক্ষক এক নিৰ্দিষ্ট জ্ঞান হিচাপে সংজ্ঞা দিয়ে, যি সংবেদন আৰু বস্তুৰ সংযোগৰ দ্বাৰা উৎপন্ন হয় আৰু যি হয় সত্য নাইবা অভ্ৰান্ত। উদাহৰণস্বৰূপে ঃ যেতিয়া মই মোৰ কোঠাত মেজখন প্ৰত্যক্ষ কৰোঁ, ই সম্ভৱ হয় মেজখনৰ লগত মোৰ চকুৰ প্ৰত্যক্ষ সংযোগৰ বাবে। আৰু এই কথাও স্পষ্ট যে মেজখনৰ লগত মেজখনৰ মোৰ প্ৰত্যক্ষ জ্ঞান নিৰ্দিষ্ট। বস্তুৰ ক্ষেত্ৰত দূৰৈৰ আৰু অস্পষ্ট প্ৰত্যক্ষজ্ঞান এক সন্দেহজনক প্ৰত্যক্ষ জ্ঞান হয়। সেইকাৰণে, ইয়াক সত্যজ্ঞান হিচাপে গ্ৰহণ কৰা নহয়। আকৌ, আন্ধাৰত ৰছীডালক সাপ প্ৰত্যক্ষ কৰাটো ভ্ৰমৰ এক পৰিণতি। সেয়ে, এনেধৰণৰ প্ৰত্যক্ষ বৈধ প্ৰত্যক্ষতকৈ পৃথক।

প্ৰত্যক্ষৰ আন এক সংজ্ঞা হৈছে যে ই এক প্ৰকাৰৰ জ্ঞান, যি উদয় হয় প্ৰত্যক্ষ কৰা বস্তুৰ দ্বাৰা আমাৰ ইন্দ্ৰিয়ৰ উত্তেজনাৰ বাবে। এই সংজ্ঞাটো কেইজনমান ভাৰতীয় আৰু পশ্চিমীয় দাৰ্শনিকৰ দ্বাৰা স্বীকৃত। আনহাতে, কিছুমান নৈয়ায়িক আৰু বৈদান্তিকে এই মত নুই কৰিছে এই ভিত্তিত যে বস্তু আৰু সংবেদনৰ সংযোগ অবিহনেও প্ৰত্যক্ষ সম্ভৱ হ'ব পাৰে। উদাহৰণস্বৰূপে ঃ ইন্দ্ৰিয় সংবেদন আৰু বস্তুৰ সংযোগৰ অবিহনেও আমি ঈশ্বৰৰ ধাৰণাক ভাবিব পাৰোঁ। আকৌ, যেতিয়া এজন ব্যক্তিয়ে আন্ধাৰত ৰছীডালক সাপ বুলি প্ৰত্যক্ষ কৰে, তেতিয়া বাস্তৱতে কোনো সাপৰ আমাৰ চকুৰ সৈতে সংযোগ নঘটে। ইয়াৰোপৰি, আমাৰ দ্বাৰা সুখ বা দুখক কোনো ইন্দ্ৰিয় সংবেদন নোহোৱাকৈয়ে প্ৰত্যক্ষ কৰিব পৰা যায়। গতিকে, ইন্দ্ৰিয় আৰু বস্তুৰ সংযোগক প্ৰত্যক্ষ সংজ্ঞাজনিত চৰ্ত বুলিব নোৱাৰি। কিন্তু সাধাৰণ সত্য এই যে প্ৰত্যক্ষ হৈছে আমাৰ ইন্দ্ৰিয়ৰ দ্বাৰা প্ৰত্যক্ষিত বস্তুৰ জ্ঞানৰ এক পোনপটীয়া অৱস্থা বা তাৎক্ষণিকতা। আকৌ, কোনো কোনো ভাৰতীয় দাৰ্শনিকে প্ৰত্যক্ষৰ সংজ্ঞা এক অমাধ্যম বা অনন্তৰ জ্ঞান হিচাপে আগবঢ়াইছে; যদিওবা তেওঁলোকে স্বীকাৰ কৰে যে বেছিভাগ ক্ষেত্ৰত প্ৰত্যক্ষ ইন্দ্ৰিয়-সংবেদনৰ দ্বাৰা চৰ্তসাপেক্ষ হয়।

১৫.৪.২ অনুমান (Inference)

অনুমান হৈছে এক প্ৰকাৰৰ জ্ঞান, যিয়ে আন কেতবোৰ জ্ঞান নিঃসৰণ কৰে। ই দুটা শব্দৰে গঠিত, এটা হৈছে 'অনু' আৰু আনটো হৈছে 'মান'। 'অনু'ৰ অৰ্থ

'পিছৰ' আৰু 'মান'ৰ অর্থ 'জ্ঞান'। গতিকে 'অনুমান' হৈছে পিছত হোৱা জ্ঞান। সেইকাৰণে, অনুমান হৈছে এক প্রকাৰৰ জ্ঞান, যি আন কেতবোৰ জ্ঞানৰ পৰা নিঃসৃত হয়। উদাহৰণ হিচাপে, পাহাৰখনত জুই আছে, কাৰণ তাত ধোঁৱা আছে। সেয়ে আমি ক'ব পাৰো যে "য'তেই ধোঁৱা আছে, ত'তেই জুই আছে।" এই উদাহৰণটোৱে দেখুৱায় যে পাহাৰখনত আমি ধোঁৱা প্রত্যক্ষ কৰোঁ, আৰু পাহাৰত ধোঁৱাৰ অস্তিত্বৰ পৰা আমি অনুমান যে পাহাৰখনত জুই আছে। ই ধোঁৱা আৰু জুইৰ মাজত এক নিয়ত সম্পর্ক প্রতিপন্ন কৰে। গতিকে অনুমান হৈছে এক যৌক্তিক প্রক্রিয়া, য'ত আমি জ্ঞাত সত্যৰ জ্ঞানৰ পৰা অজ্ঞাত সত্যৰ জ্ঞানলৈ নাইবা প্রত্যক্ষিত বস্তুৰ জ্ঞানৰ পৰা অপ্রত্যক্ষিত বস্তুৰ জ্ঞানলৈ অগ্রসৰ হওঁ। অনুমানৰ মৌলিক বৈশিষ্ট্য হৈছে যে ই দুটা পদ হেতু (ধোঁৱা) আৰু সাধ্য (জুই)ৰ মাজৰ নিয়ত সাহচর্য সম্বন্ধৰ ওপৰত নির্ভৰশীল।

১৫.৪.৩ উপমান (Comparision)

ন্যায়দর্শনৰ মতে, উপমান হৈছে যথার্থ জ্ঞানৰ তৃতীয়টো উৎস বা জ্ঞান লাভৰ উপায়। যথার্থ জ্ঞানৰ উৎস হিচাপে, ই এক নাম আৰু বস্তুৰ মাজত নাইবা এটা শব্দ আৰু ইয়াৰ বাচ্যার্থৰ মাজৰ এখ সম্বন্ধক প্রকাৰান্তৰে বুজায়। আমি উপমানৰ জৰিয়তে জ্ঞান লাভ কৰোঁ, যেতিয়া কেতবোৰ বিশ্বাসযোগ্য ব্যক্তিয়ে আমাক এটা বস্তুৰ বর্ণনাৰে কয়। কিছুমান বস্তুৰ বর্ণনাৰ ওপৰত ভিত্তি কৰি, যদিও আমি পূর্বতে সেই বস্তুটোৰ বিষয়ে নাজানো, তথাপিও আমি সেই বস্তুৰ জ্ঞান নাইবা শব্দটো প্রকৃত বস্তুৰ ক্ষেত্রত প্রয়োগ কৰিব পাৰোঁ আৰু জানিবলৈ সক্ষম হওঁ যে শব্দটো বস্তুৰ সৈতে অনুৰূপ আৰু অৱশেষত, উপমানৰ জৰিয়তে আমি বস্তুটোৰ সম্বন্ধে জ্ঞান আহৰণ কৰোঁ। উদাহৰণস্বৰূপে ঃ কোনো এজন ব্যক্তিয়ে 'গবয়' (wild cow) পূর্বে কেতিয়াও দেখা নাই। কিন্তু অৰণ্য ৰক্ষকজনে ক'লে যে 'গবয় গৰুৰ নিচিনা'। ব্যক্তিজনে এদিন অৰণ্যৰ মাজত গৰুৰ নিচিনা এটা জন্তু দেখা পালে। ব্যক্তিজনে সাদৃশ্যজ্ঞানৰ ভিত্তিত 'গবয়'ৰ জ্ঞান লাভ কৰিলে। গতিকে উপমানত সাদৃশ্যজ্ঞানেই আমাৰ জ্ঞানৰ ভিত্তি হিচাপে ধৰা হয়।

নৈয়ায়িকসকলৰ দ্বাৰা উপমান যথার্থ জ্ঞানৰ এক উৎস বা উপায় হিচাপে স্বীকৃত হৈছে যদিও আন কিছুমান ভাৰতীয় দার্শনিকৰ দ্বাৰা ই স্বীকৃতি লাভ কৰা নাই। চার্বাকই পোষণ কৰে যে উপমান যথার্থ জ্ঞানৰ উপায় নহয়, কিয়নো ই শব্দৰ বাচ্যার্থৰ বিষয়ে আমাক কোনো সত্যজ্ঞান দিব নোৱাৰে। বৌদ্ধ তর্কবিদসকলেও পোষণ কৰে যে উপমান যথার্থ জ্ঞানৰ এক স্পষ্ট আৰু স্বতন্ত্র উপায় নহয়, কাৰণ ই প্রত্যক্ষ আৰু আপ্তবাক্যৰ ফল বা পৰিণতি। ইয়াৰ পৰিবর্তে তেওঁলোকে স্বীকাৰ কৰে যে ই এক প্রকাৰৰ বৈধ জ্ঞান। বৈশেষিক আৰু সাংখ্য দর্শনে পোষণ কৰে যে,

উপমান অনুমানৰ এক প্রকাৰ। সেইবাবে, ই জ্ঞানৰ এক স্পষ্ট প্রকাৰো নহয়, নাইবা জ্ঞানৰ এক স্বতন্ত্র উপায়ো নহয়। জৈন সম্প্রদায়ে ভাবে যে ই প্রত্যাভিজ্ঞ নাইবা স্বীকৃতি প্রদানৰ এক পৰিণতি। গতিকে, এই সম্প্রদায়ে উপমানক প্রত্যাভিজ্ঞৰ স্থানলৈ ৰূপান্তৰ কৰিছে।

১৫.৪.৪ শব্দ বা আপ্তবাক্য (Testimony)

ন্যায় দার্শনিক সম্প্রদায়ে শব্দ বা আপ্তবাক্যক যথার্থ জ্ঞানার্জনৰ এক উপায় হিচাপে গ্রহণ কৰিছে। আক্ষৰিকভাৱে ই শাব্দিক জ্ঞানক বুজায়। ই শব্দ বা বাক্যৰ পৰা নিঃসৃত হোৱা বস্তুৰ জ্ঞান। কিন্তু, সকলো শাব্দিক জ্ঞানেই যথার্থ জ্ঞান নহয়। ন্যায়ই ইয়াক এক যথার্থ শাব্দিক জ্ঞান বা আপ্তাবাক্য হিচাপে ধাৰণা কৰে। এক যথার্থ প্রমাণ হিচাপে, শব্দ এজন বিশ্বাসযোগ্য, প্রকৃত জ্ঞানী আৰু সত্যবাদী লোকৰ দ্বাৰা গঠিত। এক শাব্দিক জ্ঞান সত্য হয়, যেতিয়া ই এজন মানুহৰ পৰা আহে, যিজনে কেৱল সত্যক জনাই নহয়, বৰঞ্চ তেওঁ আনৰ পথপ্রদর্শনৰ হকে সত্য কয়। ই ইয়াকো দেখুওৱায় যে এটা বচন বা উক্তি নিজে নিজেই বৈধ নহয় আৰু জ্ঞান লাভৰ বাবে ভিত্তিৰ যোগান ধৰিবলৈও ই পর্যাপ্ত নহয়। আকৌ, এটা বচনৰ শব্দবোৰৰ কেৱল প্রত্যক্ষইও বস্তুৰ জ্ঞানলৈ আগুৱাই লৈ যাব নোৱাৰে। তাতকৈ, এই কথা স্বীকাৰ কৰিব পৰা যায় যে, যেতিয়া আমি এটা বচনত শব্দবোৰক প্রত্যক্ষ কৰোঁ আৰু শব্দবোৰৰ অর্থ বুজি পাওঁ, যেতিয়া এক শাব্দিক আপ্তবচনৰ পৰা জ্ঞান আহৰণ কৰোঁ। সেয়েহে, এটা শব্দ বা আপ্তবাক্যৰ বৈধতা এজন বিশ্বাসযোগ্য ব্যক্তিৰ বাক্য বা উক্তিৰ ওপৰতে কেৱল নির্ভৰ নকৰে, বৰঞ্চ সেই বচনটোৰ অর্থৰ বোধগম্যতাৰ ওপৰতো ই নির্ভৰশীল। গতিকে, শব্দ বা আপ্তবাক্য, যথার্থ জ্ঞানার্জনৰ উপায় হিচাপে এজন বিশ্বাসযোগ্য ব্যক্তিৰ উক্তি বা বচনৰ অর্থৰ বোধগম্যতাৰ ওপৰত নির্ভৰশীল।

শব্দৰ শ্রেণীবিভাজন ঃ শব্দ বা আপ্তবাক্যৰ শ্রেণী বিভাজনৰ দুটা পথ আছে। এটাৰ মতে, শব্দ বা আপ্তবাক্য দুই প্রকাৰৰ। প্রথমটো জড়িত হয় প্রত্যক্ষিত বস্তুবোৰৰ সৈতে, য'ত আমি সাধাৰণ মানুহ, সাধু আৰু ধর্মশাস্ত্রবিলাকৰ বিশ্বাসযোগ্য কথাক অন্তর্ভুক্ত কৰোঁ। উদাহৰণস্বৰূপে ঃ আমি শস্যৰ সঠিক খেতিৰ সন্দর্ভত এজন বিশ্বাসযোগ্য খেতিয়কৰ দৃঢ়তাৰ বিষয়ে ক'ব পাৰোঁ। আনহাতে, ধর্মগ্রন্থসমূহে খৰাং অৱস্থাৰ পৰা মুক্তি পাবলৈ বৰষুণ আনিবলৈ কেতবোৰ ধর্মীয় কাম-কাজ সম্পন্ন কৰিবলৈ পৰামর্শ আগবঢ়ায়। ২য়টো জড়িত হয় অপ্রত্যক্ষিত বস্তুবোৰৰ লগত, য'ত আমি অন্তর্ভুত কৰোঁ সাধাৰণ মানুহ, সাধু, ধর্মযাজক আৰু ধর্মগ্রন্থবোৰৰ বিশ্বাসযোগ্য কথাবোৰকো। উদাহৰণস্বৰূপে ঃ আমি সাধু বা সন্ত আৰু ধর্ম-যাজকসকলৰ কথা ক'ব পাৰোঁ, যিসকলে মানৱতা, ভাতৃত্ববোধ, ধৈর্য্য, সহনশীলতা, একতা, সদ্‌গুণ আৰু অসদ্‌গুণবোৰৰ বাণী প্রদান কৰে। আনহাতে, ধর্মগ্রন্থবোৰে ঈশ্বৰ, স্বতন্ত্রতা

আৰু অমৰত্বৰ কথা আমাক কয়।

শ্রেণীবিভাজনৰ আনটো পথ অনুযায়ী শব্দ বা আপ্তবাক্য দুই ধৰণৰ আছে। এটা হৈছে ধর্মগ্রন্থ সম্বন্ধীয় নাইবা বৈদিক আৰু আনটো হৈছে ধর্মনিৰপেক্ষ। প্রথমটো ঈশ্বৰৰ কথাৰ সৈতে জড়িত। সেইকাৰণে, ই পূর্ণ আৰু অভ্রান্ত। আনহাতে, ২য়টো পূর্ণ আৰু অভ্রান্ত নহয়। ই সত্যও হ'ব পাৰে, নাইবা অসত্যও হ'ব পাৰে। কিন্তু এনে নহয়নে লৌকিক শব্দ বা আপ্তবাক্য সকলো ক্ষেত্রতে অবৈধ, কিয়নো এজন বিশ্বাসযোগ্য ব্যক্তিৰ কথা বৈধ বা যথার্থ হৈ পৰে। ওপৰত উল্লেখিত শব্দ বা আপ্তবাক্যৰ শ্রেণীবিভাজনৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে শ্রেণীবিভাজনৰ প্রথমটো জ্ঞানৰ বিষয়ৰ স্বৰূপৰ সৈতে জড়িত। আনহাতে, ২য়টোৱে জ্ঞান উৎস বা উপায়ৰ নির্দেশ দিয়ে। দুয়োটা শ্রেণীবিভাজন এইদিশত একমত যে শব্দ বা আপ্তবাক্য সদায় ব্যক্তিজনিত হ'বই লাগিব, যি বিশ্বাসযোগ্য লোকৰ কথাৰ ওপৰত প্রতিষ্ঠিত, তেওঁ মানৱেই হওঁক নাইবা স্বর্গীয়ই হওঁক। সত্যতাৰ ক্ষেত্রত ঈশ্বৰৰ দাৰা প্রকাশিত বিশ্বাসযোগ্য ব্যক্তি, সন্ত, ধর্মগুৰু আৰু ধর্মগ্রন্থৰ দৃঢ়তাৰ মাজত কোনোধৰণৰ পার্থক্য নাই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ ন্যায়ৰ মতে জ্ঞানৰ উৎস বা উপায়সমূহ কি কি?

.....

প্রশ্ন নং ৯ ঃ ন্যায়ৰ মতে প্রত্যক্ষ কি?

.....

প্রশ্ন নং ১০ ঃ উদাহৰণসহ অনুমানৰ সংজ্ঞা দিয়ক?

.....

প্রশ্ন নং ১১ ঃ 'অনুমান' শব্দৰ গঠনকাৰী শব্দ দুটা কি কি?

.....

প্রশ্ন নং ১২ ঃ 'উপমান' কাক বোলে?

.....

প্রশ্ন নং ১৩ ঃ উপমানৰ এটা উদাহৰণ দিয়ক।

.....

প্রশ্ন নং ১৪ ঃ বৌদ্ধ তর্কবিদসকলে কিয় পোষণ কৰে যে উপমান যথার্থ জ্ঞানৰ এক উপায় নহয়।

.....

প্রশ্ন নং ১৫ ঃ শব্দ বা আপ্তবাক্যৰ আক্ষৰিক অর্থটো লিখক।

.....

প্রশ্ন নং ১৬ ঃ অনুমানৰ মৌলিক বৈশিষ্ট্যটো উল্লেখ কৰক।

.....



১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ন্যায়ই পোষণ কৰে যে, জ্ঞান হৈছে বস্তুৰ প্রকাশ। আমাৰ চাৰিওফালে থকা পার্থিৰ বস্তুবোৰক যিদৰে এটা চাকিৰ পোহৰে পোহৰাই তোলে, ঠিক তেনেদৰে জ্ঞানেও বস্তুবোৰক প্রকাশ কৰিব পাৰে নাইবা আমাৰ আগত বস্তুবোৰক জানিবলৈ সহায় কৰে।
- ন্যায়ৰ মতে, জ্ঞান দুই প্রকাৰৰ ঃ প্রথমটো হ'ল অনুভৱ আৰু দ্বিতীয়টো হ'ল স্মৃতি।
- ন্যায়ই যথার্থ জ্ঞানৰ বিভিন্ন প্রকাৰ স্বীকাৰ কৰিছে। সেইবোৰ হৈছে ঃ প্রত্যক্ষ, অনুমান, উপমান আৰু শব্দ বা আপ্তবাক্য। আনহাতে অযথার্থ জ্ঞানো তিনি প্রকাৰৰ ঃ সংশয়, ভ্রান্তি (ভ্রম বা বিপর্যয়) আৰু প্রাকল্পিক যুক্তি (তর্ক)।
- যথার্থ অনুভৱমূলক জ্ঞানৰ সংজ্ঞা বস্তুৰ এক নিশ্চিত, অভ্রান্ত আৰু অনা-উৎপাদিত অভিজ্ঞতা হিচাপে আগবঢ়াইছে। উদাহৰণ স্বৰূপে ঃ 'x'য়ে মেজখনত এখন কিতাপ প্রত্যক্ষ কৰিছে আৰু লগে লগে 'x'য়ে জ্ঞান আহৰণ কৰে যে 'মেজখনত এখন কিতাপ আছে। এই জ্ঞান যথার্থ জ্ঞান (প্রমা), কাৰণ, জ্ঞান আৰু বস্তুটোৰ মাজত এক পোনপটীয়া সম্পর্ক আছে। গতিকে, যথার্থ জ্ঞান এক নিশ্চিত, অভ্রান্ত আৰু জ্ঞান আৰু বস্তুৰ মাজৰ এক পোনপটীয়া সম্পর্কৰ উৎপাদন।
- ন্যায়ৰ মতে তর্ক যথার্থ জ্ঞান নহয়, কিয়নো ই বস্তু সম্পর্কে আমাক সত্য জ্ঞানৰ সন্ধেদ নিদিয়ে। উদাহৰণস্বৰূপে ঃ যেতিয়া আমি আমাৰ প্রতিবেশীৰ ঘৰত ধোঁৱা দেখা পাওঁ, আমি কওঁ যে ঘৰটোত জুই লাগিছে। কিন্তু, মোৰ এজন বন্ধুৱে মোৰ সেই কথাৰ বিৰোধিতা কৰে, কাৰণ তেওঁ দৃঢ়তাৰে সাব্যস্ত কৰে যে তাত কোনো জুই নাই। এতিয়া প্রশ্ন হয় যে যদিহে তাত জুই নাই, তাত ধোঁৱা কেনেকৈ আছে বা থাকিব পাৰে। ইয়ে নিঃসন্দেহে আমাক তর্কলৈ লৈ যায়। গতিকে, ক'ব পৰা যায় যে, তর্কই আমাক পৰোক্ষ জ্ঞান দিব পাৰে, যাক অনুমানৰ পৰা পাব পাৰি। সেইকাৰণে, ই প্রমা নাইবা বৈধ জ্ঞান নহয়।
- ন্যায়ই গুৰুত্ব সহকাৰে দেখুওৱাই যে, জ্ঞানৰ সত্যতা আৰু অসত্যতা বাস্তৱ বস্তুৰ সৈতে থকা সঙ্গতি আৰু অ-সঙ্গতিৰ মাজত নিহিত থাকে। যদি বচনটো প্রকৃত বস্তুটোৰ লগত সঙ্গতিপূর্ণ হয়, তেতিয়া ই সত্য হিচাপে স্বীকৃত হয়। আনহাতে, যদি প্রকৃত বস্তুটোৰ সৈতে সঙ্গতি বজাই চলাত বচন নাইবা উক্তিটো সমর্থ নহয়, তেন্তে সেই বচন

বা উক্তিটোৰ সন্দর্ভত আমাৰ জ্ঞান অসত্য হৈ পৰে। সত্য জ্ঞানে ব্যৱহাৰিক কার্যৰ কৃতকার্যতাৰ পিনে লৈ যায়, আনহাতে, অসত্য জ্ঞান প্রকৃত সত্যৰ সৈতে সঙ্গতি ৰক্ষা কৰাত অপাৰগ হয় আৰু অকৃতকার্য কার্যতে অন্ত পৰে।

- ন্যায়ই সত্য জ্ঞানৰ চাৰি প্রকাৰৰ উপায়ৰ পৰামর্শ আগবঢ়াইছে। সেয়া হৈছে ঃ (১) প্রত্যক্ষ, (২) অনুমান, (৩) উপমান আৰু (৪) শব্দ বা আপ্তবাক্য।
- ন্যায়ৰ মতে, প্রত্যক্ষ হ'ল একপ্রকাৰ জ্ঞান, যাক এক নির্দিষ্ট জ্ঞান বোলা হয় আৰু ই সৃষ্টি হয় সংবেদন আৰু বস্তুৰ সংযোগৰ ফলত আৰু যাক সত্য আৰু অভ্রান্ত হিচাপে ভবা হয়।
- অনুমান (Inference) হৈছে একপ্রকাৰৰ জ্ঞান, যি আন জ্ঞানৰ পৰা আহে বা নিঃসৃত হয়। উদাহৰণস্বৰূপে ঃ পাহাৰখনত জুই আছে, কাৰণ তাত ধোঁৱা আছে —হৈছে অনুমানৰ এক উদাহৰণ। জ্ঞাত জ্ঞান 'ধোঁৱা'ৰ ওপৰত ভিত্তি কৰি অজ্ঞাত জ্ঞাত 'জুই'ৰ জ্ঞান লাভ কৰা হয়।
- উপমান একপ্রকাৰৰ যথার্থ জ্ঞান। ই নাম আৰু বস্তুৰ মাজত নাইবা এক শব্দ আৰু ইয়াৰ বাচ্যার্থৰ মাজত এক সম্পর্ক নির্দেশ কৰে। আমি উপমানৰ জৰিয়তে জ্ঞান লাভ কৰোঁ, যেতিয়া এজন বিশ্বাসযোগ্য ব্যক্তিয়ে বর্ণনাৰ জৰিয়তে আমাক কোনো বস্তুৰ বিষয়ে কয়।
- শব্দ বা আপ্তবাক্য একপ্রকাৰৰ যথার্থ জ্ঞান। ই হৈছে শব্দ বা বাক্যৰ পৰা নিঃসৃত হোৱা জ্ঞান। ইয়াক নৈয়ায়িকসকলে এক বৈধ শাব্দিক আপ্তবাক্য হিচাপে সংজ্ঞা দিছে। এক যথার্থ প্রমাণ হিচাপে শব্দ এজন বিশ্বাসযোগ্য ব্যক্তিৰ কথাৰে গঠিত। এক আপ্তবাক্য সত্য হৈ পৰে, যেতিয়া ই এজন ব্যক্তিৰ পৰা আহে, যিজনে কেৱল সত্যক জনাই নহয়, বৰঞ্চ, আন মানুহৰ পথপ্রদর্শনৰ হকে সত্য কয়। সেই কাৰণে, শব্দ বা আপ্তবাক্য একপ্রকাৰৰ যথার্থ জ্ঞান।



১৫.৬ অধিক জানিবলৈ

1] Chatterjee, S.C. and Dutta, D.M. (1968). An Introduction to Indian Philosophy. University of Calcutta.

2] Hiriyanna. M. (1993). Outlines of Indian Philosophy. Delhi : Motilal Banarassidass Publishers Pvt. Ltd.

3] Radhakrishnan. S. (1923). Indian Philosophy (Vol.-2). Oxforx University Press.

4] Sharma, C.D. (1973). A Critical Survey of Indian Philosophy. Delhi : Motilal Banarasidass.



১৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জ্ঞান হৈছে বস্তুবোৰৰ প্রকাশ। আমাৰ চাৰিওফালে অস্তিত্বশীল ইন্দ্রিয়গ্রাহ্য বস্তুবোৰক চাকিৰ পোহৰে পোহৰাই তোলাৰ দৰে জ্ঞানেও বস্তুবোৰক প্রকাশ কৰে নাইবা সিহঁতক জানিবলৈ আমাক সহায় কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ অনুভৱ আৰু স্মৃতি।

৩ নং প্রশ্নৰ উত্তৰ ঃ প্রত্যক্ষ, অনুমান, উপমান আৰু শব্দ বা আপ্তবাক্য।

৪ নং প্রশ্নৰ উত্তৰ ঃ যথার্থ জ্ঞানক 'প্রমা' বোলা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ শংকা, ভ্রান্তি আৰু প্রাকল্পিক যুক্তি।

৬ নং প্রশ্নৰ উত্তৰ ঃ অযথার্থ জ্ঞানক 'অপ্রমা' বোলা হয়।

৭ নং প্রশ্নৰ উত্তৰ ঃ ন্যায়ৰ মতে, সত্য জ্ঞান হৈছে যি প্রকৃত বস্তুৰ সৈতে সঙ্গতিপূর্ণ হয়। আনহাতে, অসত্য জ্ঞান প্রকৃত বস্তুৰ সৈতে সঙ্গতিপূর্ণ নহয়। উদাহৰণ স্বৰূপে ঃ 'ঘাঁহ সেউজীয়া'— সত্য জ্ঞান, কিয়নো বাস্তৰ ক্ষেত্রত আমি দেখা পাওঁ যে 'ঘাঁহ সেউজীয়া'। আমি ক'তো দেখা নাপাওঁ যে 'ঘাঁহ ৰঙা'। সেই কাৰণে, এই সন্দর্ভত ন্যায়ই দেখুৱায় যে জ্ঞানৰ সত্যতা আৰু অসত্যতা প্রকৃত বস্তুৰ সৈতে থকা সঙ্গতি আৰু অসঙ্গতিৰ মাজত নিহিত থাকে।

৮ নং প্রশ্নৰ উত্তৰ ঃ (১) প্রত্যক্ষ, (২) অনুমান, (৩) উপমান আৰু (৪) শব্দ বা আপ্তবাক্য।

৯ নং প্রশ্নৰ উত্তৰ ঃ নৈয়ায়িকসকলে এক নির্দিষ্ট জ্ঞান হিচাপে প্রত্যক্ষৰ সংজ্ঞা আগবঢ়াইছে, যি সৃষ্টি হয় সংবেদন আৰু বস্তুৰ সংযোগৰ দ্বাৰা। যি জ্ঞান সংবেদন আৰু বস্তুৰ সংযোগৰ পৰা উদ্ভৱ হয়, তেনে জ্ঞানক সত্য আৰু অভ্রান্ত বুলি ধাৰণা কৰা হয়।

১০ নং প্রশ্নৰ উত্তৰ ঃ অনুমানে দুটা শব্দৰে গঠিত এক জ্ঞানক বুজায়। 'অনু'ৰ অর্থ 'পিছত' আৰু 'মান'ৰ অর্থ 'জ্ঞান'। গতিকে, 'অনুমান' হৈছে পিছত হোৱা জ্ঞান। সেইবাবে, অনুমান হৈছে একপ্রকাৰৰ জ্ঞান, যি আন জ্ঞানৰ পৰা আহে বা নিঃসৃত হয়। উদাহৰণ স্বৰূপেঃ য'তেই ধোঁৱা আছে, তাতেই জুই আছে।

১১ নং প্রশ্নৰ উত্তৰ ঃ 'অনু' শব্দৰ অর্থ 'পিছত' আৰু 'মান' শব্দৰ অর্থ 'জ্ঞান'।

১২ নং প্রশ্নৰ উত্তৰ ঃ যথার্থ জ্ঞানৰ এক উপায় হিচাপে উপমানে এক নাম আৰু বস্তু, নাইবা এক শব্দ আৰু ইয়াৰ বাচ্যার্থৰ মাজৰ এক সম্বন্ধক নির্দেশ কৰে। আমি উপমানৰ জৰিয়তে জ্ঞান লাভ কৰোঁ, যেতিয়া বিশ্বাসযোগ্য কোনো ব্যক্তিয়ে বর্ণনাৰ জৰিয়তে আমাক বস্তুবোৰৰ বিষয়ে কয়।

১৩ নং প্রশ্নৰ উত্তৰ ঃ উদাহৰণস্বৰূপেঃ এজন মানুহে গবয় নাইবা বনৰীয়া গৰুৰ বিষয়ে একোৰেই নাজানে, কিন্তু এজন বনৰক্ষকে তেওঁক ক'লে যে গবয় আৰু বনৰীয়া গৰু

দেখাত একে। পাছত তেওঁ হাবিত এনে এক জন্তু দেখা পালে আৰু তাক গবয় স্বীকৃতি দিলে। আৰু বনৰীয়া গৰু এই জ্ঞান উপমানৰ বাবে হৈছে।

১৪ নং প্রশ্নৰ উত্তৰ ঃ বৌদ্ধ তৰ্কবিদসকলে মত প্রকাশ কৰে যে উপমান যথার্থ জ্ঞানৰ এক উপায় নহয়, কিয়নো, ই শব্দ নাইবা আপ্তবাক্যৰ পৰা আহে। সেইবাবে, তেওঁলোকৰ মতেই জ্ঞানৰ এক যথার্থ প্রকাৰ নহয়।

১৫ নং প্রশ্নৰ উত্তৰ ঃ আক্ষৰিকভাৱে, ইয়াৰ অর্থ যথার্থ জ্ঞান (knowledge)।

১৬ নং প্রশ্নৰ উত্তৰ ঃ অনুমান দুটা পদ 'হেতু' (ধোঁৱা) আৰু 'সাধ্য' (জুই)ৰ মাজৰ এক নিয়ত সাহচর্য সম্পর্কৰ ওপৰত নির্ভৰশীল।



১৫.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃঅনুভৱ জ্ঞান (Presentative Knowledge) কি?

প্রশ্ন ২ ঃস্মৃতি জ্ঞানৰ সংজ্ঞা আগবঢ়াওক।

প্রশ্ন ৩ ঃ'প্রমা' কি?

প্রশ্ন ৪ ঃ'অপ্রমা' কি?

প্রশ্ন ৫ ঃন্যায়ৰ মতে যথার্থ জ্ঞানৰ বিভিন্ন উপায়বোৰ কি কি?

প্রশ্ন ৬ ঃ প্রত্যক্ষ কি?

প্রশ্ন ৭ ঃ শব্দ বা আপ্তবাক্য কি?

প্রশ্ন ৮ ঃ 'শব্দ' বা আপ্তবাক্য'ৰ আক্ষৰিক অর্থ কি?

প্রশ্ন ৯ ঃ উপমান কি?

প্রশ্ন ১০ ঃ ন্যায়ৰ মতে জ্ঞানৰ দুটা শ্রেণীবিভাজন কি কি?

(খ) চমু প্রশ্ন (১০০-১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ কৰিব)

প্রশ্ন ১ ঃ ন্যায়ৰ মতে যথার্থ জ্ঞান কি? চমুকৈ বিভিন্ন প্রকাৰৰ যথার্থ জ্ঞানসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ সন্দেহজনক জ্ঞান কিয় প্রমা নহয়? চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ সত্য জ্ঞান কিদৰে অবৈধ জ্ঞানৰ পৰা পৃথক? চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ চমুটোকা লিখক ঃ

(ক) জ্ঞানৰ উপায় হিচাপে প্রত্যক্ষ

(খ) জ্ঞানৰ উপায় হিচাপে অনুমান

(গ) জ্ঞানৰ উপায় হিচাপে উপমান

(ঘ) জ্ঞানৰ উপায় হিচাপে শব্দ বা আপ্তবাক্য

প্রশ্ন ৫ ঃ শব্দ বা আপ্তবাক্য কি? চমুকৈ শব্দৰ প্রকাৰসমূহৰ ব্যাখ্যা কৰক।

প্রশ্ন ৬ ঃ উপমান কাক বোলে? উপযুক্ত উদাহৰণেৰে ইয়াক চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৭ ঃ ন্যায়ৰ মতে প্রত্যক্ষ কি? চমুকৈ ব্যাখ্যা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৪০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ ন্যায়ৰ 'প্রমা'ৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ ন্যায়ৰ মতে বিভিন্নধৰণৰ জ্ঞানৰ উপায়সমূহ কি কি? জ্ঞানৰ উপায় হিচাপে প্রত্যক্ষৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ ন্যায় দর্শনৰ অনুমানৰ ধাৰণাটো উপযুক্ত উদাহৰণসহ আলোচনা কৰক।

প্রশ্ন ৪ ঃ ন্যায়ৰ মতে উপমান কি? উপযুক্ত উদাহৰণসহ আলোচনা কৰক।

প্রশ্ন ৫ ঃ ন্যায়ৰ মতে শব্দ বা আপ্তবাক্য কি? উপযুক্ত উদাহৰণসহ ইয়াৰ প্রকাৰসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ৬ ঃ ভাৰতীয় ন্যায় দার্শনিক সম্প্রদায়ৰ যথার্থ জ্ঞানৰ উপায়সমূহ ব্যাখ্যা কৰক।

*** ***** ***